সোণাৰি মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ

# সোণালী

২০০৫-০৬ বৰ্ষ




সম্পাদক

অমৃত কুমাৰ গুৰুং




মহাবিদ্যালয়ৰ অধ্যক্ষ তথা ছাত্ৰ একতা সভাৰ
স্থায়ী সভাপতি ড° **ৰাজেন তামুলী ছাৰ**



কৰ্মৰত অৱস্থাত মহাবিদ্যালয়ৰ উপাধ্যক্ষা
**শ্ৰীযুক্তা ৰতিপ্ৰভা গগৈ বাইদেউ**

# সোণাৰি মহাবিদ্যালয় আলোচনী

## SONARI COLLEGE MAGAZINE

Year 2005-2006

*Presented to :*

.................................................................

.................................................................

*With best Compliments From :-*

Editor

*Amrit Kr. Gurung*

# SONALI

THE ANNUAL MAGAZINE OF SONARI COLLEGE
VOLUME XIX, 2005-06

**EDITORIAL BOARD**

**HONOURABLE PRESIDENT**
*Dr. Rajen Tamuli*

**HONOURABLE ADVISERS**
*Prof. Binanda Mohan*
*Prof. Sunil Dutta*
*Prof. Dipanjali Gogoi*
*Prof. Raghunath Kagyung*

**EDITOR**
*AMRIT KUMAR GURUNG*

**MEMBERS**
*Binoy Baruah*
*Daisy Konwar*

**COVER PAGE DESIGN**
*Shyamanta Bora*

**PUBLISHER :** *Sonari College Students' Union, 2005-06*

**D. T. P. :** *Unique D. T. P. Centre, Sonari*

**PRINTED :** *Eastern Printers, Sonari*



সোণাৰি মহাবিদ্যালয়
তেজস্বি : নাবধিতমচ্ছু
SONARI COLLEGE

# মহাবিদ্যালয় সংগীত

গীতিকাৰ তথা সুৰকাৰ ঃ ৰীতা দত্ত
তাল ঃ ৰূপক

মঙ্গল উৰুলি জোকাৰি মাতিছোঁ
আলোক সন্ধানী আহাঁ,
পদুমৰ পানচৈ মেলি দি সাগৰত
জ্ঞানৰ মুকুতা লোৱা।।

লক্ষ্য হওঁক দূৰ দিগন্ত
প্ৰসাৰিত হওঁক হাত
বহু যোজন যাবই লাগিব
পৰি আছে মৌ বাট
বাৰে বৰণীয়া ফুলৰ পাপৰিৰে
জীৱন ৰঙীন কৰা।
জ্ঞানৰ মুকুতা লোৱা।।

জ্ঞান-মন্দিৰ যদি সুৰৰ সভা হয়
তুমি তাৰ গীতিছন্দ,
তৰাৰ সভাত যদিমৃদু মলয়া
তুমি তাৰ সুধা চন্দ্ৰ।
সুন্দৰৰে পথ যাত্ৰাৰেই ৰ'ব
থমকি নৰ'বা
জীৱন ৰঙীন কৰা
জ্ঞানৰ মুকুতা লোৱা।।

* * *

## আমি যিসকলৰ ওচৰত কৃতজ্ঞ

★ ড° কুলেন্দু পাঠক
উপাচাৰ্য, ডিব্ৰুগড় বিশ্ববিদ্যালয়

★ শ্ৰীযুত শৰৎ বৰকটকী
বিধায়ক তথা মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি

★ শ্ৰীযুত তপন কুমাৰ গগৈ
সাধাৰণ সম্পাদক, সদৌ অসম ছাত্ৰ সন্থা

★ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ শ্ৰীযুত গোলাপ বৰগোহাঁই, শ্ৰীযুত ৱবিন চন্দ্ৰ কোঁৱৰ, শ্ৰীযুত সুৰেশ দাস আৰু স্বৰ্গীয়া কমলাৱতী দাস শইকীয়া

★ মহাবিদ্যালয়ৰ অধ্যক্ষ তথা ছাত্ৰ একতা সভাৰ সভাপতি ড° ৰাজেন তামুলী

★ মহাবিদ্যালয়ৰ উপাধ্যক্ষা শ্ৰীযুক্তা ৰতিপ্ৰভা গগৈ

★ আলোচনী বিভাগৰ উপদেষ্টা শ্ৰীযুত বিনন্দ মহন, শ্ৰীযুত সুনীল দত্ত, শ্ৰীযুক্তা দিপাঞ্জলী গগৈ আৰু শ্ৰীযুত ৰঘুনাথ কাগয়ুং

★ মহাবিদ্যালয়ৰ সমূহ অধ্যাপক-অধ্যাপিকা

★ মহাবিদ্যালয়ৰ সমূহ কৰ্মচাৰীবৃন্দ

★ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়াসকল

★ যিসকলৰ লিখনিৰে আলোচনীখন প্ৰকাশ কৰিবলৈ সক্ষম হ'লো

★ যিসকল উদ্যমী ছাত্ৰ-ছাত্ৰীয়ে আমাক উৎসাহ যোগাইছিল

★ সদৌ শেষত 'ইউনিক ডি.টি.পি.'ৰ স্বত্বাধিকাৰী আৰু 'ইষ্টাৰ্ণ প্ৰিন্টাৰ্চ'ৰ স্বত্বাধিকাৰী ও সমূহ কৰ্মকৰ্তাক কৃতজ্ঞতা জ্ঞাপন কৰিছো।

★ ★ ★



## উচৰ্গা

অকালতে আমাৰ মাজৰ
পৰা হেৰাই যোৱা
স্নাতক কলা শাখাৰ
দ্বিতীয় বৰ্ষৰ ছাত্ৰী
স্বৰ্গীয়া বৈশালী মহনৰ
পবিত্ৰ স্মৃতিত সোণালি
মহাবিদ্যালয়ৰ বাৰ্ষিক
মুখপত্ৰখনি উচৰ্গা
কৰিলো।

**Sri Sarat Barkotoky**, MLA
106, Sonari LAC

Ph. : 0361-2262221 (R)
03772-256737 (Sonari)

Date ......................

**MESSAGE**

*Sri Amrit Kr. Gurung*
*Editor, Sonari College Magazine*
*Year 2005-06*

*Dear Sriman Gurung,*

*I am very happy to learn that you are going to bring out the 19th issue of your college magazine very shortly. A college magazine is a mirror where the academic, cultural and intellectual faculties of the entire teaching and learning community of the institution are reflected. It also serves as a nursery for budding writers who at a later stage may contribute immensely to the literary field of the society.*

*I hope, with the help out guidance of your teachers you will be able to make the 19th issue of the journal a landmark one.*

*Yours sincerely,*

MLA 27/12/05

(SARAT BARKOTOKY)



সদৌ অসম ছাত্ৰ সন্থা
ALL ASSAM STUDENTS' UNION
মুখ্য কাৰ্যালয় ঃ গুৱাহাটী বিশ্ববিদ্যালয়
HEAD OFFICE : GAUHATI UNIVERSITY, GUWAHATI - 781014

প্ৰসংঙ্গ নং ..............................

তাং ০৬/০২/০৬

শুভেচ্ছাবাণী

সোণাৰি মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ 'সোণালী' প্ৰকাশ কৰিবলৈ যো-জা কৰা বুলি জানিব পাৰি আনন্দিত হৈছো। 'সোণালী'য়ে মহাবিদ্যালয়খনৰ অতীত আৰু বৰ্তমানে গৌৰৱউজ্জ্বল দিনবোৰৰ প্ৰতিটো মুহূৰ্তৰ চানেকি বহন কৰিবলৈ সক্ষম হ'ব বুলি আশা কৰিলো।

মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীৰ মাজৰ গুৰু-শিষ্যৰ মধুৰ মিলনে সুস্থ শৈক্ষিক বাতাবৰণ সৃষ্টি কৰিব। ছাত্ৰ-ছাত্ৰীৰ সৃষ্টিবোৰ 'সোণালী'ৰ পাতত প্ৰতিফলন ঘটিব। ছাত্ৰ-ছাত্ৰীয়ে গভীৰ আত্মপ্ৰত্যয় আৰু প্ৰতিশ্ৰুতিৰে সন্মুখত আহি থকা সকলো প্ৰত্যাহ্বান অতিক্ৰম কৰিবলৈ নিজৰ পঢ়া-লিখা আৰু শিক্ষা গ্ৰহণৰ কঠোৰ শ্ৰমত ব্ৰতী হৈ উচিতভাৱে গুণসম্পন্ন মানৱ সম্পদ হিচাপে নিজকে প্ৰস্তুত কৰিব পাৰিব লাগিব, এই আশা আপোনাসৱৰ পৰা কৰিলো।

আটাইলৈ আমাৰ হিয়াভৰা শুভেচ্ছা জনালো।

(তপন কুমাৰ গগৈ)
সাধাৰণ সম্পাদক
সদৌ অসম ছাত্ৰ সন্থা

# EDITORIAL BOARD




*Dr. Rajen Tamuli*
*President*




*Binanda Mohan*
*Adviser*




*Sunil Dutta*
*Adviser*



*Dipanjali Gogoi*
*Adviser*



*Amrit Kr. Gurung*
*Editor*




*Binoy Baruah*
*Member*



*Daisy Konwar*
*Member*




# ‘সোণালী’ৰ এই সংখ্যাত সমৃদ্ধ হৈছে ...




## কবিতা (৮৯ - ১০০)


❖ মুনমী কোঁৱৰ ❖ পৰী গগৈ ❖ লম্বিত গগৈ ❖ কল্যাণ কোঁৱৰ ❖ জিন্তী মহন ❖ আঞ্জুম আৰা হক ❖ বাবুল ভৰলুৰা ❖ অৰিন্দম চক্ৰৱৰ্তী ❖ বিৰাজ প্ৰতীম গগৈ ❖ ৰূপজ্যোতি বৰগোহাঁই ❖ মহেন্দ্ৰ বড়া ❖ পৰাগজ্যোতি মহন্ত ❖ মোন গগৈ ❖ ৰুবী বড়া ❖ বিজিত কুমাৰ টিপমীয়া ❖ লিপিকা গগৈ ❖ জেলসিং য়েইন ❖ পাপৰি চুতীয়া ❖ দেৱজিৎ বড়া ❖ ময়ূৰী দেৱী ❖ ৰুমী শ্যামলিমা বড়া ❖ ৰিতু বসুমতাৰী ❖ পুষ্পাঞ্জলি চেতিয়া


## প্ৰবন্ধ (১৩ - ৫৬)


- অসম বুৰঞ্জীৰ সাহিত্যিক মূল্যায়ন ❖ বিনন্দ মহন
- কেন্দ্ৰীয় চৰকাৰৰ ‘পূবলৈ চোৱা নীতি’ আৰু উত্তৰ পূৰ্বাঞ্চলৰ ভৱিষ্যত ❖ অৰ্পণ কুমাৰ বৰুৱা
- এলবাৰ্ট আইনষ্টাইন, এক অনন্য প্ৰতিভা ❖ ৰীণা বৰঠাকুৰ
- অতুলনীয় পাই (π) আৰু আৰ্যভট্ট ❖ ড° ৰাণা কোঁৱৰ
- হোমেন বৰগোহাঞীৰ সন্ধানত .... ❖ তেগমণি প্ৰধান
- অসমৰ চাহ জনগোষ্ঠীসকলৰ লোকগীত আৰু লোকনৃত্যৰ এটি চমু ইতিবৃত্তি ❖ সাগৰ তাঁতী
- সমাজ আৰু সংস্কৃতি ❖ ডেইজী দিহিঙ্গীয়া
- ‘মা’ৰ জীৱনপঞ্জী ❖ পল্লৱী প্ৰিতম বৰুৱা
- বহাগত পবিত্ৰ চংক্ৰেন বা চাংকেন ❖ গীতাঞ্জলী শ্যাম
- ছাত্ৰ সমাজত বাইক আৰু ম’বাইল ফোনৰ অপব্যৱহাৰ ❖ ৰূপজ্যোতি বৰগোহাঁই
- বন্ধু আৰু বন্ধুত্ব ❖ বিৰূপ কুমাৰ গগৈ
- মানুহৰ মাত-কথা ❖ মিচ ৰুবী বড়া
- ৰাগিয়াল বস্তু আৰু সমাজত ইয়াৰ প্ৰভাৱ ❖ ভবেন গগৈ
- কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ জৈৱ-বিচিত্ৰতা আৰু বন্যপ্ৰাণী সংৰক্ষণৰ ওপৰত যুগুত কৰা ক্ষেত্ৰ ভিত্তিক অধ্যয়নৰ এক খতিয়ান


## এক অলৌকিক ঘটনা




(৮৪ - ৮৫)
- সপোনৰ পম খেদি ... ❖ পৰী গগৈ


## ভ্ৰমণ কাহিনী


(২৫ - ২৭)
- সেউজ নগৰী বাঙ্গালোৰত মোৰ এখোজ ❖ বানী দেৱী


## শ্ৰদ্ধাঞ্জলি (৫৭-৫৯)


❖ স্বৰ্গীয়া জ্যোতিকা দাসৰ স্মৃতিত এটুপি অশ্ৰুঅঞ্জলি




গল্প সম্ভাৰ (৬০ - ৮৩)

- এনাজৰী ❖ মুনমী গগৈ
- চাদৰ ❖ অনুজ চাংমাই
- নিয়তিৰ বিধান ❖ নবদীপা বৰগোহাঁই
- আঁউসীৰ জোন ❖ পৰাগজ্যোতি মহন্ত
- ভগ্নময় জীৱন ❖ প্ৰশান্ত লিকচন
- এমুঠি বিৰহৰ বেদনা ❖ পাপৰী চুতীয়া
- দোমোজা ❖ ভবেন গগৈ
- শেষ সিদ্ধান্ত ❖ খঞ্জন বৰুৱা
- জীৱনৰ চকৰী ❖ হিৰেশ্বৰ দাস

মহাবিদ্যালয়ৰ কেইজনমান প্ৰাক্তন ছাত্ৰ আৰু স্নাতক চূড়ান্ত বৰ্ষৰ ছাত্ৰ-ছাত্ৰীৰ মহাবিদ্যালয়খনিক লৈ তেওঁলোকৰ অনুভৱ (৮৬ - ৮৮)

ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকলৰ বাৰ্ষিক প্ৰতিবেদন (১১৪ - ১২৪)

ফটো এলবাম্ (১১০ - ১১৩)

*English Section...* (101 - 107)

- The Teaching and Learning of English at the Higher Secondary Level ❖ Sunil Dutta
- Need of Environmental Education for T. D. C. Students ❖ Rana Konwar
- Society and Law in the Hindu and Buddhist Tradition ❖ Lipika Gogoi

*Poem* (108 - 109)

❖ Md. Nasir Ahmed ❖ Sagorika Paul ❖ Shanti Newar
❖ Washim Raja ❖ Mrs. Deepanjali Gogoi
❖ Alibhushan Paul ❖ Md. Rokib Ali






সম্পাদকীয়



# কাঁচিজোন দেখিলো ...

"আকৌ এক দুস্বপ্ন
আতংকৰে ভৰা অন্য এক পৃথিৱী
সকলোতে,
হিংসাৰ লেলিহান শিখাই দহিছে
ঘৰৰ মুধচত ফেঁচাৰ বিকট চিঞৰ
নতুন বিপদৰ আগজাননী
অকস্মাত ধৰিত্ৰী কঁপি উঠিল
আৰ্তনাদ, কান্দোনৰ ৰোল
অন্য এক বিভীষিকা
ঘৰৰ গোহালিত জুই লাগিল
কলী গাইজনী ভয়তে দপ্‌দপাইছে
গাঁৱৰ তিৰোতাই পিৰালীত বহি
বুকু ভুকুৱাই কান্দিছে
হঠাৎ স্তব্ধ, চাৰিওফালে শান্ত
ধূসৰ পোহৰৰ আভাস, কোন সিহঁত ?
হাতত একোগছি চাঁকি লৈ আগবাঢ়িছে
হয়তো,
আকাশত কাঁচিজোন ওলাইছে।"

এইয়া আজিৰ পৃথিৱীৰ প্ৰতিচ্ছবি। বৈচিত্ৰময় পৃথিৱীৰ জীৱশ্ৰেষ্ঠ মানৱ সমাজৰ চূড়ান্ত অৱনতিয়ে আমাক উপনীত কৰাইছে ধ্বংসৰ গৰাহত। ভাই-ভাই মাজত ধৰ্মক লৈ হিংসা, জাতিক লৈ অস্পৃশ্যতা, স্বাধীনতাক লৈ সন্ত্ৰাস, শক্তিৰ অপপ্ৰয়োগ, ক্ষমতাক লৈ অৰিয়াঅৰি আৰু ক'ত যে কি ? মুঠৰ ওপৰত আজিৰ মানৱ সমাজে এটা সময়ত এই পৃথিৱীত নিজৰ অস্তিত্ব হেৰুৱাৰ পথত। হয়তো এদিন ধৰাত পৰি ৰ'ব কেৱল আমাৰ জীৱাশ্ম।

এই বিনাশৰ বাবে দায়ী আমিবোৰেই। গতিকে এখন নতুন পৃথিৱী গঢ় দিয়াত আমি প্ৰত্যেকে অংশীদাৰী হ'ব লাগিব। আমিবোৰেই আত্মশুদ্ধিৰে এখন সুস্থ সমাজ, এখন ৰঙীন পৃথিৱীৰ গঢ় দিবলৈ যত্নপৰ হ'ব লাগিব। য'ত

থাকিব কেৱল, শান্তি, সম্প্ৰীতি, একতাবোধ ...।

ইয়াৰে বাবে মানুহৰ জন্মৰ পৰা মৃত্যুলৈ প্ৰত্যেকটো প্ৰৰ্যায় সুস্থৰূপে প্ৰকাশ ঘটাব পাৰিব লাগিব। কি ল'ৰা, ডেকা, আদহীয়া, বুঢ়া সকলোৱে সঠিক সময়ত সঠিক ঠাইত শৰ মাৰিব লাগিব। যুৱ সমাজে নিজে কেৱল লাহ-বিলাসত ভুল নগৈ এনে কামত নিজকে আত্ম নিয়োগ কৰিব পাৰিব লাগিব যাৰ দ্বাৰা তেওঁৰ উন্নতিৰ লগতে এটা পৰিয়ালৰ এখন সমাজৰ এখন দেশৰ উন্নতিৰ লগতে সমগ্ৰ মানৱ জাতিৰ কল্যাণ সাধন হয়। তেতিয়া হাজাৰ বছৰৰ পিছতো এই পৃথিৱীত আমি জীৱাশ্ম হৈ পৰি নাথাকি মানৱ জাতিৰে কোনো এক প্ৰজন্মই আমাক আওৰাব।

আমি পোহৰ সন্ধানী। আমি বিচাৰো শান্তিৰ পৃথিৱী, সন্ত্ৰাসমুক্ত পৃথিৱী সম্প্ৰীতিৰ এনাজৰীৰে বান্ধ খাই থকা এখন সপোনৰ সমাজ। দুষ্কৃতিৰ কুপদৃষ্টি আঁতৰাই, স্বাৰ্থলোভীৰ নিকৃষ্ট স্বাৰ্থৰ অৱসান ঘটাই আহকচোন আমি আগুৱাই যাওঁ অন্য এক কাঁচিজোনৰ সন্ধানত...।

এতিয়া আহোঁ আলোচনীখনৰ বিষয়ক লৈ— জয়জয়তে ২০০৫-০৬ বৰ্ষৰ মুখপত্ৰ তথা মহাবিদ্যালয়ৰ অন্য এক গৌৰৱ 'সোণালী'ৰ সম্পাদনাৰ দায়িত্ব এই অভাজনক আকৌ অৰ্পণ কৰাৰ বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী, শুভাকাংক্ষীলৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো। বহুতো ভুল ত্ৰুটিৰে যোৱা বছৰ আপোনালোকৰ হাতত তুলি দিয়া আলোচনীখনৰ ওপৰত দৃষ্টি ৰাখি তাৰ বহুতো সংশোধন আৰু নতুন সংযোজনেৰে এইবাৰ 'সোণালী'খন আপোনাসবৰ হাতত অৰ্পণ কৰিলো, লগতে ইয়াৰ দোষগুণ বিচাৰ কৰাৰ দায়িত্ব আপোনালোকৰ। তদুপৰি যোৱা বছৰতকৈ এইবাৰ লেখনিসমূহৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলৰ পৰা যি আশানুৰূপ সহাৰি পোৱা গ'ল তাৰ বাবে সকলো ছাত্ৰ-ছাত্ৰীকে আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো। ঐতিহাসিক নগৰ সোণাৰিৰ গৌৰৱময় মহাবিদ্যালয়খনৰ বাৰ্ষিক আলোচনীখনি হয়তো এই অভাজনৰ সম্পাদনাত ইয়াৰ গৌৰৱতাৰ লগতে মানদণ্ড ফুটি নুঠিবও পাৰে। গতিকে ইয়াৰ দোষ-গুণ বিচাৰ কৰিলে হয়তো পৰৱৰ্তী সম্পাদনাসমূহত কোনো ধৰণৰ ত্ৰুটি ৰৈ নাযাব।

যি কি নহওঁক, আলোচনীখনি প্ৰকাশ কৰি উলিওৱাত সম্পাদনা সমিতিৰ সভাপতি ড° ৰাজেন তামুলীছাৰ, উপাধ্যক্ষা শ্ৰীযুক্তা ৰতিপ্ৰভা গগৈ বাইদেউ, সম্পাদনা সমিতিৰ উপদেষ্টাসকল আৰু সমূহ বিষয়ববীয়াই যি গঠনমূলক দিহা-পৰামৰ্শৰ লগতে সহায়-সহযোগ আগবঢ়ালে তাৰ বাবে তেওঁলোক সকলোলৈকে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো। যিসকল ছাত্ৰ আৰু শিক্ষকৰ প্ৰচেষ্টাত মহাবিদ্যালয়ৰ মুখপত্ৰখনি আজিৰ পৰ্যায়লৈ আহিছে সেইসকলকো এই আপাহতে শ্ৰদ্ধাৰে সোঁৱৰিছো। আলোচনীখনি প্ৰকাশ কৰি উলিওৱাত বিশেষভাৱে সহযোগিতা আগবঢ়োৱা ইউ-নিক ডি.টি.পি. চেণ্টাৰ আৰু ইষ্টাৰ্ণ প্ৰিণ্টাৰ্চৰ সমূহ কৰ্মকৰ্তালৈ মোৰ আন্তৰিক ধন্যবাদ থাকিল।

সদৌ শেষত সোণাৰি মহাবিদ্যালয়খন এখন আদৰ্শ মহাবিদ্যালয় হৈ উঠক তাৰ শুভ কামনাৰে—

অমৃত কুমাৰ গুৰুং
সম্পাদক, আলোচনী বিভাগ
২০০৫-০৬ বৰ্ষ





# অসম বুৰঞ্জীৰ সাহিত্যিক মূল্যায়ন

বিনন্দ মহন
প্ৰাক্তন মূৰব্বী অধ্যাপক
অসমীয়া বিভাগ

"এপাহ ফুল, এটা বাৰিষা বা বসন্ত, জিক্‌মিক্ ৰ'দৰ পোহৰ— এইবোৰে জিলিকাই ৰাখে এখন দেশ আৰু দেশৰ মানুহবোৰ। জিলিকি থাকে 'দৰিকা'ৰ পাৰ। এইবোৰ সকলো একীভূত হৈয়েই দেশৰ বুৰঞ্জী, মনবো বুৰঞ্জী ৰচনা হয়। এনেবোৰ কাৰণতে আহোমসকলে ৰচনা কৰি যোৱা বুৰঞ্জীবোৰক কেৱল বৈষয়িক চিন্তাৰ দলিলো বুলিব নোৱাৰি। এইবোৰত লুকাই আছে জাতিটোৰ জীৱন প্ৰজ্ঞাৰ প্ৰোথিত সম্পদ।"

আহোম যুগৰ বুৰঞ্জী পুথিবোৰ সাহিত্যিক দিশৰ পৰা সোণালী সফুৰা বস্তু। টিপচি চৰাইৰ ফিছাত কঁপি থকা প্ৰতিপল সময়ৰ সৌন্দৰ্য্যটোৰ দৰে এইবোৰত নান্দনিক হৃদয়ৰ বতৰা জলমলকৈ বিৰিঙি আছে। সাহিত্যক যদিহে মনৰ দাপোণ বুলিব পাৰি তেন্তে অসম বুৰঞ্জীবোৰকো আমাৰ জাতীয় বিবেকৰ বাণীবদ্ধ ইতিহাস বুলিব লাগে। এইবোৰক কেৱল ৰণবিগ্ৰহৰ যান্ত্ৰিক বতৰা বুলিব নোৱাৰি; কেৱল ৰাষ্ট্ৰ চিন্তাৰ বিবেক বৰ্জিত অনুলেখনো নহয়। এইবোৰত আছে হৃদয়াবেগিক প্ৰজ্ঞাৰ মনোমোহা ঢৌৰ জিলিকনি। অসম বুৰঞ্জীবোৰ হৈছে আহোমসকলৰ শিক্ষা-সংস্কৃতি, নৈতিক-আধ্যাত্মিক, সাহিত্য-দৰ্শন আদিৰ ক্ষেত্ৰত বিগত আৰু বৰ্তমানৰ সাঁকো স্বৰূপ।

**আহোমসকলৰ সাহিত্য চিন্তাৰ ঐতিহ্য :-**

আহোমসকলৰ চিন্তা-চেতনাৰ পম খেদি গ'লে আজিৰ পৰা প্ৰায় তিনিহাজাৰ বছৰৰ পূবলৈ আগুৱাই যাব লাগে। চীনৰ প্ৰাচীনতম ঋষি কনফুচিয়াচৰ নীতিবাদ, টাই দৰ্শনৰ মনিষী লাওৎছেৰ (লাওছে) তাওবাদ এইবোৰেই হৈছে টাই চিন্তাৰ মূল ঐতিহ্য। আহোমসকলৰ মানসিক চিন্তা ভাৱনাবোৰো সেইবোৰৰে এটা দূৰণিৰ ৰিং বুলিব পাৰি। কনফুচিয়াচৰ প্ৰজ্ঞাবচনে পূৰ্বপুৰুষৰ পূজাৰ কথা কৈছে। লাওৎছেই 'তাও' অৰ্থাৎ সৰ্বশক্তিমান বিশ্বসত্বাক মানি লৈছে। আজিৰ আহোমসকলেও ফ্ৰা-ত্ৰা-আলমৰ কথা কয়। এতেকে ক'ব পাৰি যে এই বোৰ কথাৰ মাজত ঐতিহ্যগতভাৱে চিন্তাৰ যোগসূত্ৰ স্থাপন হৈছে। আহোম যুগৰ বুৰঞ্জীবোৰক আহোমসকলৰ চিন্তা-চেতনাৰ দৰ্পণ বুলিব পাৰি। টাই জাতিৰ লোকসকলে মৃত পূৰ্বপুৰুষসকলৰ সৈতে আত্মীয়তা অনুভৱ কৰে। এই জাতিৰ লোকসকলে জানে যে পিতৃপুৰুষৰ ঐতিহ্যৰ বাহিৰত তেওঁলোকৰ জীৱনৰ কোনো মূল্য নাই। সমাজখনত থকা সকলো জীৱিত লোক, মৃত লোক আৰু প্ৰকৃতি এই সকলোবোৰেই পৰস্পৰৰ সৈতে ওতঃপ্ৰোতভাৱে জড়িত। জাতি এটাৰ লগত দেশ এখনৰ শৃঙ্খলাও এইটোৱেই। দেশৰ প্ৰত্যেকটো বিষয়েই

ইতিহাসৰ গম্ভীৰ ভিতৰত পৰে। সময়-প্ৰবাহৰ বাটে-বাটে জীৱনৰ মাধুৰী ফুলে। এপাহ ফুল, এটা বাৰিষা বা বসন্ত, জিক্‌মিক্ ৰ'দৰ পোহৰ— এইবোৰে জিলিকাই ৰাখে এখন দেশ আৰু দেশৰ মানুহবোৰ। জিলিকি থাকে 'দৰিকা'ৰ পাৰ। এইবোৰ সকলো একীভূত হৈয়েই দেশৰ বুৰঞ্জী, মনৰো বুৰঞ্জী ৰচনা হয়। এনেবোৰ কাৰণতে আহোমসকলে ৰচনা কৰি যোৱা বুৰঞ্জীবোৰক কেৱল বৈষয়িক চিন্তাৰ দলিলো বুলিব নোৱাৰি। এইবোৰত লুকাই আছে জাতিটোৰ জীৱন প্ৰজ্ঞাৰ প্ৰোথিত সম্পদ।

**বুৰঞ্জীৰ বুকুত নন্দনতাত্ত্বিক চিন্তাৰ আঁত বিচাৰি ঃ-**

অতি সাম্প্ৰতিক কালত অসমীয়া কবি-সাহিত্যিকসকলে কাব্যিক ভাষাৰ ব্যঞ্জনাক্ষম সমৃদ্ধিৰ বাবে চহা ভাষাৰ মাজত থকা চতুৰ বচন প্ৰয়োগবোৰ মন কৰিবলৈ লৈছে। এনে প্ৰয়াসৰ ফলস্বৰূপে অসমীয়া কবিতাই অসমীয়া ভাষালৈ যিটো নিৰ্মাণৰ দিশ আগবঢ়াইছে তেনে এটা প্ৰচেষ্টা অন্ততঃ আধুনিক অসমীয়া ভাষা প্ৰতিষ্ঠানৰ যুগ কিম্বা নৱন্যাস যুগত পাবলৈ নাছিল বুলিব পাৰি। কিন্তু আমাৰ বুৰঞ্জীবিলাকত একা ? আমাৰ বুৰঞ্জীবিলাকত কথা কোৱাৰ দস্তুৰ বেলেগ। চিত্ৰ ব্যৱহাৰ কৰি কথাকোৱাটোহে বুৰঞ্জীবোৰৰ ঘাই দস্তুৰ। অসম বুৰঞ্জীত এনে ধৰণৰ ভূৰি ভূৰি উদাহৰণ আছে। তেনে কেইটিমান উদাহৰণ উল্লেখ কৰা হ'ল।

"চৰায়ে পোৱালি তোলে। ঠোঁটত ধৰি উৰুৱাই চায়। পাখি যদি গজিল, উৰিব যদি পাৰিলে, মাইকীৰ লগত চৰি-বুলি আহি বাসা লয়হি। পাখি যদি সমান হ'ল, মাইকীয়ে আধাৰ দিব নোৱাৰি উৰুৱাই নিয়ে। এক উড়ন দি পৰে গই। দুনাই বাসা নাপাইহি। কোনো শিয়াল-কুকুৰে খায়, নাই মানুহে ধৰি নিয়ে। দোৱাবাৰ বাসা নাপায়।"

আৰু দুটামান উদাহৰণ—

"লাও ফুফ ফুলোতে চিকণ দেখি, সৰোঁতে একে তিলে সৰে।"

"ভাই ৰজাৰ মানুহ হ'হত, মনহে মৰা নাই।"

"সৰু হৈ যা, ল'ৰা লোৱাদি লব, বৰ নহ'বি, চিলা উৰুৱাদি উৰুৱাব।"

"আৰু কাঁড়ী-পাইকে পৰলীয়া চাউল একঠা খাবৰ নিমিত্তে কড়ি দি চৰু এটি আনে, সকলো মিলি এবুৰি কড়িৰ বেহানি, সেয়ে হানি হয় বুলি তলিত, কাণত, দুবাৰ-তিনিবাৰ টুকুৰিয়াই চাইহে আনে।"

অসম বুৰঞ্জীৰ বুকুত থকা এনেবোৰ উক্তিয়ে টাই জাতিৰ লোকসকলৰ মাজত থকা বিশেষ প্ৰকাৰৰ ভাষাৰীতি কিম্বা বচন ৰীতিৰ কথাকে সোঁৱৰাই দিয়ে। টাই গোষ্ঠীৰ লোকসকলৰ মাজত এই ৰীতি কৌটিকলীয়া সম্পদ। এইবোৰ উক্তিৰ যোগেদি আহোমসকলৰ জীৱন দৰ্শনো ফুটি উঠিছে। চৰাই পোৱালিৰ আকাশ যাত্ৰাৰ সংশয় আৰু সাহসেৰে আচ্ছন্ন জীৱন যুদ্ধৰ দৰে মানুহৰ বেলিকাও জীৱন উত্তৰণত থাকে সংশয় আৰু সাহসৰ বৈকল্পিক সম্ভাৱনা।

লাও ফুলৰ উপমাটোত আকৌ জীৱনৰ ক্ষণভঙ্গুৰতাৰ কথাকে কোৱা হৈছে। মানুহে স্নেহ দিলেহে স্নেহ পায়। তৃতীয়টি উপমাত তেনে এটি উপদেশেই আছে। মানুহৰ বৈষয়িক জীৱন চৰু-কলহৰ বেচা-কিনাত কড়ি-পাইৰ হিচাব-নিকাচতে অন্ত হয়। মানুহৰ জীৱন সম্পৰ্কে এনে ধৰণৰ সাৰুৱা বচন অসম বুৰঞ্জীৰ ৰন্ধ্ৰে ৰন্ধ্ৰে বিয়পি আছে। এপাহ ফুল, এটা চৰাই, দেশৰ প্ৰতিজোপা গছ, প্ৰতি চপৰা মাটি, ইটা, শিল আৰু মানুহ এইখন দেশত একেই বস্তু। প্ৰকৃতিৰে সৈতে মানুহ অভিন্ন।

**গল্প ধৰ্মী বৰ্ণনা ঃ-**

অসম বুৰঞ্জীক যদি এটা সাহিত্যৰ বিষয় হিচাপে লোৱা যায় তেন্তে সেইবোৰত আধুনিক চুটি গল্প, উপন্যাস কিম্বা নাটকৰ দৰে মানৱ হৃদয়ৰ বিচিত্ৰ শোভাই জলমলকৈ জিলিকি আছে। এবাৰ খোৱা ৰজাৰ দিনত বৰগোঁহাইৰ পত্নী নাংৱক গাভৰুৱে ৰাজসভাত কোৱা কথাখিনি আছিল—

"মোৰ পোক ভাটি ৰাজ্যলৈ কেলেই দিম, নিদিওঁ। কোচত যে ৰণ হাৰিলি, ৰজানো কি ? ডা-ডাঙৰীয়ানো কি ? গিৰিয়েকক বোলে, তুমিনো কিহৰ বৰগোঁহাই ? ভাল, তইঁতে যে ৰণত হাৰিলি, মই যুদ্ধ কৰি চাওঁ। তইঁতৰ টুপী-চোলা, কুন্‌মিন্-কুন্‌খা মঞ্জি পিন্ধি





কোচক যুদ্ধ কৰোঁ, তিৰোতা নে পুতুপু এতেকে জানিবি। তইঁতে মোৰ সাজ পিন্ধিবি।" এইবুলি গাভৰুৱে পুতেক তাওপেতক কাঢ়ি নিলে। পাছে বৰগোঁহায়ে ৰজাদেৱক ক'লে, "ৰাজ্যৰ নিমিত্তে মোৰ পোক দিলোঁ, যক।" পুনৰ গাভৰুৱে বোলে, "মোৰ ল'ৰাক কোনো নিব পাৰে।" দিখৌ নৈক ওভোতাই বোৱাব পাৰিলেহে মোৰ ল'ৰাক নিব পাৰে।"

ঘটনাটো বুৰঞ্জীত সংক্ষিপ্ত হ'লেও সাহসী আহোম ৰমণীৰ চমকপদ দিশ এটা ইয়াত ফুটি উঠিছে। বন-বাঘিনীৰ পোৱালিৰ গাত আনে হাত দিবলৈ গ'লে বাঘিনীৰ যিটো হিংস্ৰতা প্ৰকাশ পায় ঠিক তেনে প্ৰকাৰৰ ক্ৰোধৰ লগতে ৰাজসভালৈ কৰা বিদ্ৰুপ, সম্ভ্ৰমৰ জৰিডাল নিচিঙাকৈও পুৰুষ প্ৰধান সমাজখনৰ প্ৰতি কৰা ভৎসনা— এইবোৰে বুৰঞ্জীৰ ঘটনাটোক উজ্জ্বল কৰি ৰাখিছে। ঘটনাটো দিঠকত ঘটা ঘটনাৰ বৰ্ণনা হ'লেও ই হৃদয়ানুভূতিসিক্ত হৈ সাহিত্যিক ৰসত ডুব গৈ আছে।

**জনসাহিত্যৰ কথন প্ৰণালী ঃ-**

অসম বুৰঞ্জীবোৰত অনেক সময়ত বৰ্ণনভঙ্গী লোক-কথা বৰ্ণনাৰ লগত সাদৃশ্য আছে। অসমৰ বিভিন্ন জাতি-জনজাতিবোৰৰ মাজত থকা কিংবদন্তি, সাধুকথা, হাস্য-কাহিনী, ইহলৌকিক-পাৰলৌকিক ধ্যান ধাৰণা আদি সকলোৱেই আছে। উদাহৰণ স্বৰূপে সাধুকথাৰ কথন প্ৰণালী গ্ৰহণ কৰি হাস্য ৰসাত্মক ৰূপে বিৱৰণ দিয়া এটি জনশ্ৰুতিত আছে— "পাচে কতোদিন অন্তৰে একদিনা প্ৰতি লোকে আলচি বোলে— পহু মাৰোগৈ আহ।" এইবুলি সকলো লোক পহু মাৰিবলৈ গ'ল। হাবিৰ মাজত দেখে সুন্দৰ বালক এটি আছে। মানুহৰ সাৰ পাই বাঘটি নিলগিল। পাচে সকলোৱে দেখি বিস্ময় হৈ বোলে— 'আপোনাৰ ল'ৰাকে পুহিব নোৱাৰোঁ, নালাগে ইয়াক। তাৰে এটাই ক'লে— 'লৈ যাওঁ, এঘৰত দি মদ এলাও সলাই খাম।' সেয়ে ল'ৰাটি আনি সকলোৱে ঘৰে ঘৰে যাচে, কেৱে নলয়। পাচে এক বাঁৰীয়ে বোলে— 'মোৰ কেও নাই, ময়ে লওঁ।' তাইয়ে মদ এক লাও দি ল'ৰাটি ৰাখিলে।' (কছাৰী বুৰঞ্জী)

"অসম বুৰঞ্জীৰ সোণ-সেৰীয়া সাহিত্যিক বচনবোৰলৈ লক্ষ্য কৰিয়েই পণ্ডিত প্ৰৱৰ সূৰ্য কুমাৰ ভূঞা ডাঙৰীয়াই এখন বুৰঞ্জীৰ পাতনিত লিখিছিল—

"On the whole the book is a historical classic and a literary masterpiece of the first order, parallels to which very few vernacular literature of India possess."

(Introduction : Assam Buranji : First Edition – June 1945)"

আমাৰ বুৰঞ্জীবোৰত সংক্ষিপ্ত বৰ্ণনাৰে মানৱ জীৱনৰ বহুকথা এইদৰে কোৱা হৈছে। চুটি চুটি বাক্যৰ ব্যৱহাৰ, সংলাপৰ প্ৰয়োগ, চিত্ৰধৰ্মী বাগৰীতি এইবোৰ উপচি আছে। ওপৰৰ কাহিনীটো তাৰেই উদাহৰণ। নাটকীয় বচন-ভঙ্গী প্ৰয়োগেৰে বৰ্ণনা দিয়া আন এটি ঘটনাৰ নমুনা আকৌ তুলি দিছোঁ—

"..... পাচে মন্ত্ৰীসকলে বোলে সামান্য ৰজা নহই ; ঠাই দিলে দুগুণ হে পোৱা যায়। একে চোঙতে দুটাকৈ বাঘ ক'ত থাকে ? এতিয়া এইৰূপে বোলা যাওক, নড়া ৰাজা ভনীএকক হে দিছে, জীএকক দিয়ক। জীয়েকৰ সমান ভনীয়েক হয় নেকি ? এইৰূপে কটকীএ কলত গৈ , নড়া ৰাজা বোলে তাত জীয়াৰী দি নলগা, আপদ গ্ৰস্তত পৰিহে ভনীকো দিলো। এতিয়া যে জীকো খোজে মাকে জীএকে একে লগে সতিনী খাতিব নিকি। ছোৱালী খোজা নহই মোক বিতণ্ডা হে কৰে।"

উপৰোক্ত ঘটনাটোৰ বৰ্ণনাখিনি উক্তি প্ৰত্যোক্তিৰে ভৰি আছে। এইদৰে নাটকীয় ভঙ্গীৰে ঘটনাবোৰ বিকশাই তুলি ঐতিহাসিক ব্যক্তিসকলৰ ভাৱগতিৰ সম্যক এটা ধাৰণা দিয়াৰ লগতে সাহিত্যিক ৰসাস্বাদো বঢ়াই তুলিছে। বুৰঞ্জী কথন কলাৰ এনে অনুপম ৰীতি ভাৰতবৰ্ষৰ অন্য জাতীয় সাহিত্যত পাবলৈ নাই।

প্ৰবচন প্ৰয়োগ—

অসম বুৰঞ্জীৰ কোনো কোনো ঠাইত বুদ্ধিদীপ্ত চল-চাতুৰীৰে ভৰা বচন,

কেতিয়াবা সাঁথৰ সাঁথৰ যেন লগা উক্তি, ভাৱ-ব্যঞ্জনা, প্ৰতীক, সাহিত্যিক প্ৰবচন আদি ভৰি আছে। তেনে দুটিমান উদাহৰণ তলত দিয়া হ'ল—

"তেলীয়া তল, কাণমাৰি ওপৰ।"

"বঙহে মঙহ খায়, বঙহ নহ'লে পেলনি যায়।"

"খোৰাই পৰ্বত বগাইছে, বোবা চতুৰ হৈছে, পচা কাঠৰো গজালি আহিছে।"

"আহোম ৰজাখন সুণীয়া সফুৰা।"

উপমা-অলঙ্কাৰ প্ৰধান কাব্যিক উপাদান বিশিষ্ট ঐশ্চৰ্যশালী বৰ্ণনাৰে উদাহৰণ

"আমি বঙালৰ জেওৰা হৈ আছো। এতেকে তুমি বা নাপাইছা। আমি যদি বঙালৰ জেওৰা ভাঙিলো, তোমাৰ গড়গাঁও হাৰীৰ পেৰা, ধোৰাৰ পাট হ'ব।"

আকৌ আন এটা আছে —

"একোটি মানুহ কুড়ি বছৰহে হয়। একোটা মানুহ একোখন পৰ্বত। ডাঙৰ শত্ৰু সমীপতে আছে। না কাটি না মাৰি ৰাখিলে এক চকুত মেলিবলৈ পাব। কাটিলে মাৰিলেঁ ৰহে টুটে।"

"তত্ৰাপি উভয় পক্ষ মৃত, সূৰ্য সদৃশ যে বুলিছে, সিতো দিবাকৰ নিদাঘ কালত প্ৰচণ্ড শিশিৰ কালতে মৃদুহে। এতেকে ইগোট দৈবেসে কাৰণ।"

ইয়াৰে একোটি মানুহ ... উদাহৰণটো এহাতেদি যেনেকৈ মনোজ্ঞ আনহাতে নিতান্ত কাব্যিক। ইয়াৰে মানুহ এজন 'এক চকুত মেলিবলৈ পাব অংশটোৰ কাব্যিক ব্যঞ্জনা একান্তই মনকৰীবলগীয়া আৰু ই সম্পূৰ্ণ আধুনিক গঢ়ৰ।

বুৰঞ্জীবিদৰ প্ৰশংসা—

" অসম বুৰঞ্জীত নন্দন কলাৰ অপাৰ জ্যোৎস্না আছে। সেইবোৰ এটি চমু প্ৰবন্ধৰে গচকি দূৰৱি ঢাকিব নোৱাৰি। ইয়াত মানুহৰ অতীত-বাটৰ অতীত ঘটনাই বুকুখন উশাহত জীয়াই আছে। অসম বুৰঞ্জীৰ সোণ-সেৰীয়া সাহিত্যিক বচনবোৰলৈ লক্ষ্য কৰিয়েই পণ্ডিত প্ৰবৰ সূৰ্য কুমাৰ ভূঞাা ডাঙৰীয়াই এখন বুৰঞ্জীৰ পাতনিত লিখিছিল—

"On the whole the book is a historical classic and a literary masterpiece of the first order, parallels to which very few vernacular literature of India possess."

(Introduction : Assam Buranji : First Edition – June 1945)

প্ৰাচ্য ভাষাতত্ববিদ গিয়াৰচনেও প্ৰায় একে ভাষাৰেই অসম বুৰঞ্জীবোৰৰ বিষয়ে কৈছিল—

"The Assamese are justly proud of their national literature"

(Linguistic Survey of India)

বিৰিঞ্চি কুমাৰ বৰুৱাই এঠাইত উল্লেখ কৰিছে—

"ডঃ ভূঞাদেৱে 'পাদশ্যাহ বুৰঞ্জী'ৰ বিষয়ে কৰা মন্তব্যখিনি পুৰণি অসম বুৰঞ্জীতো আৰোপ কৰিব পাৰি। তেখেতে লিখিছে... বুৰঞ্জীৰ কথাখিনি শুকান হাড় চাল নহয়, তাত ভাবৰ সমাবেশ আৰু আবেগৰ সৌৰভ লক্ষ্য কৰিব পাৰি। সেই দেখি এই বুৰঞ্জীখিনি বুৰঞ্জীৰ শাৰীৰ পৰা বিশুদ্ধ সাহিত্যৰ অঙ্গীভূত কৰা হৈছে। বুৰঞ্জী আৰু সাহিত্যৰ এনে অপূৰ্ব ত্ৰিবেণী সঙ্গম বৃটিছৰ পূৰ্বযুগৰ কোনো ভাৰতীয় প্ৰাদেশিক সাহিত্যতে দেখিবলৈ পোৱা নাযায় বুলি ক'লেও সত্যৰ অপলাপ নহ'ব। উপমা, উপকথা, সাদৃশ্য, দৃষ্টান্ত আদি সাহিত্যৰ আলঙ্কাৰিক উপাদান উপকৰণৰ সংযোজনাত বুৰঞ্জীৰ বৰ্ণনা সৰস হৈছে। ... ইয়াৰ প্ৰকাশভঙ্গী মনোৰম বাক্যৰীতি অসমীয়া লেখনীৰ আদৰ্শ।" (অসমীয়া কথা সাহিত্য)

এতেকে—

মুঠতে ক'বলৈ হ'লে অসম বুৰঞ্জীত সাহিত্য কলাৰ আভাস দিয়া এটা চমু প্ৰবন্ধত দুৰূহ কাম। বুৰঞ্জী প্ৰণেতাৰ আত্মসচেতন জাতীয় দৃষ্টিভংগী, বিশেষ প্ৰকাৰৰ বচন-ৰীতি, কথোপকথন, পৰিৱেশ পৰিস্থিতিৰ চিত্ৰ, বাহুল্য বৰ্জন, ঘটনাপুঞ্জৰ ৰসগ্ৰাহী, গতিশীল আৰু সাৱলীল বৰ্ণনাৰে আমাৰ বুৰঞ্জীবোৰক জীৱন দীপ্তিৰ অন্তৰ্লীণ আলোক পাত বুলিব পাৰি। অসম বুৰঞ্জীক অসমীয়া জাতিৰ সুখ-দুখেৰে পৰিপূৰ্ণ এসাগৰ পৃথিৱীখনত আবেগৰ লহৰে জীপাল কৰি ৰখা এটা সেউজীয়া দ্বীপ বুলিব পাৰি। যৰ পৰা অসমীয়াৰ চলমান জীৱনে নিজৰ যাউতিযুগীয়া আশ্ৰয় আৰু পৰিচয় দুয়োটাই তাহানিকালৰ পৰাই বুটলি আহি আছে।

***





# কেন্দ্ৰীয় চৰকাৰৰ 'পূবলৈ চোৱা নীতি' আৰু উত্তৰ পূৰ্বাঞ্চলৰ ভৱিষ্যত

অৰ্পণ কুমাৰ বৰুৱা
মূৰব্বী অধ্যাপক, অৰ্থনীতি বিভাগ

স্বাধীনোত্তৰ ভাৰতত পূৰ্বাঞ্চলৰ ৰাজ্যসমূহ বিভিন্ন কাৰণত অন্যান্য ৰাজ্য বিলাকৰ তুলনাত সকলো দিশতে পিছ পৰি ৰ'ল। স্বাধীনতাৰ আগে-পিছে তেতিয়াৰ বৰ অসমৰ জনমূৰি আয় ভাৰতৰ অন্যান্য ৰাজ্যতকৈ বেছি আছিল। কিন্তু পৰিকল্পনা কালত পূবৰ ৰাজ্যসমূহৰ জনমূৰি আয় ক্ৰমান্বয়ে হ্ৰাস হ'বলৈ ধৰে। কেন্দ্ৰীয় তথা ৰাজ্য চৰকাৰৰ বিষয়া-কৰ্মচাৰী তথা ৰাজনৈতিক নেতাসকলৰ অমনোযোগিতা, দূৰদৰ্শিতাৰ অভাৱ, উপযুক্ত দেশপ্ৰেম আৰু পৰিকল্পনাকাৰীৰ অভাৱত পূবৰ ৰাজ্যসমূহ দৰিদ্ৰতাৰ কবলত পৰিল, যাৰ ফলত নানা প্ৰাকৃতিক প্ৰাচুৰ্যৰে ভৰা অঞ্চলটোত নিবনুৱা সমস্যাকে আদি কৰি বিভিন্ন সমস্যাই আগুৰি ধৰিলে। বৰ্দ্ধিত জনসংখ্যা, নিবনুৱা, কেন্দ্ৰৰ শোষণ, বহিৰাগতৰ আগমণ তথা শোষণ, জনপ্ৰতিনিধিসকলৰ অদূৰদৰ্শিতা আৰু দায়ীত্বহীনতা তথা দুৰ্নীতিয়ে অঞ্চলটোৰ জনসাধাৰণৰ মনত বিভেদকামী চিন্তাই বাহ লোৱাৰ ঘাই কাৰণ। কিন্তু বৰ্তমান কেন্দ্ৰীয় চৰকাৰে এই বিলাক কিজানি কিছু পৰিমাণে অনুধাৱণ কৰি অঞ্চলটোৰ উন্নয়নৰ বাবে কিছুমান নীতি গ্ৰহণ কৰিছে। অৱশ্যে এনে নীতি গ্ৰহণত মুক্ত বাণিজ্য, গোলকীকৰণ, ব্যক্তিগতকৰণ আদি কাৰকসমূহেও কাম কৰা যেন অনুভৱ হয়।

ভাৰতৰ উত্তৰ-পূব অঞ্চলটো কেইবাখনো বিদেশী ৰাষ্ট্ৰৰে পৰিবেষ্টিত। এই ৰাষ্ট্ৰসমূহৰ লগত ব্যৱসায় বাণিজ্যত নানা বাধা-নিষেধ আছে। ফলত অঞ্চলটোত বিভিন্ন বিদেশী দ্ৰব্যৰ চোৰাং বজাৰ এখনো গঢ়লৈ উঠিছে। বৰ্তমান চৰকাৰে 'পূবলৈ চোৱা নীতি'ৰ অধীনত ২০০৪ চনত গুৱাহাটীৰ পৰা এক 'কাৰ ৰেলি' আয়োজন কৰি দক্ষিণ-পূব এচিয়াৰ দেশসমূহৰ লগত ভাৰতৰ যোগাযোগৰ বাবে গুৱাহাটীকে দুৱাৰমুখ হিচাবে গণ্য কৰিবলৈ উৎসাহ দিছে। এই নীতিৰ অধিনত ভাৰত চৰকাৰে ম্যানমাৰ আৰু বাংলাদেশৰ লগত সীমান্ত বাণিজ্য বৃদ্ধিৰ বাবে মণিপুৰৰ মোৰেক মুক্ত বাণিজ্য অঞ্চল হিচাবে গণ্য কৰিবলৈ ব্যৱস্থা লৈছে। ম্যানমাৰ, চীন, তিৰ্ব্বত আৰু বাংলাদেশৰ লগত ভাৰতৰ ৪৮০০ কিঃমিঃ আন্তৰ্জাতিক সীমান্ত আছে। গতিকে উত্তৰ-পূবৰ ৰাজ্যসমূহৰ ভাৰতৰ অন্যান্য ৰাজ্যৰ লগত বাণিজ্যিক সম্ভাৱনাতকৈ এই দেশসমূহৰ লগত বাণিজ্যিক সম্ভাৱনা অধিক।

চুবুৰীয়া দেশসমূহৰ লগত ভাৰতৰ যি চোৰাং কাৰবাৰ গঢ়ি উঠিছে তাৰ পৰিমাণ ম্যানমাৰৰ মোৰে-টামু খণ্ডৰে প্ৰায় ২০০০ কোটি টকা আৰু মিজোৰাম-নাগালেণ্ডেৰে প্ৰায় ১৫০০ কোটি টকা বুলি কিছুমান সূত্ৰই প্ৰকাশ কৰিছে। গতিকে ইমান বৃহৎ অংকৰ চোৰাং বজাৰতকৈ ইয়াক চৰকাৰী পৃষ্ঠপোষকতা প্ৰদান কৰিলে অঞ্চলটোৰ জনসাধাৰনো উপকৃত হ'ব আৰু চৰকাৰেও যথেষ্ট ৰাজহ আহৰণ কৰিবলৈ সক্ষম হ'ব। অলপতে ভাৰতৰ প্ৰধান মন্ত্ৰী ত্ৰিপুৰা ভ্ৰমণলৈ আহোতে ব্যক্ত কৰিছিল যে 'পূবলৈ চোৱা নীতি'ৰ যোগেদি দক্ষিণ-পূব এচিয়াৰ দেশসমূহৰ মাজত মুক্ত বাণিজ্য চুক্তি এখন সম্পাদন কৰাৰ প্ৰতি তেওঁ আশাবাদী। এনে এখন চুক্তিয়ে অঞ্চলটোৰ সকলো লোকক প্ৰভূত পৰিমাণে উপকৃত কৰিব পাৰে। ভাৰতে ইতিমধ্যে থাই লেণ্ড আৰু

চিংগাপুৰৰ লগত মুক্ত বাণিজ্য চুক্তিত স্বাক্ষক কৰিছে। উত্তৰ-পূব বিশেষকৈ অসমৰ বাবে এইটো অতি সুখৰ কথা যে এই দেশবোৰৰ লগত ভাৰতৰ যোগাযোগৰ ক্ষেত্ৰত অসমেই দুৱাৰমুখ হিচাবে পৰিগণিত হ'ব। ২০০৫ চনৰ এপ্ৰিল মাহত গুৱাহাটীত অনুষ্ঠিত হোৱা বাণিজ্য মেলাত থাই লেণ্ডৰ প্ৰতিনিধিসকলে গুৱাহাটীত এটা বাণিজ্যিত তথ্য যোগান কেন্দ্ৰ খোলাৰ কথা প্ৰকাশ কৰে। এই কেন্দ্ৰৰ যোগেদি দুয়োখন দেশৰ মাজত ব্যৱসায় বৃদ্ধিৰ সুবিধা পোৱা যাব। এনে কেন্দ্ৰৰ সফলতাই অন্যান্য দেশবিলাককো তেনে কেন্দ্ৰ খুলিবলৈ উৎসাহিত কৰিব।

'দক্ষিণ-পূব এচিয়াৰ জাতিসমূহৰ সংস্থা' (ASEAN) নামৰ সংগঠনটোৰ যোগেদি ভাৰতে এখন চুক্তি সম্পাদন কৰিছে। এই চুক্তিয়ে ASEAN দেশসমূহৰ মাজত অৰ্থনৈতিক সহযোগিতাৰ পোষকতা কৰিছে। এই প্ৰসংগতে উল্লেখযোগ্য যে ভাৰতীয় উদ্যোগ মহাসংঘই (CII) এখন ৫ দিনীয়া উদ্যোগিক প্ৰদৰ্শনী আয়োজন কৰি স্থানীয় উদ্যোগী যুৱক-যুৱতীসকলক অঞ্চলটোৰ উদ্যোগীক সম্ভাৱনা, প্ৰযুক্তি আদিৰ বিষয়ে জ্ঞান দিয়াৰ চেষ্টা কৰিছিল। ইয়াত অন্য দেশৰ লগত অঞ্চলটোৰ বাণিজ্যিক সম্ভাৱনা, প্ৰত্যক্ষ বাণিজ্য আদিৰ বিষয়েও বিস্তৃত আলোচনা হৈছিল। আনহাতে ভাৰতৰ লগত বাণিজ্য সহযোগী আমাৰ প্ৰতিবেশী চীন দেশৰ লগতো বাণিজ্যৰ পৰিসৰ ক্ৰমান্বয়ে বৃদ্ধি পাইছে। উদাহৰণস্বৰূপে ভাৰত-চীনৰ বাণিজ্য ২০০০-০১ চনৰ ২.৫%ৰ পৰা ২০০৩-০৪ চনলৈ ৪.৯% লৈ বৃদ্ধি পাইছে। এই সময়ছোৱাত চীন-ভাৰতৰ সৰ্বমুঠ বাণিজ্য ৩.০ বিলিয়ন ডলাৰৰ পৰা ১৩.৬ বিলিয়ন ডলাৰ হৈছে। চলিত বিত্তীয় বৰ্ষৰ (২০০৪-০৫) প্ৰথম আঠ মাহত এই পৰিমাণ ১২.২ বিলিয়ন ডলাৰলৈ বৃদ্ধি পোৱাটোৱে দুই দেশৰ মাজত অদূৰ ভৱিষ্যতে বাণিজ্যিক সম্ভাৱণা বৃদ্ধি পোৱাটোকে সূচাইছে। সম্প্ৰতি এই দুই দেশে অসমৰ লিডুৰ পৰা ম্যানমাৰ হৈ চীনলৈ সম্প্ৰসাৰিত ষ্টিলৱেল পথৰ উন্নতিৰ কথাও বিবেচনা কৰি আছে। এই পথ দ্বিতীয় বিশ্বযুদ্ধৰ সময়তে সৈন্য আৰু ৰচদ-পাতি সৰবৰাহৰ বাবে নিৰ্মাণ কৰা হৈছিল। যদিও যুদ্ধৰ পিছত এই পথ পৰিত্যক্ত অৱস্থাত আছিল। বৰ্তমান দুয়ো দেশৰ পৰা এই পথৰ উন্নতিৰ কথা ভবা হৈছে। এতিয়া ভাৰত চৰকাৰে নিৰ্মাণ কৰি থকা এক্সপ্ৰেছ হাইৱে তিনিচুকীয়ালৈকে সম্প্ৰসাৰণৰ প্ৰস্তাৱ লৈছে। অদূৰ ভৱিষ্যতে এই হাইৱেৰ লগত ষ্টিলৱেল পথকো সংযোগ কৰি ল'লে এচিয়ান দেশসমূহৰ লগত যোগাযোগৰ প্ৰভূত উন্নতি হোৱাৰ সম্ভাৱনা আছে। এই পথৰ উন্নতিয়ে চীনৰ ব্যৱসায়প্ৰধান মহানগৰসমূহৰ লগত ভাৰতৰ যোগাযোগ বৰ্তমানৰ ৩০০০ কিঃমিঃৰ পৰা মাত্ৰ ১৩০০ কিঃমিঃ লৈ হ্ৰাস পাব। যোৱা বছৰ গুৱাহাটীৰ পৰা চিংগাপুৰলৈ অনুষ্ঠিত কৰা কাৰ ৰেলিয়ে প্ৰমাণ কৰিলে যে ভাৰতৰ লগত ম্যানমাৰ, থাইলেণ্ড, কম্বোডিয়া, ভিয়েটনাম, মালয়েছিয়া আদিৰ পথ যোগাযোগ আছেই। তাক মাত্ৰ আধুনিক প্ৰযুক্তিৰে উন্নত কৰি লব পাৰিলে পূৰ্বাঞ্চলৰ উন্নতিৰ দুৱাৰ খোল খাব।

এচিয়াৰ কেইবাখনো দেশে ভাৰতৰ লগত বাণিজ্যিক সম্বন্ধ স্থাপন কৰিবলৈ ইচ্ছুক হৈছে। ইতিমধ্যে ভাৰত-চিংগাপুৰ বাণিজ্যিক চুক্তি সম্পাদন হৈছে। ভাৰতে ৰপ্তানী কৰা দ্ৰব্যবোৰৰ ওপৰত শুল্কৰ পৰিমাণ হ্ৰাস কৰি বজাৰ দখল কৰাৰ চেষ্টা চলিছে। এই অৰ্থনৈতিক সহযোগিতা চুক্তিৰ যোগে ভাৰতে বিদেশী মূলধন বিনিয়োগৰ সুবিধা লাভ কৰাৰ আশাও কৰা হৈছে। পশ্চিম এচিয়াৰ তেল সম্পদত চহকী দেশসমূহৰ তেলৰ ধন বৰ্তমান আমেৰিকা বা ইউৰোপৰ দেশবোৰতকৈ চিংগাপুৰত বিনিয়োগ কৰাত গুৰুত্ব দিছে। ভাৰতে ৰিজাৰ্ভ বেংকৰ নীতি-নিয়মৰ অধিনত তিনিটা চিংগাপুৰৰ বেংকক ভাৰতত শাখা খুলিবলৈ অনুমতি প্ৰদান কৰিছে। ফলত পশ্চিম এচিয়াৰ দেশসমূহৰ তেলৰ ধন এনে বেংকৰ যোগেদি ভাৰতত বিনিয়োগৰ সম্ভাৱনা বৃদ্ধি পাইছে। ভাৰতেও কেইটামান নিৰ্বাচিত ভাৰতীয় বেংকক চিংগাপুৰত শাখা খুলি ব্যৱসায় কৰিবলৈ অনুমতি দিয়াৰ সম্ভাৱনা আছে।

২০০৫ চনৰ মাৰ্চত জাপানৰ প্ৰধান মন্ত্ৰীৰ ভাৰত ভ্ৰমণে ভাৰত-জাপান





বাণিজ্য বৃদ্ধিৰ ইংগিত বহন কৰিছে। বৰ্তমান ভাৰত-জাপান মুঠ বাণিজ্য ২০০০-০১ ত ৩.৮% ৰ পৰা ২০০৩-০৪ চনত ৩.১% লৈ হ্ৰাস পাইছে। এই বাণিজ্য বৃদ্ধিৰ বাবে দুয়ো দেশৰ মাজত আলোচনা চলি আছে। ভাৰতৰ প্ৰধান মন্ত্ৰী ড° মনমোহন সিঙে জাপানৰ লগত বাণিজ্য বৃদ্ধিৰ বাবে Trade and Economic Relations Committee এখন গঠন কৰি তাৰ অধ্যক্ষৰ দায়িত্বত তেওঁ নিজেই আছে।

যোৱা ১ ডিচেম্বৰ, ২০০৫ তাৰিখে নেপালৰ ৰাজধানী কাঠমাণ্ডুত অনুষ্ঠিত হোৱা ভাৰত আৰু ছয়খন এছীয় দেশৰ 'South Asian Free Trade Area' (SAFTA) চুক্তিয়ে এই দেশসমূহৰ মাজত বাণিজ্যৰ ক্ষেত্ৰত সুদূৰপ্ৰসাৰী প্ৰভাৱ পেলোৱাৰ সম্ভাৱনা আছে। এই চুক্তি ১ জানুৱাৰী, ২০০৬ চনৰ পৰা কাৰ্যকৰী হ'ব। ফলত পূৰ্বাঞ্চলৰ বাবে এই চুক্তি চৰকাৰৰ 'পূবলৈ চোৱা নীতি'ত এটা মাইলৰ খুঁটি হ'ব।

ভাৰত চৰকাৰৰ 'পূবলৈ চোৱা নীতি'ৰ সফলতাৰ বাবে আৰু পূৰ্বাঞ্চলৰ উন্নতি যদি চৰকাৰে সঁচাই কামনা কৰে তেন্তে এই অঞ্চলৰ পৰিকল্পনা উন্নয়নত বিশেষ গুৰুত্ব দিয়াৰ আৱশ্যকতা আছে। কাৰণ চীন-ভাৰত চুক্তিৰ অধীনত চীনে ইতিমধ্যে পথ উন্নয়ন, চীন-ভাৰত সীমাৰ 'নাথুলা পাছ'ত ১৫০ খন ট্ৰাক ৰখাৰ পাৰ্কিং স্থান, টেলিফোন যোগাযোগৰ উন্নতি আদি কাম সম্পূৰ্ণ কৰিছে। ১১ জন চীনৰ বিষয়াই 'নাথুলা পাচ'ত ভাৰতৰ কামৰ অগ্ৰগতিত অসন্তুষ্টি ব্যক্ত কৰিছে। গতিকে কেৱল চুক্তি সম্পাদন কৰিলেই নহ'ব, চুক্তি ৰূপায়ণৰ বাবে সুবিধাসমূহ সোনকালে কৰি লোৱাৰ দৰকাৰ।

বাণিজ্য সম্প্ৰসাৰণৰ বাবে আমি কি ৰপ্তানী কৰিম সেইটো নিৰ্দ্ধাৰণ কৰা দৰকাৰ, এই অঞ্চলৰ বৃহৎ নিবনুৱা সমস্যা সমাধানৰ বাবে থলুৱাভাৱে পোৱা বিভিন্ন দ্ৰব্য অপৰ্যাপ্ত পৰিমাণে উৎপাদন কৰি ৰপ্তানীৰ বাবে সাজু কৰি তুলিব লাগিব। কৃষিজাত দ্ৰব্য, দুগ্ধজাত দ্ৰব্য, মাংস, বাঁহ-বেতৰ সামগ্ৰী, বনৌষধি, কুটিৰ উদ্যোগত উৎপাদিত বিভিন্ন দ্ৰব্য, বনজ-সম্পদ, এৰী-মুগা আদি এই দেশবোৰলৈ ৰপ্তানীৰ যথেষ্ট সম্ভাৱনা আছে। অন্যহাতে বাণিজ্য বৃদ্ধিৰ বাবে বিশেষ অৰ্থনৈতিক 'জ'ন' স্থাপন কৰি অঞ্চলটোক কিছুমান সমস্যাৰ পৰা মুক্ত কৰি লব লাগিব। উৎপাদিত দ্ৰব্য সংগ্ৰহ আৰু মজুত, উৎপাদকক উপযুক্ত মূল্য প্ৰদান, ৰপ্তানীৰ যাৱতীয় ব্যৱস্থা, তথ্য সংগ্ৰহ, দ্ৰব্যৰ গুণমান উন্নত কৰা, প্ৰতিযোগিতাত তিষ্ঠি থকাৰ ব্যৱস্থা আদি দিশবোৰত আগতীয়াকৈ চকু দিলে পূৰ্বাঞ্চলৰ নিবনুৱা সমস্যা সমাধানত SAFTA ই প্ৰভূত বৰঙণি যোগাব বুলি আশা কৰিব পাৰি।

কিন্তু শেহতীয়াভাৱে দেখা গৈছে যে ভাৰত-মিয়ানমাৰৰ মাজৰ বাণিজ্য ক্ৰমে হ্ৰাস পাইছে। মণিপুৰৰ মোৰে আৰু মিজোৰামৰ চাম্‌ফাই বাণিজ্য কেন্দ্ৰৰ যোগেদি ব্যৱসায় কৰা দুয়োদেশৰ ব্যৱসায়ীসকলে ৰাজ্যিক আৰু কেন্দ্ৰীয় চৰকাৰৰ অমনোযোগিতাক ইয়াৰ বাবে দোষাৰোপ কৰিছে। মণিপুৰ চৰকাৰে সংগ্ৰহ কৰা তথ্য মতে ২০০৩-০৪ চনত ৰপ্তানী মূল্য আছিল ৮.৭০ কোটি টকা আৰু আমদানি মূল্য আছিল ৮.০৬ কোটি টকা। যিটো ২০০৫ চনত ৰপ্তানী ৫.৩৮ কোটি টকালৈ আৰু আমদানি ৫ কোটি টকালৈ হ্ৰাস পাইছে। ব্যৱসায়ীসকলৰ মতে সীমান্ত অঞ্চলত প্ৰচণ্ড উগ্ৰ পন্থী কাৰ্যকলাপ, বন্ধ, আৱশ্যকীয় প্ৰতিৰক্ষাৰ অভাৱ, মজুত ভড়ালৰ অভাৱ, চোৰাং কাৰবাৰ আদিয়েই বাণিজ্য হ্ৰাস হোৱাৰ প্ৰধান কাৰণ। গতিকে চৰকাৰে এই বিলাক দিশত উপযুক্তভাৱে চকু দি সমস্যাসমূহ নিৰিক্ষণৰ ক্ষিপ্ৰ ব্যৱস্থা লোৱাৰ দৰকাৰ। অন্যথাই এই অঞ্চলত নিবনুৱা সমস্যাই এনে ভয়াবহ ৰূপ ল'ব যে তাক নিয়ন্ত্ৰণৰ বাবে কোনো ব্যৱস্থাই কাম নকৰিব। গতিকে সময় থাকোতেই চৰকাৰে উত্তৰ-পূবৰ সমস্যাসমূহৰ প্ৰতি গুৰুত্ব দিয়া উচিত। এই অঞ্চলৰ যুৱক-যুৱতীসকলেও হাত-সাৰটি বহি নাথাকি নতুন অৰ্থনৈতিক ব্যৱস্থাসমূহে আনি দিয়া সোণালী সুযোগৰ সৎ ব্যৱহাৰৰ বাবে নিজকে প্ৰস্তুত কৰি তোলাতো সময়ৰ আহ্বান বুলি গ্ৰহণ কৰিব লাগিব।

# এলবার্ট আইনষ্টাইন, এক অনন্য প্ৰতিভা

বীণা বৰঠাকুৰ
মুৰব্বী অধ্যাপিকা
পদাৰ্থ বিজ্ঞান বিভাগ

এলবাৰ্ট আইনষ্টাইনক কুৰি শতিকাৰ শ্ৰেষ্ঠতম পুৰুষ বুলি ক'লেও অত্যুক্তি কৰা নহ'ব। এই জনা যুগজয়ী পুৰুষক বাদ দিলে আধুনিক বিজ্ঞানে ভৰিৰ খুপনিকে হেৰুৱাই পেলাব। একেধাৰে মহান বিজ্ঞানী, মহান মানৱপ্ৰেমী, দাৰ্শনিক তথা সংগীতজ্ঞ এইজনা মনীষীৰ শ্ৰেষ্ঠতাক গোটেই পৃথিৱীয়ে একেমুখে স্বীকাৰ কৰিছে। তেওঁৰ এশ বছৰৰ আগৰ অসামান্য কৰ্মক সোঁৱৰণ কৰি তেওঁৰ শ্ৰদ্ধাতে পদাৰ্থ বিদ্যাৰ নামত ২০০5 চনটোকে নিবেদন কৰিছে। এয়া কম কথা নহয়। বিশ্বৰ আগশাৰীৰ মানৱ সমাজে আগবঢ়োৱা এনে বিৰল স্বীকৃতিৰ অন্তৰালত অন্তৰ্নিহিত হৈ থকা এই নমস্য ব্যক্তিত্বৰ সামান্য আলোকপাত কৰিবপৰাটোৱেই আমাৰ লিখনিৰ মূল উদ্দেশ্যে।

আজিৰ পৰা প্ৰায় ১২৬ বছৰৰ আগতে অৰ্থাৎ ১৮৭৯ ৰ মাৰ্চ মাহৰ ১৪ তাৰিখে এলবাৰ্ট আইনষ্টাইনৰ জাৰ্মানীত জন্ম হয়। অংক আৰু বিজ্ঞানত অসীম মেধা থাকিলেও তেওঁ কিন্তু সৰু কালত শ্ৰেণীকোঠাৰ ৰুটিনত পাৰদৰ্শীতা দেখুৱাব পৰা নাছিল। তেওঁ এজন স্বনিৰ্মিত শিল্পী আছিল। অদ্ভুত বৈশাদৃশ্যই তেওঁৰ চৰিত্ৰত সমাহাৰ ঘটিছিল। যিজন কিশোৰে ১২ বছৰ বয়সতে নিজে নিজে কেলকুলাচ শিকিছিল। সেই জনেই পোন্ধৰ বছৰ বয়সত Federal Institute of Technology (ছুই জাৰলেণ্ডৰ জুৰিখত) প্ৰবেশিকা পৰীক্ষাত আধুনিক

> হিটলাৰৰ নিৰ্যাতনৰ এজন বলি আইনষ্টাইনো আছিল, কাৰণ তেওঁ জাতত ইহুদী আছিল।

ভাষা, প্ৰাণীবিদ্যা আৰু উদ্ভিদ বিদ্যা বিষয়ত অণুতীৰ্ণ হৈছিল। কাৰণ তেওঁ আগৰ সময়ছোৱাত এইবোৰ মুঠেও নপঢ়িছিল। কিন্তু একেটা পৰীক্ষাত অংক আৰু পদাৰ্থৱিদ্যা বিষয় দুটাত তেওঁ ইমান ভাল কৰিছিল যে এবছৰৰ পৰিশীলনৰ ব্যৱস্থাৰে তেওঁক অধ্যয়নৰ অনুমতিদিছিল। ২১ বছৰ বয়সত তেওঁ গ্ৰেজুৱেট হৈছিল। কিন্তু তাৰ পিছত দুবছৰ তেওঁ একো স্থায়ী নিযুক্তি পোৱা নাছিল। অৱশেষত চুইচ্ পেটেণ্ট অফিচ এটাত কেৰাণীৰ চাকৰিত সোমাইছিল।

এই চাকৰিত থাকোতে নিজৰ পঢ়া-শুনা চলাই নিবলৈ অৱশ্যে আজৰি সময় পাইছিল। সেয়েহে এই সাত বছৰীয়া চাকৰি জীৱনত কেইবাখনো মূল্যবান 'পেপাৰ' প্ৰকাশ কৰিছিল। ইয়াৰ মাজেৰে ১৯০৫ চনটো আছিল অতিকৈ উল্লেখনীয়। ২৬ বছৰীয়া কেৰাণী এজনে একেলগে চাৰিখন (কোনো কোনোৰ মতে পাঁচখন) গৱেষণা পত্ৰ প্ৰকাশ কৰি সেই সময়ৰ বিজ্ঞান জগতত প্ৰচুৰ খলকনি তুলিছিল। সেই চাৰিখন 'পেপাৰে'ই ইমান মূল্যবান আছিল যে আইনষ্টাইনে যদি তাৰে মাত্ৰ এখন পেপাৰ প্ৰকাশ কৰিলেহেঁতেন, কেৱল সেইখনেই তেওঁক বিখ্যাত কৰিবলৈ যথেষ্ট আছিল। ইয়াৰ এখন আছিল 'বিশেষ আপেক্ষিকতাবাদ'ৰ ওপৰত। বিশেষ আপেক্ষিকতা এনেকুৱা এটা ধাৰণা যে সেই সময়ত পূৰ্বসুৰী মহান বিজ্ঞানী ছাৰ আইজাক নিউটনৰ প্ৰচলিত ধাৰণাত আহিপৰা কেতবোৰ অসুবিধা দূৰ কৰিবলৈ সমস্যাত পৰি থকা বিজ্ঞানীসকলক আইনষ্টাইনৰ





মতবাদে স্পষ্টকৈ নতুন পথৰ সন্ধান দিব পাৰিছিল। তেওঁৰ আন এখন ৰচনা আছিল অন্য এজন প্ৰথিত যশা বিজ্ঞানী মেক্স প্লাঙ্কৰ সমৰ্থনত প্ৰকাশ কৰা কোৱাণ্টাম মেকানিকচৰ ওপৰত। য'ত তত্বৰ সহায়ত তেওঁ দেখুৱাইছিল যে, হয় বিকীৰণ বিলাক শক্তি গুচ্ছ বা কোৱাণ্টামৰ সমষ্টি। তৃতীয় পেপাৰখন আছিল ব্ৰাউনিয়ান মোচনৰ ওপৰত যি অনুৰ ধাৰণাক সুদৃঢ় কৰি তুলিবলৈ সক্ষম আছিল। চতুৰ্থখন আছিল পদাৰ্থ আৰু শক্তিৰ মাজৰ সম্পৰ্কৰ ওপৰত প্ৰতিষ্ঠিত। যাৰ সহায়ত তেওঁ দেখুৱাইছিল যে শক্তি আৰু পদাৰ্থ আচলতে একেটা বস্তুৰে দুটা ৰূপ।

এইটো বোধহয় যুগধৰ্মৰে চিৰন্তন নীতি য'ত প্ৰবীন সকলে নবীন প্ৰতিভাৰ প্ৰতি আকৰ্ষিত হ'লেও সহজে স্বীকৃতি দিবলৈ টান পায়। আইনষ্টাইনৰ প্ৰতি প্ৰবীন সমাজৰ আকৰ্ষণ থাকিলেও স্বীকৃতি সহজে দিয়া নাছিল। সেয়েহে ১৯১৩ চন পৰ্যন্ত অৰ্থাৎ এই চাৰিখনৰ উপৰিও আৰু কেইবাখনো পেপাৰ প্ৰকাশ কৰাৰ পিছতো তেওঁ কোনো 'একাডেমিক' কাৰ্যৰ লগত সম্পৰ্ক থকা চাকৰি বিচাৰি পোৱা নাছিল। উল্লিখিত বছৰত তেওঁ মনেবিচৰা কৰ্মৰ সন্ধান পাইছিল, সেই চনত (১৯১৩) বাৰ্লিন ইউনিভাৰচিটিৰ পৰা প্ৰফেচৰচিপৰ লগতে কেচাৰ উইলহেল্ম চছাইটিৰ এক গৱেষক হিচাপে তেওঁ নিযুক্তি পাইছিল। পিছত তেওঁ বিভিন্ন দেশৰ পৰা বক্তিতা দিবৰ বাবে আমন্ত্ৰণো পাইছিল। ১৯৪১ চনত তেওঁ আমেৰিকাৰ নাগৰিকত্ব লৈছিল। আইনষ্টাইন কেৱল বিজ্ঞানীয়ে নহয়, মানৱতাবাদীও আছিল। কিন্তু এই কথাটোত তেওঁৰ সমালোচকসকল একমত নহয়। কাৰণ ইয়াৰ এটা ইতিহাস আছে। তেওঁৰ জীৱনৰ মধ্যদশাও অৰ্থাৎ ১৯৩৩ চনত ইহুদী নিৰ্যাতনৰ বাবে কুখ্যাত হিটলাৰ ক্ষমাতালৈ আহিছিল। হিটলাৰৰ নিৰ্যাতনৰ এজন বলি আইনষ্টাইনো আছিল, কাৰণ তেওঁ জাতত ইহুদী আছিল। নিজ জাতিৰ দুৰ্দশাত স্বাভাৱিকতে তেওঁ অতি ব্যথিত হৈছিল আৰু নাৰ্জী বাহিনীৰ ধ্বংসৰ বাবে লোৱা যিকোনো পদক্ষেপতে তেওঁৰ সমৰ্থন আছিল। তেওঁ সততে ভয় কৰিছিল যে হিটলাৰৰ প্ৰচেষ্টাত নাৰ্জীসকলে এটম ব'মৰ ওপৰত হয়তো গৱেষণা আৰম্ভ কৰি দিছে। এই ভয়তে তেওঁ আমেৰিকাৰ প্ৰেছিডেণ্ট ৰুজভেল্টলৈ চিঠি লিখিছিল যে আমেৰিকায়ো এই বিষয়ে গৱেষণা কৰাটো প্ৰয়োজন। এই চিঠিখনৰ বাবে তেওঁক কিছু সংখ্যক সমালোচকে কঠোৰ সমালোচনা কৰিছিল। কিন্তু আমি মনত ৰাখিব লাগিব সেই সময়ৰ পৰিস্থিতিলৈ। নিজ জাতিৰ ওপৰত শত্ৰুৱে আক্ৰমণ কৰিলে সেই শত্ৰুৰ বিনাশৰ বাবে এজন দেশপ্ৰেমিকে সকলো পদক্ষেপকে ল'ব পাৰে। তথাপি আইনষ্টাইন পিছৰ গোটেই জীৱন অনুতপ্ত হৈছিল নিজে লোৱা এই ভূমিকাৰ বাবে। যুদ্ধোত্তৰ কালছোৱাত নিউক্লিয়েৰ শক্তি কণ্ট্ৰল কৰিবলৈ কৰা আন্তৰাষ্ট্ৰীয় ভূমিকাত তেওঁ অগ্ৰণী ভূমিকা লৈছিল। আধুনিক ইজৰাইলৰ গঠনত তেওঁ নীৰৱ কৰ্মী আছিল। কিন্তু ৰাজনৈতিক লিপ্সা তেওঁৰ নাছিল। সেয়েহে ইজৰাইলৰ প্ৰেছিডেণ্টৰ নিচিনা পদপী তেওঁক সন্মানেৰে আগবঢ়োৱাৰ পিছতো একে আষাৰতে প্ৰত্যাখ্যান কৰিব পাৰিছিল।

এই মহানবিজ্ঞানীজন এজন মহান শিল্পীও আছিল। মাতৃৰ মৰম আৰু প্ৰেৰণাই তেওঁক সঙ্গীতপ্ৰেমী কৰি তুলিছিল আৰু সুন্দৰ বেহেলা বাদক হিচাপে তেওঁৰ নাম আছিল। বাহ্যিক ভাৱে বগা চুলিৰে চেহেৰাটোও অনন্য আছিল। তেওঁৰ দাৰ্শনিক চিন্তাধাৰাৰ লিখনিবোৰো ইতিহাসৰ অমূল্য সম্পদ আছিল। বিজ্ঞানৰ দিশত তেওঁৰ অৱদান লিখি শেষ কৰিব নোৱাৰি। পিছৰ জীৱনত ইউনিফাইড থিয়ৰিৰ ওপৰত তেওঁ কৰা কাজকৰ্মৰ ওপৰত সঠিক মূল্যায়ণ হ'বলৈ এতিয়াও বাকী।

১৯৫৫ চনৰ ১৮ এপ্ৰিলত পিন্সটনত আইনষ্টাইনৰ কায়িক মৃত্যু হয়। কিন্তু তেওঁৰ কৰ্মৰাজিয়ে তেওঁক জীয়াই ৰাখিছে। মানৱ ইতিহাস জীয়াই থকালৈকে তেওঁ জীয়াই থাকিব। আধুনিক বিজ্ঞান আইনষ্টাইনক বাদদি হ'বই নোৱাৰে। অংকত নিখুঁত কিন্তু বাস্তৱজীৱনত বহুক্ষেত্ৰত আপোনভোলা এই মানুহজনে এতিয়া জাতি-ধৰ্ম নিৰ্বিশেষে বিজ্ঞানী হওকেই বা কলা-কৌশলীয়ে হওক, সকলোৰে অন্তৰত বিৰাজ কৰিবলৈ সক্ষম হৈছে। ❀

# অতুলনীয় পাই ($\pi$) আৰু আৰ্যভট্ট

ড° ৰাণা কোঁৱৰ
ৰাসায়ন বিদ্যা বিভাগ

ভাৰতৰ গণিত চৰ্চাৰ ইতিহাস অতি প্ৰাচীন হোৱাৰ লগতে অতি গৌৰৱময়। আৰ্যভট্ট প্ৰমুখ্যে বহু ভাৰতীয় গণিতজ্ঞৰ মনীষাই গণিতৰ বিভিন্ন মৌলিক দিশ আলোকিত কৰি ইয়াৰ ভেটি সুদৃঢ় কৰি থৈ গৈছে। তেওঁলোকৰ কৰ্মৰাজিৰ অনুপম সাক্ষ্য বহন কৰি আহিছে বেদান্ত, ন্যায়, সাংখ্য আদি প্ৰাচীন মূল্যবান গ্ৰন্থসমূহে। ভাবিলে আচৰিত লাগে যে ভাৰতৰ গৌৰৱ, সেই জ্ঞানসাধকসকলৰ কিছুমান গাণিতিক সিদ্ধান্ত হাজাৰ হাজাৰ বছৰৰ পিছৰ, আজিৰ এই একবিংশ শতিকাতো অটুট হৈ আছে। উদাহৰণ স্বৰূপে বিজ্ঞানৰ বিভিন্ন বিষয়ত সততে ব্যৱহাৰ হৈ থকা পাই ($\pi$) সংখ্যাটোৰ সম্পৰ্ক থকা আধুনিক ধাৰণাৰ (That is transcedental ; $\pi$ এটা অপূৰ্ব, অসাধাৰণ সংখ্যা) বীজ হাজাৰ বছৰৰ আগতেই এজন ভাৰতীয় মনিষীয়ে ৰোপন কৰি থৈ গৈছিল। তেওঁ হ'ল ভাস্কৰ-১। এই বীজ ৰোপনৰ ইতিহাস তেওঁৰ নিজস্ব উক্তি তথা বিভিন্ন শ্লোকৰ জৰিয়তে এই আলোচনাটিত আলোকপাত কৰাৰ প্ৰয়াস কৰা হৈছে।

সূৰ্যপ্ৰজ্ঞাপ্তি (খৃঃ পূঃ ৫০০ৰ এখন জৈন গ্ৰন্থ য'ত গণিত আৰু জ্যোতিবিদ্যাৰ চৰ্চা কৰা হৈছিল) ৰ সময়ৰ পৰা শ্ৰীপতি (Sripati খৃঃ ১০৩৯) ৰ সময়লৈকে D ব্যাসৰ বৃত্ত এটাৰ পৰিধি (C)ৰ মান $\sqrt{10}$ D বুলি ধৰা হৈছিল। আৰ্যভট্ট-১ (জন্ম ৪৭৬ AD) এ প্ৰথম এই ক্ষেত্ৰত দ্বিমত প্ৰকাশ কৰিছিল। তেওঁ ২০০০ একক ব্যাসৰ বৃত্ত এটাৰ পৰিধিৰ আসন্ন মান ৬২৮৩২ একক বুলি নিৰ্দ্ধাৰণ কৰিছিল। ভাস্কৰ-১ এ 'আসন্ন' শব্দটোৰ গুৰুত্ব তথা বিশেষত্বৰ ওপৰত নিজস্ব ব্যাখ্যা আগবঢ়াই $\sqrt{10}$ D ক পৰিধিৰ প্ৰকৃত জোখ নহয় বুলি মত প্ৰকাশ কৰিছিল। তেওঁলোকৰ সেই প্ৰচেষ্টাই পাই ($\pi = \frac{C}{D}$ )ক বৰ্তমানৰ ৰূপত সংজ্ঞাবদ্ধ কৰাৰ পথ প্ৰশস্ত কৰিছিল।

ভাস্কৰ-১ এ আসন্ন শব্দটোক সঠিক (Precise) মানৰ অৰ্থত লৈছিল ; স্থূল মান (Rough value) হিচাবে নহয়। বিখ্যাত "আৰ্যভট্ট" গ্ৰন্থৰ এটা শ্লোকত তেওঁ "আসন্ন"ক "নিকট" অথবা "অত্যন্ত ওচৰ" এই শব্দ দুটাৰ সমাৰ্থক ৰূপত প্ৰকাশ কৰিছিল।

"আসন্নঃ নিকটঃ। কস্থাসন্নঃ ? সূক্ষ্মস্থ পৰিণাহস্থ।
কথং বিজায়তে সূক্ষ্মস্থাসন্ন ইতি, ন পুনৰ্ব্যাবহাৰিকস্থাসন্নঃ।
য়াৱতা শ্ৰুত পৰিক ল্পনা সুক্ষ্মব্যাৱহাৰিকয়োস্তুল্যা।"

পৰিধি আৰু ব্যাসৰ মাজৰ সম্পৰ্কৰ ক্ষেত্ৰত ভাস্কৰ-১ ৰ দৃষ্টিভংগী তেওঁৰ প্ৰত্যক্ষ (pratyaksa) নামৰ প্ৰমাণটোত প্ৰতিফলিত হৈছে। এই প্ৰমাণটো বেদান্ত, ন্যায় আৰু সাংখ্যৰ প্ৰতিখনতে সন্নিবিষ্ট হৈ আছে। ইয়াত দেখুওৱা হৈছে যে কোনো বৃত্তৰ ব্যাস (D) যি এককৰ মাপকাঠিৰেই নুজোখক কিয় সেই একে মাপকাঠিৰে বৃত্তটোৰ পৰিধি (C) জুখিলে পৰিধিৰ এটা অংশ সদায় বাকী থাকি যায়। অৰ্থাৎ C/D অপ্ৰমেয়।

এতিয়া চোৱা যাওক ভাস্কৰ-১ এ কেনেকৈ C/D ৰ মান $\sqrt{10}$ নহয় বুলি প্ৰমাণ কৰিছিল। তেওঁ এটা শ্লোকত উল্লেখ কৰিছিল

"বৃত্তক্ষেত্ৰে চত্বাৰি ধণুক্ষেত্ৰাণি, একমায়তচতুৰশ্ৰক্ষেত্ৰম্।
তেষাং ফলসমাসেন বৃত্তক্ষেত্ৰফলেন ভবিতব্যম্।
তানি ফলানি সংয়োজ্যমানানি ন বৃত্তক্ষেত্ৰফলতুল্যানি ভবন্তি।"

অৰ্থাৎ পৰিবৃত্ত (circumscribed) আয়তক্ষেত্ৰ এটাক সামৰি অংকিত বৃত্ত একোটাৰ পাঁচটা খণ্ড থাকে। তাৰে চাৰিটা খণ্ড হ'ল আয়তক্ষেত্ৰৰ বাহিৰৰ বৃত্তাংশ আৰু আয়তক্ষেত্ৰটো হ'ল পঞ্চম খণ্ড। এই পাঁচটা উপাংশৰ ক্ষেত্ৰফলৰ যোগফলেই (M) বৃত্তটোৰ ক্ষেত্ৰফল (N) হোৱা উচিত। কিন্তু C/D=$\sqrt{10}$ মানৰ বাবে (এই সমতা (M = N) দেখা নাযায়। তেওঁ এটা উদাহৰণৰ জৰিয়তে ইয়াক প্ৰতিপন্ন কৰিছিল। উদাহৰণটোত ভাস্কৰ-১ এ ব্যৱহাৰ কৰা গাণিতিক শব্দ কেইটামান হ'ল ঃ (১) অভগাহ (avagaha) বা ইষু (isu) - বৃত্তৰ কোনো এডাল জ্যাৰ মধ্যবিন্দুৰ পৰা ওচৰৰ পৰিধিলৈ টনা লম্ব, (২) জীৱা (jiva) - জ্যা, (৩) ধনুক্ষেত্ৰ (dhanuksetra) বৃত্তাংশ।

উদাহৰণ ঃ ধৰা হ'ল ১০ একক ব্যাসৰ বৃত্ত এটাৰ AB আৰু CD জ্যা দুডালৰ প্ৰত্যেকৰে দৈঘ্য ৬ একক। EM আৰু M'W যথাক্ৰমে AB আৰু CD ৰ অভগাহ। প্ৰতিডাল অভগাহৰ দৈঘ্য ১ একক। একেদৰে AD আৰু BC জ্যা দুডালৰ দৈঘ্য ৮ একক আৰু NP আৰু P'S অভগাহ দুডালৰ প্ৰতিডাল ২ একক দৈঘ্যৰ। ABCD আয়তক্ষেত্ৰটোৰ শীৰ্ষবিন্দু কেইটা বৃত্তটোৰ পৰিধিত অৱস্থিত। ভাস্কৰ-১ এ AB, CD, AD আৰু BC জ্যাৰ মান নিৰূপন কৰাৰ বাবে আগবঢ়োৱা পদ্ধতি হ'ল —

"অবগাহোনং বিক্ষম্ভং এগাহেন সংগুণং কুয়াৰ্ত্।
চৌগুণিঅচচ তু মূলং জীৱা সৰখত্তাণাম্।"

ইয়াৰ গাণিতিক সূত্ৰটো হ'ব ঃ √{৪ (ব্যাস — অভগাহ) অভগাহ } = জীৱা। এই সূত্ৰ প্ৰয়োগ কৰিলে দেখা যায়

AB = √ { 8 (EW - EM) EM }
= √ { 8 (১০ — ১)১ } =৬ একক।

একেদৰে CD = ৬ একক আৰু AD = BC = ৮ একক। জ্যাৰ নিৰ্দ্ধাৰিত মানেৰে বৃত্তাংশৰ কালি নিৰ্ণয়ৰ উপায় তেওঁ দিছিল এনেদৰে —

"ইষুপাদগুণা জীৱা দশকৰণী ভিৰ্ভবেদ্ বিগুণ্য ফলম্।
ধনুপট্টে'স্মিন্ ক্ষেত্ৰে একত্বকৰণং তু জ্ঞাতভ্যম্।"


অৰ্থাৎ, জীৱা × $\frac{১}{৪}$ অভগাহ (বা ইষু) × √১০ = ধনুক্ষেত্ৰানি


এই সূত্ৰ অৱলম্বণ কৰিলে বৃত্তাংশৰ ক্ষেত্ৰফল হ'ব

AEBA = DCWD ৬× $\frac{১}{৪}$ ×১×√১০ = $\frac{১}{২}$ √৯০ বৰ্গ একক আৰু
ADNA = BSCB ৮× $\frac{১}{৪}$ ×২×√১০ = ৪ √১০ = √১৬০ বৰ্গ একক।

অৰ্থাৎ মুঠ বৃত্তাংশৰ কালি=২× ($\frac{১}{২}$ √৯০ + √১৬০) = (√৯০ + √৬৪০)
= √(১০ × ৩²) + √(১০ × ৮²) = √১০x² = √১০y²। ইয়াত x² আৰু y² পৰিমেয় সংখ্যা।

√১০x² আৰু ১০y² ৰ দৰে একেৰূপৰ কৰণী যোগ কৰাৰ পদ্ধতি সন্নিবিষ্ট তেওঁৰ শ্লোকটি হ'ল—



অপবৰ্ত্য চ দশকেন হি মূলসমাসঃ সমোত্থম য়ত্।
অপবৰ্তনাংকগুণিতং কৰণীসমাসং তু জ্ঞাতভ্যম্।
শ্লোকটিৰ অৰ্থ ইংৰাজী ভাঙনিত বেছি বোধগম্য হ'ব যেন লাগে। The numbers under the radical (i.e. $10x^2$ and $10y^2$) are divided by 10 (অপবৰ্ত্য চ দশকেন), the sum of the square roots i.e. x + y (মূল সমাসঃ) is raised to the same power (সমোত্থ) i.e. x + y is squared and then multiplied by divisor (অপবৰ্তনাংক গুণিতং) i.e. by 10 to obtain $10\,(x+y)^2$ ; the square root of which is the sum of two similar surds. আলোচিত উদাহৰণটিত পদ্ধতিটোৰ ব্যৱহাৰ হ'ব এনেধৰণৰ ঃ

ক) $\sqrt{১০\times৩^২\div১০}+\sqrt{১০\times৮^২\div১০}$
$=\sqrt{৩^২}+\sqrt{৮^২}=৩+৮$
খ) $(৩+৮)^২\times১০=১২১০$
গ) $\sqrt{১২১০}=$ মুঠ বৃত্তাংশৰ কালি

আকৌ ABCD আয়তক্ষেত্ৰৰ কালি $=৮\times৬=৪৮$ বৰ্গ একক

এতেকে বৃত্তটোৰ উপাংশ পাঁচটাৰ মুঠ কালি $=\sqrt{১২১০}+৪৮$
$=১১\sqrt{১০}+৪৮$

কিন্তু ১০ একক ব্যাসৰ বৃত্তটোৰ কালি $=\frac{C}{D}\times$ (ব্যাসাৰ্দ্ধ)$^২$
$=\sqrt{১০}\times\left(\frac{১০}{২}\right)^2$
$=২৫\sqrt{১০}$
$<১১\sqrt{১০}+৪৮$

অৰ্থাৎ $\frac{C}{D}$ ৰ মান $\sqrt{১০}$ বুলি ধৰি কোনো বৃত্তৰ ক্ষেত্ৰফল উলিয়ালে দেখা যায় যে এই ক্ষেত্ৰফল বৃত্তটোৰ উপাংশ কেইটাৰ মুঠ ক্ষেত্ৰফলৰ লগত সমান নহয়।

পৰীক্ষাৰ এই ফলাফলৰ পৰা ভাস্কৰ-১ম এনে এটা সিদ্ধান্তত উপনীত হ'ল যে— D ব্যাসযুক্ত যিকোনো বৃত্তৰ বাবে $\sqrt{১০}$ D মানটো পৰিধিৰ (C) এটা অতি স্থূল মানহে (atyantasthulatama pannam)। ভাস্কৰ-১মৰ ধাৰণাটো মূল বক্তব্য হ'ল— একক ব্যাসৰ কোনো বৃত্তৰ বাবে পৰিধিৰ মান কৰণী নহয় অথবা ইয়াক একক দৈৰ্ঘ্যৰে (ইউক্লিডিয় পদ্ধতিৰে) সম্পূৰ্ণৰূপে জুখিব পৰা নাযায়। অৰ্থাৎ k বা $\pi=\frac{C}{D}$ সংখ্যাটো প্ৰমেয় নহয়। পাই ($\pi$) এটা অসাধাৰণ আৰু অতুলনীয় সংখ্যা বুলি থকা আধুনিক ধাৰণাটোৰ বীজ এই সিদ্ধান্তটিতেই নিহিত হৈ আছিল আৰু এই সত্য উন্মেষ ঘটাই ছিল এফ, লিণ্ডেমেনে (F. Lindemann) ভাস্কৰ-১মৰ প্ৰায় তেৰশ বছৰৰ পিছত।


*সহায়ক গ্ৰন্থপঞ্জী ঃ-*

1. Geometry in Ancient and Medieval India, Motilal Banarsidass, New Delhi, 1979 - Sarasvati Amma T. A.
2. Aryabhatiya of Aryabhatta with the commentary of Bhaskara (I) and Somesvara, INSA, New Delhi, 1976 -edited by Shukla, Kripa-Shankar.
3. A History of Mathematics, John Wiley and Sons, New York, 1989 - C. B. Boyer and Uta C. Merzbach.
4. An Introduction to the Theory of Numbers, Oxford University Press, London, 1971 - G. H. Hardy and E. M. Wright
5. Indian J. History of Science, Vol 33 No. 2 (1998), INSA, New Delhi - A. Mukhopadhyay and M. R. Adhikari






ভ্ৰমণ

# সেউজ নগৰী বাঙ্গালোৰত মোৰ এখোজ

*"বহুতৰে মুখত শুনি আছিলো বাঙ্গালোৰ বৰ সুন্দৰ মহানগৰী, পৰিষ্কাৰ লগতে ইয়াৰ বতৰ বৰ ভাল। কিন্তু কিমান ভাল সেইটো জনা নাছিলো।"*


ৰানী দেৱী
গ্ৰন্থাগাৰিকা


'বাঙ্গালোৰ' এটি চিনাকি নাম। বহুত দিনৰ পৰাই এবাৰ বাঙ্গালোৰলৈ যোৱাৰ এটি অদম্য হেঁপাহ মনৰ মাজত পুহি ৰাখিছিলো। ২০০৫ চনৰ জুন মাহত সেই আশাই বাস্তৱ ৰূপ ল'লে। ৫ জুনত আমি দুয়ো বাঙ্গালোৰ অভিমুখে ৰাওনা হ'লো। সঁচাই মনটো ভাল লাগিছিল।

বহুতৰে মুখত শুনি আছিলো বাঙ্গালোৰ বৰ সুন্দৰ মহানগৰী, পৰিষ্কাৰ লগতে ইয়াৰ বতৰ বৰ ভাল। কিন্তু কিমান ভাল সেইটো জনা নাছিলো। তিনিটা নিশা ৰেল যাত্ৰাৰ পাছত পুৱাই আমি বাঙ্গালোৰৰ 'কেন্টন্‌মেণ্ট' ৰেল ষ্টেচনত নামি আমাৰ বৰ ল'ৰা গৌৰৱৰ লগত তাৰ থকা ঠাই মাৰাথাহালি পালোগৈ। ষ্টেচনৰ পৰা আহোতে বাঙ্গালোৰৰ ৰাণ্টা, ৰাণ্টাৰ দুয়ো কাষৰ শাৰী শাৰী গছবোৰ আৰু বতাহৰ মিঠা পৰশ এই আটাইকেডটা দেখি আৰু অনুভৱ কৰি মনটো আনন্দৰে যেন ভৰি পৰিছিল। ইমান গছ-গছনিৰে ভৰা ৰাণ্টা অথচ কতো এখিলা পাত পৰি থকা চকুত নপৰিল। ঘৰ আহি পোৱাৰ পাছত অনুভৱ কৰিছিলো সঁচাই বাঙ্গালোৰৰ বতৰ অন্যান্য ৰাজ্যৰ তুলনাত বহুত বেলেগ। কাৰণ জুন-জুলাই মাহত আমাৰ ইয়াত গৰমৰ প্ৰকোপ ইমান বেছি যে গাত কাপোৰ লৈ শোৱাৰ কথা ভাবিবই নোৱাৰি, কিন্তু বাঙ্গালোৰত জুন মাহতো পুৱাৰ বেলিকা কাপোৰ এখনৰ প্ৰয়োজন অনুভৱ কৰিছিলো। সন্ধ্যাৰ পাছত বাহিৰলৈ ওলাই গ'লে আমাৰ এইবোৰ ঠাইৰ ঠাণ্ডাদিনৰ গধুলি যেনহে অনুভৱ হৈছিল। গোটেই নগৰীখনৰ প্ৰতিজোপা গছে অনবৰতে হালি-জালি ঘণ্টাত ৫০-৬০ মাইল বেগেৰে বতাহ বিয়পাই গোটেই পৰিৱেশটোৱেই বেলেগ কৰি ৰাখিছে। নিজে অহাৰ পাছতহে বহুতৰে মুখত শুনা "বাঙ্গালোৰৰ বতৰ বেলেগ" কথাষাৰৰ প্ৰকৃত সত্যতা উপলব্ধি কৰিছো। সেইবাবেই এই মহানগৰীখনক 'শীত-তাপ নিয়ন্ত্ৰিত' মহানগৰী বুলিও আখ্যা দিয়ে। বাঙ্গালোৰৰ যেন নামৰো সীমা সংখ্যা নাই — সেউজ মহানগৰী বাঙ্গালোৰ, গাৰ্ডেন চিটি বাঙ্গালোৰ, তথ্য-প্ৰযুক্তি নগৰী ইত্যাদি নামেৰে অলংকৃত এই মহানগৰী।

ভাৰতবৰ্ষৰ আন মহানগৰীবোৰৰ তুলনাত বাঙ্গালোৰৰ আয়তন হয়তো কম। বম্বেৰ দৰে বৃহৎ আয়তনৰ নহয়। এই চহৰখনি নীলগিৰি পৰ্বত এলেকাত অৱস্থিত। আয়তনত সৰু হ'লেও ইয়াত ফুৰা-চকা কৰোতে প্ৰতিটো মুহূৰ্তৰ যেন কিবা এক অনাবিল আনন্দ উপভোগ কৰিব পাৰি। গাড়ীৰ ভিতৰৰ পৰা যিফালেই দৃষ্টি দিয়া যায় সেই ফালেই সেউজীয়া, কেৱল সেউজীয়া, সেউজীয়া প্ৰকৃতিয়ে যেন সেউজ বুলিয়া সৌন্দৰ্যৰ পোহৰহে খেলিছে।

ঘৰৰ বাৰান্দাত বৈ সন্মুখৰ গছবোৰলৈ চাই চাই এটা সময়ত মই যেন আবেগিক হৈ পৰিছিলো আৰু মোৰ যেন গছবোৰলৈ বেয়াহে লাগিছিল। পুৱাৰ পৰা পুৱালৈ বতাহ বিলাই থকা গছবোৰক মই মনে মনে প্ৰশ্ন কৰিছিলো "তহঁতে আৰু আমাক কিমান বতাহ বিলাবি ? তহঁতৰ ভাগৰ লগা নাইনে ?" এই অনুভৱে মোক ইমান ভাৰাক্ৰান্ত কৰিছিল যে মই তাত বহুতৰে আগত কৈছিলো "মোৰ বাঙ্গালোৰৰ গছবোৰলৈ বেয়াহে লাগিছে" কিয় অনবৰতে ইমান বতাহ চিন্তা কৰিছিলো পাছত গম পালো পাহাৰ বগাই বাঙ্গালোৰলৈ অহা যোৱা কৰিব নালাগে যদিও সাগৰ পৃষ্ঠৰ পৰা বাঙ্গালোৰ চহৰখনি বহুত ওপৰত সেইবাবেই ইয়াত ইমান বতাহ।

এই মহানগৰীখনৰ সৌন্দৰ্য আৰু তাৰ থলুৱা লোকসকলৰ প্ৰকৃতিপ্ৰীতি দেখিলে আচৰিত হ'ব লাগে। প্ৰতিজোপা গছৰ লগত যেন তাৰ মানুহখিনিৰ এটি আত্মিক সম্পৰ্ক আছে লগতে ইমান পৰিপাটি আৰু শৃঙ্খলাবদ্ধভাৱে ৰোপন কৰা প্ৰতিজোপা গছৰ প্ৰতি প্ৰতিগৰাকী নাগৰিকৰ দায়িত্বও সমানেই গুৰুত্বপূৰ্ণ। যোৱা এপ্ৰিল মাহৰ ১ তাৰিখৰ কথা, ৰাতিপুৱাই বাঙ্গালোৰৰ পৰা ওলোৱা এখন বাতৰি কাকতৰ প্ৰথম পৃষ্ঠাত প্ৰকাশ পালে এখন ছবি য'ত দেখুৱা হৈছে এম. জি. ৰোডত থকা বাগানভীলা ফুলৰ গছবোৰ আৰু শাৰী-শাৰীকৈ থকা দেবদাৰু গছবোৰ কাটি বগৰাই পেলাই থৈছে। কাষত লিখা হৈছে 'কাৰ পাৰ্কিঙ'ৰ বাবেই এই গছবোৰ কাটি পেলোৱা হৈছে। পুৱাই হাতে হাতে

> "ভাৰতবৰ্ষৰ আন মহানগৰীবোৰৰ তুলনাত বাঙ্গালোৰৰ আয়তন হয়তো কম। বম্বেৰ দৰে বৃহৎ আয়তনৰ নহয়। এই চহৰখনি নীলগিৰি পৰ্বত এলেকাত অৱস্থিত। আয়তনত সৰু হ'লেও ইয়াত ঘূৰা-চকা কৰোতে প্ৰতিটো মুহূৰ্তৰ যেন কিবা এক অনাবিল আনন্দ উপভোগ কৰিব পাৰি। গাড়ীৰ ভিতৰৰ পৰা যিফালেই দৃষ্টি দিয়া যায় সেইফালেই সেউজীয়া, কেৱল সেউজীয়া, সেউজীয়া প্ৰকৃতিয়ে যেন সেউজবুলীয়া সৌন্দৰ্যৰ পোহৰহে খেলিছে।"

তুলি লোৱা কাকত খনৰ প্ৰথম পৃষ্ঠাৰ এই ছবি আৰু বাতৰিটোৱে মহানগৰীখনৰ প্ৰতিজন নাগৰিকক স্তম্ভিত কৰাৰ লগতে সকলোৱে ইয়াৰ প্ৰতিবাদত নিজৰ নিজৰ ফোন যোগে বাৰ্তা বিনিময় কৰি গোটেই মহানগৰীখনত খলক লগালে। অৱশ্যে পাছত ইয়াৰ সামৰণি পৰিল। সেই কাকত খনৰ শেষ পৃষ্ঠাৰ দুটা কথাই শান্ত কৰিলে। তাত লিখিছিল "আজি ১ এপ্ৰিল, গতিকে প্ৰথম পৃষ্ঠাৰ ছবি আৰু বাতৰিটো এপ্ৰিলফুলহে আছিল" এইটো এটা সৰু দৃষ্টান্ত। য'ত তাৰ নাগৰিকসকলৰ প্ৰতিজোপা গছৰ প্ৰতি থকা প্ৰীতি আৰু দায়িত্ব প্ৰকাশ পাইছে। তাৰ নাগৰিকসকলৰ নিজৰ নগৰখনৰ প্ৰাকৃতিক পৰিৱেশ সুন্দৰ কৰি ৰখাৰ প্ৰতি সদা সচেতন।

বাঙ্গালোৰত থকা দিন কেইটাত খুবেই ভাল লাগিছিল, কিন্তু মাজে মাজে মই আমাৰ দেশখনৰ কথা ভাবি অলপ হ'লেও মানসিকভাৱে বিচলিত হৈছিলো। আমাৰ অসমখন ঈশ্বৰ প্ৰদত্ত প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰপুৰ হোৱা সত্বেও আমি যেন আমাৰ সম্পদৰাজিক শৃঙ্খলাভাৱে ৰক্ষনাবেক্ষন দিব পৰা নাই। এনেভাবে মোক ভাৰাক্ৰান্ত কৰিছিল। আমাৰ সেই মানসিকতা যেতিয়া গঢ় ল'ব তেতিয়া আমিও বাঙ্গালোৰৰ লোকসকলৰ দৰেই শৃঙ্খলাবদ্ধভাৱে গছৰোপন কৰি আমাৰ নগৰ-চহৰবোৰো সেউজীয়া কৰি তুলিব পাৰিম।

বাঙ্গালোৰলৈ গৈ এটা কথা বৰকৈ অনুভৱ কৰিলো যে অসমৰ বহু সংখ্যক ছাত্ৰ-ছাত্ৰীয়েই ইয়াত অধ্যয়ন কৰি আছে। ইয়াত সৰু-ডাঙৰ ভাল-বেয়া বহুতো শিক্ষানুষ্ঠান আছে। সকলো শিক্ষানুষ্ঠানৰ শিক্ষাৰ মানদণ্ড উচ্চ বুলি ক'ব নোৱাৰি। কিন্তু যিকোনো কাৰণতেই আমাৰ ল'ৰা-ছোৱালীহঁতে বাঙ্গালোৰৰ শিক্ষা গ্ৰহণ কৰাৰ পোষকতা কৰা দেখা যায়। ইয়াত থকা খ্ৰাইষ্ট কলেজ, জৈন কলেজ, এম.চি. ৰামায়া কলেজ, দয়ানন্দ সাগৰ কলেজ, ৰিচপকটন কলেজ, আচাৰ্য কলেজ, গাৰ্ডেন চিটি কলেজ, মাউণ্ট কাৰমেল গাৰ্লচ কলেজ ইত্যাদি কলেজসমূহত অসমীয়া ল'ৰা-ছোৱালীবোৰ দেখি ভাল লাগিছিল।

প্ৰতিবছৰে বাঙ্গালোৰত মানুহ আৰু গাড়ীৰ সংখ্যা বাঢ়ি যোৱাৰ বাবেই আগতকৈ এই চহৰত যান-বাহনৰ যানজট অলপ বেছি হৈছে যদিও আন মহানগৰীৰ দৰে প্ৰাকৃতিক প্ৰদূষণ নাই। এই মহানগৰীখনৰ আশে-পাশে চাবলগীয়া ও ফুৰিবলগীয়া বহু ঠাই আছে। বাঙ্গালোৰৰ পৰা ৪-৬ ঘণ্টাৰ দূৰত্বত মাইচ'ৰ, উটি, টিৰুপটি আদি বহুতো চাবলগীয়া ঠাই আছে। মাইচ'ৰৰ মহাৰাজা পেলেছ নিজে দৰ্শন নকৰিলে বৰ্ণনাৰে আনক তাৰ প্ৰকৃত সৌন্দৰ্য উপলব্ধি কৰাব পৰা নাযায়।

গোটেই বাঙ্গালোৰ নগৰখন গছ-গছনিৰে ভৰা অথচ ৰাস্তাঘাটত গছৰ পাতৰ কোনো আবৰ্জনা চকুত পৰা নাছিল অন্যহাতে ৰাতি ১১ বজাত ব্ৰীগেদত যেতিয়া ৰাস্তাবোৰ সাৰি পৰিষ্কাৰ কৰা দেখিছিলো তেতিয়া মই এক প্ৰকাৰৰ আচৰিত হৈছিলো। মুঠৰ ওপৰত মহানগৰীখনৰ পৰিষ্কাৰ-পৰিচ্ছন্নতা দেখি মোৰ বৰ ভাল লাগিছিল আৰু ভাৱ হৈছিল আমি অসমৰ মানুহবোৰ এনেবোৰ ক্ষেত্ৰত সজাগ নহও কিয় ?

এই যাত্ৰাত বহুত বস্তু দেখিলো, বহু কথা উপলব্ধি কৰিলো। প্ৰকৃতিৰ বহু সৌন্দৰ্য উপভোগ কৰাৰ লগতে আমাৰ এইবোৰ ঠাইৰ তুলনাত কমদামত খাব পৰা ফলৰ ৰস, গাখীৰ, কেঁচা ফল-মূল, বিভিন্ন ধৰণৰ মূৰ্গীৰ মাংস আদি খায়ো সেই দিনকেইটাত আনন্দ লভিলো। ভ্ৰমণে আমাক বিভিন্ন কথা জনাত, শিকাত, উপলব্ধি কৰাত সহায় কৰে। সেই বাবে মই ভাবো ভ্ৰমণ মানুহৰ জীৱনৰ অতি প্ৰয়োজনীয় অংশ। গতিকে সুবিধা পালে আমি সকলোৱেই ভ্ৰমণৰ আনন্দ ল'ব লাগে। ❀

> "যদি তোমাৰ হৃদয়খন এক তপ্ত আগ্নেয়গিৰি তুমি তোমাৰ হাতত ফুল ফুলাৰ আশা কৰিবা কেনেকৈ ?"
>
> —খলিল জিব্ৰান

# হোমেন বৰগোহাঞীৰ সন্ধানত ....

তেগমণি প্ৰধান
স্নাতক ৩য় বৰ্ষ
উদ্ভিদ বিদ্যা বিভাগ

মোক যদি কোনোবাই মোৰ আদৰ্শ পুৰুষজনৰ কথা সোধে মই বিনাদ্বিধাই দুজন লোকৰ নাম উচ্চাৰণ কৰিম। এজন হ'ল পদাৰ্থবিদ ষ্টিফেন হকিং আৰু আনজন হ'ল হোমেন বৰগোহাঞী। প্ৰথমজন মোৰ কাৰণে কিয় আদৰ্শ পুৰুষ তাৰ উত্তৰ হয়তো অলপ ভাবিলেই দিব পৰা যাব কিন্তু দ্বিতীয়জন কিয় মোৰ কাৰণে প্ৰিয় তাৰ উত্তৰ যথাযথভাৱে একেষাৰতে দিব নোৱাৰো। কাৰণ তেওঁ মোৰ একাধিক কাৰণতে প্ৰিয়। বৰগোহাঞী নামৰ মানুহজনক যদিও মই এতিয়ালৈকে সোঁ-শৰীৰে দেখা নাই তথাপিও তেওঁৰ বিভিন্ন সাহিত্যৰাজিয়ে মোৰ হৃদয়ত এক সুকীয়া স্থান অধিকাৰ কৰি আহিছে। তেখেতৰ সাহিত্যৰ মাজত যেনেদৰে গ্ৰাম্য পৰিৱেশত ডাঙৰ-দীঘল হৈ জীৱনৰ অভিজ্ঞতা সঞ্চয় কৰা এজন ব্যক্তিক লগ পোৱা যায়, ঠিক সেইদৰে লগ পোৱা যায় এজন নিসংগতা প্ৰিয় ব্যক্তিক। অথবা ফ্ৰয়েড, হুইটমেন, ৱৰ্ডছৱৰ্থ, কলৰিজ, গ্ৰাহাম গ্ৰীণ, ফ্লবেয়ৰ, টেৰেন্স আদিৰ জীৱন দৰ্শনক। "আত্মানুসন্ধান"ৰ ৯৫ পৃষ্ঠাত বৰগোহাঁঞীদেৱে উল্লেখ কৰিছে এইবুলি "…. এজন মানুহৰ পক্ষে যিমান সুখী হোৱা সম্ভৱ ঠিক মই সিমান সুখী। মোৰ কোনো আক্ষেপ নাই। ভাগ্য বা ঈশ্বৰ বা মানুহ কাৰো বিৰুদ্ধে মোৰ কোনো অভিযোগ নাই। মই মোৰ জীৱনত মোৰ প্ৰাপ্যতকৈ বহুত বেছি পাইছো। মই এজন অতী সুখী মানুহ কাৰণ মই এজন অতি সাধাৰণ মানুহ।" এইজন মানুহেই বহুতো অসুখী জীৱনৰ দুঃসময় বাস্তৱজীৱনৰ চিত্ৰণেৰে পাঠকৰ মন আলোড়িত কৰিছে। অতি সাধাৰণ যেন লগা এই মানুহজনৰ কলমেৰে নিঃসৃত হৈছে অসাধাৰণ আৰু অমূল্য সাহিত্য সম্ভাৰ। সেয়ে অনেক পাঠকৰ মনত জাগ্ৰত হোৱাৰ দৰে মোৰ মনতো জাগ্ৰত হয় এই সকলোবোৰ চালি-জাৰি চোৱাৰ এক দুৰন্ত হাবিয়াস। তেওঁৰ কথা ভাবিলেই আচৰিত লাগে। কাৰণ কোনো দিনে কলমৰ চিয়াঁহী শেষ নোহোৱা, সদায় নিজকে তৰুণ বুলি চিনাকি দিবলৈ ভাল পোৱা লিখকজনে দেশ-বিদেশৰ বহুতো নাম নুশুনা লিখক-সাহিত্যিকৰ হেজাৰ-বিজাৰ কিতাপ পঢ়ি আকৌ তাত পোৱা দৰকাৰী কথাবোৰ পাঠক সমাজক নিজৰ কলমেৰে লিখি জনাবলৈ কেনেকৈ সময় উলিয়াই সেই কথা বুজিবলৈকে টান। তাৰ উপৰি উপন্যাস, কবিতা, প্ৰবন্ধ, গল্প আৰু বিভিন্ন আলোচনীৰ সম্পাদক হিচাপে নিজস্ব ব্যক্তিত্বক অকণো ক্ষুন্ন নকৰাকৈ নিজস্ব ভাৱ, অনুভূতি, বিবেচনা আৰু সিদ্ধান্তৰে নতুন-নতুন মূল্যায়ণ আৰু দিগ্‌দৰ্শনৰা দায়িত্ব পালন কৰি অহাটোও বৰ সহজসাধ্য নহয়। যোৱা পঞ্চাশ-ষাঠী বছৰে অবিৰতভাৱে নিজৰ মৌলিক চিন্তাধাৰাক নিৰ্ভীকভাৱে বিলাই থকাটোও কম গুৰুত্বপূৰ্ণ কথা নহয়। হোমেন বৰগোহাঞীৰ বিষয়ে লিখাৰ আগতে মইনো তেওঁক কেনেদৰে সন্ধান কৰিলো সেইটো আগত কৈ লোৱাটো ভাল হ'ব।

মোৰ এতিয়াও ভালদৰে মনত আছে। তেতিয়া মই খুব সম্ভৱ ষষ্ঠ শ্ৰেণীত পঢ়ি আছিলো। এতিয়াও ভাবি মই এক অনাবিল পুলক অনুভৱ কৰো যে তেতিয়াই মোৰ নিজৰ পাঠ্যপুথিৰ কিতাপৰ বাহিৰেও বাহিৰা কিতাপ পঢ়াত বেলেগ এটা ৰাপ আছিল। সেই সময়ত মই বেছিকৈ সাধুকথাৰ কিতাপ পঢ়িছিলো। যদিও 'কমিকচ' জাতীয় কিতাপ পঢ়ি মুঠেই আনন্দ পোৱা নাছিলো। এই সময়তে মই ঘৰতে থকা ডাঙৰ মহাভাৰত, ৰামায়ণ বহুতবাৰ পঢ়িছিলো। এটা সময়ত এনে হৈছিল যে গোটেই মহাভাৰতখন মুখস্থৰ নিচিনা হৈছিল। এই বাহিৰা কিতাপ পঢ়াৰ যি ধাউতি গঢ়ি উঠিছিল তাৰ গোটেই কৃতিত্ব দি লাগিব মোৰ দাদাক। মই যেতিয়া ষষ্ঠ শ্ৰেণীত তেতিয়া দাদাই মেট্ৰিক পৰীক্ষা দিব। দাদাই মোক কিছুমান কিতাপ আনি পঢ়িবলৈ দিছিল বিশেষকৈ মোৰ জন্মদিনত। তেতিয়াৰ পৰাই মই জন্মদিনত যেতিয়া কোনোবা প্ৰিয়জনৰ পৰা কিতাপ উপহাৰ পাও মোৰ আনন্দই মন নধৰা হৈছিল আৰু যেতিয়ালৈকে কিতাপখন পঢ়ি শেষ হোৱা নাছিল তেতিয়ালৈকে পঢ়া টেবুল এৰিবলৈকে টান পাইছিলো। আজিও যদি সেইবোৰ কথা ভাবো মনটো ভাল লাগি যায়। এদিনৰ কথা, দাদা স্কুলৰ পৰা আহিছে। সি তাৰ বেগৰ পৰা কিতাপ এখন উলিয়াই মোৰ ফালে আগবঢ়াই দি ক'লে "ঐ চানু (মোৰ ঘৰত মতা নাম) এইখন কিতাপ পঢ়িবিছোন বৰ ভাল পাবি"। কিতাপখন হাতত লৈ লিৰিকি-বিদাৰি চালো, কিতাপৰ নাম 'মানুহ হোৱাৰ গৌৰৱ', লেখক হোমেন বৰগোহাঞী। অচিনাকি কিতাপ, অচিনাকি লেখক। মোৰ এতিয়াও মনত আছে কিতাপখন মই খুব গুৰুত্বসহকাৰে আৰু মনোযোগেৰে পঢ়িছিলো আৰু তেতিয়াই মোৰ সেই কণমানি হৃদয়ত হোমেন বৰগোহাঞী নামটোৱে এনেকৈ ৰেখাপাত কৰিছিল যে আজি পৰ্যন্ত সেই নামে বাৰে বাৰে আপ্লুত কৰি ৰাখে। যেতিয়াই মই ভাগি পৰো, যেতিয়াই বৰ বেজাৰ লাগে, যেতিয়াই জীৱনৰ প্ৰতি বিতৃষ্ণা অনুভৱ হয় তেতিয়াই মই টেবুলৰ পৰা ওলিয়াই আনো বৰগোহাঞীদেৱৰ একো একোখন কিতাপ। নকলেও হ'ব যে 'মানুহ হোৱাৰ গৌৰৱ' কিতাপখন পঢ়ি এনে এক তৃপ্তি অনুভৱ কৰিছিলো যে তেওঁৰ আৰু বেলেগ কিতাপ পঢ়িবলৈ উত্ৰাৱল হৈ পৰিছিলো। আন এদিনৰ কথা, বিহুৰ বতৰত এজন ভদ্ৰলোকৰ ঘৰলৈ যাওঁতে মোক মানুহজনে এখন কিতাপ হাতত ধৰাই দিলে যাতে মই 'ব'ৰ' নহও। মা-দেউতা ভদ্ৰলোকজনৰ লগত কথা পাতিবলৈ লগাত কিতাপখন মেলি চাবলৈ ধৰিলো। কিতাপৰ নাম আছিল 'প্ৰজ্ঞাৰ সাধনা'। লেখকৰ নাম দেখি মই একপ্ৰকাৰ জপিয়াই উঠিলো। হোমেন বৰগোহাঞী। মই কিতাপখন অবিৰতভাৱে পঢ়িছিলো যদিও কিতাপখন পঢ়ি শেষ কৰিব নোৱাৰিলো। শেষত কিতাপখন বৰ বেজাৰ মনেৰে থৈ আহিবলৈ ওলালো। ভদ্ৰলোকজনে হয়তো মোৰ মনৰ অৱস্থা বুজি কিতাপখন লৈ তাত কিবা লিখি মোৰফালে আগবঢ়াই দি ক'লে "এয়া লোৱা মোৰ ফালৰ পৰা তোমালৈ এটি সৰু প্ৰীতি উপহাৰ।" সঁচাকৈ তেতিয়া যিদৰে হোমেন বৰগোহাঞীৰ কিতাপ হাতত লৈ পুলক অনুভৱ কৰিছিলো এতিয়াও তেওঁৰ নতুন কিতাপ হাতত লৈ একে অনুভূতিয়ে মোক খুন্দা মাৰে।

সঁচাকৈয়ে আজিৰ তাৰিখত হোমেন বৰগোহাঞী বৌদ্ধিক সমাজৰ এটি আদৃত নাম যি আনক পাঠকৰ মাজত জীয়াই আছে হয়তো প্ৰেৰণাদায়ৰ টনিক হিচাপে, আদৰ্শ পুৰুষ হিচাপে আৰু কাৰোবাৰ মাজত হয়তো জীৱনৰ দাৰ্শনিক হিচাপে। অসমৰ বহু পাঠকৰ দৰেই হোমেন বৰগোহাঞী মোৰ আটাইতকৈ প্ৰিয় সাহিত্যিক। নিৰৱিচ্ছিন্নভাৱে পঞ্চাশ দশকৰ পৰাই কবিতা, গল্প, উপন্যাস, বিভিন্ন ৰচনা আদিৰে এই জন সাহিত্যিকে বিভিন্নজনৰ মানসিক পৰিপুষ্টি সাধন কৰি আহিছে। ইয়াৰ ফলস্বৰূপে অসমত ক্ৰমান্বয়ে গঢ় লৈ উঠিছে বৰগোহাঞীৰ সাহিত্যৰ প্ৰতি আকৃষ্ট এশ্ৰেণী পাঠকৰ। কেৱল সেয়াই নহয়, বৰগোহাঞীৰ সাহিত্যই অসমৰ পৰিধি ভাঙি বিশ্বজনীনতা লাভ কৰিছে। আচলতে ইয়াৰ মূল বা প্ৰকৃত কাৰণটো কি ? মই যদিও কিতাপৰ হিচাপত তেনেই তাকৰ কিতাপৰহে ৰসপান কৰিছো তথাপি তাৰ ভিতৰত হোমেন বৰগোহাঞীৰ নিচিনা যিকোনো বিষয়ক অতি নিখুত আৰু সাৰ্থকভাৱে উপস্থাপন কৰিব পৰা লেখক তেনেই কম দেখিছো। মাখি, ভেকুলী, গছ, চৰাই, ঢেঁকী ইত্যাদি সাধাৰণ বিষয় বস্তু একোটাক অৰ্থৱহভাৱে দাঙি ধৰিব পৰাত তেখেত যে সিদ্ধহস্ত এই কথা পাঠকসকলে নিশ্চয় একেমুখে স্বীকাৰ কৰিব। জীৱনত প্ৰকৃত সুখ-শান্তি পাবলৈ, লগতে সততে আমাৰ মনৰ মাজত জন্ম হোৱা জীৱন সম্পৰ্কীয়

বহুতো প্ৰশ্নৰ সদুত্তৰ, ফ্ৰয়েডীয় মনস্তত্ত্ব, জীৱন আৰু মৃত্যু সম্পৰ্কীয় দৰ্শন, সমাজৰ বিভিন্ন দিশ, জীৱনৰ প্ৰতি নিত্য নতুন দৃষ্টিভংগী বৰগোহাঁঞীদেৱৰ গ্ৰন্থসমূহত সততে দেখা যায়। তদুপৰি তেওঁৰ ৰচনাৰ মূল বিষয় হৈছে নিসংগতা, প্ৰেম, মৃত্যু, সংগীত, কিতাপ, সমাজ, প্ৰকৃতি, পেইণ্টিং ইত্যাদি ইত্যাদি। বৰগোহাঞীৰ লেখাৰ এটা মধুৰ আকৰ্ষণ হৈছে জীৱন সম্পৰ্কে। মানৱ জীৱনটো ইমান কৰুণ অথচ সিমানেই মধুৰ। জীৱনটো ইমান দুখৰ অথচ আমাৰ চাৰিওফালে অজস্ৰ সুখৰ প্ৰাচুৰ্য। জীৱন সম্পৰ্কে ইমান তীব্ৰ অনুভৱ আৰু অনুভূতি আৰু সেই অনুভৱৰ স্বতঃস্ফূৰ্ত বৰ্হি প্ৰকাশ বৰগোহাঞীদেৱৰ বাহিৰে অসমৰ আন সাহিত্যিকৰ ৰচনাত সচৰাচৰ দেখা পোৱা নাযায়। বৰগোহাঞীদেৱে জীৱনৰ অধিকাংশ সময় জীৱনৰ প্ৰকৃত অৰ্থৰ সন্ধানত ঘূৰি ফুৰিছে। তাৰ বাবে তেওঁৰ একমাত্ৰ সংগী হৈছে নিসংগতা আৰু কিতাপ। সেইবাবে মই আগতে কৈছো যে মই যেতিয়াই হতাশা বা নিৰাশাৰ কবলত পৰো তেতিয়াই কিতাপৰ আশ্ৰয় লওঁ। তাৰ বাবে মই বৰগোহাঞীৰ ওচৰত চিৰকৃতজ্ঞ। এক কথাত ক'বলৈ গ'লে মই শব্দৰ গাত ভেজা দি আত্মৰক্ষাৰ চেষ্টা কৰো। সেয়ে কেতিয়াবা বৰগোহাঞীৰ ভাষাৰে ক'বলৈ মন যায়— "জ্ঞানী বা পণ্ডিত হোৱাৰ উচ্চকাংক্ষা মোৰ নাই, সেইটো মোৰ সাধ্যৰ অতীত বুলি কেতিয়াবাই আবিষ্কাৰ কৰিছো। কিন্তু জীৱনত সুখী হ'বলৈ নিজকে ভালকৈ জনাটো বৰ আৱশ্যকীয় কথা; কাৰণ তেতিয়া বহুতো অৰ্থহীন আৰু অনাৱশ্যকীয় হতাশাৰ যন্ত্ৰণাৰ পৰা মুক্ত হৈ থাকিব পাৰি।" আচলতে বাহিৰৰ প্ৰকৃতিক জয় কৰিবলৈ মানুহক জ্ঞান লাগে কিন্তু মানুহৰ নিজৰ মনটোক জয় কৰিবলৈ প্ৰজ্ঞা লাগে।

বৰগোহাঞীৰ অতীতৰ এৰি অহা দিনবোৰলৈ লক্ষ্য কৰিলে দুটা বস্তু সততে দেখা যায় বৌদ্ধিক নিৰ্ভীকতা আৰু আত্মসংযম। বৌদ্ধিক নিৰ্ভীকতা হ'ল ব্যক্তিস্বাতন্ত্ৰ্য আৰু আত্মনিৰ্ভৰতাৰ মূল চৰ্ত। এজন লোকৰ নিজকে প্ৰকৃত ৰূপত প্ৰকাশ কৰাৰ সাহস থাকিব লাগিব। বৌদ্ধিক নিৰ্ভীকতা তেওঁৰ সাংবাদিক জীৱনৰ নিৰপেক্ষ মূল্যায়ণ আৰু বিশ্লেষণধৰ্মী দিগদৰ্শনেৰে ভালকৈ পৰিস্ফূট হৈছে। 'অসম বাণী', 'আমাৰ অসম'ৰ বুকুত ৰাজ্যৰ জ্বলন্ত উগ্ৰবাদী সম্প্ৰদায়ৰ বিৰুদ্ধে মুকলি জেহাদ, চৰকাৰী অক্ষমতাৰ বিৰুদ্ধে সকীয়নী আপকাৰী কৰৰ লোভত মূল্যবোধৰ আৰু বাহিৰাগত ব্যৱসায়ীক লাভৰ সন্ধান দিয়া অনেক কাৰ্যক গৰিহণা দি তেখেতে সাংবাদিক হিচাপে এক নতুন অধ্যায়ৰ সূচনা কৰিছিল। তেখেতৰ সৎ সাহস আছে আৰু এয়ে তেওঁৰ বিশিষ্টতা আৰু দ্বিতীয়টো হৈছে আত্মসংযম। সমস্ত নৈতিক উৎকৰ্ষৰ মূলতে হ'ল আত্মসংযম। প্ৰবৃত্তি আৰু আসক্তিসমূহৰ লেকামডাল যিটো মুহূৰ্ততে ঢিলাই দিয়া যায় সেই মুহূৰ্ততে এজন লোকৰ নৈতিক স্বাধীনতা খৰ্ব হয়। নৈতিকভাৱে স্বাধীন হৈ থাকিবৰ বাবে নিজৰ ওপৰত সম্পূৰ্ণভাৱে নিয়ন্ত্ৰণ থাকিব লাগে। বাইবেল শাস্ত্ৰত এখন নগৰ অধিকাৰ কৰি লোৱা লোকজনৰ গুণ গোৱা হোৱা নাই, গুণ হোৱা হৈছে নিজৰ মনটোক শাসনত ৰাখিব পৰা লোকজনৰ। সবল মানসিকতা বুজা যায় একোটা দৃঢ়মন আৰু ইচ্ছাশক্তিৰ ওপৰত। ইচ্ছাশক্তি নিজৰ নিয়ন্ত্ৰণত থাকিলেহে মানুহ হিচাপে জীয়াই থাকিব পাৰে। ইচ্ছাশক্তিৰ কথাত কবি ৱৰ্ডছৱৰ্থৰ কথা মনত পৰিছে। কবি ৱৰ্ডছৱৰ্থ ল'ৰালি কালত গোমোঠা, বিষন্ন আৰু প্ৰচণ্ড প্ৰকৃতিৰ লগতে অতি উচ্ছৃংখল আৰু অবাধ্য, শাসন নমনা স্বভাৱৰ আছিল। কিন্তু জীৱনৰ অভিজ্ঞতাই তেওঁৰ মন সংযত কৰিলত তেওঁ অধিক কৈ নিজৰ মনটো শাসনত ৰাখিবলৈ শিকিলে। উপৰোক্ত কথাবোৰৰ ব্যতিক্ৰম নহয় হোমেন বৰগোহাঞীদেৱো। বৰগোহাঞীদেৱক মই 'লোকোত্তৰ' বুলি নাভাবো; কিন্তু তেওঁ যে আমাৰ ভিতৰত এজন অসাধাৰণ লোক আৰু অসাধাৰণ লেখক তাক স্বীকাৰ নকৰি নোৱাৰো। হোমেন বৰগোহাঞীৰ শৈশৱ বিচ্ছুৰিত হৈছিল পিতৃ পদত্ত উৰ্বৰ পৰিৱেশত, কৈশোৰ সঞ্জীৱিত হৈছিল শৈশৱৰ ক্ৰিয়াশীল আধাৰত আৰু যৌৱনৰ প্ৰাচুৰ্য নিৰ্মাণ হৈছিল যৌৱনৰ উন্মাদনাত এক অনন্য ব্যতিক্ৰমেৰে। যৌৱন সকলোৰ বাবেই আহে। কিন্তু



কিছুমানে নিজকে সংযত কৰে আৰু আচলতে সেই জনৰহে প্ৰতিভাৰ বিচ্ছুৰণ ঘটে।

'No companion is as companiable as solitude' নিসংগতাতকৈ অন্তৰংগ সংগী আন একোৱেই হ'ব নোৱাৰে। এইষাৰ কথা হোমেন বৰগোহাঞীৰ ক্ষেত্ৰত সম্পূৰ্ণভাৱে প্ৰযোজ্য হয়। তেওঁ নিসংগতাক প্ৰেৰণাৰ উৎস হিচাপে গ্ৰহণ কৰে তাতকৈ ডাঙৰ কথা নিসংগতাক তেওঁ নিজকে সন্ধান কৰাৰ প্ৰধান উৎস হিচাপে গ্ৰহণ কৰে। পাঠকৰ টোকা বহীত তেওঁ লিখিছে— "..... মোৰ কাৰণে বেটাৰী ৰিচাৰ্জ কৰাৰ প্ৰধান উপায় হ'ল অৰণ্যৰ মাজলৈ যোৱা, শান্তিৰ সন্ধানত, শক্তিৰ সন্ধানত আৰু নিৰৱতাৰ সন্থানত (১২০ পৃঃ)। আচলতে মানুহৰ সংগৰ পৰিবৰ্তে গ্ৰন্থৰ সংগত সময় কটোৱা বৰগোহাঞীক গ্ৰন্থই নিসংগতাপ্ৰিয় কৰি তুলিলে। হোমেন বৰগোহাঞী এজন অন্তৰ্মুখী ব্যক্তিত্বৰ লেখক। গভীৰ নিসংগতাবোধেই তেওঁৰ একমাত্ৰ সংগী তাৰ মাজতে তেওঁ পাইছে সৃষ্টিৰ সঞ্জীৱনী সুধা। হোমেন বৰগোহাঞীৰ নিসংগতাবোধ জনীত 'anxiety neurosis' এ জীৱন জুৰি ক্ৰীয়া কৰি থকাৰ প্ৰমাণ পোৱা যায় তেখেতৰ চুটি গল্প আৰু উপন্যাসৰ যোগেদি। কটনৰ ছাত্ৰাৱস্থাতে 'এপিটাফ' নামৰ গল্পৰ যোগেদি গল্পকাৰ ৰূপে প্ৰসিদ্ধ লাভ কৰিছিল। এই গল্পটোত তেওঁৰ ফ্ৰয়েডীয়মনস্তত্বৰ প্ৰভাৱ দেখা যায়। তাৰপিছত তেওঁৰ নিৰবিচ্ছিন্নভাৱে যৌৱন, অক্টোপাছ, ইস্মাইল শেখৰ সন্ধানত, আবেলিৰ আলিবাটৰ গল্প (প্ৰথম প্ৰকাশিত গল্প), চোৰ (বিভিন্ন নাটক), ৰাইজৰ সেৱক, ভাৰতবৰ্ষ ১৯৪৭-৬৫, জলছবি, আবেলিৰ পৰত, স্বাধীনতাৰ শত্ৰু, শিল্পী, হাতী, প্ৰেম আৰু মৃত্যুৰ কাৰণে, পৰ্দা আদি অনেক গল্প তেওঁৰ কলমেৰে নিসৃত হৈ আহিছিল। য'ত তেওঁ নিজকে এজন সফল গল্পকাৰ হিচাপে উপস্থাপন কৰিব পাৰিছে। প্ৰত্যেক গল্পতে তেওঁৰ নিজস্ব ধ্যান-ধাৰণা প্ৰতিফলিত হৈছে। কটন কলেজৰ ছপা আলোচনী 'কটনিয়ান'ত এটা চুটিগল্প প্ৰকাশিত হৈছিল। নাম ঃ অক্টোপাছ। লেখক ঃ হোমেন বৰগোহাঞী। যুদ্ধকালীন অসমৰ এটা দুষ্ট সোঁৱৰণীৰে পুষ্ট গল্প। নিগ্ৰো সৈনিক 'বব' আৰু নই নামৰ এটা আধা-গুণ্ডা, মদ আৰু বেশ্যা, বিজাতীয় প্ৰেম আৰু বীভৎস হত্যাকাণ্ডৰ দাৰ্শনিকতা। যিটো কলেজীয়া ছাত্ৰৰ বাবে প্ৰত্যেকটো বিষয়ৰে চৰ্চা নিষিদ্ধ। চাৰিওফালে মন্তব্যৰ গুণগুণনি উঠিল। ছিঃ বৰ অসভ্য। দুজনমান অধ্যাপকে মন্তব্য দিলে— "কি কলা প্ৰথম বাৰ্ষিকৰ ল'ৰা ? ইয়াৰ ভিতৰতে এইবোৰ নলা-নৰ্দমা বাটিছে। কটনিয়ান প্ৰচাৰ বন্ধ কৰিব লাগে। কিন্তু এটা কথা, ল'ৰাজনৰ ভাষাত এটা অনন্যসাধাৰণ শক্তি আছে।" তাৰে দুজন অধ্যাপক "আবাহন"ৰ খ্যাতিমান গল্প লেখক আছিল। কিন্তু বৰগোহাঞীদেৱে দেখুৱাই দিলে সাহিত্য যিদৰে কেৱল মনোৰঞ্জনৰ সামগ্ৰী নহয় সেইদৰে আদৰ্শ প্ৰচাৰৰ মাধ্যমো নহয়। একো নহ'লেও সকলো পাঠকে একেমুখে স্বীকাৰ কৰিবই লাগিব যে শিল্প চাতুৰ্যৰ মাজেদি জীৱনৰ বৌদ্ধিক বিশ্লেষণৰ ক্ষেত্ৰত হোমেন বৰগোহাঞীৰ সৃষ্টি নিঃসন্দেহে উল্লেখযোগ্য। বৰগোহাঞীৰ অষ্টম দশকৰ গল্পত মানৱজীৱনক গভীৰ অন্তৰ্মুখিন সৃষ্টিৰে চোৱাৰ প্ৰচেষ্টা চলোৱা হৈছে। এই দশকত অসমীয়া গল্প-সাহিত্যত নতুন ভাৱধাৰাৰ উন্মেষ ঘটোৱা এই গৰাকী ৰামধেনু যুগৰ গল্পকাৰে শেষত ঔপন্যাসিক হিচাপেহে বিশেষভাৱে প্ৰতিষ্ঠা লাভ কৰে। ১৯৬৩ চনত প্ৰকাশিত 'সুবালা'ৰে ঔপন্যাসিক জীৱন আৰম্ভ কৰি বৰ্তমানলৈকে তেওঁ নখন উপন্যাস লিখি অসমীয়া ভাষা সাহিত্যৰ ভঁৰাল সমৃদ্ধ কৰে। বৰ্তমানলৈকে প্ৰকাশিত বৰগোহাঞীৰ উপন্যাসমূহ হৈছে ঃ সুবালা (১৯৬৩), তান্ত্ৰিক (১৯৬৭), বিশ্বাস আৰু সংশয় (১৯৬৮), কাশীলৰ (১৯৭০), হালধীয়া চৰায়ে বাওধান খায় (১৯৭৩), তিমিৰতীৰ্থ (১৯৭৫), পিতা-পুত্ৰ (১৯৭৫), অস্তৰাগ, মৎসগন্ধা (১৯৮৬) আৰু সাউদৰ পুতেকে নাও মেলি যায় (১৯৮৭)। বৰগোহাঞীৰ প্ৰায়ভাগ উপন্যাসতে সাধাৰণতে অসাধাৰণ সামাজিক জীৱনৰ ৰাজআলিৰ পৰা আঁতৰত অন্ধ গলিত সংঘটিত হোৱা মানৱৰ আদিম প্ৰবৃত্তিৰ পৰিস্ফূৰণ ঘটা

দেখা যায়। মানৱৰ দৈৱিক ৰূপতকৈ দানৱৰ ৰূপৰ অভিব্যক্তি যিটো ৰূপ অহৰহ মানুহৰ স্বাভাৱিক ৰূপ তেওঁৰ ৰচনাত মূৰ্ত হৈ উঠিছে। সামাজিক সংস্কাৰৰ ফলত প্ৰদমিত (Inhibited) জৈৱিক বাসনাৰ নগ্ন ৰূপ উদঘাটন কৰি। 'লিবিড'ৰ প্ৰভাৱ প্ৰদৰ্শন কৰাত তেওঁ কোনো কোনো উপন্যাসত দেখা যায়। কোনোবাই এদিন কথা প্ৰসঙ্গত বৰগোহাঁইক "আপুনি কিয় কবিতা পঢ়িবলৈ এৰিলে ?" বুলি প্ৰশ্ন কৰাত, উত্তৰত তেওঁ কৈছিল আচলতে তেওঁ কেতিয়াও নিজকে কবি হিচাপে প্ৰতিষ্ঠা কৰিবলৈ বিচৰা নাই। আচলতে ক'বলৈ গ'লে কবি হিচাপে তেওঁ নিজকে জোৰ-জবৰদস্তি কৰিহে প্ৰতিষ্ঠা কৰিছিল। কাৰণ তেওঁৰ 'সাপ' নামৰ যিটো কবিতাৰ কাৰণে তেওঁ নিজকে কবি হিচাপে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছিল, সেই কবিতাটো তেওঁ লিখিব লগা হৈছিল একমাত্ৰ বাজীত লাগিহে। সাপ কবিতাটো জুৰাৰ হুলস্থূলীয়া আড্ডা, তৰ্ক-বিতৰ্ক একো নভবা-নিচিন্তাকৈ অৰ্থাৎ ঠাট্টাৰ ছলেৰে মাত্ৰ পোন্ধৰ মিনিটত লিখি উলিয়াইছিল। যি কবিতা 'ৰামধেনু'ত প্ৰকাশৰ লগে লগে বৰগোহাঞীদেৱক কবি হিচাপে প্ৰতিষ্ঠা কৰিলে।

ওপৰৰ কথাবোৰ বিশ্লেষণ কৰি চালে যজ্ঞেশ্বৰ শৰ্মাদেৱে কোৱা কথা এযাৰলৈ মনত পৰে "বৰগোহাঞীৰ জীৱনত কথা বিপৰীত গুণৰ সমাবেশে তেওঁৰ প্ৰতি মোৰ শ্ৰদ্ধা বঢ়ালে। অসমৰ লেখকসকলৰ মাজত তেওঁ এজন অসাধাৰণ ব্যক্তি (unique personality) বুলি তেওঁৰ শত্ৰুৱেও স্বীকাৰ নকৰি নোৱাৰে। সৰুকালৰে পৰা এনে বিচিত্ৰ অভিজ্ঞতাৰ অধিকাৰী হোৱা লোক পাশ্চাত্য দেশত মাজে মাজে পোৱা যায়। কিন্তু ভাৰতবৰ্ষত বিৰল। সঁচাকৈয়ে ইবচেনে কোৱা "The strongest man in the world is the man who stands most alone" কথাষাৰৰ মূল তাৎপৰ্য বৰগোহাঞীদেৱৰ প্ৰতিটো ৰচনাৰাজীয়ে প্ৰতিটো বৰ্ণনায়েই সাৰ্থকতা প্ৰমাণ কৰে। হোমেন বৰগোহাঞী পাতলীয়া ভাৱৰ জনপ্ৰিয় লেখক নহয়, গধূৰ ভাৱৰ চিন্তাশীল লেখক।

কোনো মানুহেই সকলো দোষৰ উৰ্দ্ধত নহয় আৰু কোনো মানুহকে আন এজনৰ সমকাঠীৰে জুখি দোষী বা নিৰ্দোষী বুলি কোৱাও সম্ভৱ নহয়। বৰগোহাঞীৰ অসংখ্য গুণাৱলীৰ মাজত কেইটামান দোষ নথকাও নহয়। তেখেতক এটা সুক্ষ্ম নীচাত্মিকা ভাৱে আমনি কৰে। নিজকে তেখেতে অসুন্দৰ বুলি ভাৱে। দ্বিতীয় শ্ৰেণীৰ লেখক বুলি নিজকে গণ্য কৰে, মানুহক সংগ দিবলৈ বৰ ভাল নেপায়। কিন্তু সঁচা কথা ক'বলৈ গ'লে তেওঁৰ এইবোৰ গুণেহে মোক তেওঁৰ প্ৰতি বেছিকৈ আকৰ্ষিত কৰে। তেখেতৰ ব্যক্তিত্ব 'অধনাৰীশ্বৰ সূষম" ব্যক্তিত্ব। মতান্তৰক মনান্তৰ কৰা সংকীৰ্ণবাদে যেন বৰগোহাঞী ডাঙৰীয়াক কেতিয়াও স্পৰ্শ নকৰে। হোমেন বৰগোহাঞীদেৱে এশটা শৰৎকাল দেখক, এশটা শৰৎকাল শুনক আৰু এশটা শৰৎকাল থাকক। ৰচনাটো শেষ কৰো বৰগোহাঞীৰ এটা খেলাৰ চলতে লিখা কবিতাৰ এফাঁকিৰে ঃ

"স্বপ্নৰ অৰণ্যত বিচৰণশীল এটি উজ্জ্বল সোণালী সাপ  
তাৰ চৌপাশ ঘেৰি সোণাৰি স্তব্ধতা  
দুঃসহ বিস্ময় আৰু উত্তাপ  
অন্ধকাৰ আৰু অন্ধকাৰ।  
মই ভালপাওঁ ৰাতিৰ দৰে সুন্দৰ এটি সাপ  
আৰু তাৰ অবাক অহংকাৰ"। (সাপ)

(সীমা বণিয়া, জেইলসিং ৱেইনলৈ কৃতজ্ঞতাৰে)





# অসমৰ চাহ জনগোষ্ঠীসকলৰ লোকগীত আৰু লোকনৃত্যৰ এটি চমু ইতিবৃত্তি

সাগৰ তাঁতী  
স্নাতক ১ম বৰ্ষ

অসম এখন বিভিন্ন জাতি-উপজাতিৰ মিলনভূমি। এই জাতি-উপ াতিৰ সমাহাৰত গঢ় লৈ উঠিছে বৃহৎ অসমীয়া জাতি। এই অসমীয়া জাতিৰ এটা অবিচ্ছেদ্য অংগ হৈছে চাহ জনগোষ্ঠী সমাজ। অসমীয়া জাতি গঢ় দিয়াত চাহ জনগোষ্ঠীয়ে বিশেষ বৰঙণি আগবঢ়াইছে। চাহ জনগোষ্ঠীৰ লোকসকল আধুনিক অসমীয়া জনজীৱনৰ এক অপৰিহাৰ্য অংগৰূপে পৰিগণিত হৈছে। বৰ্তমান অসমৰ মুঠ জনসংখ্যাৰ এক বিশেষ অংশ এই জনগোষ্ঠীৰ লোকে অধিকাৰ কৰি আছে।



অসমৰ বিভিন্ন জনগোষ্ঠীৰ দৰে চাহ জনগোষ্ঠী লোক সকলৰো এটি সুকীয়া সংস্কৃতি আছে। সংস্কৃতি হৈছে এটা জাতি বা জনগোষ্ঠী গঠনৰ মূল উপাদান। সংস্কৃতি অবিহনে এটা জাতি বা জনগোষ্ঠী গঠন হ'ব নোৱাৰে। গতিকে, এটা সুপৰিকল্পিত জনগোষ্ঠী গঠন কৰিবলৈ হ'লে এটি সংস্কৃতিৰ প্ৰয়োজন।

এই জনগোষ্ঠীৰ লোকনৃত্য আৰু বিশেষকৈ লোকগীতসমূহে বিশেষ স্থান অধিকাৰ কৰি আছে। চাহ জনগোষ্ঠীৰ সাংস্কৃতিক জীৱনত বিভিন্ন লোক উৎসৱত পৰিৱেশিত লোকগীতসমূহে তেওঁলোকৰ জীৱনৰ বৰ্ণময়, উৎসৱমুখৰ কলামুখৰ দিশটো প্ৰতিফলিত কৰিছে। এই লোকউৎসৱসমূহৰ ভিতৰত কৰম পূজা, তুচু পৰৱ, সহৰাই পৰৱ, ফাগুৱা পৰৱ, দুৰ্গা পূজা, মনসা পূজা আদি বিশেষভাৱে উল্লেখযোগ্য। ভাদমাহত অনুষ্ঠিত কৰমপুজাৰ সময়ত নিজৰ ঘৰত মৃতৰ সকাম পতা, দেউধনি উঠা, কৰম পূজা শস্য আগবঢ়োৱা, ঝুমুইৰ দৰে সমবেত নাচৰ আয়োজন অসমৰ অনুষ্ঠানৰ উপলক্ষ্যত দেখা যায়। বিহুনাচৰ যৌন আবেদন ঝুমুৰ নাচতো আছে। উল্লিখিত উৎসৱসমূহক কেন্দ্ৰ কৰি বিভিন্ন লোকগীত আৰু নৃত্য আগবঢ়োৱা হয়। ইয়াৰ ভিতৰত ঝুমুৰ গীত আৰু নৃত্যই চাহজনগোষ্ঠীসকলৰ সংস্কৃতি বজাই ৰখাত এক উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰি আহিছে। ঝুমুৰ গীত আৰু নৃত্যৰ সমাদৰ শ্ৰমজীৱি লোকসকলৰ মাজত অধিক। স্থানভেদে এই গীতৰ সুৰ, পৰিবেশন প্ৰণালী আৰু

নৃত্য ভংগীমা কিছু বেলেগ বেলেগ হ'লেও ইয়াৰ মৌলিক গাঁঠনিত বিশেষ পাৰ্থক্য দেখা নাযায়। ঝুমুৰ কেৱল ডেকা-গাভৰুৰ যৌনোচিত মাদকতাপূৰ্ণ গীত নহয়, ইয়াৰ মাজত দাৰ্শনিক তত্ত্বপূৰ্ণ বহুসত্য অন্তৰ্নিহিত হৈ আছে। মানৱমনৰ আধ্যাত্মিক ভাৱসমূহ কেতবোৰ ঝুমুৰ গীতৰ মাজেদি প্ৰকাশ পাইছে। যেতিয়া কাৱোবাৰ সুললিত কণ্ঠৰ পৰা ঝুমুৰ এফাঁকি নিগৰি আহে, তালে তালে ঢোল বা মাদল বাজি উঠে, বাঁহীৰ অমিয়া সুৰে মৰতলৈ সৰগ নমাই আনে, তেতিয়া ঝুমুৰগীতৰ মৰ্মস্পৰ্শী সুৰে ঢোল-মাদলৰ তালে, বাঁহী নুপুৰৰ মূৰ্চ্ছনাই নাচিব নজনা মানুহৰ শৰীৰতো বিজুলীৰ দৰে নাচোনৰ অদমনীয় সোঁত বোৱাই দিব পাৰে। উদাহৰণ স্বৰূপে এটি গীত উল্লেখ কৰা হ'ল—

গিজাক্ জাগিন শুনি ঝুমইৰ
লহকে উঠিল কমৰ
গেন্দা ফুলে বছিল ভমইৰ
ঝুমইৰ শুনি গ ৰাম
হিলাল কমৰ।।

সেয়েহে ইতিহাসে ঢুকি নোপোৱা দিনৰে পৰা ঝুমুৰ গীত আৰু নৃত্যই সহস্ৰ জনগণৰ মন আকৰ্ষিত কৰি আহিছে। লোকগীত বা লোকনৃত্য হিচাপে ঝুমুইৰ গীতৰ বিশেষত্ব এইখিনিতে। লোকগীত হিচাপে ঝুমুৰৰ উপৰিও ডমকচ, সাদী, ঘেৰা, সহৰাই গীত, টুচু গীত, নিচুকণি গীত, হোলি গীত, ওমলা গীত আদি বিশেষভাৱে উল্লেখযোগ্য। বসন্তকালত উদ্‌যাপিত হোৱা হোলি বা ফাগুৱা (ফাকুৱা) উৎসৱ সমগ্ৰ ভাৰতবৰ্ষতে পালন কৰা হয়। যদিও চাহ জনগোষ্ঠীৰ মাজত উদ্‌যাপিত এই উৎসৱৰ কিছু সুকীয়া বিশেষত্ব লক্ষ্য কৰা যায়। এই নৃত্যত অংশ গ্ৰহণ কৰা প্ৰত্যেকেই হাতত দুফুট মানৰ কাঠী লৈ ঢোল-মাদলৰ চেৰে-

> *সংস্কৃতি হৈছে এটা জাতি বা জনগোষ্ঠী গঠনৰ মূল উপাদান। সংস্কৃতি অবিহনে এটা জাতি বা জনগোষ্ঠী গঠন হ'ব নোৱাৰে। গতিকে, এটা সুপৰিকল্পিত জনগোষ্ঠী গঠন কৰিবলৈ হ'লে এটি সংস্কৃতিৰ প্ৰয়োজন।*

চেৰে বৃত্তাকাৰে ঘূৰি-ঘূৰি অগা পিছা কৰি কাঠীয়ে কাঠীয়ে শব্দ কৰে। সৰহ সংখ্যক ফাগুৱা গীত কৃষ্ণক উদ্দেশ্য কৰি গোৱা হয়।

এই লোকগীতসমূহৰ ভিতৰত একে বৰঙণি আগবঢ়োৱা আন এটি লোকগীত হ'ল— নিচুকণি গীত। শিশু কন্দাৰ সময়ত, শিশুক শুৱাবলৈ বিশেষকৈ এই গীত ব্যৱহাৰ কৰা হয়। উদাহৰণ স্বৰূপে দুটি গীত উল্লেখ কৰা হ'ল—

(১) আইৰে পিছি ফাকুড়
কণী দিয়ে যাবি।
তৰ কণীয়ে আগলাগলে
বাবু ঘুমাই যাবি।।

(২) আইৰে বাঘিয়া শিয়াল
ঘৰেৰ কোণে লোকাই থাকবি
বাবুৰ মা কামে গেলে
বাবুৰ কাণ কাটবি।।

এনে গীতবোৰ গাই, মাকে ল'ৰাজনক শুৱাবলৈ চেষ্টা কৰে। ইয়াৰ মাজত শিশুৰ প্ৰতি মাকৰ মৰম স্নেহ ফুটি উঠে। 'ডমকাচ' গীত সমূহেও লোকগীত হিচাপে চাহজনগোষ্ঠীৰ বাবে ৰহনীয়া সংস্কৃতিত ঝুমইৰ গীতৰ লগত সমস্থান অধিকাৰ কৰিবলৈ সক্ষম হৈছে। অনাক্ষৰী লোকৰ সৃষ্টি হ'লেও ঝুমইৰ গীতসমূহ ছন্দ আৰু অলংকাৰৰ দিশৰ পৰা তাৎপৰ্যপূৰ্ণ।

উদাহৰণ স্বৰূপে —

বাৰ মাসে বাৰ ফুল,
ভাদ মাসে বিয়াৰে
কিবা দোষে ছাড়ে গেল
অভাগিনী পিয়াৰে।।

তাহানি অসমীয়া ডেকা-গাভৰুৱে "বহাগতে পাতি যাওঁ বিয়া" বোলাৰ দৰে এই জনগোষ্ঠীৰ ডেকা-গাভৰুৱেও টুচু দেৱীক সাক্ষী কৰি





যুৰীয়া জীৱনৰ পাতনি তবিবলৈ প্ৰয়াস কৰে। সাধাৰণতে কৰম পূজাৰ উপলক্ষে ঝুমইৰ গীত আৰু টুচু পৰৱ উপলক্ষে টুচুগীত গোৱা হয়। এওঁলোকৰ কৰম পৰৱ অসমীয়া বিহুৰ সমতুল্য কৃষি ভিত্তিক উৎসৱ। কৰম পূজা আয়োজনৰ জৰিয়তে খেতি পথাৰৰ সমৃদ্ধিশালী প্ৰতিগৰাকী কৃষকৰ মনলৈ কঢ়িয়াই অনা অনাবিল আনন্দৰ প্ৰকাশ ঘটোৱা হয়। সেইবাবেই ঝুমইৰ নাচ-গীতৰ মাজেদি চাহ জনগোষ্ঠীৰ জাতীয় জীৱনৰ আশা-আকাংক্ষা, কামনা-বাসনা, প্ৰেম-প্ৰীতি আৰু বিৰহ-মিলনৰ এখনি বহুৰঙী চিত্ৰ প্ৰতিফলিত হৈছে। ঝুমইৰ গীতৰ সৈতে বিহুগীত আৰু বনগীতৰ সাদৃশ্য মন কৰিবলগীয়া। যেনে ঃ-

আইড়ে শভে বকলী
পাথাৰে শভে ধান গ'
মায়েৰ কলাই ছাইল শভে
যেমন নয়া চান্দ গ ...।।

অনুৰূপভাৱে বিহুগীতত আছে ঃ

মেঘত জিলিকে বিজুলী ছটায়ে
শূণ্যত জিলিকে তৰা
পৃথিৱীত জিলিকে আমাৰ মইনা
তাতোকৈ একেৰি চৰা।।

বহুজাতিক সাংস্কৃতিক পৰম্পৰাৰে বৰ্ণাঢ্য চাহ জনগোষ্ঠীৰ ঝুমইৰ, ডমকচ, টুচু গীত আদিৰ গীততো আলোচ্য বিষয়ৰ ভালেমান নিদৰ্শন ফুটি উঠা দেখিবলৈ পোৱা যায়। কৰম পূজাৰ উপলক্ষে গোৱা ঝুমইৰ গীতবোৰত ডেকা-গাভৰুৰ আন্তৰিক প্ৰেম-প্ৰীতি আৰু জীৱনৰ বিবিধ অভিব্যক্তি প্ৰকাশ পাইছে। এনে গীতৰ মাজেদি ডেকা-গাভৰুৰ হৃদয়ৰ আকুতি, প্ৰাণৰ কামনা প্ৰকাশিত হৈছে।

> *যেতিয়া কাৱোবাৰ সুললিত কণ্ঠৰ পৰা ঝুমুৰ এফাঁকি নিগৰি আহে, তালে তালে ঢোল বা মাদল বাজি উঠে, বাঁহীৰ অমিয়া সুৰে মৰতলৈ সৰগ নমাই আনে, তেতিয়া ঝুমুৰগীতৰ মৰ্মস্পৰ্শী সুৰে ঢোল-মাদলৰ তালে, বাঁহী নুপুৰৰ মূৰ্চ্ছনাই নাচিব নজনা মানুহৰ শৰীৰতো বিজুলীৰ দৰে নাচোনৰ অদমনীয় সোঁত বোৱাই দিব পাৰে।*

ঝুমুইৰ গীতৰ সৈতে বিহুগীতৰ মাজত বিশেষ সাদৃশ্য দেখা যায়। উদাহৰণ স্বৰূপে ঃ

আশাড় শাৱন গেল
ভাদ পূৰ্ণিমা ভেল,
গণি গণিৰে সয়াঁ,
দিন চলি যায় দিন গেলৰে সয়া
পিছে পসতায় ;

অনুৰূপভাৱে বিহুগীতত আছে ঃ

এড়ি গলে এৰাপাত নালাগে লাহৰী
বেলি গলে নালাগে ভাত ;
যৌৱন ভাটি দিলে পিৰিতি নালাগে
বহনা নাথাকে গাত।।

চাহ জনগোষ্ঠী সমাজৰ সংস্কৃতিৰ এই ধাৰা বৰ্তমান একেধাৰে বৈ যাবলৈ বিভিন্ন অসুবিধাৰ সন্মুখীন হ'ব লগা হৈছে। এই লোকগীতসমূহ বৰ্তমান লুপ্ত প্ৰায় হ'বলৈ ধৰিছে। সংস্কৃতি হৈছে এটা জাতিৰ প্ৰাণ। সংস্কৃতি বিহীন সমাজ হৈছে প্ৰাণ নথকা নশ্বৰ দেহ। গতিকে এটা জনগোষ্ঠী জীয়াই ৰাখিবলৈ হ'লে ইয়াৰ সংস্কৃতি বজাই ৰখা উচিত। এই লোকগীতসমূহে নিজৰ জনগোষ্ঠীৰ, জীৱনধাৰা, কামনা-বাসনা আদিৰ পৰিচয় দিয়ে। এই লোকগীতসমূহ বিভিন্ন সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানসমূহত প্ৰদৰ্শন কৰিবলৈ শিক্ষিত, বুদ্ধিজীৱি লোক সকলো তথা সন্থাসমূহে চেষ্টা কৰিব লাগে। ইয়াৰ ফলত আমাৰ সমাজৰ পৰম্পৰা বিকশিত হ'ব আৰু চাহ জনগোষ্ঠীৰ সংস্কৃতি আন সম্প্ৰদায়ৰ লগতে সমানে আগবাঢ়িবলৈ সক্ষম হ'ব। গতিকে আহক আমি সকলোৰে অসমৰ এই জনগোষ্ঠীটোক নিজৰ সংস্কৃতি বজাই ৰাখি উন্নতিৰ শিখৰলৈ আগবাঢ়িবলৈ সহায়ৰ হাত আগবঢ়াও।

❖❖❖

# সমাজ আৰু সংস্কৃতি

"সংস্কৃতি হ'ল মানুহৰ শাৰীৰিক আৰু মানসিক শান্তিৰ প্ৰশিক্ষণ দৃঢ় কৰাৰ উপায়, বিকাশ কৰাৰ উপায় আৰু তাৰ পৰা উৎপন্ন হোৱা এটা অৱস্থা। ই মন, আচাৰ আৰু ৰুচিৰ পৰিস্থিতি আৰু পৰিশুদ্ধি।"

ডেইজী দিহিঙ্গীয়া
স্নাতক ২য় বৰ্ষ

আধুনিক শিক্ষা-দীক্ষাই গা কৰি উঠাৰ দিনৰে পৰা বিদগ্ধ পণ্ডিতসকলে কৃষ্টি-সংস্কৃতিৰ বিভিন্ন দিশত আলোকপাত কৰি আহিছে। সংস্কৃতিৰ বিষয়ে বিভিন্ন জনে বিভিন্ন ধৰণেৰে পৰিভাষা দিবলৈ যত্ন কৰি আহিছে। ড° বাণীকান্ত কাকতিৰ মতে "মানুহৰ সংস্পৰ্শত পৰি শ্ৰেষ্ঠভাৱ কিছুমানৰ ইংগিতেই সংস্কৃতি। এই সংস্কৃতিৰ জৰিয়তে মানুহে তেওঁৰ ক্ষমতা ভঙ্গ কৰা আৰু নিজস্ব বিসৰ্জন দিয়া যি কোনো প্ৰতিপত্তিশীল স্বভাৱৰ বিভীষিকা শাম কটাব পাৰে।" কোনো কোনোৰ মতে "সংস্কৃতি হ'ল মানুহৰ শাৰীৰিক আৰু মানসিক শান্তিৰ প্ৰশিক্ষণ দৃঢ় কৰাৰ উপায়, বিকাশ কৰাৰ উপায় আৰু তাৰ পৰা উৎপন্ন হোৱা এটা অৱস্থা। ই মন, আচাৰ আৰু ৰুচিৰ পৰিস্থিতি আৰু পৰিশুদ্ধি।"

সংস্কৃতি এটা জাতিৰ জীৱনৰ ধাৰা। এটা ক্ৰমোন্নতিশীল জাতিৰ জাতীয় সম্পদ হ'ল ভাষা, সাহিত্য, ৰীতি-নীতি, ধৰ্ম, মানসিক উৎকৰ্ষ, সুকুমাৰ কলা, স্থাপত্য ভাস্কৰ্য, লোক-বিশ্বাস ইত্যাদি। মানুহৰ সৌন্দৰ্যবোধ, সৃষ্টি প্ৰতিভা আৰু মানসিক উৎকৰ্যই সংস্কৃতিৰ উৎস। মানসিক উৎকৰ্ষৰ বলত মানুহে জীৱন-যাপনৰ প্ৰণালী উন্নত আৰু সুক্ষ্ম বা মিহি কৰিবলৈ যত্ন কৰে। তেতিয়াই সংস্কৃতিৰ জন্ম হয়। একো একোটা জাতিৰ প্ৰভাৱত একো একোটা বিশেষ সংস্কৃতিৰ জন্ম হয়। কেতিয়াবা ৰাজনৈতিক বিপ্লৱ, অস্থিৰ বা কুশাসনৰ ফলত সংস্কৃতিৰ গতি ৰুদ্ধ হয়। সংস্কৃতি প্ৰাণ স্পন্দনৰ বস্তু। কোনো কোনোৱে সংস্কৃতি আৰু সভ্যতাক একে বস্তু বুলি ক'ব খোজে। সংস্কৃতি সভ্যতাৰ পটভূমিত গঢ় লৈ উঠে যদিও উচ্চ পৰ্যায়ৰ সংস্কৃতি নথকা সভ্যতাৰ উদাহৰণো ইতিহাসত পোৱা যায়। সভ্যতাৰ অৰ্থ হৈ সুশৃংখল সমাজ সংগঠন যাতে তাত সংস্কৃতিয়ে নিৰলে পোখা মেলি পত্ৰে-পুষ্পে সুশোভিত হ'ব পাৰে। সভ্যতাৰ কোনো এটা স্তৱক আশ্ৰয় কৰি সংস্কৃতিৰ বিকাশ হোৱা দেখা যায়। আনহাতে সংস্কৃতিৰ দ্বাৰা সভ্যতা প্ৰাণৱন্ত আৰু উজ্জ্বল হয়। দুয়োটাৰ পূৰ্ণতাৰ বাবে পৰস্পৰৰ সহায়ৰ প্ৰয়োজন।

সংস্কৃতি হ'ল জীৱন যাত্ৰাৰ আদৰ্শ আৰু পথ। যিখন সমাজত আমি উপজিছো আৰু সেই সমাজৰ যি আদৰ্শ গ্ৰহণ কৰিছো সেই সংস্কৃতিয়েই আমাৰ সংস্কৃতি। সামাজিক সচেতনতাই সংস্কৃতিৰ প্ৰাণ। প্ৰাণহীন সমাজৰ সংস্কৃতি মৰিশালীৰ দৰেই নিষ্প্ৰাণ। সমাজৰ সাংগঠনিক স্বৰূপে সংস্কৃতিৰ স্বৰূপ নিৰ্ণয় কৰে। সংস্কৃতি সমাজখনৰ প্ৰতিচ্ছবি। এই যাৰ কথা সংস্কৃতিৰ বুৰঞ্জীত লিপিবদ্ধ হৈ আছে।

বৰ্তমান সমাজ চানেকীৰ ৰূপ লৈ বৰ্তমানৰ সংস্কৃতি গঢ়ি উঠিছে। অৰ্থনৈতিক, মানসিক বস্তুসম্ভাৰৰ ক্ষেত্ৰতো বৰ্তমান সমাজৰ জটিলতা বাঢ়িছে। কিছুমান মানুহৰ অৰ্থ-ক্ষমতা বৃদ্ধি আৰু সৰহ ভাগৰ দুৰ্গতি আৰু





দৰিদ্ৰৰ ফলত সংস্কৃতি কৰ্মীসকল জনসাধাৰণৰ সৃষ্টিৰ বহল স্ৰোতধাৰাৰ পৰা বিছিন্ন হৈ গৈছে। এমুঠি ক্ষমতা সম্পন্ন মানুহে সংস্কৃতি ৰক্ষা কৰাৰ দায়িত্ব বহন কৰিছে য'ত প্ৰাণস্পন্দন নাই। "The artists must have defined place in society which the artist today is not having. This has inevilably produced a dissipating effect on art and culture." বৰ্তমান অৱস্থাত সংস্কৃতি সঞ্জীৱিত কৰিবলৈ সামাজিক বিপ্লৱৰ প্ৰয়োজন হৈছিল। ইয়াৰ ফলতহে সমাজৰ আমূল পৰিৱৰ্তন হোৱাৰ সম্ভাৱণা আছে। লিম ট্ৰটস্কিয়ে কবৰ দৰে "Under socialism soledarity will be the basis of society. Literature and art would be turned to a different key."

ধনতন্ত্ৰবাদী পতনমুখী সমাজত সংস্কৃতি সদায় নিম্নগামী হয়। বৰ্তমান সংস্কৃতি জীৱন ধনতন্ত্ৰবাদী সমাজৰ বস্তু হৈ পৰিছে। এনে সংস্কৃতি জীৱন সামাজিক স্ৰোতধাৰাৰ পৰা বিছিন্ন হ'বলৈ বাধ্য। শিল্পীৰ সৃষ্টি প্ৰতিভাক কোনো প্ৰতিবন্ধকে বিকশিত নোহোৱাকৈ ৰাখিব নোৱাৰে। ব্যক্তিগত সৃষ্টি ক্ষমতা আৰু সমাজ চেতনাৰ সমন্বয়কেই প্ৰতিভা বোলা হয়। এনে প্ৰতিভাৰ প্ৰকাশ হয় সাংস্কৃতিক কৰ্মত। তেতিয়াহে সংস্কৃতিৰ মানদণ্ড উচ্চতৰ হোৱাটো স্বাভাৱিক আৰু সম্ভৱ। সংস্কৃতিক সেই বুলি প্ৰচাৰ মাধ্যমলৈ পৰিণত কৰাটো সমাজচেতনাৰ উদ্দেশ্য হ'ব নোৱাৰে। সাংস্কৃতিক মানদণ্ডৰ অৱণতিৰ ঘাই কাৰণ হৈছে অৰ্থ-সামাজিক বাধা। আনহাতেদি নগ্ন সৌষ্ঠৱবিহীন প্ৰচাৰৰ জৰিয়তে সমাজ জীৱনৰ স্পন্দন ঘনীভূত কৰি তুলিবলৈ গ'লে চাৰুকলাৰ মৰ্যদা হানি হোৱাৰ ভয় থাকে।

ধৰ্ম বিশ্বাস সংস্কৃতিৰ প্ৰধান অংগ। কিয়নো ধৰ্ম বিশ্বাস মানুহৰ জীৱিকা অৰ্জন, খোৱাবোৱা, পিন্ধা-উৰাৰে পৰা সাহ-পিত, মৰম-স্নেহ সকলো বিষয়তে প্ৰভাৱ বিস্তাৰ কৰে। সেইবাবে একে ধৰ্ম বিশ্বাস থকা মানুহৰ এইবিলাক বিষয়ত ঐক্য থকা অৰ্থাৎ সংস্কৃতি একে হোৱা স্বাভাৱিক। প্ৰাচীন পন্থীসকলে বৰ্তমান জীৱনত অতীতক পুনৰুদ্ধাৰ কৰি প্ৰতিফলিত কৰিব বিচাৰে। সেইবুলি প্ৰগতিক ৰুদ্ধ কৰিবও নোৱাৰে। মানুহ গতিচঞ্চল আৰু সেইবাবেই মহৎ গতিচঞ্চলতা হেৰুৱাই যেতিয়া মানুহ স্থবিৰ হ'ব তেতিয়া মানুহ আৰু মানুহ হৈ নাথাকে। সংস্কৃতি স্থবিৰতা প্ৰাপ্ত হ'লেই মৃত্যু অনিবাৰ্য।

বৰ্তমান সমাজত প্ৰয়োজন হৈছে এক সমন্বয়ী সুৰ স্পন্দনৰ য'ত অতীত, বৰ্তমান আৰু ভৱিষ্যতৰ ছবি প্ৰতিফলিত হ'ব পাৰে। বৰ্তমান নিজস্ব সুৰ স্পন্দনেৰে গতিচঞ্চল অতীতৰ নিজস্ব সমৃদ্ধি আছে। মহিমামণ্ডিত ভৱিষ্যতে নতুনক দুৱাৰ মেলি আমাক ৰিঙিয়াই মাতিছে। সংস্কৃতিৰ আদৰ্শক শ্বাশত অনুভূতি আৰু বুদ্ধিমত্তাৰ বস্তুস্বৰূপে আমি গ্ৰহণ কৰা উচিত। সাহিত্য, শিল্প, চাৰুকলাৰ বুৰঞ্জীত ভাৰতৰ এক উন্নত সংস্কৃতিগত ঐতিহ্য আছে। দৰ্শনৰ ফালৰ পৰাও এই ঐতিহ্য যে যথেষ্ট উন্নত সেই বিষয়ে সন্দেহ নাই। এনে পৰিবেশত জন্মান্তৰবাদ, কৰ্মফলবাদ— এনে তৰহৰ নিষ্ফল দৰ্শনৰ ঠাই থাকিব নোৱাৰে। নিষ্ফল দৰ্শনৰ ভাৰাক্ৰান্ত মনৰ দিগন্ত কেতিয়াও মুকলি হ'ব নোৱাৰে।

জনসাধাৰণৰ অন্তৰ যিকোনো যুক্তিয়েই স্পন্দিত কৰিব পাৰিব লাগিব। মানৱ অন্তৰৰ মুক্তি স্পৃহাক জাগ্ৰত কৰিবলৈ হ'লে সচেতনতাৰ প্ৰয়োজন। উন্নত সাংস্কৃতিক ব্যৱস্থাই যে এক সুপ্ত অনুভূতি জাগ্ৰত কৰি তোলাতো এমুঠি মানুহৰ কাম নহয়। সংস্কৃতিৰ মৰ্ম স্পন্দন হৈছে মুক্তি। উন্নত সংস্কৃতিয়ে মানৱৰ মুক্তি স্পৃহা তীক্ষ্ণ আৰু টনকীয়াল কৰি তোলে। ৰুদ্ধ সমাজৰ সংস্কৃতিয়েই বিকাশৰ বাট নাপায় ফলত পঁয়া লগা হ'বলৈ বাধ্য। যিখন সমাজত সাহিত্য-সংস্কৃতিয়েই ভাষা, ৰসবোধ, মূল্যজ্ঞান, যুক্তি তথ্য, চৰিত্ৰৰ বধ্যভূমিলৈ পৰিণত হয়। সেইখন সমাজত ৰাজনীতিৰ ক্ষেত্ৰত সত্য-শিৱ-সুন্দৰৰ আদৰ্শ বিচাৰি পোৱা নাযায়। যি সমাজৰ সংস্কৃতিত দুৰ্নীতি হয় সেই সমাজত ৰাজনীতি আৰু বহুতো দুৰ্নীতি হোৱাৰেই সম্ভাৱণা বেছি। সেইখনেই সমাজত সক্ৰিয়ভাৱে ৰাজনীতি কৰিবলৈ যোৱা মানুহৰ মনবোৰ স্থূল, অসুন্দৰ নহৈ নোৱাৰে।

সমাজ বিবৰ্তনেই হওক বা

সংস্কৃতিৰ ক্ৰম বৃদ্ধিয়েই হওক। মূলতেই হৈছে মানৱৰ মুক্তিস্পন্দন। জীৱিকা অৰ্জনৰ বিশেষ পদ্ধতি সাংস্কৃতিক চানেকিক যুগে যুগে ৰূপ দি আহিছে। মানৱৰ মুক্তিস্পৃহাই এটা স্তৰৰ পৰা আন এটা স্তৰলৈ মানুহক যাবলৈ শিকাইছে। মানুহৰ অন্তনিৰ্হিত মুক্তি আদৰ্শই এনেদৰে অণুপ্ৰেৰণা যোগাই আহিছে। ইয়াৰ অভাৱত মানুহৰ জীৱনে গতি হেৰুৱালেহেঁতেন আৰু মানুহৰ সংস্কৃতি অভিযান নাইবা সমাজ বিৱৰ্তনৰ আদৰ্শ জড়তা প্ৰাপ্ত হৈ মৃত্যুমুখী হ'লহেঁতেন।

মানৱ ইতিহাসৰ কোনো যুগেই সাংস্কৃতিক ব্যাধিৰ পৰা মুক্ত নহয়। যদিও এই মানৱিক চেতনাই বিভিন্ন ঐতিহাসিক পৰ্যায় সাপেক্ষে এটা বিৱৰ্তনশীল বা পৰিবৰ্তনশীল ৰূপ লৈ আত্মপ্ৰকাশ কৰিছে তথাপি তাৰ এটা মৌলিক ৰূপো আছে। সংস্কৃতিৰ বিৱৰ্তন হ'বই। এই বিৱৰ্তন মানৱিক চেতনাৰ মৌলিক ৰূপটোক কেন্দ্ৰ কৰি প্ৰকাশ হ'ব পাৰিছেনে নাই এই প্ৰশ্নৰ উপলব্ধিয়েই মানৱিক চেতনাৰ মৌলিক ৰূপটোৰ শিকলি চিঙা এক যুগধৰ্মৰ সোঁতত গা এৰি নিদিবলৈ প্ৰকৃত সংস্কৃতিবান চিন্তাশীল লোকক সতৰ্ক কৰি ৰাখে। এহাতে মানৱ সমাজৰ একোটা নতুন ঐতিহাসিক পৰ্যায়ত দেখা দিয়া মানৱ জীৱনৰ নতুন সম্ভাৱনা আৰু জ্ঞানৰ নবীন সংযোজনাৰ পোহৰতহে সমাজ আৰু সংস্কৃতিৰ পৰিবৰ্তন হোৱাতো তেওঁলোকে বিচাৰিব। মানৱ সমাজৰ পৰিবৰ্তনশীল ৰূপটোৱে আজি মানৱিক চেতনাৰ মৌলিক ৰূপটোৰ লগত সংযোগছিন্ন কৰি একাধিক ৰূপত মানুহৰ সত্বাৰ মৌলিক ঐশ্বৰ্য খিনিয়েই লুপ্ত কৰিবলৈ আৰম্ভ কৰিছে।

সমাজত এক উচ্চ সংস্কৃতিৰ বোধ সক্ৰিয় হৈ নাথাকিলে জাতি প্ৰেম, জনসাধাৰণৰ ৰাজনৈতিক, অৰ্থনৈতিক প্ৰগতি আদি ভাল আদৰ্শবোৰ একোটা সংস্কৃতি বিৰোধী শক্তিলৈ যে পৰিণত হ'ব পাৰে তাৰ উদাহৰণ প্ৰায়ে দেখা যায়। সমাজৰ গুণগত প্ৰগতিক সম্ভৱ কৰিবলৈ সাংস্কৃতিক মূল্যবোধ সম্পন্ন বুদ্ধিজীৱিসকলে সমাজক সেৱা কৰিব লাগিব সংস্কৃতি ৰক্ষা কৰিবলৈ কৰ্ম প্ৰয়াস চলোৱাৰ যোগেদিয়েই Warding the treasure of acquired culture, saving it whale for the generation of tomorrow."

উচ্চ সংস্কৃতিৰ প্ৰসঙ্গতেই সমাজত ধৰ্ম-শক্তিৰে বা বৌদ্ধিক চেতনাৰ এটা ঐতিহ্য বা গুৰুত্ব লক্ষ্য কৰিব পাৰি। যিখন সমাজত এটা শক্তিশালী বৌদ্ধিক চিন্তাৰ ঐতিহ্য নাথাকে। সেই খন সমাজ উচ্ছাস, সুযোগ, যুক্তিহীনতা, তথ্যহীনতা Callective hveteria ৰ সোঁতত উটি যাবলৈ বাধ্য। উদাহৰণ স্বৰূপে অসমীয়া সমাজ প্ৰকৃত বৌদ্ধিক চিন্তাৰ এটা ঐতিহ্যৰ অভাৱত আজি এইভাৱে বিপন্ন হোৱা এখন সমাজ। উচ্চ শিক্ষাৰ বিভিন্ন সমস্যা, উচ্চ শিক্ষাৰ মাধ্যম সম্পৰ্কীয় সমস্যা সকলোবোৰ গুৰুত্বপূৰ্ণ সমস্যাৰ ক্ষেত্ৰত আজি চিঞৰ-বাখৰবোৰেই শেষ কথা হৈ পৰিছেগৈ। অসমৰ অনাতাঁৰ কেন্দ্ৰ, অসমীয়া বাতৰি কাকত, অসম সাহিত্য সভা সকলোতেই এটা নিম্নখাপৰ মানসিকতাৰ ক্ৰিয়া পৰিলক্ষিত হৈছে। সমাজত দেখা দিয়া সমস্যাবোৰৰ জটিলতা বৃদ্ধিৰ সময়ত চিন্তা-চৰ্চাৰ যি উৎকৰ্ষ সাধনাৰ প্ৰয়োজন দেখা দিছেহি সেই প্ৰয়োজনৰ প্ৰতি সচেতনতা আমাৰ সমাজত জাগ্ৰত হোৱা নাই।

সংস্কৃতি বিকাশৰ বাবে অৰ্থনৈতিক আৰু ৰাজনৈতিক সমাজ ব্যৱস্থাৰ সুৰুচিপূৰ্ণ কল্যাণকৰ সংগঠনৰ প্ৰয়োজন, তেনেদৰে সু-শৃংখল জীৱন স্পন্দিত সমাজ ব্যৱস্থাৰো প্ৰয়োজন। এই সকলোবোৰ হোৱাৰ পাছতো সংস্কৃতিৰ মনোৱন্তক বিকাশ সম্ভৱ নহ'বও পাৰে। সেই কাৰণেই ব্যক্তি আত্মাৰ মুক্তি অনুৰাগ আৰু উপলব্ধি স্পৃহাৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰা হৈছে।

***





# 'মা'ৰ জীৱনপঞ্জী

পল্লৱী প্ৰিতম বৰুৱা
উঃ মাঃ ২য় বৰ্ষ

'মা' এটা সৰু অথচ মিঠা শব্দ। যাৰ মাজত সোমাই থাকে মৰম, ভালপোৱা তথা মমতাৰ বান্ধোন। এনৰৰ জীয়াৰী তথা আন এখন ঘৰৰ বোৱাৰী 'মা'য়েও এদিন নিজে কান্দি কান্দি আনক হুওঁৱাই এই ধৰাৰ বুকুলৈ আহিছিল। মাক-দেউতাকৰ হিয়াৰ আমঠু 'মা' একোলা-দুকোলাকৈ ডাঙৰ হৈ শৈশৱ গৰকি যৌৱনৰ আলিবাটত ভৰি দিছিল। লাহে লাহে চঞ্চলমতী 'মা'ৰ মনলৈ নামি আহিছিল গাম্ভীৰ্য আৰু এদিন এখন সম্পূৰ্ণ অচিনাকি ঘৰলৈ উলিয়াই দিয়া হৈছিল বোৱাৰীৰ সাজেৰে। কিমান আচৰিত কথা নহয়নে ? সাধাৰণতে ছোৱালীবিলাকে মাকতকৈ দেউতাকক বেছি ভাল পায়। দেউতাকৰ ওচৰত মিঠা কথা কৈ কৈ কোনো ভালপোৱা বস্তু সৰকাবলৈ সুবিধা লয়। আৰু দেউতাকবিলাকেই সেই ধৰণৰ আব্দাৰ পাৰ্যমানে পূৰণ কৰে। কিন্তু ইমান মৰমত ডাঙৰ-দীঘল কৰা সেই ছোৱালীজনীক এটা সময়ত সেইজন দেউতাকেই সম্প্ৰদান দি এখন নতুন ঘৰলৈ পঠিয়াই দিয়ে।

শিৰত সেন্দুৰ আঁকি বোৱাৰীৰ জীৱন আৰম্ভ কৰাৰ লগে লগে 'মা'ৰ অভিধানৰ পৰা যেন হেৰাই গ'ল ভাগৰ, দুখ-কষ্ট, আমনি আদি শব্দবোৰ। শাহু-শহুৰ, ননদ, দেৱৰেৰে পৰিপূৰ্ণ ঘৰখনৰ প্ৰতিজন সদস্যকে সন্তুষ্ট কৰিব পৰাটোৱেই যেন 'মা'ৰ ব্ৰত হৈ পৰিল। ৰাতি নৌপুৱাওতেই শোৱা পাটি এৰোতে 'মা'য়ে এবাৰ মনতে আওৱায় লয় দিনটোৰ কৰণীয়খিনি। ঘৰতেই যেন 'মা'য়ে শিকি আহিছিল, দেৰিকৈ শুবা আৰু সোনকালে উঠিবা। শুই উঠিয়েই জুহালৰ জুঁই কুৰা জ্বলাই 'মা' যায় গোহালিলৈ। গোহালি অটাই চোতাল ঘৰ সাৰে মানে লাহে লাহে ঘৰৰ আন আন মানুহবোৰেও এজন দুজনকৈ শোৱাপাটি এৰে। লৰা-লৰিকৈ গাটো তিয়াই 'মা'য়ে গোঁসাইৰ থাপনাত বন্তি জ্বলায়। ঘৰখনৰ উন্নতিৰ অৰ্থে 'মা'য়ে নেদেখাজনৰ ওচৰত মূৰ দোঁৱায়। মনৰ ক্ষোভ-বেদনা তেওঁৰ ওচৰত সদৰি কৰে। তাৰ পাছতেই যেন আকুলভাৱে আহ্বান জনাই 'মা'ক চাহৰ কেটলিটোৱে। সকলোকে চাহ দি পথাৰলৈ যোৱা মানুহৰ বাবেও চাহ-জলপান বান্ধি দিয়ে মানে প্ৰায় সদায়েই 'মা'ৰ চাহকাপৰ শেষ উত্তাপটোও নোহোৱা হয়। উপায় নাই, আকৌ এবাৰ গৰম কৰি লবলৈও 'মা'ৰ ওচৰত সময়ৰ নাটনি। সেয়ে ঠাণ্ডা পানীৰ দৰেই চাহকাপ 'মা'য়ে মাথোন পি থয়। মাজতে আকৌ পিতায়ে ভঁড়ালৰ পৰা উলিয়াই থোৱা ধানৰ বস্তাটোও 'মা'য়ে ৰ'দত দি থৈ আহেগৈ। তাৰ পাছতেই ঘৰৰ সকলোৰে বাবে 'মা'য়ে জলপানৰ খোৱাক যোগায়। এইবাৰ 'মা'য়ে ভৰি থয় পাকঘৰৰ মজিয়াত। সকলোৰে জুতি-বুধিৰ কথা চিন্তা কৰি ৰান্ধোতে 'মা'য়ে হয়তো কেতিয়াবাই পাহৰি পেলালে নিজৰ জিভাৰ সোৱাদ। অৱশ্যে, ৰান্ধনিৰ হেনো কোনো সোৱাদ নাথাকে। ৰান্ধোতেও আকৌ লেঠা নহয়, কোনোৱে যদি জলকীয়া নাখায়, আনজনক আকৌ জলা নহলেই নহয়। খেনোৱে যদি আলু নাখায়, খেনোৰে আলু নহ'লে ভাতকে নাখায়। সকলোৰে জুতিৰ কথা চিন্তা কৰি থাকোতে মাজতে পিতাই বা ককাৰ মাতে 'মা'ৰ চিন্তাত জতি পেলায়। তেওঁলোক পথাৰৰ পৰা আহি গা ধুই আহিছে। গতিকে সনাবলৈ কাপোৰ দিব লাগে। অলপ হীনদেৱী হ'লেই 'মা'য়ে শুনিবলগীয়া হয় টান কথা।

সকলোকে ভাত-পানী দি আগদিনাই ৰ'দাই থোৱা বৰাধানখিনি এখোৱলি দিবলৈ 'মা' যায় ঢেঁকীটোৰ ওচৰলৈ। ধান বানি শেষ কৰে মানে

বেলিও ভালেমান হয়। গতিকে লৰা-লৰিকৈ ভাত-পানী খাই বাচন-বৰ্তন ধোৱে মানে বেলি দুপৰ হয়। ঘৰত থকা আনবোৰ মানুহ যেতিয়া অলপ জিৰাবলৈ যায় তেতিয়া ল'ৰা-ছোৱালীদুটাকো শুৱাই 'মা' যায় প্ৰাণৰ আপোন যেন তাঁতৰ শালখনলৈ। অতি যতনেৰে বিভিন্ন ধৰণৰ চিন্তা ভাৱনাৰে 'মা'য়ে গামোচাত ফুল তোলে। এইকণ সময় 'মা'ৰ বাবে একান্তই ব্যক্তিগত আৰু প্ৰিয়। পিছে 'মা'ৰ এই প্ৰিয় সময় বৰ বেছি স্থায়ী নহয়। পিতাই ইতিমধ্যে ঘৰলৈ আহিছে। গতিকে তেওঁক চাহ-জলপান দিব লাগে। মনৰ মানুহজনৰ লগত দুই-এষাৰ কথা পাতিবলৈ 'মা'ৰো মন যায় হবলা। পিছে তেওঁৰ কোনো গুৰুত্বই নাই। চাহ কাপ খাই অকণমান 'মা'ৰ কাষত নবহাকৈ পিতাই ওলাই যায়গৈ। 'মা'ৰ হিয়াৰ ভিতৰত থকা সেউজীয়া মানটোৱে উচুপি উঠে। লাহে লাহে ঘৰলৈ ইজন-সিজন আলহীৰ আগমণ হয়। আলহীৰ লেঠা মাৰোতে মাৰোতে সন্ধিয়াই লাগে। ঘৰ-চোতাল আকৌ এবাৰ সাৰি গৰুৰ আগত জাক দি পুনৰবাৰ গাধুই এইবাৰ 'মা' যায় সন্ধিয়াৰ বন্তিগছি জ্বলাবলৈ। সুৰ লগাই মনৰ হেঁপাহেৰে 'মা'য়ে গাবলৈ ধৰে, "মই দুৱাচাৰ দেৱাল তোমাৰ ....।" গোসাঁই ঘৰৰ পৰা ওলাই কাপোৰ সাজ সলাই 'মা' নামৰ যন্ত্ৰটোৱে শাক-বন কুটি লৈ পাকঘৰলৈ যায়। হালধী লাগি থকা কাপোৰ সাজ নিপিন্ধিলে 'মা'ৰ ৰন্ধাযেনেই নালাগে। কেতিয়াবা 'মা'ৰ নিজৰ পছন্দমতে বনাবলৈ মন যায়। কিন্তু ঘৰৰ আন আন মানুহবোৰে খোজোতে খোজোতে 'মা'লৈ নাইকীয়া হয়। ৰান্ধনীৰ মুখত 'নাই' শব্দটো ওলাব নাপায়। চৰুত লাগি থকা কণকে চুচি-বাচি খাই আকৌ এবাৰ 'মা'ক আহ্বান জনাই গোটাই থোৱা বাচন-বৰ্তনে। ঘৰৰ আন আন মানুহবোৰে যেতিয়া ঢাৰি-পাতি লয়গৈ তেতিয়া চাঁকিটো জ্বলাই 'মা' বহিলয়গৈ বাচনদমৰ ওচৰত। বাচন ধুই-মেলি বিচনাত পৰোতেই পুনৰ পাছদিনাৰ কথা চিন্তা কৰি উঠি আহে মাটিমাহ কেইটামান তিয়াবলৈ। শোৱেহে হয়, মনৰ মাজত আকৌ খুদুৱনি লাগি থাকে ঘৰৰ আটাইকেইখন দৰজা মৰা হ'ল নে নাই বা! এইসময়ত পিতাইৰ লগত পাতিবলৈ 'মা'ৰ বহু কথা থাকে। কিন্তু দুখ যে পিতাই ইতিমধ্যেই নিদ্ৰাদেৱীৰ কোলাত কেতিয়াবাই মগ্ন হৈছে। 'মা'ৰ দুচকুৰে পানী ওলাবলৈ ধৰে। ল'ৰা-ছোৱালীদুটাক বুকুৰ মাজত সোমাৱাই 'মা'য়ো শুই পৰে। মেচিনৰ কেতিয়াবা ব্যতিক্ৰম হোৱাৰ দৰে 'মা'ৰো এইখিনিৰ কেতিয়াবা ব্যতিক্ৰম হয়। ঘৰতে সোমাই থাকে যদিও কাৰোবাৰ ঘৰত ছোৱালী 'ঋতুমতী' হোৱাৰ খবৰ 'মা'য়ে আগতেই পায়। লৰা-লৰিকৈ 'মা' যায় ছোৱালী ভিতৰলৈ সোমোৱাবলৈ। গাঁৱৰ মানুহৰ ঘৰৰ সকাম, বিয়া আদিত 'মা' থিকেই উপস্থিত থাকে। উপস্থিত থাকে নামঘৰৰ বছেৰেকীয়া নাম, জন্মাষ্টমী আদিত। 'ৰুক্মিণী হৰণ' ভাওনা চাওঁতেও 'মা'ৰ মুখাবয়তে দেখা নাযায় কোনো ধৰণৰ চিন্তাৰ অৱকাশ।

লাহে লাহে 'মা'ৰ বয়স বাঢ়ি গ'ল। ছোৱালী উলিয়াই দি পুতেকলৈও বোৱাৰী আনিলে। 'মা'ৰ শিৰতো এদিন অলংকৃত হ'ল 'শাহু'ৰ সন্মান। পিছে পিতেক-বোৱাৰীয়েকৰ কৰ্ম ব্যস্ততাৰ বাবে 'মা'ৰ কাষত থাকিব নোৱাৰে। অৱশ্যে বৃদ্ধ কালত পিতাই 'মা'ৰ সাৰথি হয়। কিছুদিনৰ পৰা 'মা'ক আপদীয়া কাঁহ এটাই ধৰিছেহি। এইবাৰ পুতেক বিহুত আহিলে কোৱাৰ কথা ভাবিছে 'মা'য়ে। বিহুৱে-পাৰ্বনে 'মা'য়ে বৰ আগ্ৰহেৰে বৈ থাকে পুতেক-বোৱাৰীয়েক, নাতিনীয়েক অহাৰ আশাত। পুতেক আহিলেই 'মা'ৰ ওচৰত দাঙি ধৰেহি দীঘলীয়া খৰছৰ হিচাপ। বোৱাৰীয়েকৰ বোলে টনচিলাৰ অলপ অসুবিধা হৈছে আৰু নাতিটোকো স্কুলত দিছে। তাতো খৰছ হৈছে। কম বুলিও 'মা'য়ে ক'ব নোৱাৰে 'মা'ৰ অসুখটোৰ কথা। থাককচোন দে, পিছে পৰেও কম। আগতে তাহাঁতৰ অসুবিধাবোৰ আঁতৰাই লওঁকচোন।

এনেদৰেই অৱধাৰিত ভাৱে চলিবলৈ ধৰিছে 'মা' নামৰ যন্ত্ৰটো ....।

***



# বহাগত পবিত্ৰ চংক্ৰেন বা চাংকেন

*"নৱবৰ্ষৰ আগমনত দক্ষিণ-পূৱ এচিয়া তথা ভাৰতবৰ্ষৰ উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰকৃতিখনে এক মোহময়ী ৰূপ ধাৰণ কৰে। চিত্ত বিমোহিত কৰা অনিন্দ্যসুন্দৰ লস্যময়ী, চঞ্চলা প্ৰকৃতিয়ে এই অঞ্চলৰ ডেকা-গাভৰুসকলকো আবেগিক আৰু চঞ্চলমনা কৰি তোলে।"*

গীতাঞ্জলী শ্যাম
স্নাতক ৩য় বৰ্ষ

অসমত ছটা তাই জনগোষ্ঠী বাস কৰে। এই কেইটা হ'ল— তাই আহোম, তাই খামতি, তাই খাময়াং, তাই ফাকে, তাই তুৰুং আৰু তাই আইটন। তাই আহোমৰ বাহিৰে বাকী পাঁচটা জনগোষ্ঠী বৌদ্ধধৰ্মীয় লোক। অসমৰ লগতে অৰুণাচল প্ৰদেশটো এই তাই জনগোষ্ঠীৰ লোকসকল বাস কৰে। সিহতৰ নিজা সংস্কৃতি, ভাষা, উৎসৱ, খাদ্য আদি আছে। উৎসৱ-পাৰ্বনবিলাক এই পাঁচটা জনগোষ্ঠীৰ প্ৰায় একে ধৰণৰ। প্ৰায়েই নদী কাষৰীয়া অঞ্চলত আৰু চাংঘৰ সাজি একেলগে গাঁও পাতি বাস কৰাটো তেওঁলোকৰ জাতিগত বৈশিষ্ট্য। তেওঁলোকৰ উৎসৱ-পাৰ্বনৰ ভিতৰতে পৰা চাংকেন বা চংক্ৰেন নামৰ উৎসৱটোৰ বিষয়ে থূল-মূলকৈ আগবঢ়োৱা হৈছে।

চংক্ৰেন বা চাংকেন উৎসৱ প্ৰকৃত পক্ষে বৌদ্ধধৰ্মীয় উৎসৱহে। চ'ত মাহৰ সংক্ৰান্তিৰ দিনা বৌদ্ধ বিহাৰৰ বেদীৰ পৰা বুদ্ধমূৰ্তি স্থানান্তৰিত কৰি এখন সুসজ্জিত আসনত উপবিষ্ট কৰোৱাই পৰিষ্কাৰ-পৰিচ্ছন্ন কৰে। ইয়াৰ পিছত আগৰু চন্দনৰ সুগন্ধি জলেৰে সংশোধন কৰি পুনৰ বিহাৰৰ বেদীলৈ নি থাপনা কৰে। বিশ্বৰ বৌদ্ধ ধৰ্মাৱলম্বী লোকসকলে নৱবৰ্ষত বুদ্ধমূৰ্তি সংস্কাৰ সাধন কৰাটো এটা বিশ্বজনীন প্ৰথা হিচাপে প্ৰচলিত হৈ আহিছে। কিন্তু দক্ষিণ-পূৱ এচিয়াৰ বৌদ্ধসকলে এই চংক্ৰেন বা চাংকেন উৎসৱ অতি ৰংৰহইচ, আনন্দ-ফুৰ্তিৰে পালন কৰি আহিছে।

তেওঁলোকে সংক্ৰান্তিৰ দিনা বুদ্ধমুৰ্তি কুংফ্ৰালৈ (স্থান ঘৰ) স্থানান্তৰিত কৰা আৰু পুনৰ বেদীত স্থাপন কৰাৰ শুভক্ষণৰ বিষয়ে গৱেষণাৰ দ্বাৰা চাক্ৰেত (বৰ্ষ পঞ্জীকা) প্ৰকাশ কৰি বৌদ্ধ ৰাষ্ট্ৰসমূহলৈ প্ৰেৰণ কৰে। এই চাক্ৰেতত ব্যক্তি বিশেষৰ নৱবৰ্ষৰ শুভাশুভ বিষয়েও বৰ্ষচক্ৰত উল্লেখ থাকে।

তাই খাময়াংসকলে চাংক্ৰেন উৎসৱ অতীজৰে পৰা বৰ উলাহ-মালহেৰে পালন কৰি আহিছে। তেওঁলোকে এই উৎসৱৰ প্ৰায় তিনিদিন ব্ৰতৰ দিন বুলি গণ্য কৰি নিৰামিষ আহাৰ গ্ৰহণ কৰে। ক্যুংফ্ৰাত বুদ্ধমূৰ্তি স্থাপন কৰি এখন নৌকাত সংযুক্ত 'জাংপান' (স্বয়ংচালিত) ব্যৱস্থাৰে বুদ্ধ মূৰ্তিক স্নান কৰোৱায়। নৱবৰ্ষৰ আগমনত দক্ষিণ-পূৱ এচিয়া তথা ভাৰতবৰ্ষৰ উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰকৃতিখনে এক মোহময়ী ৰূপ ধাৰণ কৰে। চিত্ত বিমোহিত কৰা অনিন্দ্যসুন্দৰ লস্যময়ী, চঞ্চলা প্ৰকৃতিয়ে এই অঞ্চলৰ ডেকা-গাভৰুসকলকো আবেগিক আৰু চঞ্চলমনা কৰি তোলে। এনে সময়তে আহি পৰে চাংক্ৰেন উৎসৱ। সামৰ্থবান জনে এটা পাত্ৰত সুগন্ধি মিশ্ৰিত পানীলৈ সেৱা জনাই বুদ্ধমূৰ্তি স্নানৰ উদ্দেশ্যে নৌকাত ঢালি দিয়ে। নৌকাৰ পানী গৈ কুংপান পোৱা মাত্ৰে পানীৰ নিম্নচাপৰ ফলত কুংপানটো ঘূৰ্ণীয়মান গতিত চলিবলৈ ধৰে। এই দৰে কুংপানটোৱে পানী সিঁচৰিত কৰি বুদ্ধমূৰ্তিক স্নান কৰোৱায়।

অৱশ্যে সৰ্বসাধাৰণ মানুহে পানীভৰা পাত্ৰত সুগন্ধি ফুল-পাত দি মূৰ্তি স্নান কৰোৱায়। সুগন্ধি ফুলৰ সুৱাস মিশ্ৰিত পানীৰে বুদ্ধমূৰ্তিক স্নান কৰোৱাই নৱবৰ্ষৰ বাবে সংস্কাৰ সাধন কৰোৱা মুহূৰ্তত ডেকা-গাভৰুসকলেও নিজৰ আপোনজনৰ হাতে তেনে এছাটি পানীৰে নৱবৰ্ষৰ সম্ভাষণ জনাবলৈ গোপনে আশা পালি থাকে। আনহাতে বয়োজ্যেষ্ঠজনকো কনিষ্ঠসকলে কান-ট (সেৱা) কৰি গাত পৰিষ্কাৰ পানী ঢালি দি বিনিময়ত আশীৰ্বাদ কামনা কৰে। পথচাৰী বৌদ্ধভিক্ষুসকলকো উক্ত প্ৰথাৰে চংক্ৰেন কৰে।

বিশেষ মন কৰিবলগীয়া এই যে থাই লেণ্ডৰ চিৎয়েংমাই নগৰীতেই অতি প্ৰয়োভৰেৰে চংক্ৰেন উৎসৱ পালন কৰে। চংক্ৰেন পালনৰ উদ্দেশ্যে এই নগৰীত লক্ষ্যাধিক লোকৰ সমাগম হয়। অংশগ্ৰহণকাৰীসকলে ৰেল, বাছ, গৰুগাড়ী, ব্যক্তিগত বাহন, উৰা জাহাজ আৰু যন্ত্ৰ চালিত নাৱেৰে গৈ তাত যোগদান কৰেগৈ। বৰ্তমান চংক্ৰেন উৎসৱৰ গতিশীলতাই আধ্যাত্মিকতাৰ সীমা অতিক্ৰম কৰি লৌকিকতাৰ এখন বাস্তৱ চিত্ৰ দাঙি ধৰিবলৈ সক্ষম হৈছে।

চংক্ৰেন বা চাংকেন উৎসৱ হৈছে আনন্দোচ্ছাসৰ এক জীৱন্ত প্ৰতিচ্ছবি। ইয়াত জীৱনৰ মাদকতা আছে কিন্তু ভণ্ডামি বা ভোগ বাসনাৰ স্থান নাই। শত সহস্ৰলোকৰ সমাগমত চংক্ৰেন উৎসৱ পালিত হয় কিন্তু কোনোজনে কোনোক্ষেত্ৰতে আনজনৰ শৰীৰত যাতে স্পৰ্শ নহয় তাৰ বাবে সাৱধানতা অৱলম্বন কৰে। চংক্ৰেতত (পঞ্জীকা) নিৰ্দিষ্ট কৰা মান অনুসৰি ক্যাংফ্ৰা (থাপনা) ঘৰৰ পৰা বুদ্ধমূৰ্তি নি বিহাৰৰ স্থায়ী বেদীত স্থাপন কৰা হয়। যদি পুৱাবেলাৰ ভিতৰত এই কাৰ্য সম্পন্ন হয়, তেন্তে উক্ত দিনাই বিহাৰত পয় চংক্ৰেন (সামৰণি উৎসৱ) পাতি ভগৱান বুদ্ধৰ প্ৰতীক বুদ্ধমূৰ্তিৰ ওচৰত নৱবৰ্ষৰ শুভ মঙ্গলৰ বাবে কান-ট (ক্ষমা প্ৰাৰ্থনা) কৰে। তদুপৰি বিহাৰ স্থিত ভিক্ষু শ্ৰমণসকলোকে কান-ট কৰা হয়। সেইদিনা বিহাৰত (নামঘৰ) উপস্থিত সকলো লোকে পঞ্চশীল গ্ৰহণ কৰে। নাম নং ছিতা (সুগন্ধিজল) গাত লৈ শুদ্ধচিত্তে আৰু পবিত্ৰ শৰীৰে গৃহাভিমুখী হয়।

*চংক্ৰেন বা চাংকেন উৎসৱ হৈছে আনন্দোচ্ছাসৰ এক জীৱন্ত প্ৰতিচ্ছবি। ইয়াত জীৱনৰ মাদকতা আছে কিন্তু ভণ্ডামি বা ভোগ বাসনাৰ স্থান নাই। শত সহস্ৰলোকৰ সমাগমত চংক্ৰেন উৎসৱ পালিত হয় কিন্তু কোনোজনে কোনোক্ষেত্ৰতে আনজনৰ শৰীৰত যাতে স্পৰ্শ নহয় তাৰ বাবে সাৱধানতা অৱলম্বন কৰে। চংক্ৰেতত (পঞ্জীকা) নিৰ্দিষ্ট কৰা মান অনুসৰি ক্যাংফ্ৰা (থাপনা) ঘৰৰ পৰা বুদ্ধমূৰ্তি নি বিহাৰৰ স্থায়ী বেদীত স্থাপন কৰা হয়।*

অসমৰ বহাগ বিহুৰ দৰে দক্ষিণ পূৱ এচিয়াৰ তাই সকলেও চংক্ৰেন উৎসৱ শেষ কৰি আনন্দোৎসৱ পতাৰ প্ৰথা প্ৰচলিত হৈ আহিছে। এই আনন্দোৎসৱত ডেকা-গাভৰুসকলৰ মাজত মনৰ আদান-প্ৰদান ঘটে আৰু কোনো কোনোৰে শেষান্তৰত প্ৰণয় পাশত আবদ্ধ হৈ বিবাহত আবদ্ধ হয়।

এনেদৰেই ৰং-ৰহইচ, হাঁহি-ধেমালি, মৰম-চেনেহেৰে উলহ-মালহেৰে চাংক্ৰেন উৎসৱটো উদ্‌যাপন কৰা হয়। এটা বছৰ চংক্ৰেন বিদায় জনোৱাৰ পিছত কামৰ মাজটো আন এটা নতুন বছৰৰ চংক্ৰেনক আদৰিবলৈ তেওঁলোকে অধীৰ অপেক্ষাত থাকে।

❋❋❋





# ছাত্ৰ সমাজত বাইক আৰু ম'বাইল ফোনৰ অপব্যৱহাৰ

ৰূপজ্যোতি বৰগোহাঁই
স্নাতক ১ম বৰ্ষ

সময়ৰ পৰিৱৰ্তনৰ লগে লগে মানুহৰ জীৱন ধাৰণৰ পদ্ধতিও অভাৱনীয়ভাৱে পৰিৱৰ্তন ঘটিছে। শৈক্ষিক জগতখনতো বিভিন্ন পৰিৱৰ্তন আহি পৰিছে। শৈক্ষিক জগতখনক আজিকালি ব্যৱসায়ীকৰূপত গঢ়ি তোলা হৈছে। এই ক্ষেত্ৰত শিক্ষা গ্ৰহণত যিমান টকা খটুৱাব পৰা যায় সেই অনুপাতে সংস্থাপনৰ পথ নিৰূপণ হয়। তদুপৰি বৰ্তমান শিক্ষা ব্যৱস্থাত ছাত্ৰ আৰু শিক্ষকৰ মাজৰ সেই পবিত্ৰ এনাজৰীডাল দেখিবলৈ পোৱা নাযায়। যিডাল এনাজৰী পুৰণি শিক্ষা জগতত দেখিবলৈ পোৱা গৈছিল। আগৰ দিশত শিক্ষানুষ্ঠানসমূহৰ পৰিৱেশ সুকীয়া আছিল। শিক্ষক আৰু ছাত্ৰৰ সমাহাৰত ই আছিল এক পবিত্ৰ অনুষ্ঠান য'ত ছাত্ৰ সকলে শিক্ষকৰ পৰা বিদ্যায়তনিক দিশৰ পৰা আৰম্ভ কৰি ব্যক্তিত্ব বিকাশৰ সকলো জ্ঞান অতি নিষ্ঠাৰে গ্ৰহণ কৰিছিল। শিক্ষকসকলেও অতি সতৰ্কতাৰে সেই দায়িত্ব পালন কৰিছিল যাৰ ফলস্বৰূপে তেওঁলোক ছাত্ৰ তথা শৈক্ষিক সমাজৰ চকুত মহীয়ান হৈ উঠিছিল ; কিন্তু বৰ্তমান এই ছবিখন সলনি হৈছে। দ্ৰুত বিজ্ঞান-প্ৰযুক্তিবিদ্যাৰ অগ্ৰগতীয়ে এই ছবিখনৰ দ্ৰুত পৰিৱৰ্তন সাধিছে।

আজিকালি প্ৰায়বোৰ বাতৰি কাকতত প্ৰকাশিত কেতবোৰ বাতৰি যেন— বিভিন্ন সাংস্কৃতিক অনুষ্ঠান, নবাগত আদৰণি সভা তথা বিভিন্ন সামাজিক অনুষ্ঠান আদি সুৰামত্ত ছাত্ৰৰ উদ্ভ গুালি, ছাত্ৰৰ মাজত মাৰপিত আদি বাতৰিয়ে প্ৰতিজন সচেতন ব্যক্তিক চিন্তিত কৰি তুলিছে। একাংশ ছাত্ৰই শিক্ষানুষ্ঠানৰ বাহিৰত কৰা উচ্ছৃংখল আচৰণৰ বাবে স্থানীয় সচেতন নাগৰিকে হস্তক্ষেপ কৰিবলগীয়া হৈছে। ই ছাত্ৰ সমাজৰ বাবে এক পৰম লজ্জাৰ বিষয়।

ছাত্ৰ সমাজৰ মানসিকতাত দেখা দিয়া এনে উচ্ছৃংখলতাৰ কাৰণ হ'ল আধুনিকতাৰ ঋণাত্মক দিশৰ অণুকৰণ। বিজ্ঞান-প্ৰযুক্তিবিদ্যাৰ প্ৰসাৰে আমাৰ দৈনন্দিন জীৱনবোৰ অধিক বিশালপূৰ্ণ কৰি তুলিছে। সকলোলোকেই আধুনিকতাৰ এনে সুযোগ গ্ৰহণ কৰিছে , বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ অৱদানেৰে উদ্ভাৱণ হোৱা এনে দুবিধ বিলাসপূৰ্ণ সামগ্ৰী হ'ল মটৰ চাইকেল আৰু ম'বাইল ফোন। এই দুবিধ বিলাসপূৰ্ণ সামগ্ৰীৰ প্ৰতি ছাত্ৰ সমাজ তীব্ৰভাৱে আকৰ্ষিত হৈছে। কেতবোৰ ছাত্ৰই বিভিন্ন অজুহাত দেখুৱাই অভিভাৱকসকলক একেদিনাৰ ভিতৰতে এখন বাইক কিনাবলৈ বাধ্য কৰিছে। তদুপৰি কিছুমান অভিভাৱকে এখন বাইক কিনি নিদিয়াৰ বাবে ঘৰত অশান্তি পৰিবেশৰ সৃষ্টি হৈছে। এইখিনিতে মোৰ মনত পৰা এটা সত্য উদাহৰণ থাউকতে দি যাওঁ। কেইদিনমানৰ আগতে মই মোৰ মামাৰ ঘৰলৈ গৈছিলো। মামাৰ ঘৰৰ প্ৰায় ওচৰতে থকা এটা ঘৰত দেউতাক বিহীন মাকৰ সৈতে একমাত্ৰ পুত্ৰ বাস কৰে। ল'ৰাটো সেই সময়ত সম্ভৱ স্নাতক প্ৰথম বৰ্ষত পঢ়িছিল। এদিন গধূলি সময়ত মামাৰ ঘৰত টি.ভি. চাই থাকোতে সেই ঘৰটোত বৰকৈ হুলস্থুল শুনিবলৈ পালো। আমি একো ধৰিব নোৱাৰি বাহিৰলৈ ওলাই গ'লো। সেই সময়ত মামাই ক'ৰবাৰ পৰা আহি ক'লে যে সেই ঘৰৰ ল'ৰাটোক মাকে এখন বাইক কিনি নিদিয়াৰ বাবে সি সুৰামত্ত হৈ মাকক বৰকৈ মাৰপিট কৰিছে। ইয়াৰ

পৰাই ধৰিব পাৰি যে, এখন বাইক (যিখনৰ প্ৰয়োজন নাথাকিলেও কেৱল স্মাৰ্টনেছ দেখুৱাবৰ বাবে)ৰ বাবে এজন ছাত্ৰই কিমান নীচ কৰ্ম কৰিব পাৰে। বৰ্তমান সময়ত ছাত্ৰৰ বাইকে স্কুল-কলেজৰ চৌহদ ভৰি পৰিছে। তদুপৰি কেতিয়াবা কেতিয়াবা ছাত্ৰৰ বাইকে এনে যান-জঁটৰ সমস্যাৰ সৃষ্টি কৰে যে, এইবোৰ নিয়ন্ত্ৰণ কৰাতো আৰক্ষীৰ পক্ষে এক ডাঙৰ প্ৰত্যাহ্বান স্বৰূপ হৈ পৰে। তদুপৰি ছাত্ৰৰ তীব্ৰবেগী অনিয়ন্ত্ৰিত বাইকৰ আঘাতত বহুলোক আহত বা নিহত হৈছে। অলপ দিনৰ আগতে যোৰহাটত দুজন কলেজীয়া ছাত্ৰৰ বাইকৰ খুন্দাত এজন পথচাৰীয়ে কৰুণভাৱে মৃত্যুক আকোঁৱালি ল'ব লগা হৈছিল। উল্লেখযোগ্য যে, এজন ছাত্ৰৰ বাইকখন উক্ত ছাত্ৰ দুজনে ১৫০ টকাত ভাড়া কৰি নিছিল। ছাত্ৰসকলৰ মাজত বাইকপ্ৰীতিৰ অন্যতম কাৰণ হ'ল হিন্দী চিনেমাৰ অন্ধ অনুকৰণ। এখন বাইক তীব্ৰ গতিত চলোৱা উচ্ছৃংখল বেশ-ভূষাৰ চিনেমাৰ নায়ক এজনক অনুকৰণ কৰাৰ বিকৃত মানসিকতা বহু ছাত্ৰৰ মাজত আছে। চিনেমাত দেখাৰ দৰে তেওঁলোকে স্কুল-কলেজৰ চৌহদত তেনে আচৰণ কৰে। এই ক্ষেত্ৰত বাইকখন হ'ল মুখ্য উপাদান। ছাত্ৰৰ এনে কাৰ্যত হাত উজান দিছে একাংশ অভিভাৱকে। নিজ সন্তানৰ প্ৰতি থকা অন্ধ মৰম-চেনেহৰ বশৱৰ্তী হৈ নিজ সন্তানৰ বিকৃত আচৰণ দেখিও এইসকলে চকুমুদি থাকে। এখন বাইকৰ প্ৰয়োজনীয়তাৰ সন্দৰ্ভত তেওঁলোকে কোনো দিনেই প্ৰশ্ন নকৰে।

আধুনিক বিজ্ঞান প্ৰযুক্তিবিদ্যাই যোগাযোগ ব্যৱস্থাত এক চমকপ্ৰদ সাফল্য লাভ কৰিছে। এই বৈজ্ঞানিক আৱিষ্কাৰে আমাক দিয়া আন এবিধ প্ৰয়োজনীয় সামগ্ৰী হ'ল ম'বাইল ফোন। আজিৰ দিনত এই বিধ সামগ্ৰীৰ প্ৰয়োজনীয়তা আমি সকলোৱে স্বীকাৰ কৰো। কিন্তু আধুনিক প্ৰযুক্তিবিদ্যাৰ আশীৰ্বাদ স্বৰূপ ম'বাইল ফোন ছাত্ৰ সমাজত অভিশাপ স্বৰূপ হৈ পৰিছে। ই যেন এক বিলাসীকতাৰহে সামগ্ৰী। সঠিকভাৱে ব্যৱহাৰ নকৰি ইয়াৰ ঋণাত্মক দিশসমূহৰ প্ৰতিহে আকৃষ্ট হৈছে ছাত্ৰ সমাজ। অশ্লীল ভাষাৰ এছ. এম. এছ. প্ৰেৰণৰ বাবে ছাত্ৰসকলে ইয়াক ব্যৱহাৰ কৰিছে। পাঠদানৰ সময়ত শ্ৰেণীকোঠাত প্ৰৱেশ ঘটোৱাৰ বাবে পাঠদান কাৰ্যত ব্যাঘাত জন্মিছে। অন্যহাতে কিছুমান কেমেৰাযুক্ত ম'বাইল ফোনেৰে কোনো যুৱক বা যুৱতীৰ গোপনে ফটো তুলি কম্পিউটাৰৰ সহায়ত ইয়াক অশ্লীল কৰি পেলাইছে। গতিকে বৰ্তমান সময়ৰ অপৰিহাৰ্য সামগ্ৰিক এক ব্যাধিৰ উপাদানলৈ পৰিণত কৰিছে।

এনে সামাজিক ব্যাধিৰ পৰা হাত সাৰিবলৈ হ'লে প্ৰথম পদক্ষেপ ল'ব লাগিব ছাত্ৰ-ছাত্ৰীসকলৰ অভিভাৱকে। তেওঁলোকে অতি প্ৰয়োজন হ'লেহে ছাত্ৰ-ছাত্ৰীসকলক এনে সামগ্ৰী যোগান ধৰিব লাগে আৰু এইবোৰৰ উপযুক্ত ব্যৱহাৰৰ সন্দৰ্ভত উপযুক্ত শিক্ষা দি কিছুমান কঠোৰ নিয়ম বান্ধি দিব লাগে আৰু এই নিয়মসমূহ কঠোৰ হাতেৰে কাৰ্যকৰী কৰিব লাগে। দ্বিতীয়তে এই পদক্ষেপ লব লাগিব শিক্ষানুষ্ঠানৰ কৰ্তৃপক্ষই। আধুনিকতাই যাতে শৈক্ষিক পৰিৱেশ বিনষ্ট কৰিব নোৱাৰে তাৰ বাবে কৰ্তৃপক্ষই কিছুমান নীতি নিৰ্ধাৰণ কৰি এইবোৰ কাৰ্যকৰী কৰিব লাগে। অলপ দিনৰ আগতে দিল্লী বিশ্ববিদ্যালয়ত ম'বাইল ফোনৰ ব্যৱহাৰে যাতে শৈক্ষিক পৰিৱেশ বিনষ্ট কৰিব নোৱাৰে সেই উদ্দেশ্যেৰেই কৰ্তৃপক্ষই ম'বাইল ফোনৰ ব্যৱহাৰ বিশ্ববিদ্যালয়ত নিষিদ্ধ কৰি দিছিল।

ছাত্ৰ জীৱন হ'ল সুখী জীৱন। এই জীৱনক অপব্যৱহাৰ কৰিব নেলাগে। ক্ষন্তেকীয়া সুখ বা স্মাৰ্টনেচৰ বশবৰ্তী হৈ এই জীৱন যাতে বিপথে পৰিচালিত নহয় তাৰ বাবে ছাত্ৰ সমাজ সদায় সচেতন হ'ব লাগে। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ প্ৰয়োগৰ ফলত উদ্ভাৱণ হোৱা সুবিধাসমূহৰ ধনাত্মক দিশটো আয়ত্ব কৰিব লাগে। আনহাতে অভিভাৱক আৰু কৰ্তৃপক্ষও ছাত্ৰ সমাজৰ প্ৰতি উচিত ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। সময় থাকোতে যদি ছাত্ৰ সমাজ, অভিভাৱক আৰু কৰ্তৃপক্ষসকলে বিজ্ঞানৰ এনে ঋণাত্মক দিশসমূহৰ ব্যৱহাৰৰ কুফল সমূহ নিয়ন্ত্ৰণ কৰাৰ কথা চিন্তা নকৰে তেন্তে কাইলৈ দেশৰ ভৱিষ্যত ছাত্ৰ সমাজ ধ্বংসৰ গৰাহৰ পৰা কোনেও ৰক্ষা কৰিব নোৱাৰে। ❖





# বন্ধু আৰু বন্ধুত্ব

বিৰূপ কুমাৰ গগৈ
স্নাতক ২য় বৰ্ষ

*Love is only chatter*
*Friends are that matter –*

বন্ধুত্ব শব্দটোৱেই মৰম লগা। বন্ধুত্ব সকলোৰে মাজত হ'ব পাৰে। সাধাৰণতে সম-বয়সীয়া ল'ৰা-ছোৱালীৰ মাজত বন্ধুত্ব গঢ় লৈ উঠে যদিও ইয়াতেই এই সম্পৰ্ক শেষ নহয়। কম বয়সীয়া ল'ৰা বা ছোৱালীৰ বৃদ্ধ বা বৃদ্ধাৰ সৈতে, মধ্য বয়স্কৰ কিশোৰৰ সৈতে, শিশুৰ চেমনীয়াৰ সৈতে অথবা যুৱক-যুৱতীৰ সৈতে বন্ধুত্ব সম্পৰ্ক গঢ় লব পাৰে। কম বয়সৰ ল'ৰা বা ছোৱালীয়ে বয়সতকৈ বহু ডাঙৰ কাৰোবাৰ বৰকৈ লগ হয়। তেওঁলোকক পালে আনন্দত আত্মহাৰা হয়। তেওঁলোকৰ এই আনন্দ-উল্লাসত সহাঁৰি জনাই বসয়স্তসকলো ব্যস্ত হৈ পৰে। বয়সৰ বিশাল ব্যৱধান সত্ত্বেও তেওঁলোকৰ বন্ধুত্বই সকলোৰে দৃষ্টি আকৰ্ষণ কৰে। মনটোৱে যি বিচাৰে সেইখিনি যাৰ পৰা পায় তেওঁলোকৰ সৈতেই সম্পৰ্ক ঘনিষ্ঠ হয়। সেইবাবেই বয়সৰ ব্যৱধানত অন্তৰায় নাহে।

বন্ধুত্ব গঢ়া সহজ কিন্তু ইয়াক বৰ্তাই ৰখা সকলো সময়তে সহজ সাধ্য নহয়। বন্ধুত্বই কেৱল উপভোগ বা আনন্দই নিবিচাৰে। বৰং ই দায়বদ্ধতাও বিচাৰে। এনে দায়বদ্ধতাৰ বাবেই নিবিচৰাকৈয়ে বন্ধুত্বক মূল্য দিব লগা হয়। ত্যাগ স্বীকাৰ কৰিব লগা হয়, জীৱনৰ জটিল ক্ষণত অঘোষিতভাৱে বন্ধুত্বই পৰীক্ষা লয়। সেই পৰীক্ষাত অৱতীৰ্ণ হৈ বহুতেই জীৱনৰ বহু কিছু হেৰুৱায়। আনকি সৰ্বস্ব হেৰুৱাই বিধবস্তও হৈ পৰে। তথাপিতো নেহেৰুৱাই বন্ধুত্ব। বন্ধুত্বৰ এনে অনুপম চানেকী বিচাৰি ডাঙৰ ডাঙৰ গ্ৰন্থৰ পাত লুটিওৱাৰ আৱশ্যক নাই। আমাৰ পৰিচিত সমাজখনত সৰু-বৰ অনেক লোকৰ মাজত বন্ধুত্বৰ মনোৰম সম্পৰ্কৰ অজস্ৰ উদাহৰণ বিচাৰি পোৱা যায়। ৰামায়ণত বন্ধুত্বৰ খাটিৰত বিভীষণে নিজৰ ভাতৃ, নিজ ৰাজ্যৰ বিৰুদ্ধেই থিয় হোৱাৰ কথা উল্লেখ আছে। বিভীষণৰ মনটোৱে যিটো উচিত বুলি ভাবিছিল সেই টোকে কৰিবলৈ আগবাঢ়ি ছিল ৰামচন্দ্ৰ আৰু লক্ষ্মণ। সেই কাৰণেই বিভীষণ ৰামচন্দ্ৰ আৰু লক্ষ্মণৰ লগ লাগিছিল। ন্যায়ৰ হকে, অন্যায়ৰ বিৰুদ্ধে সংগ্ৰাম কৰিছিল। ৰামায়ণৰ বিভীষণৰ লেখিয়াকৈ মহাভাৰতত বন্ধুত্বৰ হকে নিজ ককাই-ভাইৰ বিৰুদ্ধে অস্ত্ৰ তুলি লৈছিল মহাবীৰ কৰ্ণই। জ্যেষ্ঠ পাণ্ডৱ কৰ্ণ সময়ৰ পাকচক্ৰত গৈ কৌৰৱ পক্ষত থিতাপি লৈছিল। মহাবীৰ কৰ্ণৰ দৰে পৰাক্ৰমী ব্যক্তি এগৰাকীক নিজৰ পক্ষত পাই কৌৰৱে তেওঁক স-সন্মানে আদৰি ল'লে। কিন্তু কুৰুক্ষেত্ৰ মহাৰণৰ আগতে গৈ মাতৃ কুন্তীয়ে কৰ্ণক নিজৰ জন্ম বৃতান্ত শুনাই কৌৰৱৰ পক্ষত যুদ্ধ নকৰিবলৈ জনোৱা আবেদন বিনয়েৰে প্ৰত্যাখ্যান কৰি তেওঁ বন্ধু দুৰ্যোধনৰ সংগ ত্যাগ কৰিবলৈ অমান্তি হৈছিল। তেওঁ অৱশ্যে মাতৃ কুন্তীক অভয় দিছিল যুদ্ধত জয়-পৰাজয় যাৰেই নহওঁক কিয় মাতৃ কুন্তীৰ পাঁচোজন সন্তান অক্ষত অৱস্থাতেই থাকিব। কৰ্ণই জানিছিল ন্যায় আৰু সত্যৰ হকে কৰা যুদ্ধত পাণ্ডৱ পক্ষৰ জয় অৱধাৰিত। ইয়াৰ বিপৰীতে অন্যায়ৰ পৃষ্ঠপোষক আৰু অহংকাৰী কৌৰৱ পক্ষৰ পৰাজয় সুনিশ্চিত।

কৰ্ণ যুদ্ধৰ প্ৰতি দায়বদ্ধ আছিল। পৰাজয় বা মৃত্যু অৱধাৰিত বুলি জানিও কৰ্ণই বন্ধুত্ব পৰিত্যাগ কৰিবলৈ অস্বীকাৰ কৰিছিল। পৌৰাণিক

কালৰ দৰে আধুনিক কালতো বন্ধুৰ হৈ কৰা বিৰল ত্যাগৰ অলেখ দৃষ্টান্ত পোৱা যায় যদিও বন্ধুত্বৰ মূল্য সদায়েই সকলোৱে একে ধৰণে পৰিশোধ নকৰে। বন্ধুৰ বন্ধুত্ব চিনাৰ বাবে বন্ধুত্বৰ গাঢ়তা বা গভীৰতা বুজাৰ বাবে সদায়েই একোটা পৰীক্ষাৰ আৱশ্যক হয়। এনে পৰীক্ষাই হে বন্ধুত্বৰ পৰিমাণ উপলব্ধি কৰাত সহায় কৰে। তাহানিৰ পাঠশালা স্কুলত নদাই-ভদাইৰ সাধুকথা আমি সকলোৱে পঢ়িছিলো। হাবিৰ মাজত আচম্বিতে ভালুকৰ মুখত পৰি গছত উঠিব জনা নদাই ভদাইৰ কথা অকনো নাভাবি গছত উঠিল। অসহায় ভদাই গছত উঠিব নোৱাৰি মৰাৰ ভাও ধৰি পৰি থাকিল। মৃতদেহত মুখ নিদিয়া ভালুকে ভদাইক শুঙি চাই মৰা যেন পাই একো ক্ষতি নকৰাকৈয়ে আঁতৰি গ'ল। সেই সাধু কথাৰ পৰাই বুজোৱা হৈছিল বিপদৰ বন্ধুহে আচল বন্ধু। ৰিপদ দেখি লগ এৰা দিয়া বন্ধু নিৰ্ভৰযোগ্য মুঠেই নহয়।

দৰাচলতে বন্ধু আৰু বন্ধুত্ব এই শব্দ দুটা ইমানেই ৰহস্যময় যে সেই তাহানিৰে পৰা আজিলৈকে এই দুই শব্দই আমাৰ সমাজ জীৱনত এক বিশেষ স্থান অধিকাৰ কৰি আহিছে। প্ৰকৃত বন্ধু আৰু বন্ধুত্বই মানুহক সদায়েই আলোড়িত কৰি আহিছে। ইয়াৰ বিপৰীতে বন্ধু আৰু বন্ধুত্বৰ নাম কলংকিত কৰা লোকৰ সংখ্যাও নিচেই তাকৰ নহয়। প্ৰকৃত বন্ধু আৰু সঁচা বন্ধুত্বৰ কথাকৈ সকলোৱেই আনন্দ পায়। কিন্তু বন্ধুৰ বিশ্বাসঘাতকতাৰ কথাও মানুহে সমানেই গুৰুত্ব সহকাৰে আলোচনা কৰে যাতে সকলোৱেই ইয়াৰ বিষয়ে সজাগ হয়। বন্ধুৰ বিশ্বাসঘাতকতাৰ দৃষ্টান্ত দি অনেক লেখনি, চলচ্চিত্ৰ, নাটক আদি ৰচনা বা সৃষ্টি কৰা হৈছে। সেইবোৰ চাই বা পঢ়ি মানুহে ভুৱা বন্ধুত্বৰ প্ৰতি হৃদয় উজাৰি ক্ষোভ প্ৰকাশ কৰে। বন্ধুৰ বিশ্বাসঘাতকতা প্ৰকাশ কৰি শ্বেইক্সপীয়েৰে লিখা তিনিটা শব্দৰ বিখ্যাত বাক্যই আজিও পৃথিৱীবাসীক সৰ্বাধিক আলোড়িত কৰে আৰু সেই কাৰণেই তেনে পৰিস্থিতিত ক'ব নোৱাৰাকৈয়ে মানুহৰ মুখেৰে বাহিৰ হয় ব্ৰুটাছ-ইউ-ট্যু।

***

**-ঃ মহৎ লোকৰ বাণী ঃ-**

মই কেৱল এটা কথাকে জানো। সেয়া হ'ল— মই একোকেই নাজানো।
— চক্ৰেটিচ্

আনে তোমাক সহায় কৰিব নোৱাৰে, তুমি নিজেই নিজৰ সহায় হোৱা।
— বুদ্ধদেৱ

যিজনে বিপদলৈ ভয় কৰে, তেওঁ কেতিয়াও জীৱনত জয়ী হ'ব নোৱাৰে।
— স্বামী চিন্ময়ানন্দ



# মানুহৰ মাত-কথা

*"শিশুৰ প্ৰতি কৰা ব্যৱহাৰ, কথা-বতৰাত গুৰুজনে সদায়েই সচেতন হোৱাৰ দৰকাৰ। সৰু-সৰু কথাতে সন্তানক দোষ দি গালি-শপনি দি থাকিব নেলাগে। ইয়াৰ ফলত ভৱিষ্যতেও সন্তানটি খিংখিঙীয়া স্বভাৱৰ হ'বগৈ পাৰে। সিহঁতৰ কথা বতৰা অলপ কঠুৱা হোৱাটো আচৰিত নহয়।"*

মিচ ৰুবী বড়া
স্নাতক ১ম বৰ্ষ, কলা শাখা

মানুহৰ মাত-কথা মানৱ আচৰণৰ এটা মূল অংগ। মাত-কথাৰ ওপৰতে আনৰ পৰা পোৱা ব্যৱহাৰ, আচৰনো নিৰ্ভৰ কৰে। আমাৰ বুঢ়ালোকে এনেয়ে কোৱা নাছিল— "কথাৰ মূৰত গঁতা পায়, কথাৰ মূৰত বঁটা পায়" বুলি।

একেটা কথাকে খাৰাং-খাচকৈ কৈ দিলে কোনোবাই বেয়া পাব পাৰে। কিন্তু সেই কথাটোকে কোমলকৈ ক'লে মানুহজনে বেয়াতো নোপায়েই বৰং কথাটো এবাৰ বিচাৰ কৰি চাবহে। আচলতে সুন্দৰকৈ কথা ক'ব জনাটো, আনক বিতুষ্ট নকৰাকৈ কথা ক'ব পৰাটো এটা কলা। জন্মতে কোনেও একো শিকি নাহে, ঘৰখনৰ পৰিৱেশৰ মাজতে শিশুৱে প্ৰথমে শিক্ষাৰ পাঠ আৰম্ভ কৰে। তাৰ পৰাই ডাঙৰৰ ব্যৱহাৰ কেনেধৰণৰ, কথা-বতৰা কেনেদৰে কৈছে, আনকি ডাঙৰে নিজৰ ভিতৰত কেনেদৰে কথা-বতৰা কয়, কথা বতৰাৰ সুৰ, ভাষা আদি সকলোবোৰেই শিশুৱে আওৰাই থয় আৰু নিজেও তেনেদৰেই কথা-বতৰা, ব্যৱহাৰ-পাতি কৰিবলৈ লয়।

সেয়েহে শিশুৰ প্ৰতি কৰা ব্যৱহাৰ, কথা-বতৰাত গুৰুজনে সদায়েই সচেতন হোৱাৰ দৰকাৰ। সৰু-সৰু কথাতে সন্তানক দোষ দি গালি-শপনি দি থাকিব নেলাগে। ইয়াৰ ফলত ভৱিষ্যতেও সন্তানটি খিংখিঙীয়া স্বভাৱৰ হ'বগৈ পাৰে। সিহঁতৰ কথা বতৰা অলপ কঠুৱা হোৱাটো আচৰিত নহয়। বহুতো মাকে নিজৰ সন্তানটো বৰ খিংখিঙীয়া, ইমান পেঙেৰীমাৰি উত্তৰ দিয়ে, কথা ক'বই নোৱাৰি; বুলি লগৰ বান্ধৱীৰ আগত অভিযোগ কৰা দেখা যায়। এই বিলাকৰ গুৰিটোও নিশ্চয় ঘৰতেই আছিল।

মানুহ মাত্ৰেই ভুল হয়। সৰু ল'ৰা-ছোৱালীৰ ক্ষেত্ৰত ইয়াৰ সম্ভাৱনা আৰু বেছি। গতিকে সিহঁতক মৰমেৰে কাষলৈ আনি বুজাই দিলে সিহঁতেও আন্তৰিকতাৰে শুধৰণি কৰিব। আপুনি আৰু আপোনাৰ স্বামী দুয়োজনে হয়তো পুৱাতে চাকৰিলৈ ওলাই যায়। দিনটোৰ মূৰত ভাগৰি ঘৰ সোমোৱাৰ লগে লগে সন্তানে জুমুৰি দি ধৰিলে ধৈৰ্যৰ বান্ধ হেৰাই গৈ খং উঠাটো আচৰিত নহয়। পিছে খং উঠাৰ আগতে মাক-দেউতাকে এবাৰ নিজকে সন্তানৰ ঠাইত থৈও ভাবি চাব লাগে দিনটো লগ নোপোৱা মাক-দেউতাকক, বিশেষকৈ মাকক দেখি সিহঁতে মনত কিমান আনন্দ পাব। গতিকে সিহঁতক অলপ মৰম কৰি, মৰমৰ মাতষাৰ দি আগতে নিজে চাফ-চিকুন হৈ আজৰি হৈ সিহঁতৰ লগত বহিব লাগে।

সন্তানক দাঙৰ-দীঘল কৰোতে মাজে মাজে সিহঁতৰ ভুল বিলাকত শাসনৰ প্ৰয়োজন হয়। সদায় অকল মৰম কৰিলেও নহ'ব। কিন্তু তাকে কৰোতে সিহঁতৰ ভুল বিলাক সিহঁতে বুজি পোৱাতো উচিত। বহুতো মাক-দেউতাকে সন্তানক কৰা অনাহক অত্যাধিক শাসনৰ প্ৰভাৱ সিহঁতৰ

কোমল মনত এনেকৈ পৰে যে গোটেই জীৱন সেই সাঁচ ক্ষোভ হৈ সিহঁতৰ মনত ৰৈ যায়। যাৰ ফলত হকে-বিহকে সঘনাই সিহঁতৰ খংবিলাক প্ৰকাশ হোৱাৰ উপৰিও মাত-কথা বিলাক কঠুৱা হ'ব পাৰে। পিতৃ-মাতৃৰ প্ৰতি ব্যৱহাৰ-পাতিতো আশানুৰূপ নহ'ব পাৰে।

অকল মানুহেই নহয়, জীৱ-জন্তুৰো আত্মভিমান থাকে। সিহঁতেও ভাল মাত-কথা মৰম বিচাৰে। আজিকালি প্ৰায় ঘৰে-ঘৰে পোহনীয়া কুকুৰ আদি থাকেই। ধমক দি ক'লে সিহঁতে কথাবোৰ মানিবলৈ টান পায় আৰু মৰম কৰি কোৱা কথাবোৰ সহজে মানে। ঘৰখনৰ পিছতে ল'ৰা-ছোৱালীৰ মাত-কথাৰ ওপৰত লগ-সংগ, চৌপাশৰ পৰিৱেশৰ প্ৰভাৱো বহুত বেছি। বেয়া মাত-কথাবোৰ যাতে সিহঁতৰ মুখলৈ নাহে তাৰ বাবে অলপ সচেতন হৈ প্ৰয়োজন সাপেক্ষে অভিভাৱকে লগ-সংগ নিৰ্বাচনটো চকু দিয়া উচিত। পাছলৈ সেইবিলাক মাত-কথা সিহঁতৰ বাবে ভাতৰ লগত পানী খোৱাৰ দৰে হৈ পৰিব পাৰে।

'খং নামেই চণ্ডাল'। খঙৰ ভমকত মানুহে প্ৰায়ে নক'ব লগা কথা, নকৰিবলগীয়া কামবোৰ কৰি বিপদত পৰিবলগীয়া হোৱা দেখা যায়। খং উঠি থাকোতে কেতিয়াও কোনো সিদ্ধান্ত ল'ব নেলাগে আৰু পৰাপক্ষত কাকো একো ক'ব নেলাগে। বেয়া কথা এষাৰ কৈ দি আনৰ মনত দুখ দিয়াৰ লগতে নিজৰ মনতো কম অস্বস্তিবোধ নহয়। তেনে অৱস্থাৰ পৰা ৰক্ষা পাবলৈ খং মাৰ যোৱাৰ পাছত হে কথাবোৰ ভালকৈ যুকিয়াই লৈ সময় বুজি ক'ব লাগে।

ভাল মাত কথা আটাইৰে প্ৰিয়। কথাতে কয় 'ভাতৰ তিতা খাব পাৰি, মাতৰ তিতা খাব নোৱাৰি' দুদিনীয়া সংসাৰত মাত্ৰ মুখৰ ভাল মাতষাৰেৰে

> *"শিক্ষকসকলৰ ল'ৰা-ছোৱালীৰ ওপৰত প্ৰভাৱ বহু বেছি। মাক-দেউতাকৰ পিছতে সিহঁতৰ ওপৰত শিক্ষাগুৰুৰ প্ৰভাৱ অতি বেছি। স্কুলত দিয়াৰে পৰা জীৱনৰ এটা গুৰুত্বপূৰ্ণ সময়ৰ গুৰুভাগ শিক্ষাৰ অনুষ্ঠানত কটায়। সিহঁতক গালি-শপনি পাৰি, মাৰ-ধৰ কৰি শিকাবলৈ যোৱাতকৈ কোমল ভাষাৰে, মৰম সনা মাতেৰে যদি বুজাই দিয়ে তেনেহ'লে ছাত্ৰ-ছাত্ৰীয়ে পঢ়া-শুনা ভালদৰে আয়ত্ত কৰিব পাৰে বা কৰিবলৈ চেষ্টা কৰিব।"*

সকলোৰে অন্তৰ জয় কৰিব পৰাটো কম কথা নহয়। আজিৰ যান্ত্ৰিক যুগত আটায়ে পদে পদে টেনশ্যন ভুগিব লাগে। ঘৰৰ পৰা ওলাই গৈ ঘূৰি আহি ঘৰ নোসোমোৱা পৰ্যন্ত টেনশ্যনত ভোগা কথা বহুতৰে মুখত শুনা যায়। তাৰ মাজতেই অকণমান সুবিধা পালেই খংটোৰে টিঙিচকৈ মূৰত ধৰি এষাৰ টান মাত ওলায়েই আহিব খোজে। গাড়ী চলাওতে পথৰ নিয়ম নমনাজনৰ বাবে হঠাতে ব্ৰেক মাৰি ৰ'ব লগাজনৰ মুখত গালি এষাৰ ওলোৱাটোও প্ৰায়ে শুনা যায়। চিটি বাচৰ কণ্ডাক্টৰ বা ৰিক্সাৱালাটোক বা কাম কৰা মানুহটোক সৰু সুৰা কথাতে টান কথা কোৱাটো প্ৰায়ভাগৰ বাবে অতি সাধাৰণ কথা। কিন্তু টান কথা নকৈ অলপ কোমলকৈ ক'লেও কওতাজনৰ একো ক্ষতি নহয় আৰু খাটি-খোৱা মানুহজনেও অলপ শান্তিৰে কামখিনি কৰিব পাৰে। কওঁতাজনে এইটোও ভাবি চোৱা উচিত যে সেই ভুল তেওঁৰ দ্বাৰাও হ'ব পাৰে। কিছুদিনৰ আগতে এজন ভদ্ৰ লোকৰ গাড়ীখন সামান্যভাৱে আন এজন ভদ্ৰলোকৰ গাড়ীত লাগোতেই দ্বিতীয় গাড়ীখনৰ শিক্ষয়িত্ৰী মহিলা গৰাকী নামি আহি ইমান অশ্লীলকৈ গালি-গালাজ পাৰিলে যে প্ৰথম গাড়ীৰ আৰোহীজনে কথাটো অকণো সহ্য কৰিব নোৱাৰিলে। পিছদিনা গাড়ীখনৰ অকণমান পোটোকা পৰা ঠিক কৰাই দিয়াৰ কথা নাছিল যদিও পিছদিনা পুৱালৈ মানুহজন সম্পূৰ্ণ অপ্ৰকৃতিস্থ অৱস্থালৈ গৈ মাত্ৰ 'মোৰ ভুল হোৱা নাছিল' বুলি কৈ কৈ পাছত একো ক'ব নোৱাৰা অৱস্থা হৈ বহুত দীঘলীয়া সময়ৰ বাবে হাস্পতালত শৰ্যাশায়ী হৈ থাকিবলগীয়া হৈছিল। উক্ত মহিলা গৰাকীয়ে কুকুৰে কাঁইট নোখোৱা গালি পৰাৰ আগতে এইটো কথাও বিবেচনা নকৰিলে যে ইমান সামান্য কথাতে তেওঁৰ হে প্ৰতিক্ৰিয়া হৈছে। তাকৈকে বেছি কেতিয়াবা তেওঁৰ দ্বাৰাও হ'ব পাৰে। তেতিয়া সেই বিলাক কথা তেওঁ নিশ্চয় ভাল নেপাব।

খাবলৈ লওঁতে কুকুৰকো 'চেই' বুলিব নেপায় কথাটো আপোনাৰ পোহনীয়া কুকুৰটোৰ ক্ষেত্ৰতে চাব পাৰে। খাবলৈ দি, খা বুলি নকৈ যদি টানকৈ বা ধমক দি কয় তেনেহ'লে সিহঁতে নাখায় বা মনটো মাৰি পেলায়। জীৱ-জন্তুৰে যদি তেনে হয়, জীৱ শ্ৰেষ্ঠ মানুহৰ ক্ষেত্ৰতটো কথাই নাই। খং কৰি কোৱাতোটো বাদেই মুখখন ওফন্দাই খং ভাৱ লৈ খাবলৈ দিলে বা খোৱাৰ থালখন আগবঢ়াই দি টানকৈ এষাৰ মাত দিলে আপোনাৰ নিশ্চয় ভাল নেলাগিব। সাতবিধ উপচাৰে উত্তম আহাৰ পৰিৱেশন কৰিলেও আপোনাৰ সেইখিনি খাবলৈ মন নেযাব। প্ৰফুল্ল মনেৰে হাঁহি মুখেৰে আগবঢ়াই দিয়া সাধাৰণ আহাৰ সাজেৰেও মানুহ তৃপ্ত হ'ব পাৰে।

বাহিৰত নানানটা জঞ্জাল মাৰি গৰমত ভাগৰি-জুগৰি ঘৰ সোমায়ে টান কথা এষাৰি শুনিবলৈ কাৰো ভাল নেলাগে। এষাৰ সহানুভূতিৰ মাতেৰে সেই ভাগৰ বহুগুণে পাতলাব পাৰে আৰু মনটোও শাঁত পেলাই দিয়াত সহায় কৰিব পাৰে। সেয়েহে কিবা ক'ব লগা কথা অলপ জিৰণি লোৱাৰ পাছত লাহে-ধীৰেহে ক'ব লাগে। ফোনত কেতিয়াবা ভুল নম্বৰ ডায়েল কৰা হয়। বহুতে আকৌ 'ৰং নম্বৰ' হ'লে ফোনতে বৰ অসভ্য ব্যৱহাৰ কৰে। কিন্তু ভদ্ৰভাৱে ভুল নম্বৰ বুলি জনাই দিলেই সিমূৰৰ ব্যক্তি জনেও বেয়া নাপায়। আৰু ভালকৈ উত্তৰ দিওঁতা জনৰো একো হানি নহয়।

শিক্ষকসকলৰ ল'ৰা-ছোৱালীৰ ওপৰত প্ৰভাৱ বহু বেছি। মাক-দেউতাকৰ পিছতে সিহঁতৰ ওপৰত শিক্ষাগুৰুৰ প্ৰভাৱ অতি বেছি। স্কুলত দিয়াৰে পৰা জীৱনৰ এটা গুৰুত্বপূৰ্ণ সময়ৰ গুৰুভাগ শিক্ষাৰ অনুষ্ঠানত কটায়। সিহঁতক গালি-শপনি পাৰি, মাৰ-ধৰ কৰি শিকাবলৈ যোৱাতকৈ কোমল ভাষাৰে, মৰম সনা মাতেৰে যদি বুজাই দিয়ে তেনেহ'লে ছাত্ৰ-ছাত্ৰীয়ে পঢ়া-শুনা ভালদৰে আয়ত্ত কৰিব পাৰে বা কৰিবলৈ চেষ্টা কৰিব। তেনে শিক্ষক-শিক্ষয়িত্ৰীক ছাত্ৰ-ছাত্ৰীয়ে সহজে পাহৰিও নাযায়। ছাত্ৰৰ প্ৰতি শিক্ষাগুৰুৰ কোমল ব্যৱহাৰৰ ফলত গুৰু-শিষ্যৰ সম্পৰ্কও মধুৰ হয় আৰু তাৰ বাবে সিহঁতক শাসন কৰাটোও সহজ হ'ব পাৰে।

মিঠা মাত-কথা, ব্যৱহাৰৰ ভাল প্ৰভাৱ আনৰ ওপৰতো পৰে। ঘৰৰ পৰা ওলাই আহি অফিচত ওপৰৱালাৰ গালি এষাৰ শুনিলে তাৰ খংটো আন এজনৰ গাত জাৰিলেহে মনটো পাতল লাগে আৰু তেনেকৈয়ে বহুতো খঙৰ সোঁতে ইজনৰ পিছত সিজনকৈ বহু দূৰ পাব পাৰে আৰু বহুতকে তিক্ত কৰিব পাৰে। তাৰ বিপৰীতে আপোনাৰ মিঠা ব্যৱহাৰে, মিঠা মাতেৰে মিষ্টতাৰ সোঁতে বহুজনৰ মনলৈ বোৱাব পাৰে। সঁচা আন্তৰিকতা আৰু মৰমৰ নিজৰা। ※





<u>জানানে ?</u>

১) কোনজন কবিক ভাৰতৰ 'বুলবুল' বুলি কোৱা হয় ?
২) ক্ৰিকেট খেলৰ প্ৰচলিত আইন কেতিয়াৰ পৰা আৰম্ভ হয় ?
৩) ক্ৰিকেটত ছটা বলত এক অভাৰ কেতিয়াৰ পৰা প্ৰচলন হয় ?

উত্তৰ ঃ
১) ছাৰ মহম্মদ ইকবালক।
২) ১৯৪৪ চনৰ পৰা।
৩) ১৯০০ চনৰ পৰা।

# ৰাগিয়াল বস্তু আৰু সমাজত ইয়াৰ প্ৰভাৱ

ভবেন গগৈ
স্নাতক ২য় বৰ্ষ

মানুহৰ জীৱনটো এটা ডাঙৰ সম্পদ। যিটো মানুহে ইচ্ছা কৰিলেই পাব নোৱাৰে। গতিকে এই জীৱন সৎ কামত লগাবলৈ চেষ্টা কৰিব লাগে। কিন্তু আজি মানৱ সমাজ যিটো অৱস্থাত উপনীত হৈছে সেই অৱস্থাত থাকিলে সমাজখন ধ্বংস হ'বলৈ আৰু বেছি পৰ নালাগিব। তদুপৰি সমাজক আৰু অধিক ধ্বংসমুখী কৰি তুলিলে এনে এটা বস্তুৱে যাক আমি প্ৰায় প্ৰত্যেকে কম-বেছি পৰিমাণে গ্ৰহণ কৰোঁ। সেইটো হৈছে ৰাগিয়াল বস্তু অৰ্থাৎ মদ, ভাং, ড্ৰাগছ, ধপাত, চিগাৰেট, ড্ৰাগছ মিহলিথকা চুপাৰী ইত্যাদি। গাঁও, নগৰ, মহানগৰ আদি সকলোতে কেৱল ৰাগিয়াল বস্তু সেৱন কৰা মানুহ প্ৰতি মুহূৰ্ততে আমাৰ চকুত পৰে। আজিৰ সমাজত বীভৎস ৰূপ ধাৰণ কৰা মানৱতাহীন সমাজব্যৱস্থাই বহুতো কুমল বয়সৰ ল'ৰা-ছোৱালীৰ জীৱনক এনে সামগ্ৰী সেৱন কৰাত এক ভয়াবহ ৰূপলৈ ঠেলি নিছে। আজিৰ যুগত মানুহে ৰাগিয়াল বস্তু সেৱন কৰি নিজকে আধুনিক বুলি প্ৰমাণ কৰিবলৈ বিচাৰে। ইয়াৰ প্ৰভাৱ স্কুল-কলেজবোৰত বেছিকৈ পৰা দেখা যায়। কলেজৰ ল'ৰাই চিগাৰেট খোৱাটো এটা ষ্টাইলত পৰিণত হৈছে। এজন ওপৰৰ শ্ৰেণীৰ ল'ৰাই আন এজন তলৰ শ্ৰেণীৰ ল'ৰাৰ লগত একেলগে একেটা চিগাৰেটকে খোৱাটো তেনেই সাধাৰণ কথা। অকল চিগাৰেটেই নহয়, আন আন ৰাগিয়াল বস্তুও তেনেদৰে খোৱা দেখা যায়। তাতোতকৈ ডাঙৰ কথা হ'ল কলেজত হোৱা বাৰ্ষিক

> *"বছেৰেকৰ মূৰত অহা ৰঙালী বিহুত অতীতত সকলোৱে মিলি ঢোল, পেঁপা, তাল, বাঁহী আদি বজাই জাতীয় সাজপাৰ পিন্ধি হুঁচৰি গাইছিল। কিন্তু আজি অসমীয়া লোকে তেনেদৰে হুঁচৰি গাবলৈ ইচ্ছা নকৰে। এয়া আমাৰ সমাজৰ নৈতিক অধঃপতনৰ চিন নহয়নে ?"*

নিৰ্বাচনত ভোটৰ বিনিময়ত তেনে ৰাগিয়াল বস্তু উপহাৰ দিয়াটো।


গাঁও অঞ্চলত ড্ৰাগছৰ প্ৰভাৱ কম হ'লেও, মহানগৰবোৰত ইয়াৰ প্ৰভাৱ ভয়াবহভাৱে পৰিছে। ছাত্ৰ-ছাত্ৰী তথা ডেকা-গাভৰুসকলৰ এনে নৈতিক অধঃপতনৰ বাবে অকল তেওঁলোকেই দায়ী নহয়, তেওঁলোকে এনে নিচাজাতীয় দ্ৰব্য সেৱনৰ বাবে সমাজৰ একাংশ দায়িত্বহীন অভিভাৱক, অসমৰ্থ শিক্ষকেই জগৰীয়া। যিজন লোকে সমাজত মাদকদ্ৰব্য সেৱনৰ বিৰুদ্ধে বৰ-বৰ বক্তৃতা দিয়ে, সেইজনেই গধূলি হ'লেই এটুপী নাখালে শান্তিয়ে নাপায়। গতিকে তেনে এজন লোকে মাদকদ্ৰব্য সেৱনৰ বিৰুদ্ধে বক্তৃতা দি 'মদ খাবি কিন্তু লুকাই-চুৰকৈ খাবি' বুলি কোৱা নিচিনা কাৰ্য হয়। বহুতো অভিভাৱক নিজ সন্তানৰ প্ৰতি সম্পূৰ্ণ দায়িত্বহীন। সন্তানে কি কৰিছে, কি খাইছে তাৰ খবৰ লবলৈ তেওঁৰ আহৰি নাই। ফলত তেনে সন্তানে মদ, চিগাৰেট, ড্ৰাগছ আদি খাবলৈ সুবিধা পায়। বহুতো অভিভাৱকে ৰাগিয়াল বস্তু সেৱন কৰি আহি ঘৰৰ পৰিয়ালক শান্তিত থাকিবলৈ নিদিয়াৰ লগতে ওচৰ-চুবুৰীয়াৰো অশান্তি কৰে। গতিকে মাদকদ্ৰব্য সেৱনৰ বাবে অভিভাৱকসকলেই দায়ী নহয়নে ?

বৰ্তমান প্ৰত্যেকখন গাঁৱতে অতিকমেও দহ-বাৰঘৰত চুলাই মদৰ ঘাটি থকাটো অতি স্বভাৱিক কথা। অসমীয়া সমাজত বছেৰেকৰ মূৰত অহা বিহু কেইটাত মদ নহ'লে নহয়।





বছেৰেকৰ মূৰত অহা ৰঙালী বিহুত অতীতত সকলোৱে মিলি ঢোল, পেঁপা, তাল, বাঁহী আদি বজাই জাতীয় সাজপাৰ পিন্ধি হুঁচৰি গাইছিল। কিন্তু আজি অসমীয়া লোকে তেনেদৰে হুঁচৰি গাবলৈ ইচ্ছা নকৰে। এয়া আমাৰ সমাজৰ নৈতিক অধঃপতনৰ চিন নহয়নে ? শ্ৰমিকসকলেও দিনটো অশেষ কষ্ট কৰি উপাৰ্জন কৰা টকা কেইটা মদ খাই শেষ কৰি দিয়ে। কিন্তু তেওঁৰ পৰিয়ালটোৱে কি খাব, কি পিন্ধিব সেইটো চিন্তা নকৰে। তদুপৰি আমাৰ সমাজত



এনেকুৱা এছাম লোক আছে যি শাৰীৰিকভাৱে অসুস্থ বা বিকলাংগ তেওঁলোকে দিনটো ভিক্ষামাগি ফুৰে কিন্তু গধূলি হ'লেই সেই পইচাৰে মদ বা অন্য ৰাগিয়াল বস্তু কিনি খায়। তেওঁলোকে বাৰু নিজকে ঠগা নাইনে ? মদৰ উপৰিও গাঁওবোৰত ভাং, কানি আদি নিচাজাতীয় বস্তুৰে উপচি পৰিছে। এইদৰেই আজিৰ সমাজ ধ্বংস হৈছে। আজি প্ৰত্যেক চহৰতে দেখা যায় যে চৰকাৰৰ লগত হাত থকা এচাম মানুহে তিনিআলি, চাৰি আলিত বিলাতী মদৰ দোকান খুলি দিছে। যাতে মদপীসকলে অকণো কষ্ট নকৰাকৈ মদ খাই সমাজত অশান্তিৰ সৃষ্টি কৰিব পাৰে। ইয়াৰ বাবে দায়ী কোন ? মহাত্মা গান্ধীয়ে কৈছিল যে "মই যদি এঘণ্টাৰ বাবেও দেশখন শাসন কৰিবলৈ পাওঁ, তেতিয়া মোৰ প্ৰথম কাম হ'ব বিনাক্ষতিৰে মদৰ মহলবোৰ বন্ধ কৰা।" কিন্তু আজি সেই ৰামো নাই অযোধ্যাও নাই। আজি দেশৰ শাসকবৰ্গই মদৰ দৰে মাদক দ্ৰব্যবোৰ সলনি কৰাৰ সলনি বৈছিকৈহে খুলিবলৈ অনুমতি দিছে। আজি চৰকাৰৰ বিষয়ববীয়াসকলে গান্ধীৰ সেই মহান বাণীকেইশাৰী পাহৰি যোৱাটো জানো উচিত। আজিৰ সমাজত মাদকদ্ৰব্য তথা ৰাগিয়াল বস্তু বন্ধ কৰিব পাৰিলেহে পুনৰ সমাজলৈ শান্তি আহিব। মানৱ সমাজে দৰিদ্ৰতাৰ পৰা হাত সাৰিব পাৰিব। তেনে ধৰণৰ ৰাগিয়াল বস্তু বন্ধ কৰিবলৈ হ'লে সমাজৰ বিভিন্ন সংগঠন, সংস্থা, সমিতি আদিবোৰেই আগভাগ লব লাগিব। তেতিয়াহে আমাৰ সমাজলৈ ঘূৰি আহিব সুখ-শান্তি।

❋

# কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ জৈৱ-বিচিত্ৰতা আৰু বন্যপ্ৰাণী সংৰক্ষণৰ ওপৰত যুগুত কৰা ক্ষেত্ৰ ভিত্তিক অধ্যয়নৰ এক খতিয়ান

*(প্ৰৱন্ধটো যোৱা ৭ জুলাইত আমাৰ মাজৰ পৰা হেৰাই যোৱা আমাৰ মহাবিদ্যালয়ৰ স্নাতক কলা শাখাৰ দ্বিতীয় বৰ্ষৰ ছাত্ৰী স্বৰ্গীয়া বৈশালী মহনৰ ক্ষেত্ৰভিত্তিক অধ্যয়নৰ প্ৰতিলিপিটোকে আমাৰ সস্নেহ পুষ্পাঞ্জলিৰূপে প্ৰকাশ কৰা হ'ল। সম্পাদক ঃ সোণালী)*

**আগকথা ঃ-**

ডিব্ৰুগড় বিশ্ববিদ্যালয়ে ইয়াৰ অন্তৰ্গত মহাবিদ্যালয়সমূহত ২০০৪-০৫ শিক্ষাবৰ্ষৰ পৰা স্নাতক দ্বিতীয় বৰ্ষৰ কলা-বিজ্ঞান-বাণিজ্য আদি সকলো শাখাৰ পাঠ্যক্ৰমতে পৰিৱেশ অধ্যয়ন (Environment Study) নামৰ এটা বিষয় অন্তৰ্ভুক্ত কৰিছে। বিষয়টোৰ ঘাই উদ্দেশ্য হৈছে সাম্প্ৰতিক বিশ্বৰ পৰিৱেশতন্ত্ৰত যি এটা বিজুটি ঘটি সমস্যাৰ সৃষ্টি হৈছে তাৰ প্ৰতি ভৱিষ্যত প্ৰজন্মৰ মানুহক পৰিৱেশ সচেতন ৰূপত গঢ়ি তোলা। আমাৰ পাঠ্য বিষয়টো সেই বাবে এটা অতি জৰুৰী বিষয় বুলি ধৰিব পাৰি। এই ক্ষেত্ৰত আমাৰ শিক্ষা ব্যৱস্থাতে ই এটা দৃঢ় পদক্ষেপ। আমাৰ পাঠ্য বিষয়টোৰ মাজত ক্ষেত্ৰভিত্তিক অধ্যয়নৰ এটা অংশও আছে। সেয়েহে আমাৰ আগ্ৰহ আৰু বিভাগীয় শিক্ষক মহোদয়ৰ উপদেশ মৰ্মে আমি উপৰোক্ত ক্ষেত্ৰ অধ্যয়নৰ বাবে আমাৰ কাষতে থকা বিশ্ববিখ্যাত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানখনকে স্বচক্ষে নিৰীক্ষণ কৰাৰ ইচ্ছা প্ৰকাশ কৰিলো। সেই মৰ্মে যোৱা ১৫ ফেব্ৰুৱাৰী, ২০০৫ তাৰিখে কাজিৰঙালৈ যোৱাৰ সিদ্ধান্ত ললো। পিছে ১৬ ফেব্ৰুৱাৰী তাৰিখে কোনো এটা সংগঠনে অসম বন্ধ ঘোষণা কৰাত আমি দিন পিছুৱাই ১৭ তাৰিখে যোৱাতো খাটাং কৰিলো। আমি ভ্ৰমণত যাবৰ বাবে নিৰ্ধাৰণ কৰা দিনবোৰৰ এটা প্ৰধান আকৰ্ষণ আছিল কাজিৰঙাত পতা শতবাৰ্ষিকী উৎসৱৰ দিন। তাত ১২ তাৰিখৰ পৰা ১৭ তাৰিখলৈকে 'হস্তীমেলা' পতাৰ কথা। আমি যাবৰ দিনা অৰ্থাৎ ১৭ ফেব্ৰুৱাৰী দিনটো আছিল উৎসৱৰ অন্তিম দিন। সোণাৰিৰ পৰা কাজিৰঙালৈ প্ৰায় ২০০ কিঃমিঃ বাট। এতেকে আমি তালৈ আগৰাতিয়েই যোৱাৰ থিক হ'ল। বাচেৰে যাবলৈ ৫/৬ ঘণ্টা সময় লাগিব পাৰে, গতিকে এই ব্যৱস্থাকে কৰা হ'ল। আমি যাত্ৰা কৰা ১৬ তাৰিখৰ দিনটো আছিল অতিশয় বৰষুণৰ দিন। উক্ত দিনটোত সোণাৰিত হোৱা বৰষুণৰ বাতৰি এটা পিছত ওলোৱা এখন বাতৰি কাকতৰ ছপা অংশ এই প্ৰতিবেদনৰ লগত গাঁঠি দিয়া হ'ল (চিত্ৰ ক)। দোপাল-পিটা বৰষুণৰ মাজেৰে ১৬ তাৰিখৰ নিশা প্ৰায় ১০ বজাৰ লগে লগে মহাবিদ্যালয়ৰ সন্মুখত ৰৈ থকা আমাৰ বাচ কেইখনৰ ওচৰ ওলালোগৈ। আমি গৈ পোৱাৰ আধা ঘণ্টা মানৰ পিছতেই আমাৰ যাত্ৰা আৰম্ভ হ'ল। বাচত উঠি ভাৱ হ'ল এইহেন অবতৰতো ইমান বৰষুণ হ'ব লাগেনে ? বতৰটোৱেই কিবা খেলি-মেলি হোৱা যেন লাগিল। নহ'লেনো ফাগুণ মাহত এনে আবতৰীয়া বৰষুণ হয়নে ? এইটোও আমাৰ পৰিৱেশ অধ্যয়নৰ কথা যেনো লাগিল।

দুখনকৈ বাচ আৰু এখন টাটা চুমু গাড়ীৰে আমাৰ যাত্ৰা আৰম্ভ হ'ল। আমাৰ লগত সহযাত্ৰী আছিল প্ৰায় ডেৰশজনমান ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱ। লগত আছিল আমাৰ মুখ্য বিষয় শিক্ষক



আমাৰ মহাবিদ্যালয়ৰ উদ্ভিদ বিভাগৰ প্ৰবক্তা শ্ৰীযুত ৰাণা কোঁৱৰছাৰ আৰু একে বিভাগৰে প্ৰবক্তা শ্ৰীযুত প্ৰবীন বড়াছাৰ। তেখেতসকল আছিল আমাৰ ক্ষেত্ৰ অধ্যয়নৰ বাবে মূল মানুহ। আমাৰ দলটোৰ পৰিচালনাৰ দায়িত্ব লবৰ বাবে স্বয়ং আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষা শ্ৰীযুত ৰতিপ্ৰভা গগৈ বাইদেউ আৰু ৰাজনীতি বিজ্ঞান বিভাগৰ জ্যেষ্ঠ প্ৰবক্তা শ্ৰীযুত গণেশ বৰুৱাছাৰও আমাৰ লগত ওলাল। তেখেতসকলক আমাৰ লগত পাই আমি নিৰ্ভয় হ'লো। ছাৰ-বাইদেউসকলৰ প্ৰতি মনটো কৃতজ্ঞতাৰে ভৰি উঠিল। ১৭ ফেব্ৰুৱাৰীৰ পুৱতি নিশাৰ আগে আগে আন্ধাৰে আন্ধাৰেই আমি কাজিৰঙা পালোগৈ। (শ্ৰীযুত ৰাণা কোঁৱৰ আৰু শ্ৰীযুত প্ৰবীন বড়াছাৰৰ সৈতে একেলগে তোলা ফটো এখন প্ৰতবেদনৰ লগত গাঁঠি দিয়া হ'ল। চিত্ৰ খ)

**কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ এটা থুলমূল পৰিচয় ঃ-**

বিশ্বৰ প্ৰাকৃতিক মানচিত্ৰত প্ৰকৃতিৰ ৰম্যভূমি অসমৰ এটা সুনাম আছে। তাৰ অন্যতম কাৰণ হ'ল কাজিৰঙা। কাজিৰঙাৰো আকৌ ঘাই আকৰ্ষণ ইয়াত পোৱা পৃথিৱী-বিৰল প্ৰজাতিৰ এশিঙীয়া গড় (One horn Rhinoceros)। প্ৰতিবেদনৰ লগত সংগৃহীত এখন ফটো গাঁঠি দিয়া হ'ল (চিত্ৰ-গ)। এইবিধ দুষ্প্ৰাপ্য বন্যপ্ৰাণী চাবৰ বাবে বছৰি হাজাৰ-হাজাৰ দেশী-বিদেশী পৰ্যটক কাজিৰঙালৈ আহে। জৈৱ-বৈচিত্ৰৰ ফালৰ পৰাও কাজিৰঙা তুলনাবিহীন।

**কাজিৰঙাৰ অৱস্থান ঃ-**

মধ্য অসমৰ ঘাইকৈ গোলাঘাট জিলা আৰু নগাঁও জিলাৰ একাংশক লৈ কাজিৰঙা উদ্যানখন গঠিত হৈছে। ভ্ৰমণকালত কাজিৰঙাৰ মুখ্য তোৰণৰ গাত বান্ধি থোৱা দুখনমান মেপৰ ফটোষ্টেট কপি এই প্ৰতিবেদনৰ লগত গাঁঠি দিয়া হ'ল (চিত্ৰ-ঘ)। উদ্যানখনৰ উত্তৰ পাৰে মহাবাহু ব্ৰহ্মপুত্ৰ নদ আৰু দক্ষিণলৈ হাতীমূড়া, বুঢ়াপাহাৰ আদি পাহাৰসমূহ। এই বোৰে উদ্যানখনক সাৰতি ৰাখি প্ৰাকৃতিকভাৱে সুৰক্ষা দি আহিছে। কাজিৰঙাৰ মাটিকালি প্ৰায় ৪৩০ বৰ্গ কিলোমিটাৰ। পশু-পক্ষীৰ বিচৰণস্থলী কাজিৰঙাৰ মূল ভূমিখণ্ড জলাহভূমি, চৰ-চাপৰি আৰু সমভূমিৰে বিস্তৃত। জীৱ-জন্তু বিচৰণ স্থলীবোৰ ঘণ অৰণ্য, চুটি-দীঘল নানা জাতৰ ঘাঁহনি-জাৰণি, পিটনি আদিৰে পৰিপূৰ্ণ। উদ্যানখনৰ মাজেদি ডিফলু নামৰ সৰু নৈ এখন বৈ গৈ ব্ৰহ্মপুত্ৰত মিলিছেগৈ। উদ্যানখনৰ দক্ষিণ কাষেদি ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথটো পূবা-পশ্চিমাকৈ পাৰ হৈ গৈছে।

**কাজিৰঙাৰ ইতিহাস ঃ-**

বৰ্তমান বছৰটোত কাজিৰঙাই শত বৰ্ষ গৰকিছে। অৰ্থাৎ ১৯০৫ চনটোক ইয়াৰ জন্মবৰ্ষ বুলি ধৰা হয়। তেতিয়া আছিল ভাৰতবৰ্ষখন বৃটিছৰ অধীনত। সেইটো সময়ত ভাৰতত থকা বৃটিছ প্ৰতিনিধি ভাইছৰয় লৰ্ড কাৰ্জন চাহাবৰ উদ্যোগতেই কাজিৰঙাই লন্ম লাভ কৰে বুলি ধৰা হৈছে। কিয়নো তেখেতেই তেখেতৰ পত্নীৰ অনুৰোধ মৰ্মে পৃথিৱীৰ বিৰল প্ৰজাতিৰ গড় সংৰক্ষণ কৰিবলৈ বুলি আইন প্ৰণয়ন কৰি কাজিৰঙাত গড় চিকাৰ নিষিদ্ধ ঘোষণা কৰি কাজিৰঙাক সংৰক্ষিত বনাঞ্চলৰ মৰ্যাদা প্ৰদান কৰে। কাজিৰঙাক সংৰক্ষিত বনাঞ্চলৰূপে চৰকাৰীভাৱে ঘোষণা কৰাৰ তাৰিখটো আছিল ১৯০৮ চনৰ ৩ জানুৱাৰী। বৰ্তমানৰ উদ্যানখনক ১৯৩৭-৩৮ চনত তেতিয়াৰ মুখ্য বন-সংৰক্ষক এ. জে. ডব্লিউ. মিলাৰে দৰ্শনাৰ্থীৰ বাবে মুকলি কৰি দিয়ে। স্বাধীনতাৰ পিছত ভাৰত চৰকাৰে ১৯৫০ চনত কাজিৰঙাকঅভয়াৰণ্যৰ মদ্যাদা দি জীৱ-জন্তু সুৰক্ষাৰ বাবে অধিক ফলপ্ৰসু ব্যৱস্থা লয়। ১৯৭৪ চনৰ ১১ ফেব্ৰুৱাৰীত ভাৰত চৰকাৰে কাজিৰঙাক ৰাষ্ট্ৰীয় উদ্যানৰ মৰ্যাদা দি আন্তৰ্জাতিক বিধি অনুযায়ী উদ্যানখনৰ সৰ্বতোমুখী বিকাশৰ পৰিকল্পনা হাতত হয়। ইয়াৰ পাছৰ পৰাই কাজিৰঙাই ৰাষ্ট্ৰসংঘৰ প্ৰশাখা সংগঠন ইউনেস্ক' (UNSCO)ই বিশ্বৰ ঐতিহাসিক বন্যপ্ৰাণী সংৰক্ষিত আশ্ৰয়স্থলৰূপে (World Heritage of wild life Sanctuary)মৰ্যাদা দি আন্তৰ্জাতিক সম্পদৰূপে স্বীকৃতি প্ৰদান কৰে।

**ঘৰুৱা অধ্যয়নৰ যোগেদি কাজিৰঙাৰ জৈৱ-বৈচিত্ৰ আৰু প্ৰাণীকুলৰ সম্বন্ধে পোৱা কেইটামান তথ্য ঃ-**

অধ্যয়নৰ যোগেদি কাজিৰঙাৰ জীৱকুলৰ বিষয়ে আমি পোৱা কেইটিমান তথ্য তলত দাঙি ধৰা হ'ল—

(ক) ১৯৯৯ চনৰ জৰিপৰ মতে কাজিৰঙাত ১৫৫২ টা এশিঙীয়া গড় আছিল। ২০০০ চনৰ হিচাব মতে ৪৬৮ টা হৰিণা আৰু ৮৬ টা বাঘ। ২০০১ চনৰ হিচাবত হাতী পোৱা হয় ১০৪৮ টা। মুঠ স্তন্যপায়ী প্ৰাণীৰ প্ৰজাতি ৩৯ বিধ আৰু ৪৮০ প্ৰজাতিৰ চৰাই। ক্ষেত্ৰভিত্তিক অধ্যয়ন কালত আমি বিভাগীয় বিষয়া কৰ্মচাৰীৰ পৰা পোৱা তথ্য মতে বৰ্তমান কাজিৰঙাত গঁড় ১৭০০ টা, বাঘ প্ৰায় ৩২০ টা, বনৰীয়া মহ ১৪৩৯ টা, দল-হৰিণ ৪৬৮ টা, হাতী ১০৪০ টা আৰু খটীয়া পহু প্ৰায় ৫০০০ ৰ পৰা ৮০০০ মানৰ ভিতৰত।


(খ) কাজিৰঙাৰ জন্তুবোৰ ঃ- এশিঙীয়া গঁড়, নাহৰফুটুকী আৰু ঢেকীয়াপতীয়া বাঘ, হাতী, বনৰীয়া মহ, শৰ, হুগৰি, খটীয়া পহু, দল-হৰিণ, নল-গাহৰি, বনৰৌ, কেটেলা পহু, মলুৱা বান্দৰ, টুপীয়া বান্দৰ, হলৌ বান্দৰ প্ৰভৃতি।

(গ) চৰাইবোৰ হ'ল ঃ- বৰটোকোলা, বগলী, হাড়গিলা, ধনেশ, হেতুলুকা, ঈগল, চিলনী, মাছৰোকা, পানী-কাউৰী, তেলীয়া সাৰেং, ঢেৰা বা পেলিকান, শৰালি, ঘিলা-হাঁহ, বন-কুকুৰা, কাম চৰাই, বালিমাহী, সখিয়তী, মইনা ইত্যাদি।

(ঘ) সৰীসৃপ প্ৰাণী ঃ- গলগুঁই, অজগৰ, পানী-মৰলী সাপ, ফেটী সাপ, শঙ্খচূড় আদি কেতবোৰ সাপ।

(ঙ) জলচৰ প্ৰাণী ঃ- ৰৌ, বৰালি, ভকোৱা, চিটল, আঁৰি, বাহু, পিঠিয়া আদি। ডাঙৰ জাতৰ মাছ ঃ- লাচিম, ভাঙন, এলেং, নাৰ-বাত, পাভ, চেনি, কুৰ্হী আদি থলুৱা সৰু সৰু মাছ।

(চ) গছ-গছনিৰ ভিতৰত ঃ- শলস, চেগুণ, গমাৰি, বনচোম, তিতাচপা আদি মূল্যবান গছৰ উপৰিও ইকৰা, নল, খাগৰি, নানা প্ৰজাতিৰ দলঘাঁহ, নানা জাতৰ লতা-গুল্মৰে কাজিৰঙা ভৰপুৰ হৈ আছে।


ক্ষেত্ৰভিত্তিক অধ্যয়নৰ সময়ত সহপাঠীৰ সৈতে বৈশালী (R)

**তথ্য সংগ্ৰহৰ বাবে বিষয়া-বিশেষজ্ঞৰে সৈতে আলাপৰ বিৱৰণ ঃ-**

ক্ষেত্ৰভিত্তিক অধ্যয়ন আৰু পৰ্যবেক্ষণৰ বাবে প্ৰাথমিকভাৱে তথ্য সংগ্ৰহ অতি জৰুৰী বিষয়। সেয়েহে আমাৰ সহায়ক হোৱাকৈ আমাৰ উপদেষ্টা শিক্ষকসকলে আমাক কাজিৰঙাৰ বিষয়ে সবিশেষ জ্ঞান থকা উক্ত বনাঞ্চলৰ লগত ওতঃপ্ৰোতভাৱে জড়িত ব্যক্তি বন-সংৰক্ষক শ্ৰীযুত বি. দাস আৰু পৰ্যটন বিষয়া শ্ৰীযুত নৰজ্যোতি বৰদলৈ ডাঙৰীয়াৰে সৈতে সাক্ষাত কৰোৱাই দিলে। বিভিন্ন আলাপ-আলোচনাৰ প্ৰসঙ্গত তেখেতসকলে আমাক উদ্যানখনৰ বিষয়ে বহুটো জৰুৰী তথ্য আৰু নজনা কথা জানিবলৈ দিলে। কাজিৰঙা উদ্যানৰ জীৱ-জন্তু, চৰাই-চিৰিকটি, গছ-বনৰ বিষয়ে তেখেতসকলৰ পৰা বহু কথা জানিব পাৰিলো। কথাৰ মাজতে আমি তেখেতসকলক কাজিৰঙাত থকা জীৱকুলৰ ওপৰত পৰিৱেশজনিত কিবা সমস্যাৰ সৃষ্টি হৈছে নেকি সেই বিষয়ে জানিব বিচৰাত তেখেতসকলে আমাক যিবোৰ সমস্যাৰ কথা ক'লে তাৰে ভিতৰত ঘাইকৈ দুটাৰ বিষয়ে জানিবলৈ





দিলে। সেইকেইটা হ'ল (ক) বানপানী আৰু (খ) চোৰাং চিকাৰী। প্ৰথমটো হ'ল বছৰি বছৰি বাঢ়ি অহা প্ৰাকৃতিক ভাৰসাম্যহীন অৱস্থাৰ ফলত সৃষ্টি হোৱা প্ৰাকৃতিক বিপদ আৰু দ্বিতীয়টো হ'ল প্ৰত্যক্ষভাৱে মানৱ সমাজে প্ৰকৃতিৰ ওপৰত কৰা নিষ্ঠুৰ আক্ৰমণ। তেখেতসকলৰ পৰা কথাবোৰ শুনি মনটো বেয়া লাগিছিল। কাজিৰঙাই আজি এনেধৰণৰ ভয়াবহ সমস্যাৰে যুঁজি যুঁজিহে জীয়াই আছে। আলাপৰ যোগেদি বৰদলৈ আৰু দাস ডাঙৰীয়া দুয়োজনৰ প্ৰকৃতি দৰদী মনৰ পৰিচয় পাই তেখেতসকললৈ শ্ৰদ্ধা উপজিছিল।

**উদ্যানলৈ যাত্ৰা আৰু প্ৰত্যক্ষ জীৱকুল দৰ্শনৰ বিৱৰণ ঃ-**

(ক) হস্তীমেলা উৎসৱ স্থলীলৈ যাত্ৰা ঃ আমি ১৭ ফেব্ৰুৱাৰীৰ দিনৰ ১০-৩০ মান বজাত উদ্যান দৰ্শনৰ বাবে ওলালো। প্ৰথমে আমি চাবলগীয়া বিষয়টো আছিল হস্তীমেলা উৎসৱ আৰু সেই উপলক্ষে অনুষ্ঠিত হোৱা প্ৰদৰ্শনী দৰ্শন। কাজিৰঙাৰ মিহিমুখ নামৰ ঠাইত এই মেলাখন হৈছিল। সেইদিনা আছিল উৎসৱৰ অন্তিম দিন। পিছে আমাৰে দুৰ্ভাগ্য সেইদিনা উৎসৱৰ বিশেষ একো কাৰ্যসূচী নাছিল। কেতবোৰ অনিবাৰ্য কাৰণত সেইদিনাৰ কাৰ্যসূচী বাতিল কৰা হৈছিল। সেয়েহে আমি তাত পতা প্ৰদৰ্শনীখনলৈকে ওলালো। বাটত যাওঁতে কাজিৰঙাৰ মূল তোৰণখন পালো। তোৰণখন অপূৰ্ব আৰু কাৰু-শিল্পৰে নিৰ্মিত। বিৱৰণত লগত তোৰণখনৰ এখন ফটো গাঁঠি দিয়া হ'ল। (চিত্ৰ-ঙ)। শিলত খোদিত এটা প্ৰকাণ্ড গঁড়ৰে সৈতে প্ৰকৃতি গছৰ আৰ্হিৰে তৈয়াৰ কৰা তোৰণখনৰ খুঁটা, ফলকৰ পাট আদি অনিন্দ সুন্দৰ শৈলীৰে নিৰ্মাণ কৰা হৈছে।

(খ) প্ৰদৰ্শনীস্থলী ঃ- মূল তোৰণখন পাৰ হৈয়েই আমি পোনে পোনে প্ৰদৰ্শনীস্থলীলৈ গ'লো। তালৈ গৈ আমি যিবোৰ বিপণীত সোমাইছিলো তাৰে দুখনমানে আমাৰ মন আকৰ্ষণ কৰিছিল। সেইবোৰৰ ভিতৰৰে এখন হ'ল (ক) প্ৰকাণ্ড হাতীদাঁত এযোৰ। ঠিয়কৈ সজাই থোৱা অৱস্থাত দাঁতযোৰ মানুহ এটাৰ সমান ওখ। (লোভ সামৰিব নোৱাৰি ফটো এখন ললো। (চিত্ৰ-চ)। (খ) দ্বিতীয় এখন বিপণীত দেখাপালো বহুতো প্ৰজাতিৰ কপৌফুল। (চিত্ৰ-ছ) (গ) কাষতে দেখাপালো বিবিধ প্ৰজাতিৰ হালধি গছ। (ঘ) আন এখনত দেখা পালো নানা প্ৰজাতিৰ বাঁহ গছৰ নমুনা (চিত্ৰ-জ)। বাঁহবোৰ কৰিমগঞ্জ অঞ্চলৰ নমুনা। কিছুমান পাব দীঘল, কিছুমান ছুটি। কিছুমান ডাঙৰ কিছুমান সৰু। বাঁহী সাজিব পৰাকৈ পাতল আৰু দীঘলীয়া।

**অৰণ্য দৰ্শন ঃ-**

আমাক অৰণ্য দেখুৱাবৰ বাবে বিভাগীয় এজন বনৰক্ষী বিষয়াই সহযোগ কৰিছিল। তেখেতেই আমাক জীৱ-জন্তু, গছ-বন আদি চিনাই গৈছিল। অৰণ্যৰ মাজলৈ গৈ আমি যিবোৰ জীৱ-জন্তু চালো তাৰ বিৱৰণ তলত দিয়া হ'ল।

(ক) এখন বিলৰ পাৰত আমাৰ পৰা বহু নিলগত চাপৰিত চৰি থকা গঁড় এটা দেখিবলৈ পালো। (চিত্ৰ-ঝ) আকৌ আন এঠাইত কেইবাটাও গঁড় চৰি থকা দেখিলো।

(খ) কিছু আঁতৰৰ পৰা পহুৰ জাক এটা দেখিলো। আমি সেইবোৰ কি পহু জানিব বিচৰাত আমাৰ গাইডজনে সেইবোৰ দল-হৰিণ (Swarmp Deer)আৰু খটীয়া পহু (Hog Deer) আছে বুলি জনালো।

(গ) আন এঠাইত আকৌ ৩০ টা মান বনৰীয়া মহ ঘাঁহনিত চৰি থকা দেখিলো।

(ঘ) আন এঠাইত এখন বিলৰ পানীত খেলি থকা সৰু হাতীৰ জাক এটাও দেখিলো। হাতীবোৰ পানীত নামি থকাৰ বাবে সিহঁতৰ ক'লা-ক'লা পিঠিবোৰহে চকুত পৰিছিল। দূৰৰ পৰা সিহঁতৰ গা বোৰ জিলিকি আছিল।

(ঙ) বাটত যাওঁতে মৰা-ডিফলু নামৰ সৰু নৈ খনত বানপানীৰ সময়ত পাৰৰ পৰা খহি পানীত বাগৰি পৰা গছবোৰত উঠি ৰ'দ লৈ থকা কিছুমান কাছ দেখিছিলো। কোনোবা এজনে ক'লে সেইবোৰ হেনো দুৰা-কাছ।

(চ) ভ্ৰমণ কালত বাঘ দেখা পোৱা নাছিলো। মাথো আমাৰ গাইড জনে আমাক এজোপা গছৰ কাষলৈ নি গছৰ ছালবোৰ বাঘে নখেৰে আঁচুৰি থৈ

যোৱাৰ কেতবোৰ চিন দেখুৱালে। তেখেতে কোৱা মতে বাঘে বোলে চিকাৰ ধৰিবৰ বাবে নখবোৰ ধৰাই লবৰ বাবে এনে কৰে।

(ছ) আমি যোৱা অঞ্চলবোৰত বিশেষ চৰাই নেদেখিলো। কাজিৰঙাৰ ব্ৰহ্মপুত্ৰ পাৰৰ ফালে থকা জলাহ অঞ্চলসমূহতহে নানা চৰাই পোৱা যায়। কথাখিনি আমাৰ গাইডজনৰ পৰা জানিব পাৰিছিলো।

(জ) কাজিৰঙাত হাতী এটা তল যোৱা ওখ-ওখ নল-খাগৰি জাতীয় ঘাঁহেৰে ভৰি আছে। তাতেই জীৱ-জন্তুবোৰে আশ্ৰয় লৈ ভাল পায়।

(ঝ) আবেলিলৈ অৰণ্যৰ মাজত ঘূৰি ঘূৰি আমনি লাগিছিল। গতিকে বিল এখনৰ পাৰত অলপ জিৰালো। লগতে বন্ধু-বান্ধৱীৰ লগত ফটোও তুলিলো। (চিত্ৰ-ট)। আমাৰ ওভতনি যাত্ৰাৰ সময় হৈ আহিলত অৰণ্যৰ পৰা ওলাই আহিলো। অৰণ্যত আমি চাৰি (৪) ঘণ্টামান কটাইছিলো।

**সামৰণি ঃ-**

কাজিৰঙাৰ দৰে এখন বিশাল অৰণ্য মাথো কেইঘণ্টামানৰ ভিতৰতে খৰচি মাৰি নিৰিক্ষণ কৰা সম্ভৱ নহয়। কহুৱা, বাগৰি, মিহিমুখ, আগৰাতলি, খলিহামাৰি, কলভুৱা আদি বিধে-বিধে অঞ্চলত বিধে-বিধে জৈৱ-বৈচিত্ৰৰ অপূৰ্ব সমাহাৰ। যি কি নহওক, কাজিৰঙাৰ বিষয়ে আমাৰ ক্ষন্তেকীয়া ভ্ৰমণৰ যোগেদি প্ৰাকৃতিক পৰিৱেশ আৰু বৈচিত্ৰপূৰ্ণ জীৱ জগতৰ সম্পৰ্কে সামান্য যি আভাস লাভ কৰিলো সেয়া এক অনন্য অভিজ্ঞতা। এই ভ্ৰমণৰ পৰা আমাৰ মনত যি কেইটা কথাই দকৈ সাঁচ বহুৱালে সেইকেইটা হ'ল— (ক) মানৱ সমাজ যিমানেই সভ্য বা ধনী নহওক কিয়, মানুহ জীয়াই থকাৰ আচল শিপাডাল প্ৰকৃতিৰ মাজতহে বৰ্তি আছে। এতেকে প্ৰকৃতিক ধ্বংস কৰিবলৈ যোৱা মানে হ'ল মানুহে নিজৰ হাতৰ কুঠাৰ ভৰিত মাৰি লোৱাৰ নিচিনা কথা। (খ) কাজিৰঙাৰ প্ৰাকৃতিক ৰূপ দেখিনিজৰ জন্মভূমি ঠাই খনকে লৈ মনতে গৌৰৱ অনুভৱ কৰিলো। লগতে অসাধু মানুহৰ হাতত পৰি ভৱিষ্যতে কাজিৰঙা নিচিহ্ন হৈ যোৱাৰ এটা ক্ষীণ সম্ভাৱণা দেখি মনটো বেয়াও লাগিল।

**কৃতজ্ঞতা স্বীকাৰ ঃ-**

পৰিশেষত আমাৰ লগৰ বন্ধু-বান্ধৱী যিসকলে আমাৰ লগত সহযোগ কৰিলে, নিজৰ কেমেৰাত ফটো তুলি আমাকো তাৰে দুই এখন যোগাৰ দিলে তাৰ বাবে সেইসকললৈ ধন্যবাদ জ্ঞাপন কৰিলো। আমাৰ সন্মানীয় শ্ৰীযুত ৰাণা কোঁৱৰছাৰে প্ৰতিবেদন প্ৰস্তুত কৰাৰ ক্ষেত্ৰত ৰূপৰেখা এটা প্ৰস্তুত কৰি দিয়াত তেখেতলৈ অশেষ ধন্যবাদ জনালো। আমাৰ লগত যোৱা বাকী অধ্যক্ষা বাইদেউ আৰু বাকী দুজন ছাৰে দিয়া দিহা-পৰামৰ্শৰ বাবে কৃতজ্ঞতা জনালো। এই সকলোৰে সহায় নোহোৱা হ'লে আমাৰ এই ক্ষেত্ৰ-অধ্যয়ন সম্পূৰ্ণ নহ'লহেতেন। গতিকে সকলোলৈকে ধন্যবাদ জনাই প্ৰতিবেদনৰ সামৰণি মাৰিলো।

(প্ৰবন্ধটোৰ লগত গাঁথি দিয়া সকলোবোৰ চিত্ৰ-প্ৰতিলিপি বিশেষ অসুবিধা বশতঃ দিব পৰা নহ'ল; তাৰ বাবে আমি ক্ষমা প্ৰাৰ্থী— সম্পাদক)





# স্বৰ্গীয়া জ্যোতিকা দাসৰ স্মৃতিত এটুপি অশ্ৰুঅঞ্জলি



জন্ম ঃ ০৯/ ০১/ ১৯৮৬
মৃত্যু ঃ ০৯/ ০৪/ ২০০৬

*অকালতে আমাৰ মাজৰ পৰা হেৰাই যোৱা অতি সম্ভাৱনাময়ী, মেধা, সকলোৰে মৰমৰ জ্যোতিকা দাসৰ বিয়োগে আমাৰ সকলোকে ব্যথিত কৰি তুলিলে। মহাবিদ্যালয়ৰ ছাত্ৰী হিচাপে জ্যোতিকাৰ লগত মোৰ ইমান ওচৰ সম্পৰ্ক নাছিল যদিও তাইৰ কথা সকলোৰে মুখত শুনি তাইৰ অজ্ঞাতে মোৰ অতি চিনাকি হৈ পৰিছিল। যেতিয়া চিনাকি হৈছিলো তেতিয়া আচৰিত হৈছিলো, এই গৰাকীয়েই নেকি জ্যোতিকা ? অতি শান্ত, বুদ্ধিদীপ্ত চেহেৰাৰ অধিকাৰী আছিল জ্যোতিকা। অতি তীক্ষ্ণবুদ্ধি সম্পন্ন জ্যোতিকাই ২০০৩ চনতে ষ্টাৰ মাৰ্কসহ হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ সোণাৰি মহাবিদ্যালয়ৰ বিজ্ঞান শাখাত নামভৰ্তি কৰে। হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ সময়ৰে পৰা দুৰাৰোগ্য কৰ্কট ৰোগত আক্ৰান্ত হৈও অপৰিসীম সাহস আৰু মনোবলেৰে অধিক সময় চিকিৎসালয়ত আৰু কিছুসময় মহাবিদ্যালয়ত কটাই অধ্যয়ন কৰা জ্যোতিকাই ২০০৫ বৰ্ষত প্ৰথম বিভাগত উচ্চতৰ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ হয়। কিন্তু দুৰ্ভগীয়া জ্যোতিকাই নিজৰ এই আনন্দৰ খবৰ পাইছিল দিল্লীৰ এইমচত চিকিৎসাধীন হৈ থকা অৱস্থাত। চিকিৎসাধীন হৈ থকা অৱস্থাতে তাইৰ অৱস্থা অধিক শোচনীয় হৈ পৰাত তাইক ঘৰলৈ লৈ অহা হয় আৰু ৯/ ০৪/ ২০০৬ তাৰিখে আমাক সকলোকে কন্দুৱাই আমাৰ মাজৰ পৰা আঁতৰি গ'ল। আমি মহাবিদ্যালয়ৰ অধ্যক্ষ, উপাধ্যক্ষ, সমূহ শিক্ষাগুৰু, কৰ্মচাৰীবৃন্দ আৰু ছাত্ৰ-ছাত্ৰীয়ে তাইৰ আত্মাৰ চিৰশান্তি কামনা কৰিলো।*

॥ ওঁ শান্তি ॥

অমৃত কুমাৰ গুৰুং
সম্পাদক, সোণালী

## 'সুবাসিত কুসুম'

ৰতিপ্ৰভা গগৈ
উপাধ্যক্ষা

ফুলৰ দৰেই নিষ্পাপ মুখ, এমোকোৱা হাঁহিৰে উজ্জ্বলি থকা 'জ্যোতিকা'ৰ সবিশেষ প্ৰথম দেখাৰ দিনাই জানিবলৈ পাইছিলো। দুৰাৰোগ্য ব্যাধিত আক্ৰান্ত মেধাবী ছাত্ৰীগৰাকীয়ে 'ষ্টাৰ'সহ প্ৰবেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ আমাৰ মহাবিদ্যালয়ত নামভৰ্তি কৰিছে। প্ৰবেশিকা পৰীক্ষাৰ সময়তে অসুখৰ কথা জানিও হাঁহি থাকিব পৰা ছোৱালীজনী দেখি ধাৰণা হৈছিল— 'মনোবল ৰোগৰ মহৌষধ' বুলি কোৱা কথাষাৰ সত্য। ভাবিছিলো জ্যোতিকাৰ মনোবলে হয়তো 'মৰণ' জয় কৰিব আৰু আমাৰ মাজত দীৰ্ঘদিন জীয়াই থাকিব। হাঁহি হাঁহি দুটা বছৰ অতিক্ৰম কৰাৰ পাছত পুনৰ অসুখটোৱে আমনি কৰাত দিল্লীত চিকিৎসাধীন হৈ থকা ছোৱালীজনীয়ে মৃত্যুৰ আহ্বানক নেওঁচা দিব নোৱাৰিলে। চিকিৎসা আধৰুৱা কৰি স্ব-ইচ্ছাৰে

পৰিয়াল-পৰিজনৰ কাষলৈ গুচি আহিল। ২০০৬ চনৰ এপ্ৰিলৰ ৯ তাৰিখে তাই আমাৰ মাজৰ পৰা চিৰবিদায় ললে। এনে এটা অসুখ দেহত বহন কৰিও পৰীক্ষাত ভাল নম্বৰ লাভ কৰা মেধাবী ছাত্ৰীগৰাকীৰ 'মনোবল' প্ৰশংসাৰ যোগ্য। ছাত্ৰী হিচাপে অমায়িক, হাঁহি মুখীয়া, কষ্ট সহিষ্ণু ছোৱালীজনীৰ মুখখন কেতিয়াও পাহৰিব নোৱাৰিম। 'শিক্ষক দিৱস', 'নৱবৰ্ষ' সকলোতে এটি ফুলৰ থোপা নতুবা এটি কাৰ্ডেৰে লগৰীয়াৰ সৈতে আশীৰ্বাদ বিচৰা 'জ্যোতিকা' আছিল সকলোৰে আগত।

মৃত্যু আছে বাবেই জীৱন সুন্দৰ। জ্যোতিকা আমাৰ মাজৰ পৰা আঁতৰি গ'লেও অসীম মনোবল, দৃঢ়তা, সাহস, নম্ৰতা আদি গুণেৰে বিভূষিতা জ্যোতিকা সকলোৰে বাবে বিশেষকৈ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে আদৰ্শ হৈ ৰ'ব।

জ্যোতিকাৰ প্ৰকৃততে মৃত্যু হোৱা নাই। তাই কৰ্মৰাজিৰ মাজেৰে শিক্ষক-কৰ্মচাৰীসকলৰ মাজত, ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীসকলৰ মাজত চিৰদিন জীয়াই থাকিব। ※

## জ্যোতিকালৈ একলম ...

পূৰ্ণিমা কোঁৱৰ

জ্যোতিকা,

তোৰ বাৰু মনত পৰেনে, আমাৰ ক্লাচলৈ প্ৰথম অহাৰ কথা ? সেইদিনা তইযে মোক তই কাৰো লগত বন্ধুত্ব কৰিব নোৱাৰো বুলি কৈছিলি, কিন্তু মই এতিয়া বুজি পাইছো প্ৰকৃততে তই বন্ধুত্ব কৰিব নোৱাৰা নহয়, তই বন্ধুত্ব কৰিব নিবিচাৰিছিলি, হয়তো তোৰ জীৱনৰ শেষ পৰিণতিৰ কথা ভাবিয়েই। অৱশ্যে ময়ো আমাৰ চিনিয়ৰ জ্যোতিকাবাক দেখি কেতিয়াও ভবা নাছিলো কেতিয়াবা যে মই সেই গহীন-গম্ভীৰ জ্যোতিকাবাজনীক 'জ্যোতি' বুলি মাতিব পাৰিম। মেট্ৰিক পাছ কৰি কলেজত নামভৰ্তি কৰাৰ লগে লগে যেন আমাৰ সম্পৰ্কটোও নতুনকৈ গঢ় লৈ উঠিছিল। মোৰ শ্ৰদ্ধাৰ জ্যোতিকাবা মোৰ কাৰণে চেনেহৰ 'জ্যোতি' হৈ পৰিছিল। কিন্তু এয়া তোৰ কাৰণেই সম্ভৱ হৈছিল। তোক 'বা' বুলি মতাৰ কাৰণে মই যে তোৰ পৰা কিমান গালি খাইছিলো, মনত পৰিলে এতিয়াও হাঁহি উঠে জান'।

এদিন মা-বাবাৰ ওচৰলৈ গৈছিলো। তেতিয়া এনেকুৱা লাগিছিল যেন তই তোৰ স্বভাৱসুলভ হাঁহিটো লৈ আমাৰ ওচৰলৈ আহিবি, আমি আকৌ আগৰ দৰে হাঁহিম আৰু লগৰ কোনোবা এজনীয়ে হয়তো ক'ব, "অ'ই ইমানকৈ নেহাঁহিবি, ঘৰৰ টিং উৰি যাব।" আমাৰ বিশ্বাস কৰিবলৈ টান হৈছিল, আমাৰ মৰমৰ বান্ধৱীজনী যে আমাৰ কাষলৈ কেতিয়াও নাহে। তই নথকা ঘৰখনত এক মুহূৰ্তও থাকিবৰ মন যোৱা নাছিল। কিন্তু তোৰ মা-বাবাক আমি যাওঁগৈ বুলি কোৱাৰ শক্তিকণো হেৰুৱাই পেলাইছিলো। নাথাকো বুলিও সেইদিনা আমি তহঁতৰ ঘৰত এঘণ্টাৰ ওপৰ সময় থাকিলো।

জ্যোতিকা, তোৰ মৃত্যুৰ খবৰটো পাই সেইদিনা মোৰ কি হৈছিল একো ক'ব নোৱাৰো। মৌচুমীক খবৰ দিবলৈ কোৱাৰ সত্ত্বেও মই তাইক খবৰ দিবলৈ যাব পৰা নাছিলো। তোৰ স্মৃতিয়ে মোক বৰকৈ আমনি কৰিছিল। জ্যোতিকা, এদিন তোক প্ৰেক্‌টিকেল ক্লাচৰ পৰা ওলাই যোৱাত মই গালি পৰাত তই যে মোক কৈছিলি, "ৰ'চোন ইমান গালি নাপাৰিবি, তহঁতিটো গোটেই লাইফটো এনজয় কৰিবলৈ পাবি, মইনো আৰু কেইদিন পাম, দুদিনমানৰ পিছততো মৰিয়েই থাকিম, সেইকাৰণে এইকেইদিনেই অলপ হাঁহি লওঁ।" মোৰ সেইদিনা এনেকুৱা কথা কোৱাৰ কাৰণে তোলৈ বৰ খং উঠিছিল। কিন্তু মই ভুলটো ভবা নাছিলো তই যে সঁচা কথাকেই কৈছিলি। জ্যোতিকা, মোৰ এতিয়াও বিশ্বাস নহয়, মোৰ গ্ৰুপ পাৰ্টনাৰজনী মোৰ কাষত নাই। মোক অকলে এৰি থৈ তই যে গুচি গৈছ বহু দূৰলৈ, কোনোবা অজানি মুলুকলৈ। শেষত তোৰপ্ৰতি মোৰ শেষ অনুৰোধ, তোৰ ওচৰত মই যদি অজানিতে কিবা ভুল কৰিছো তেন্তে তই মোক ক্ষমা কৰি দিবি আৰু তই য'তেই নাথাক , আগৰ দৰেই হাঁহি থাকিবি, তই হাঁহিলে সকলোৱে গম পাই যোৱাকৈ...। ※

## জ্যোতি ! তোক এবাৰ উভতি চাওঁ

পল্লৱী প্ৰীতম বৰুৱা

মনত আছেনে জ্যোতি আমি চিনাকি হোৱাৰ প্ৰথম দিনটোৰ কথা ? ২০০৩ চনৰ ২৫ জুলাইৰ দিনা কলেজৰ বাৰাণ্ডাত তোৰ লগত যে চিনাকি হৈছিলো, তেতিয়াৰ পৰা কলেজৰ প্ৰতিটো মুহূৰ্ত পাৰ কৰিছিলো তোৰ লগত। তই এইবোৰ ইমান সোনকালে কেনেকৈ পাহৰি গলি জ্যোতি ? নহ'লেনো তই আমাক ইমান অকলশৰীয়া কৰি এৰি থৈ যাৱগৈনে ?

অধ্যয়নৰত দুটা বছৰ তোক নিচেই কাষত পোৱাৰ মোৰ সৌভাগ্য ঘটিছিল। দুটা বছৰ তই মোৰ কাষতেই আছিলি। তই প্ৰতিটো কাম





মোক কৈয়ে কৰিছিলি। কিন্তু জীৱনত প্ৰথ মবাৰৰ বাবে তই মোক নোকোৱাকৈ গুচি গলি। তই জানো আমি একেলগে পাৰ কৰা দিনবোৰৰ বিষয়ে পাহৰিব পাৰিবি ? তই শেষবাৰ দিল্লীলৈ উন্নত চিকিৎসাৰ বাবে যোৱাৰ আগে আগে তোক যে বিদায় দি আহিছিলো, ভবা নাছিলো সেই বিদায়েই শেষ বিদায় আৰু সেই দেখা-দেখিয়েই শেষ দেখা-দেখি হ'ব বুলি। তইতো মোক কথা দিথৈ গৈছিলি যে, তই দিল্লী পৰা ভাল হৈ আহিবি আৰু তেতিয়া তই আমাৰ ঘৰলৈ আহিবি। কিন্তু আমাক সকলোকে ভাল হৈ উভতি অহাৰ মিছা প্ৰতিশ্ৰুতিৰ ফাঁকি দি তই গুচি গলিগৈ। ভবা নাছিলো তোৰ মৃত্যুৰ বাতৰি ইমান সোনকালে আহিব। তই আছিলি কৰ্মোপযোগী, দেহ-মন সমৰ্পিত কৰি একান্তমনে কোনো এটা কামত লাগি থাকিব পৰা। তেন্তে জীৱন যুদ্ধত তই ইমান সোনকালে কেনেকৈ হাৰি গলি ?

যোৱা ৯ এপ্ৰিলৰ দিনা যেতিয়া তোৰ 'মামা' মানে সুশীল চুড়ীছাৰে ফোনৰ যোগেদি তোৰ মৃত্যুৰ বাতৰি দিছিল, মই বহুত সময় শিল পৰা কপৌৰ দৰে থৰ হৈ পৰিছিলো। মই যেন কান্দিবলৈও পাহৰি গৈছিলো। কান্দিবলৈয়োতো মানুহক এটা দুখৰ উপলক্ষ লাগে। তোক হেৰুৱাৰ দুখ মোৰ বাবে তাতোতকৈও বেছি বিদাৰক। তোৰ মৃত্যুৰ বাতৰি পোৱাৰ পিছতো অন্তিম শৰ্যাত তোৰ মুখখন চাবলৈ যোৱাৰ সাহসখিনি গোটাব নোৱাৰিলো। ভাবিলো তোৰ মৰমলগা মুখখনেই মনত থাকক। এটা অৰ্থত তোৰ মৃত্যু সাৰ্থক। কাৰণ, মৃত্যু ধন্য হয়, যেতিয়া সেই মৃতুৱে কেৱল আপোনজনকে বিচলিত নকৰি হাজৰ জনকো বিচলিত কৰি তোলে, যাৰ স্মৃতিয়ে অন্তৰ ধুৱাই চকুলোৰ ঢল নমায়।"

জীৱনটো আছিল তোৰ কাৰণে সত্য, শ্বাশত। ইয়াক সুন্দৰ কৰি গঢ়ি ল'বলৈ তই সময়েই কৰিব নোৱাৰিলি। সময়তকৈ তই বহু আগবাঢ়ি গ'লি। মোৰ এতিয়াও মনত আছে, মাজতে দিল্লীলৈ চিকিৎসাৰ বাবে যাব লগা হোৱাৰ বাবে, মোৰ জন্ম দিনত থাকিব নোৱাৰিবি কাৰণে ইমান বেমাৰৰ মাজতো যোৱাৰ দিনা ৰাতিপুৱা ফোন কৰি মোক শুভেচ্ছা জনাবলৈ পাহৰা নাছিলি। হিংসা লাগিছিল মোৰ তোৰ ধৈৰ্য দেখি। তই জানো আকৌ কলেজৰ খবৰ বাতৰি লবলৈ মোলৈ ফোন কৰিবি ? মই জানো তই আৰু কোনোদিনেই মোলৈ ফোন নকৰ। বাক্‌ৰুদ্ধ হৈ গলি তই। তোৰ মাতটো পুনৰ ফোনত শুনিবলৈও নাপাম। তোক কিবা এটা কথা কোৱা নাই বুলি তই মোৰ ওপৰত যি অভিমান কৰিছিলি, সেই অভিমানখিনি ভাঙিবলৈ সুযোগেই নিদিলি। তোৰ চখ আছিল, মই কিবা নতুন কাপোৰ কিনিলে এবাৰ পিন্ধি চোৱাৰ। এতিয়া জানো আহিবি জ্যোতি ?

জানো, মৃত্যু চিৰ-শ্বাশত। জন্ম-মৃত্যু দুয়োটাই দিন-ৰাতিৰ দৰে সত্য-বাস্তৱ। ই প্ৰাকৃতিক চিৰন্তন। আপোনজনক মৃত্যুৰ হাতত দি আমি বৰ কষ্ট পাও। কিন্তু হিয়া ঢাকুৰী কান্দিলৈও ঘূৰাই নাপাও। তথাপিতো তোৰ মৃত্যু সহজভাৱে লব পৰা নাই। বিশ্বাস হোৱা নাই যে তই আৰু আমাৰ মাজত নাই। তই চিৰজ্যোতিৰ ৰূপ লৈ অনন্ত ধামলৈ গুচি গলি। তই য'তে আছ, শান্তিৰে থাক। তোৰ আত্মাৰ সদ্‌গতি কামনা কৰিলো। শেষত ভাগৱতৰ মতে,

"জন্ম হওঁতেই মৃত্যু ওপজে লগতে।
দূৰন্ত কালৰ হাত নেৰাই কোনোমতে।।"

※

## স্বৰ্গীয়া জ্যোতিকাৰ হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাৰ ফলাফল সমূহ

**হাইস্কুল শিক্ষান্ত পৰীক্ষা ঃ-**

| | |
|---|---|
| অসমীয়া | ৭৬ |
| ইংৰাজী | ৭৫ |
| সাধাৰণ বিজ্ঞান | ৭৭ |
| সাধাৰণ গণিত | ৮০ |
| সমাজ অধ্যয়ন | ৭৫ |
| ঐচ্ছিক গণিত | ৮৯ |
| মুঠ | ৪৭২ |
| *শতকৰা হাৰ* | ৭৮.৬৭% |

**উচ্চতৰ মাধ্যমিক পৰীক্ষা ঃ-**

| | |
|---|---|
| ইংৰাজী | ৫৮ |
| অসমীয়া | ৬৬ |
| ৰাসায়ন বিজ্ঞান | ৬০ |
| পদাৰ্থ বিজ্ঞান | ৭২ |
| জীৱ বিজ্ঞান | ৬৫ |
| গণিত | ৩৫ |
| মুঠ | ৩২১ |
| *শতকৰা হাৰ* | ৬৪.২% |

*...সীমাৰ পাৰ ভাঙি বৈ যোৱা অনুভৱৰ সাগৰ, য'ত পৃথিৱীৰ কলিজা ভঙা গান অথবা এজাবৰ মাজতো গোলাপৰ সৌন্দৰ্যৰ দগ্‌মগ্ জ্যোতিয়ে এন্ধাৰ নিশাকে দুফাল কৰি ক্ৰমশ আগবাঢ়ে ... যেনেকৈ আগবাঢ়ে এটা গল্পৰ আৰম্ভণি অথবা গল্পৰ পটভূমি ...*




- মুনমী গগৈ
- অনুজ চাংমাই
- নৱদীপা বৰগোহাঁই
- প্ৰাগজ্যোতি মহন্ত
- প্ৰশান্ত লিকচন
- পাপৰী চুতীয়া
- ভবেন গগৈ
- খঞ্জন বৰুৱা
- হিৰেশ্বৰ দাস





মোক কৈয়ে কৰিছিলি। কিন্তু জীৱনত প্ৰথ মবাৰৰ বাবে তই মোক নোকোৱাকৈ গুচি গলি। তই জানো আমি একেলগে পাৰ কৰা দিনবোৰৰ বিষয়ে পাহৰিব পাৰিবি ? তই শেষবাৰ দিল্লীলৈ উন্নত চিকিৎসাৰ বাবে যোৱাৰ আগে আগে তোক যে বিদায় দি আহিছিলো, ভবা নাছিলো সেই বিদায়েই শেষ বিদায় আৰু সেই দেখা-দেখিয়েই শেষ দেখা-দেখি হ'ব বুলি। তইতো মোক কথা দিথৈ গৈছিলি যে, তই দিল্লী পৰা ভাল হৈ আহিবি আৰু তেতিয়া তই আমাৰ ঘৰলৈ আহিবি। কিন্তু আমাক সকলোকে ভাল হৈ উভতি অহাৰ মিছা প্ৰতিশ্ৰুতিৰ ফাঁকি দি তই গুচি গলিগৈ। ভবা নাছিলো তোৰ মৃত্যুৰ বাতৰি ইমান সোনকালে আহিব। তই আছিলি কৰ্মোপযোগী, দেহ-মন সমৰ্পিত কৰি একান্তমনে কোনো এটা কামত লাগি থাকিব পৰা। তেন্তে জীৱন যুদ্ধত তই ইমান সোনকালে কেনেকৈ হাৰি গলি ?

যোৱা ৯ এপ্ৰিলৰ দিনা যেতিয়া তোৰ 'মামা' মানে সুশীল চুড়ীছাৰে ফোনৰ যোগেদি তোৰ মৃত্যুৰ বাতৰি দিছিল, মই বহুত সময় শিল পৰা কপৌৰ দৰে থৰ হৈ পৰিছিলো। মই যেন কান্দিবলৈও পাহৰি গৈছিলো। কান্দিবলৈয়োতো মানুহক এটা দুখৰ উপলক্ষ লাগে। তোক হেৰুৱাৰ দুখ মোৰ বাবে তাতোতকৈও বেছি বিদাৰক। তোৰ মৃত্যুৰ বাতৰি পোৱাৰ পিছতো অন্তিত শৰ্যাত তোৰ মুখখন চাবলৈ যোৱাৰ সাহসখিনি গোটাব নোৱাৰিলো। ভাবিলো তোৰ মৰমলগা মুখখনেই মনত থাকক। এটা অৰ্থত তোৰ মৃত্যু সাৰ্থক। কাৰণ, মৃত্যু ধন্য হয়, যেতিয়া সেই মৃতুৱে কেৱল আপোনজনকে বিচলিত নকৰি হাজৰ জনকো বিচলিত কৰি তোলে, যাৰ স্মৃতিয়ে অন্তৰ ধুৱাই চকুলোৰ ঢল নমায়।"

জীৱনটো আছিল তোৰ কাৰণে সত্য, শ্বাশত। ইয়াক সুন্দৰ কৰি গঢ়ি ল'বলৈ তই সময়েই কৰিব নোৱাৰিলি। সময়তকৈ তই বহু আগবাঢ়ি গ'লি। মোৰ এতিয়াও মনত আছে, মাজতে দিল্লীলৈ চিকিৎসাৰ বাবে যাব লগা হোৱাৰ বাবে, মোৰ জন্ম দিনত থাকিব নোৱাৰিবি কাৰণে ইমান লেমাৰৰ মাজতো যোৱাৰ দিনা ৰাতিপুৱা ফোন কৰি মোক শুভেচ্ছা জনাবলৈ পাহৰা নাছিলি। হিংসা লাগিছিল মোৰ তোৰ ধৈৰ্য দেখি। তই জানো আকৌ কলেজৰ খবৰ বাতৰি লবলৈ মোলৈ ফোন কৰিবি ? মই জানো তই আৰু কোনোদিনেই মোলৈ ফোন নকৰ। বাক্‌ৰুদ্ধ হৈ গলি তই। তোৰ মাতটো পুনৰ ফোনত শুনিবলৈও নাপাম। তোক কিবা এটা কথা কোৱা নাই বুলি তই মোৰ ওপৰত যি অভিমান কৰিছিলি, সেই অভিমানখিনি ভাঙিবলৈ সুযোগেই নিদিলি। তোৰ চখ আছিল, মই কিবা নতুন কাপোৰ কিনিলে এবাৰ পিন্ধি চোৱাৰ। এতিয়া জানো আহিবি জ্যোতি ?

জানো, মৃত্যু চিৰ-শ্বাশত। জন্ম-মৃত্যু দুয়োটাই দিন-ৰাতিৰ দৰে সত্য-বাস্তৱ। ই প্ৰাকৃতিক চিৰন্তন। আপোনজনক মৃত্যুৰ হাতত দি আমি বৰ কষ্ট পাও। কিন্তু হিয়া ঢাকুৰী কান্দিলৈও ঘূৰাই নাপাও। তথাপিতো তোৰ মৃত্যু সহজভাৱে লব পৰা নাই। বিশ্বাস হোৱা নাই যে তই আৰু আমাৰ মাজত নাই। তই চিৰজ্যোতিৰ ৰূপ লৈ অনন্ত ধামলৈ গুচি গলি। তই য'তে আছ, শান্তিৰে থাক। তোৰ আত্মাৰ সদ্‌গতি কামনা কৰিলো। শেষত ভাগৱতৰ মতে,

"জন্ম হওঁতেই মৃত্যু ওপজে লগতে।
দুৰন্ত কালৰ হাত নেৰাই কোনোমতে।।"

❋

## স্বৰ্গীয়া জ্যোতিকাৰ হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাৰ ফলাফল সমূহ

**হাইস্কুল শিক্ষান্ত পৰীক্ষা ঃ-**

| | |
|---|---|
| অসমীয়া | ৭৬ |
| ইংৰাজী | ৭৫ |
| সাধাৰণ বিজ্ঞান | ৭৭ |
| সাধাৰণ গণিত | ৮০ |
| সমাজ অধ্যয়ন | ৭৫ |
| ঐচ্ছিক গণিত | ৮৯ |
| মুঠ | ৪৭২ |
| *শতকৰা হাৰ* | ৭৮.৬৭% |

**উচ্চতৰ মাধ্যমিক পৰীক্ষা ঃ-**

| | |
|---|---|
| ইংৰাজী | ৫৮ |
| অসমীয়া | ৬৬ |
| ৰাসায়ন বিজ্ঞান | ৬০ |
| পদাৰ্থ বিজ্ঞান | ৭২ |
| জীৱ বিজ্ঞান | ৬৫ |
| গণিত | ৩৫ |
| মুঠ | ৩২১ |
| *শতকৰা হাৰ* | ৬৪.২% |

*...সীমাৰ পাৰ ভাঙি বৈ যোৱা অনুভৱৰ সাগৰ, য'ত পৃথিৱীৰ কলিজা ভঙা গান অথবা এজাৰৰ মাজতো গোলাপৰ সৌন্দৰ্যৰ দগ্‌মগ্ জ্যোতিয়ে এন্ধাৰ নিশাক দুফাল কৰি ক্ৰমশ আগবাঢ়ে ... যেনেকৈ আগবাঢ়ে এটা গল্পৰ আৰম্ভণি অথবা গল্পৰ পটভূমি ...*





- মুনমী গগৈ
- অনুজ চাংমাই
- নৱদীপা বৰগোহাঁই
- প্ৰাগজ্যোতি মহন্ত
- প্ৰশান্ত লিকচন
- পাপৰী চুতীয়া
- ভবেন গগৈ
- খঞ্জন বৰুৱা
- হিৰেশ্বৰ দাস





গল্প

# এনাজৰী



মুনমী গগৈ
উঃ মাঃ ১ম বৰ্ষ, কলা শাখা

মৃণাল বৰুৱাই বজাৰ কৰা মোনাটো পৰিবাৰৰ হাতত দি আগফালৰ বাৰান্দালৈ ওলাই আহিল। বাৰান্দাৰ বেতৰ চকীখনত বহি পদূলিত পৰি থকা ফেহুৰঙী কোমল ৰ'দজাকলৈ এবাৰ চাই চকুযোৰ মুদি দিলে। বজাৰত লগ পোৱা বৰুৱাৰ পূৰ্বৰ কৰ্মস্থলীৰ বন্ধু পুত্ৰ ৰাহুলৰ কথাখিনি ওৱাল ঘড়ীৰ পেণ্ডুলামৰ দৰে তেওঁৰ মনত দুলি থাকিল। দুলি দুলি তেওঁক আমনি কৰি থাকিল।

বৰুৱাৰ চকুত ভাঁহি উঠিল শাৰী শাৰী চাহ গছ, শিৰীষ, মাদলৰ শব্দ, ঝুমুৰৰ লয়, পাততোলা বনুৱাৰে ভৰপুৰ এখন চাহ বাগিচা, তিনি বছৰ পূৰ্বে বৰুৱাই অবসৰ গ্ৰহণ কৰা মদনপুৰৰ বাগিচাৰ চিত্ৰ। কি যে আনন্দময় আছিল সেই দিনবোৰ, কিমান যে মধুৰ আছিল তাৰ মানুহবোৰৰ সৈতে তেওঁৰ সম্পৰ্ক। সময়ৰ অভিশাপত সেইবোৰ এতিয়া এক স্মৃতি মাথো। কৰ্মৰত সময়ছোৱাত আদৰ্শবাদী, নিষ্ঠাবান, দয়াশীল বৰুৱাক সকলোৱে সমীহ কৰি চলিছিল আৰু সেই সমীহৰ মূলতে আছিল মানুহবোৰৰ প্ৰতি থকা তেওঁৰ শ্ৰদ্ধা। অন্যায়ৰ বিৰুদ্ধে থিয় হ'বৰ জোখাৰে তেওঁৰ বুকুত আছিল অদম্য সাহস। সেই বদনপুৰ বাগিচাত এতিয়া মালিকপক্ষ আৰু মজদুৰৰ মাজত সংঘৰ্ষ চলিছে, বাগিচাত তলা বন্ধ চলিছে। এজাক অৰ্ধহাৰী ভোকাতুৰ মানুহৰ আৰ্তস্বৰ বৰুৱাৰ কাণত যেন বাজি উঠিল। কি যে খবৰটো পালে তেওঁ আহি।

পৰিবাৰ জয়ন্তী, কন্যা মানসী আৰু পুত্ৰ অৰিজিতৰ সৈতে মৃণাল বৰুৱাৰ সুখী পৰিয়াল। অৰিজিতে এই বাৰ অৰ্থনীতিত অনাৰ্চসহ প্ৰথম শ্ৰেণী পাইছে। মানসীয়ে এই বাৰ কলেজত নামভৰ্তি কৰিব। অৱসৰ গ্ৰহণৰ পিছত বৰুৱাই ঘৰৰ মাটি এবিঘাতে চাহ ৰোপন কৰি টুক্-টাক্‌কৈ ঘৰখন চলাই আহিছে। অভাৱে জুৰুলা কৰা পৰিয়াল। হ'লেও সকলো সেইভাগেই সুখী।

আগতে যিজন ব্যক্তিৰ অবিহনে পৰিয়ালটোত কোনো কাৰ্য সমাধা নহৈছিল সেই বৰুৱাক এতিয়া পৰিয়ালৰ আন ভাই-ককাই সকলে উপেক্ষাৰ দৃষ্টিৰে চায়। বৰুৱাৰ সহজ-সৰল স্বভাৱটোৰ বাবেই পূৰ্বে পৰিয়ালটোত হোৱা বিয়াই-সবাহে ডাঙৰ চাকৰি কৰা ভায়েকহঁতে টকাৰ নাটনিৰ অজুহাত দেখুৱাই দূৰত্বত অৱস্থান কৰে। বৰুৱাইও তাকে সঁচা বুলি মানি লৈ ভনীয়েক, ভতিজাহঁতৰ কাৰণে যি পাৰে কৰে। আচলতে টকা-পইচাৰ কাৰণেই হৃদয়ত থকা সকলো কোমল

ভাৱ-অনুভূতি, মৰম-চেনেহ, আত্মীয়তাৰ দুৱাৰ বন্ধ কৰাৰ বৰুৱা আছিল একেবাৰে বিৰোধী।

আপোনজগতত ডুব গৈ থাকোঁতেই হঠাৎ কাৰোবাৰ মাতত তেওঁ বাস্তৱলৈ উলটি আহিল। দুচকু মেলি দেখিলে পৰিবাৰৰ চিন্তাক্লিষ্ট, বেদনাগধুৰ মুখখন। তেওঁৰ হাতত গৰম চাহ পিয়লা দি জয়ন্তীয়ে ক'লে— "মানুৰ নামভৰ্তিৰ সময় হৈছে, টকা পাঁচশ লাগে। মোৰ হাতত দুশ টকা আছে। বাকী তিনিশ টকা যোগাৰ কৰিব লাগিব।" গধূলিটোৰ দৰে ক'লা পৰি অহা গিৰিয়েকৰ মুখখনলৈ চাই জয়ন্তীয়ে কিছু অস্বস্তিৰে পুনৰ ক'লে— "যোৱা বছৰ নৰেনে আমাৰ পৰা ধাৰলৈ নিয়া পাঁচশ টকা আনিলেই দেখোন সমস্যাৰ ওৰ পৰে।" পত্নীৰ কথাত গধূৰ মাতেৰে বৰুৱাই ক'লে— "মানুহবোৰ ইমান অবুজ কিয় বাৰু ? সিহঁতেছোন আমাৰ অৱস্থা জানে। তাহাঁতৰটো টকাৰ আকাল নাই। তথাপিও যে দুমাহৰ পাছতেই দিম বুলি কোৱা টকাকেইটা আজি এবছৰেও দিয়া নাই, নে দিব খোজা নাই, মই নো কি সতেৰে টকাকেইটা খোজোগৈ এতিয়া।

মই বুজিছো আপোনাৰ মনৰ কথা। তথাপিও মানু আৰু জিতুৰ মুখখনলৈ চাই আপুনি টকাখিনি বিচাৰিবই লাগিব। তাতে আপুনিটো ধাৰ বিচাৰি নাযায়। নিজৰ প্ৰাপ্যখিনিহে বিচাৰিব। গিৰিয়েকৰ মনৰ দুখবোৰ বুজিয়ে জয়ন্তীয়ে কথাকেইষাৰ ক'লে। আচৰিত মানুহ এইজন। কাৰোবাক কিবা দিবলৈ পালে নিজৰ ঘৰখনৰ কথা চিন্তাই নকৰে। লোকৰ দুখত অলপতেই তেওঁ গলি যায়। অথচ নিজৰ প্ৰয়োজনৰ সময়ত নিজৰ প্ৰাপ্যবোৰ বিচাৰিবৰ সময়তো সংকোচবোধ কৰে। সৰলচিতীয়া মানুহজনৰ এই দুৰ্বলতাৰ সুযোগ লৈ উচ্চ পদবীধাৰী ভায়েকহঁতেও তেওঁক ঠগি কুটি খাবলৈ তিলমানো কুণ্ঠাবোধ নকৰে। এইখন প্ৰতাৰক কুটিল মুখাপিন্ধা ভদ্ৰলোকৰ সমাজ। হৃদয়বান আৰু সহৃদবানসকলে পাবলগীয়া ইয়াত মাথো দুখহে আছে।

হ'ব বাৰু, কাইলৈকে এবাৰ যাব লাগিব তাৰ ওচৰলৈ। নিজৰ ল'ৰা-ছোৱালীহালক মানুহ কৰি তুলিবলৈ মই সকলো কৰিম। বৰুৱাই লাহেকৈ ক'লে— "অজস্ৰ ধন-সম্পত্তিৰ মালিক এই নৰেন বৰুৱা। মৃণাল বৰুৱাৰ মাজু ভায়েক। ভায়েকহঁতক মানুহ কৰিবলৈ গৈয়ে মৃণাল বৰুৱাই নিজৰ সঞ্চিত উপাৰ্জন শেষ কৰিছিল। আদ বয়সত বিয়া পাতিছিল। সকলো হ'ল। ভায়েকহঁত মানুহ হ'ল। সিহঁতৰ ডাঙৰ চাকৰি হ'ল। নিজতকৈয়ো আগেয়ে ভায়েকহঁতৰ সংসাৰ হ'ল। কিন্তু তেওঁৰ কি হ'ল ? কিবা হ'লনে ? নাই একো নহ'ল। মৃণাল বৰুৱাৰ একো নহ'ল। আজি ভায়েকহঁতৰ তেওঁলৈ মূৰ তুলি চাবলেও সময়ৰ অভাৱ। একেখন চহৰৰে চাৰিটা কোণত ককায়েক ভায়েকহঁতৰ তেওঁলৈ মূৰ তুলি চাবলৈ সময়ৰ অভাৱ। ককায়েকৰ দুখ-দৈন্যতাৰ ভায়েকহঁতে কিবা ভু পায়নে-নাপায় ? ভায়েকৰ ঘৰলৈ গৈ থকাৰ বাটত মৃণাল বৰুৱাই এইবোৰ মথাকে মনত পাগুলি গ'ল।

বাহিৰত দুখন বিলাসী গাড়ী। সুদৃশ্য গেটখন খুলি বৰুৱাই ভায়েকৰ অট্টালিকা সদৃশ ঘৰটোলৈ খোজ পেলালে। খিৰিকিৰ ধুনীয়া ৰঙীন পৰ্দাৰ ভিতৰৰ পৰা অহা মৃদু হুলস্থূলৰ শব্দত বৰুৱাৰ বুকুৰ ঢপঢপনি বাঢ়ি গ'ল। দুৱাৰৰ পৰ্দা এবাৰ দাং খালে। এযোৰ চকুৰ উপেক্ষাৰ চাৱনিয়ে তেওঁৰ আপাদমস্তক চেলেকী গ'ল। পৰ্দা আকৌ পৰিল। বাৰান্দাত খোজটো পেলাওতেই ভতিজাক মিঠু ভিতৰৰ পৰা ওলাই আহিল। বৰদেউতা ইয়াতেই বহক। ভিতৰত আলহি আছে। বাৰান্দাত থকা বেতৰ চকীবোৰলৈ ইংগিত দি মিঠু মাকক মাতিবলৈ ভিতৰলৈ গ'ল। বাৰান্দাত পাৰি থোৱা ধুনীয়া কাৰ্পেটখনৰ ওপৰত মলিয়ন ধূতিৰ তলৰ শোটোৰা-শোটোৰ ছালৰ ভৰিকিটা দেখি বৰুৱাৰ নিজকে অশুৱনী লাগিল। এনেতে বৰুৱাই চৰাৰ ভিতৰত ভাই বোৱাৰীয়েকৰ মাত শুনিলে। ভিতৰৰ বিলাসী সামগ্ৰীৰে পৰিপূৰ্ণ চৰাৰ আলহীক চাহ খাবলৈ তেওঁ ভিতৰলৈ মাতি নিছে। বাৰান্দাৰ চকীত বৰুৱাই অনিমন্ত্ৰিত অতিথিৰ দৰে বহি থাকিল। বৰুৱাৰ নিজৰে কেৰ্লৈনো আহিলো যেন লাগিল। উভতি যোৱাৰ কথা ভাবিলেও মানসীৰ মুখখনে মনলৈ আহি তেওঁক আমনি কৰে। আজিৰ দিনত পাঁচশ টকাৰ





কোনো মূল্য নাই। অথচ এইকেইটা টকাৰ কাৰণেই বৰুৱাৰ নিজৰ মান-সন্মান সকলো বিসৰ্জন দিব লগা হৈছে। এই মুহূৰ্তত তেওঁৰ এনে অনুভৱ হ'ল যেন তেওঁৰ দৰে এনে অসহায় ব্যক্তি আৰু পৃথিৱীত কোনো নাই। তেওঁৰ দুভৰিত যেন কোনোবাই ছেমছনৰ শিকলি বান্ধি থৈছে, আগবাঢ়ি যাব খুজিলেই টানমাৰি ধৰে। শিকলি খুলি তেওঁ পলাই যাবলৈও অসমৰ্থ।

টিক্-টিক্-টিক্। ৱৱাল ঘড়ীটোৱে চাৰি বজাৰ ইংগিত দিলে। তেওঁ তিনি বজাতেই অহা। কোনোৱেই বাহিৰলৈ আহি তেওঁৰ খবৰ লোৱাহি নাই। কিয় ল'ব ? কি খবৰ ল'ব ? খবৰ লোৱাৰ জোখাৰে তেওঁৰ আছেই বা কি ? ভায়েক চাগে কামলৈ গ'ল। বৰুৱাৰ বৰ পিয়াহ লাগিল। ভাই-বোৱাৰীয়েকেও ভিতৰৰ আলহীক খুওৱা-বোওৱাত ব্যস্ত ছাগৈ। কাৰোবাৰ ভৰিৰ খোজৰ শব্দ তেওঁৰ কাণত পৰিলহি। ভাই-বোৱাৰীয়েক সুপৰ্ণা বিৰক্তিসহ তামোলৰ বঁটাটো আনি বৰুৱাৰ কাষৰ টেবুলখনত থ'লেহি।

দেউতা, শুনিছো অৰিজিতে গ্ৰেজুৱেশ্বন ল'লে। শুনি বৰ ভাল লাগিছে। বোৱাৰীয়েকৰ ছলাহী কথা শুনি মৃণাল বৰুৱাই মাথো হাঁহিলে। পিছে এতিয়া কি কৰিম বুলি ভাবিছে। আজি-কালি চাকৰিৰ কাৰণে বহুত টকা লাগে নহয়। "চাকৰীৰ কথা কিয় কৈছা বোৱাৰী। মই মোৰ ল'ৰাক পঢ়ুৱাম।" বৰজনাকৰ কথা শুনি সুপৰ্ণাৰ চকু কঁপালত উঠিল। তাচ্ছিল্যৰ ভাৱেৰে ক'লে— "কিন্তু দেউতা আপোনাৰতো চাকৰি নাই। যিটো কৰিছিল তাতো পেঞ্চনৰ সুবিধা নাই। ঘৰৰ সামান্য বাগান টুকুৰাৰ উপাৰ্জনেৰে আপুনি মানু আৰু অৰিজিত দুয়োটাকে পঢ়াব পাৰিব জানো ? ঘৰৰ দৈনিক খৰছবোৰটো আছেই। নহ'লে মানুক পঢ়ুৱাব নেলাগে। ছোৱালীক পঢ়ুৱাই এনেয়েও লাভ নাই। আনৰ ঘৰহে শুৱনি কৰিবগৈ।

বোৱাৰীয়েৰ লগত কথা আৰু নবঢ়াই বৰুৱাই অহাৰ কাৰণটো ক'লে। সুপৰ্ণা ভিতৰলৈ গৈ হাতত টকা পাঁচশলৈ ওলাই আহিল। বৰুৱাই টকাখিনি লৈ সুপৰ্ণাক মাত লগাই যাবলৈ সাজু হ'ল। দেউতাই চাহ একাপ খাই যোৱা হ'লে ভাল পালোহেঁতেন। কিন্তু আজি আলহি ঢেৰ। বৰ ব্যস্ত হ'ব লগা হৈছে। নালাগে বোৱাৰী, মই ঘৰত ভাতকেইটা পেটত পেলায়েই আহিছিলো। বোৱাৰীয়েকক কথাকেইটা কৈ বৰুৱাই বাৰান্দাৰ পৰা নামি ওলাই আহিল। সুদৃশ্য গেটখন খোলাৰ আগেয়ে পাছফালৰ পৰা ভাহি অহা কথাকেইষাৰে বৰুৱাৰ হৃদয়খন শৰবিদ্ধ কৰি পেলালে। চকুৰ কোণেদি বিষাদবোৰ চকুলো হৈ দুগালেৰে বৈ আহিল। আত্মীয়ৰ মহাসুখ বৰুৱাই ভালকৈয়ে পালে আৰু নালাগে। নালাগে তেওঁক আৰু আত্মীয়, মিটিৰ-কুটুম্ব। ভায়েকৰ সুদৃশ্য দালানটোৰ পৰিসীমা পাৰ হৈ ৰাস্তাৰে খোজ বোলোতে বৰুৱাই মনতে ভাবিলে যিকোনো উপায়েৰে হ'লেও ল'ৰা-ছোৱালীহালক পঢ়ুৱাব, যিমানলৈকে সিহঁতৰ সাধনাৰ যোগ্যতা থাকে। সিহঁতক আত্মীয়ৰ সহায় অবিহনেই মানুহ কৰিব। স্থিৰতা আৰু দৃঢ়তাৰে পেলোৱা খোজবোৰত ৰাস্তাৰ ধূলি উৰুৱাই বৰুৱাই ঘৰলৈ আগবাঢ়িল।

কোননো মানুহজন ? কিয় আহিছিল তেওঁ ? মানুহজন তেওঁৰ কোনোবা দূৰসম্পৰ্কীয় ককায়েক। ঘৰ এইখন চহৰতেই। ৰিটায়াৰ হোৱা আজি তিনিবছৰ মানেই হ'ল। ঘৰৰ অৱস্থা একেবাৰেই বেয়া। টকা পাঁচশ দি পঠালো। মাজে মাজে এনেকৈয়ে সহায় কৰি থাকো। বৰ ভাল কৰিলে। ভায়েকৰ ঘৰৰ পৰা ওলাই আহোতে শুনি অহা ভাই বোৱাৰীয়েক সুপৰ্ণাই কোৱা কথাকেইষাৰে বৰুৱাৰ মন মগজু আৰু হৃদয়ত বা-মাৰলীৰ ৰূপ ধৰি তাণ্ডৱ আৰম্ভ কৰিলে। কাৰ বিষয়ে কৈছিল সুপৰ্ণাই তেনেকৈ ? তেওঁৰ বিষয়েই নে ? দূৰ সম্পৰ্কীয় ককায়েক কোন আৰু কাৰ ? তেওঁ নৰেনৰ দূৰ সম্পৰ্কীয় ককায়েক নেকি ? একেজনী মাকৰ মৰম-চেনেহৰ দ্বাৰাই ডাঙৰ হোৱা নৰেন তেওঁৰ দূৰ সম্পৰ্কীয় আত্মীয়হে নেকি ? হৃদয়ত ফাট মেলিছে। কাৰ ? তেজবিৰিঙা। গধূৰ হৃদয়খন বুকুত ওলমাই লৈ বৰুৱা গৈ থাকিল ৰাস্তাৰ ধূলি উৰুৱাই। ❖

# চাদৰ

মূল ঃ অবৰাৰ মোহসিন
অনু ঃ অনুজ চাংমাই
স্নাতক ৩য় বৰ্ষ (কলা)



ৰমজান আলিয়ে সপোনতো ভবা নাছিল যে এই বৃদ্ধাৱস্থাত এনে এটা সমস্যাৰ সন্মুখীন হ'ব লাগিব। কেৱল দুখৰ বাহিৰে জীৱনে তেওঁক কি দিলে ? বাল্যাৱস্থাতে তেওঁ পিতৃহীন হ'ল। মাকে মেহনত-মজদুৰী কৰি আনৰ ঘৰত বাচন-বৰ্তন, কাপোৰ আদি ধুই কোনোৰকমে তেওঁক ডাঙৰ-দীঘল কৰিলে, পঢ়ালেও মেট্ৰিকলৈকে। তেতিয়াৰ দিনত সিমানলৈকে পঢ়িলে সহজতে চাকৰি পাইছিল। ৰমজান আলিও চাকৰি এটাত ভৰ্তি হ'ল। বিয়াৰ কিছুদিনৰ পাছত তেওঁৰ মাকৰো মৃত্যু হ'ল। এবছৰৰ পাছত তেওঁৰ এটি কন্যাৰ জন্ম হ'ল। তাইৰ নাম থলে আকবৰী। যৎকিঞ্চিত উপাৰ্জনেৰে তেওঁলোকে কোনো ৰকমে দিন কটাইছিল। সৎ স্বভাৱৰ মানুহ বাবে হাতলৈ ধন নাহিল। কেতিয়াও ভাল খাবলৈ বা পিন্ধিবলৈ তেওঁলোকে নাপাইছিল। জীৱন হৈ পৰিছিল এক বোজা স্বৰূপ।

ৰমজান আলিৰ জীয়েকৰ দহ বছৰ হওঁতে ঘৈণীয়েকৰো মৃত্যু হ'ল। সমাজত জীৰ বোজাই আটাইতকৈ বেছি। ৰমজানৰ ভাগ্য ভাল আছিল যে তেওঁৰ দ্বিতীয় সন্তান নহ'ল। তেওঁ দ্বিতীয় বিবাহ নকৰিলে জানোচা মাহীমাকে জীয়েকক অত্যাচাৰ কৰে এই ভাবিয়েই।

অশেষ কষ্ট কৰি জীয়েক আকবৰীক ৰমজানে ডাঙৰ-দীঘল কৰিলে। কন্যাৰ লগত কম খৰছটো নহয়। আজি ইটোহে লাগে কালি সিটোহে লাগে। পঢ়া, পিন্ধা আৰু দুয়োৰে খোৱা খৰছত ৰমজান আলিৰ কঁকাল বেকা হৈ গ'ল। চুলিত বয়সৰ ৰং পৰিবলৈ ধৰিলে। দাঁত সৰিল। ধূৱলি-কুঁৱলি দেখা চকুত চচ্‌মাৰ দৰকাৰ হ'ল। লগতে চলাফুৰা কৰিবলৈ এডাল লাখুটিৰো দৰকাৰ হ'ল।

চাওঁতে চাওঁতে আকবৰী বিশ বছৰীয়া হ'ল। ৰমজান আলিৰ চকুৰ টোপনি নোহোৱা হ'ল। তাইৰ বিয়াৰ বাবে দৰা বিচাৰোতে তেওঁৰ জোতা ফাটি গ'ল। দৰা নোপোৱাও নহয়। কাৰোবাৰ ঘৰৰ অৱস্থা বেয়া বা ল'ৰাটো উপাৰ্জ্জনহীন। এলেহুৱা। কোনোবা অৱস্থাসম্পন্ন হ'লেও ধনীয়ে আগতে হাত কৰি লৈছিল।

অৱশেষত বহুত চোৱাচিতা কৰাৰ পাছত ল'ৰা এজন ঠিক হ'ল। ল'ৰাজন কোনোবা উকিল এজনৰ মুঞ্চি। আকবৰীৰ বিয়া হৈ গ'ল। কিন্তু একমাত্ৰ জীয়েক বুলি অতি আড়ম্বৰপূৰ্ণ ভাৱে হোৱা বিয়াৰ খৰচত তেওঁ একেবাৰে কঙাল হৈ পৰিল। ইফালে অৱসৰলৈও মাত্ৰ এটা বছৰহে বাকী আছিল। ধাৰৰ বোজাই তেওঁক অবশ কৰি পেলাইছিল। ছোৱালী বিয়া দি তেওঁ ভাবিছিল, যেই নহওক এই গধূৰ দায়িত্ব আৰু কৰ্তব্যৰ পৰা তেওঁ অব্যাহতি পালে। মনত এটাই মাথো স্বপ্ন আছিল যে অৱসৰৰ পাছত তেওঁ 'হজ' কৰিবলৈ যাব। কিন্তু অৰ্থনৈতিক হেঁচাত তেওঁ স্থবীৰপ্ৰায় হৈ পৰিছিল।

ছোৱালী বিয়া দিয়াটো একপ্ৰকাৰ জুৱা খেলাৰ দৰে। কোনেও ক'ব নোৱাৰে যে পৰিণতি কি হ'বগৈ। জোঁৱাইৰ স্বভাৱ-চৰিত্ৰ ভাল হ'লে লগতে পৰিয়ালৰ অন্যান্য সদস্য সকলো যদি মৰমীয়াল আৰু সৎস্বভাৱৰ হয় তেন্তে ছোৱালীজনীয়ে স্বচ্ছলভাৱে আৰু সুখে-শান্তিৰে সংসাৰ তৰিব। ইয়াত সন্দেহ কৰিবলগীয়া নাই। কিন্তু সেয়ে নহ'লে ছোৱালীজনী দুখত পৰাৰ আশংকা থাকে।

আকবৰী বৰ দুখত পৰিল। কাৰণ তাইৰ শাহুৱেক আছিল অত্যাচাৰী, নিৰ্দয়া। দিনৰ দিনটো তাই কামতেই বন্দী হৈ থাকিব লাগে। তথাপি সেয়াও সহ্য কৰিব পাৰি। কিন্তু সমস্যা হ'ল দুবছৰ পাছতো আকবৰীৰ কোনো সন্তান নুপজিল। তাৰ বাবে দোষ জাপি দিলে তাইৰ ওপৰতে। তাই বন্ধ্যা বুলি শাহুৱেকে দোষাৰূপ কৰি গালিগঞ্জনাৰ উপৰিও কথাই প্ৰতি দোষ ধৰি শাৰীৰিক নিৰ্য্যাতনো দিবলৈ ধৰিলে। বন্ধ্যা যে পুৰুষো হ'ব পাৰে মুৰ্খলোকে সেয়া কেনেকৈ জানে ? সেই ধাৰণা কাচিৎ হ'লেও মাক হৈ মানি লব নোখোজে।

অত্যাচাৰৰ সীমা বেছি হোৱাত এদিন আকবৰী কান্দি-কাটি আহি বাপেকক ক'লেহি— "মোৰ শাহুৱে পুতেকৰ দ্বিতীয় বিবাহৰ বাবে কথা বতৰা চলাইছে। কৈছে মই হেনো বন্ধ্যা।"

ৰমজান আলিৰ মূৰত যেন বিজুলী পৰিল। চকুৰে অন্ধকাৰ দেখিলে। তেওঁ জীয়েকৰ শহুৰেকৰ ঘৰলৈ গ'ল। তাইৰ শাহুৱেকক হাতযোৰ কৰি ক'লে— "আল্লাৰ দোহাই , তুমি এনে নকৰিবা। মোৰ ছোৱালীৰ ক'তো ঠাই নোহোৱা হ'ব। মই তাইৰ চিকিৎসা কৰাম। আমাৰ প্ৰতি সদয় হোৱা।"

শাহুৱেক গৰজি উঠিল। "গছত ফল দিয়া গছহে ৰোৱে। তুমি বাজী ছোৱালী মোৰ ল'ৰাৰ হাতত সমৰ্পন কৰি আমাক ঠগিলা। মই অন্য বোৱাৰী আনিম আৰু তোমাৰ ছোৱালীক তালাক দিয়াম।"

জোঁৱায়েক নিৰব। কাৰণ মাকে তাৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰি ৰাখিছিল। মাকৰ আদেশ মনা সকলো পুত্ৰৰে কৰ্তব্য। ছোৱালী যিমান বিচাৰে পোৱা যাব কিন্তু মাকক বাৰে বাৰে পোৱা নাযায়। মাকে কোৱা অনুসৰি সি বিয়াও কৰিব আৰু তালাকো দি দিব আৰু তালাক দিয়াতোতো কোনো কঠিন কাম নহয়। মাথো তিনিবাৰ জিভা লৰাবহে লাগে। বন্ধ্যানো কি কৰিবলৈ লাগিছে ? সি যিহেতু পুৰুষ। তাৰ অধিকাৰ আছে এজনীক তালাক দি আন এজনীক অনাৰ।

উপায়হীন হৈ ৰমজান আলীয়ে ডাক্তৰৰ শৰণাপন্ন হ'ল। কিন্তু ডাক্তৰী ৰিপৰ্টত প্ৰমাণ পালে যে আকবৰীৰ কোনো গণ্ডগোল নাই। তাইৰ সন্তান জন্ম দিব পৰা সকলোখিনি গুণেই আছে। ৰমজানে ডাক্তৰী ৰিপৰ্ট হাতত ললে। কিন্তু সমাজেতো সন্তান জন্ম দিব পৰা দায়িত্ব কেৱল নাৰীৰ ওপৰতে ন্যস্ত

কৰে। ডাক্তৰে যিয়েই নকওক বদনাম কেৱল ৰমজানৰ জীয়েকৰহে হ'ব। তেওঁ এই চিন্তাতে বিমূঢ় হৈ আছিল। এনেতে তেওঁৰ বন্ধু জলীল মিঞাই উপদেশ দিলে যে মস্তান শ্বাহৰ 'দৰগাহ'লৈ গৈ 'মজাৰ'ত চাদৰ দান কৰিলে ডাঙৰ ডাঙৰ আকাংখাও পূৰণ হয়। যিমানেই দামী চাদৰ হ'ব সিমান সোনকালে আশাপূৰ্ণ হ'ব।

ৰমজান আলী দুধোৰ-মোধোৰত পৰিল। এনেকুৱা কথা তেওঁ বিশ্বাস নকৰে। কিন্তু পানীত ডুবা মানুহে খেৰ কুটাকে আশ্ৰয় লয়। জীয়েকৰ বিয়াত তেওঁৰ অৱস্থা ভিক্ষাৰীৰ দৰে হ'ল। এনেকুৱা অৱস্থাত তেওঁ দামী চাদৰ দান কৰিবলৈ পইচা ক'ত পায় ?

ৰমজান আলীয়ে পইচা ধাৰলৈ লৈ বজাৰলৈ গ'ল। 'যিমান দামী চাদৰ হ'ব সিমান সোনকালে ইচ্ছাপূৰ্ণ হ'ব।' তেওঁ মনতে কথাষাৰ আওৰালে। ৰেচমৰ চাদৰ এখন তেওঁ আঠশ টকাত কিনিলে। পইচা হিচাপ কৰোতে তেওঁৰ কলিজা যেন বাহিৰ হৈ যাব এনে লাগিল। কিন্তু জীয়েকৰ জীৱনৰ প্ৰশ্ন। এই জুৱাখেলৰ আৰু এক বাজী তেওঁ লগাই দিলে।

'জুমেৰাত'ৰ আবেলি তেওঁ চাদৰখন মোনাত ভৰাই দৰগাহৰ ফালে যাবলৈ ধৰিলে। সেইজীয়া ৰঙৰ মিনাৰে বন্ধোৱা কলসী দূৰৈৰ পৰাই তেওঁ প্ৰত্যক্ষ কৰিলে। দৰগাহলৈ প্ৰৱেশ কৰা বাটৰ দুয়োকাষে মিঠাই, ফুল আৰু চাদৰৰ দোকান আছিল আৰু সেইবোৰৰ বেছিভাগতে গ্ৰাহকৰ ভীৰ আছিল। এই বস্তুবোৰ গ্ৰাহকে কিনি মজাৰত উচ্ছৰ্গা কৰিছিল আৰু সেই একে বস্তুবোৰ পিছৰ গলিয়েদি পুনৰ দোকানলৈ আহিছিল আকৌ বিক্ৰী কৰিবৰ বাবে। এই ক্ষেত্ৰত মস্তান শ্বাহো সন্তুষ্ট, মোজাবিৰ (পুৰোহিত) সন্তুষ্ট আৰু দোকানীও সন্তুষ্ট।

পুৰুষ-মহিলা, ডেকা-বুঢ়া আৰু ল'ৰা-ছোৱালীবোৰ দৰগাহৰ গেটৰ ফালে গৈ আছিল। পইচা থকাবোৰে তেওঁলোকৰ দামী চিক্‌মিকাই থকা চাদৰ লৈ কাৱালী গীত বাজনা গোৱা দলৰ লগত গৈ আছিল। দৰগাহৰ আশে পাশে লেঙেৰা আৰু শকট-আবট ভিক্ষাৰীবোৰৰ জুম আছিল। জুমেৰাতৰ সময়ত ভীৰ বেছি হয়। এখন মেলাৰ দৰে হয়। কাৱালীৰ গীত, মহিলা আৰু ল'ৰা-ছোৱালীৰ চিঞঁৰ-বাখৰ, দোকানী আৰু গ্ৰাহকৰ হৈ হাল্লাই সেই স্থানত এক উৎসৱ মুখৰ পৰিৱেশ বিৰাজ কৰিছে। গেটত ৰখা এটা বাকচত পাঁচ টকা দিব লগা হ'ল। এয়া দীপকৰ বাবে লাগে। ইফালে ভিতৰত অত্যন্ত ভীৰ, আগৰবাতী, গোলাপ ফুল আৰু ঘামৰ গোন্ধত বাতাবৰণ গধূৰ হৈ পৰিছিল।

মজাৰলৈকে যাওঁতে তিনি ঠাইত তিনিটা বাকচত পাঁচ টকাকৈ দিবলগা হ'ল। কাৰণ এই ঠাইবোৰত মস্তান শ্বাহে বহি হুকা খায়। সজ্জাদে চাহাব উপস্থিত থকাৰ বাবে সেইদিনা ভীৰ আৰু বেছি হৈছিল। ৰুক্ষ শুকুলা চুলিৰে অত্যন্ত শকট-আবট মানুহ তেওঁ। দহ-বিশ জন মানুহ তেওঁৰ আগে পাছে গৈ আছিল। মানুহে তেওঁৰ হাতত চুমা খাবলৈ উথপ্ থপ্ লগাই ছিল। সজ্জাদ চাহাবৰ এক দৃষ্টি পৰিলেই মানুহ চমকি উঠে। তেওঁৰ চকুযোৰ ৰঙা হৈ থাকে। মানুহে কয় তেওঁ হেনো গোটেই ৰাতি অধ্যয়ন কৰে। সেইবাবে দিনত শুৱে। যেতিয়াই তেওঁ বাহিৰলৈ আহে গাত এখন ৰেছমৰ চাদৰ লৈ আহে। ডিঙিত সোণৰ চেইন আৰু আঙুলিত জলমলাই থকা হীৰাৰ আঙুঠিয়ে তেওঁৰ গাম্ভীৰ্য বৃদ্ধি কৰে। এবাৰ হেনো কোনোবা এটা ৰাজনৈতিক পাৰ্টিয়ে তেওঁক বিধান সভা পদৰ বাবে প্ৰাৰ্থীত্ব দিছিল। মুখমণ্ডলত ডাঙৰ ডাঙৰ মোছ থকা তেওঁৰ চকুত চকুথৈ কথা কোৱা মানুহ সেই অঞ্চলত দ্বিতীয় এজন নাছিলেই। শুনা যায় তেওঁ বোলে ঐশ্বৰিক গুণসম্পন্ন আছিল। এবাৰ এজন কাৱালী গায়কৰ মাত নোহোৱা হৈছিল। সজ্জাদ চাহাবে তাৰ মুখত থুৱাই দিলত তাৰ গলা ঠিক হৈ গ'ল।

সজ্জাদে চাহাব উপস্থিত হোৱাৰ কিছুসময়ৰ পাছত ভীৰ কম হোৱাত ৰমজান আলী মজাৰৰ ওচৰ চাপিল। মজাৰৰ চাৰিওফালে মোজাবিৰে ময়ূৰৰ পংখা চলাই আছিল। ধূপৰ ধোঁৱাই ঠাইখন ধূসৰিত হৈ আছিল। মানুহবোৰে চাদৰ আৰু মিঠাই অৰ্পন কৰিছিল। তেওঁলোকৰ ভিতৰত অধিকাংশই ফটা কাপোৰ পৰিধান কৰিছিল।





মুহূৰ্তৰ বাবে ৰমজান আলীয়ে ভাবিলে যে আমি জীৱিত লোকক ভোকত মাৰো আৰু তেওঁলোকৰ শৰীৰৰ পৰা কাপোৰবোৰ কাঢ়ি আনো। মৃতসকলৰ বাবে জাকতজিলিকা অট্টালিকা বনাওঁ , মৰিশালিত চাদৰ উচৰ্গা কৰো আৰু মিঠাই অৰ্পন কৰো।

মজাৰৰ ওচৰত পুৰুষতকৈ মহিলা আৰু যুৱতীৰ সংখ্যা অধিক আছিল। মোজাবিৰে (পুৰুহিত) বাৰে বাৰে "য়া মস্তান" বুলি চিঞৰি উঠিছিল।

কিয় জানো ৰমজান আলীয়ে হাতত চাদৰ লৈ থিয় দি কিবা ভাবি আছিল। হঠাতে তেওঁ সচকিত হ'ল। তেওঁৰ এনে লাগিল যেন ডাঙৰ মোজাবিৰ (মুখ্যপুৰুহিত) যিজনে শ্ৰদ্ধালুসকলৰ পৰা চাদৰ আৰু মিঠাই লৈ মজাৰত উচৰ্গা কৰিছিল, তেওঁৰ ফালে চাই আছে। কিন্তু দৰাচলতে তেওঁৰ ৰঙা চকুযোৰে তেওঁৰ কাষত থিয় দি থকা তন্বী, সুন্দৰী ছোৱালীজনীলৈহে একেৰাহে চাই আছিল। ছোৱালীজনী ৰমজানৰ কাষতেই লাজে-সংকোচে থিয় দি আছিল।


ৰমজান আলীয়ে দেখিলে ছোৱালীজনীৰ চকুত গভীৰ দুখ। তাই বৰ দুখীয়া আছিল। তাই পিন্ধা কাপোৰ ফটা আছিল। কুৰটাটো ইমানেই ফটা আছিল যে তাইৰ শৰীৰৰ ঠাই বিশেষ উন্মুক্ত হৈ দেখা দিছিল। দুপাট্টাখনেৰে শৰীৰটো ঢাকিবলৈ তাই অসফল চেষ্টা কৰিছিল। মোজাবিৰৰ তীক্ষ্ণ চকুৰ বাণে তাইক থকাসৰকা কৰিছিল। ৰমজান আলীয়ে তাইক সুধিয়েই পেলালে—"কি হ'ল বেটী ?"

"বৰদান পাবলৈ আহিছো বাবা।" তাই ক'লে। তোমাৰ দুখ কি ? ৰমজানে সুধিলে। তাই ক'লে "দুবছৰৰ আগতে মোৰ বিয়া হৈছিল। এতিয়ালৈকে সন্তান নহ'ল। মিঞাঁই কৈছে যে মই বন্ধ্যা। গতিকে মোক তালাক দিম বুলি কৈছে। ঘৰৰ পৰাও খেদাই দিলে। বুঢ়ী মাৰ ওচৰত হাড়মাল হৈছো। শুনিছো চাদৰ উচৰ্গিলে দুখ দূৰ হয়। নিজে ফটা কাপোৰ পিন্ধিব লগা হৈছে। চাদৰ ক'ৰপৰা আনো ? ডাঙৰ পুৰোহিতে ক'লে বোলে সজ্জাদে চাহাবে জুমেৰাতৰ ৰাতি দুখীনীসকলক নিজৰ আস্থানলৈ মাতি বিশেষভাৱে আশীৰ্বাদ দিয়ে। এনেকৈ চাদৰ উচৰ্গা নকৰিলেও বোলে মোৰাদ পূৰণ হয়। কিন্তু চাদৰ যেতিয়া আনিছো তাকে উচৰ্গা কৰিয়েই বৰদান ল'বলৈ ক'লে।

ৰমজান আলীয়ে পুনৰ মোজাবিৰৰ চকুলৈ চালে। সেই একেই বাসনাৰ জীঘাংসু দৃষ্টি। অহৰহ সেই দৃষ্টি ছোৱালীজনীৰ জীৰ্ন-ছিন্ন বস্ত্ৰ ভেদি প্ৰকাশিত গোটৰ কলেবৰত নিবদ্ধ। ৰমজান আলী খণ্ডত কঁপি উঠিল আৰু তেওঁ আগবাঢ়ি আহি নিজৰ চাদৰখন ছোৱালীজনীৰ শৰীৰত মেৰাই দিলে। মোজাবিৰ আৰু ছোৱালীজনীয়ে তেওঁক আশ্চৰ্যচকিত ভাবে চাই ৰ'ল। ৰমজানে ছোৱালীজনীৰ হাতত ধৰি দৰগাহৰ বাহিৰলৈ আনি ক'লে "ঘৰলৈ যা মাজনী। ইয়ালৈ অহাতো তোৰ ঠিক হোৱা নাই।" ছোৱালীজনীয়ে বিমূঢ় বিমুগ্ধ হৈ ক'লে 'এই চাদৰখন তুমি ....।' তেওঁ তাইক বাধা দি ক'লে " হয় বেটী, আজি মই চাদৰ উচৰ্গাও কৰিলে আৰু হজো কৰিলো।"

ৰমজান আলীয়ে জেপৰ পৰা আকবৰীৰ ডাক্তৰী ৰিপৰ্ট উলিয়ালে আৰু সত্য আৰু ন্যায় যুদ্ধত প্ৰবৃত্ত হৈ নিজৰ অধিকাৰ সাব্যস্ত কৰিবলৈ উকিলৰ ঘৰ অভিমুখে ৰাওনা হ'ল।

# নিয়তিৰ বিধান



নৱদীপা বৰগোহাঁই
স্নাতক ২য় বৰ্ষ

অফিচৰ পৰা মনীষা সোনকালে ওলাই আহিল। জুন মাহৰ আগ বেলা তীব্ৰ ৰ'দৰ ফলত আকাশখন গোমা হৈ পৰিছে। অফিচৰ পৰা ওলাই তাই মেইনৰোডত ভৰি দিওঁতেই বৰষুণজাক ডাঙৰ-ডাঙৰ টোপালেৰে পৰিবলৈ আৰম্ভ কৰিলে। সদায় লগত সাক্ষী স্বৰূপে অনা ছাতিটো মেলি ল'লে। বতৰটো দেখি মনীষাৰ খং উঠি গ'ল। কাৰণ অলপ আগতে ফৰকাল হৈ ৰ'দ ওলোৱা বতৰটো হঠাতে বেয়া কৰি দিলে। বাৰিষা বতৰৰ কাৰণে টিংটিঙিয়া ৰ'দ দি থকা বতৰটো হঠাৎ বৰষুণ আৰু বৰষুণৰ অলপ পাছতে ৰ'দ। বাৰিষাৰ বতৰৰ দৰে তাইৰ মনৰ ৰং হঠাৎ আজি সলনি হৈছে। হঠাৎ যেন শান্ত সাগৰত জোঁৱাৰ উঠিছে। এই জোঁৱাৰ আনন্দ, হতাশা নে আশাংক্ষাৰ এই মুহূৰ্তত তাই একো ভাবি পোৱা নাই। বাটতে সমীক লগ পাই তাইৰো ভাল লাগিছে। এক প্ৰকাৰে কিছু ইতস্ততঃ বোধ জাগিছে। কিমান দিনৰ মূৰত যে তাই লগ পাইছে সমীক। মনীষাৰ আঙুলি মূৰত গণি চাবৰ মন গ'ল শেষ সাক্ষাতৰ কথা।

এৰা তাইৰ স্পষ্ট মনত আছে। সেয়া এম. এ. পঢ়ি থকা সময়ৰ কথা। সেইদিনা তাই কিমান দুখ মনেৰে ঘৰলৈ গুচি আহিছিল এম. এ. কম্‌প্লিট নকৰাকৈ। এৰা সমীক হেৰুৱাৰ বেদনাতে তাই অতি দুখ মনেৰে ঘৰলৈ গুচি আহিছিল। সমীয়ে তাইক বহুতো কাকৌ-কাকূতি কৰিছিল, কিন্তু তাই নিজৰ আকোঁৰগোজ স্বভাৱটোৰ কাৰণে তাৰ অভিমান আৰু চকু পানীয়ে হয়তো তাইৰ অন্তৰ গলাব পৰা নাছিল। আজি হঠাতে সমীক বাটত লগ পাই অতীতৰ স্মৃতি সকলো মানসপটত ভাঁহি উঠিছে।

গড়গাঁও কলেজৰ পৰা অসমীয়া বিভাগত মেজৰসহ ভালধৰণে নম্বৰ পাই তাই বি. এ. কম্‌প্লিট কৰিয়েই বিশ্ববিদ্যালয়ত এম. এ. পঢ়াৰ ইচ্ছাত তাই গুৱাহাটী পাইছিলগৈ। মনত অলেখ ৰঙীন স্বপ্ন। এম. এ. কম্‌প্লিট কৰি কোনোবা কলেজৰ ভাল প্ৰবক্তা হ'ব ইত্যাদি ইত্যাদি....। কলেজৰ বহু বন্ধু-বান্ধৱীৰ লগত চিনাকি হোৱাৰ দৰে সমীৰ লগতো চিনাকি হৈছিল। দুয়ো একে বিভাগৰ ছাত্ৰ-ছাত্ৰী কাৰণে সিহঁতৰ মাজত চা-চিনাকি হোৱাৰ পাছত বন্ধুলৈ পৰিণত হ'ল।

সেয়াই আৰম্ভণি। ক্ৰমশঃ দিন যোৱাৰ লগে লগে সিহঁতৰ অন্তৰংগতা বাঢ়ি আহিল আৰু পিছলৈ সিহঁতৰ মাজত সকলো ধৰণৰ কথা-বতৰা আলোচনা হ'বলৈ ধৰিলে। মাজে মাজে সিহঁতৰ তৰ্ক যুদ্ধও হয়, আকৌ ক্ষন্তেক পিছতে প্ৰেমৰ কথা বতৰা হয়। সিহঁত দুয়োটাই কেণ্টিন, ইউনিভাৰচিটিৰ কৃষ্ণচূড়া গছৰ তলত ঘণ্টা-ঘণ্টা জুৰি কথা পাতিবলৈ ধৰিলে। এনেকৈ কথা-বতৰা পতাৰ ফলত মনীষাই সম্পূৰ্ণৰূপে সমীক ভাল পাই পেলালে। সমী মানে সমীৰণ বৰুৱা।

কালিলৈ চৈধ্য ফেব্ৰুৱাৰী, ভেলেণ্টাইন-ডে। তাই জানে সেইদিনা প্ৰেমিক-প্ৰেমিকাৰ প্ৰেম বিনিময়ৰ দিন। সেই কাৰণে মনীষাই সমীক দিবলৈ এখন ধুনীয়া কাৰ্ড আৰু ৰঙা গোলাপৰ থোপা এটা কিনি আনিছে। সমীৰেও সেইদিনা আবেলি 'মেঘালী ৰেষ্টুৰেণ্ট'ত এটা গ্ৰেণ্ডপাৰ্টী দিম বুলি তাইক কথা দিছে। মনীষাই প্ৰায় ভাবিয়েই লৈছে যে সমীয়ে কালিলৈ তাইক প্ৰেমৰ প্ৰস্তাৱ দিব। মনীষাই নিশা বচা-বচা আখৰেৰে কাৰ্ডখনত সুন্দৰকৈ কেইটামান শাৰী লিখিলে। পিছদিনা আবেলি মনীষাই কাৰ্ড আৰু ফুলৰ থোপাটো লৈ হোষ্টেলৰ পৰা ওলাই 'মেঘালী ৰেষ্টুৰেণ্ট'ৰ ফালে খোজ দিওঁতেই সমী তাইৰ দৃষ্টিগোচৰ হ'ল। দুয়োটাই ৰেষ্টুৰেণ্টৰ ভিতৰত বহিলগৈ। দুয়োটাই কথা বতৰা পতাৰ পিছত গ্ৰেণ্ড পাৰ্টী দিয়াৰ কাৰণটো শুনি মনীষাৰ মূৰটো আচন্দ্ৰাই কৰি হঠাৎ পৰি যোৱাৰ যেন অৱস্থা হৈছিল। কাৰণ আজি ৰাতিপুৱা সমীয়ে চন্দনাক ভালপোৱাৰ প্ৰস্তাৱ দি বিজয়ী হৈ আহিছে। তাই যেন হতভম্ব হৈ পৰিল। তাই সমীক দিবলৈ নিয়া কাৰ্ড আৰু ফুলৰ থোপাটোৰ কথা মনত পৰি চকুপানী ওলাই আহিছিল। কিন্তু সমীয়ে কেনেবাকৈ দেখে বুলি তাই অতি সাৱধানেৰে চকুপানীখিনি মচি সিহঁতৰ ভৱিষ্যত জীৱন উজ্জ্বল হওঁক বুলি কৈ তাই হোষ্টেললৈ আহিল। ৰূমলৈ আহিয়েই তাই বিচনা, কিতাপ-পত্ৰ জাপিবলৈ ধৰিলে। লগৰ বোৰে বহুতো বাধা দিয়া সত্ত্বেও তাই দেউতাকৰ ডাঙৰ অসুখ হৈছে বুলি কৈ যাবলৈ আহিল। ঘৰত মাক-দেউতাক, ককায়েকে সোধোতে তাই এম. এ. নপঢ়ো বুলি ক'লে। যদিও তাইৰ মনটোৱে সদায়ে সমীকে বিচাৰে।

এনেকৈ য়ে দিনবোৰ পাৰ হৈ গৈছিল। লাহে লাহে পৰিৱেশ আৰু পৰিস্থিতিৰ লগত সহজ হৈ আহিছিল তাই। সমীৰ স'তে কটোৱা মুহূৰ্তবোৰ, তাৰ স'তে হোৱা প্ৰেমৰ কথা, মনীষাই এটা দুঃস্বপ্নৰ দৰে পাহৰি যাবলৈ যত্ন কৰিছিল। মাক-দেউতাক আৰু ককায়েকৰ বুজনিত তাই আকৌ গুৱাহাটীত জাৰ্ণেলিজিমৰ এবছৰীয়া কৰ্ছ কৰিবৰ কাৰণে গ'ল। কৰ্ছটো শেষ কৰিয়েই মনীষাই 'খবৰ' নামৰ কাকতখনত যোগ দিছিল ষ্টাফ ৰিপৰ্টাৰ হিচাপে। ইয়াত কাম কৰি থাকোতে চিনাকি হৈছিল ষ্টাফ ৰিপৰ্টাৰ অংকুৰ বৰাৰ লগত। এদিন দুয়োটাই ৰিপৰ্ট কৰিবলৈ যাওঁতে অংকুৰে তাইক প্ৰেমৰ প্ৰস্তাৱ দিছিল। অংকুৰৰ প্ৰস্তাৱক মনীষাই না কৰিব নোৱাৰিছিল। কাৰণ অংকুৰ ভাল ল'ৰা আৰু দুয়োৰে কথা মতে সিহঁতৰ মাজত এদিন 'ৰিং চিৰিমণি' হৈ গৈছিল।

বিয়ালৈ মাত্ৰ দুমাহ বাকী। তেনেকুৱাতে ঘটিল ঘটনাটো। ষ্টাফ ৰিপৰ্টাৰ অংকুৰ ৰৰাই যুগুত কৰা 'তেল চুৰি কেলেংকাৰী' শীৰ্ষক বাতৰিটো প্ৰচাৰ হোৱাৰ কাৰণে অংকুৰক হত্যাৰ ভাবুকি আহিল, অন্যথা বাতৰিটো সম্পূৰ্ণ ভুল বুলি স্বীকাৰোক্তি দিবলৈ কোৱা হ'ল। কিন্তু সম্পূৰ্ণ সত্য আৰু নিষ্ঠাৰে পৰিপূৰ্ণ কাকত খনত ভুল বুলি স্বীকাৰোক্তি দিবলৈ গ'লে কাকতখনৰ মৰ্যাদা হেৰুৱাৰ ভয়ত সম্পাদক তথা প্ৰকাশক সীমান্ত শইকীয়া আৰু অংকুৰ বৰাই সত্য বুলি প্ৰমাণিত তথ্য দিবলৈ চেষ্টা কৰি আছে। অফিচত এই বিষয়টো লৈ আলোচনা কৰি থাকোতে হঠাতে দুজন অচিনাকি যুৱকে অংকুৰক বাহিৰত লগ কৰিবলৈ অহাত সি গেটৰ বাহিৰলৈ ওলাই যাওঁতে যুৱক দুজনে গুলিয়াই আঁতৰি যায়। গুলীৰ শব্দ শুনি সম্পাদক সীমান্ত শইকীয়া আৰু একজিকিউটিভ মনীষাই বাহিৰলৈ আহি অংকুৰক তেজেৰে তুমৰলি হৈ ৰাস্তাত পৰি থকা দেখা পালে। মনীষাৰ মগজুৱে একো কাম নকৰা হৈ পৰিল। আকাশখন যেন ভাগি পৰিব খুজিছে তাইৰ মূৰৰ ওপৰত আৰু তলৰ পৃথিৱীখন যেন চক্ৰকাৰে ঘূৰিব ধৰিছে।

মনীষাই ভাবি নেপাই ভগৱান কিয় বাৰু ইমান নিৰ্দয় তাইৰ বাবে ? এদিন সমীক বিচাৰিছিল তাইৰ অন্তৰেৰে তাকো কাঢ়ি নিলে তাইৰ পৰা আৰু আজি তাইৰ শেষ সমল অংকুৰকো ...। তথাপি ক্ষান্ত হোৱা নাই নিয়তি তাইৰ

বাবে। জীৱনৰ শেষ পৰ্যন্তলৈ চাব বিচাৰিছে তাইৰ অগ্নি পৰীক্ষা। অংকুৰৰ শ্ৰাদ্ধ শেষ হৈ যোৱা আজি দুমাহ হৈছে। হঠাতে মনীষাক বিচাৰি অফিচত সমী ওলালহি। অফিচত মনীষা নথকাৰ বাবে অফিচৰ মানুহে সমীক ঘৰত থৈ গ'লহি। মনীষাৰ লগত সমীয়ে বহুতো কথা-বতৰা পতাৰ পিছত চন্দনাই কেনেদৰে সমীক এৰি গুচি গ'ল সকলোবিলাক পাতি যাবলৈ ওলাল যদিও মনীষাৰ আগত এটা প্ৰশ্ন আছে বুলি কৈ গুচি গ'ল। মনীষাই একো তৎ ধৰিব নোৱাৰিলে।

এদিন আবেলি মনীষাই অংকুৰৰ মৃত্যুক এটা দুঃস্বপ্ন বুলি ভাবি বহি আছিল। হঠাৎ সমী আহি পিছফালৰ পৰা মতাতহে তাইৰ ভাৱনাৰ যতি পৰিল। সমীয়ে তাইৰ লগত ইটো-সিটো কথা পতাৰ পিছত ভাবিব নোৱাৰা কথাষাৰে তাইৰ মনত সাঁচ বহুৱালে। পাৰিবনে তাই সমীৰ লগত সংসাৰৰ মায়া জালত আৱদ্ধ হ'বলৈ ? পাৰিবনে তাই ছিগা সূতা ডাল পুনৰ জোৰা দিবলৈ ? তাই জীৱনটোক সমীৰ লগত নকৈ গঢ় দিবলৈ পাৰিবনে ? সমীৰ হাতত তাইৰ ভৱিষ্যতটো তুলি দিবনে ? লগে লগে মনীষাৰ মনত অলেখ প্ৰশ্নই আগুৰি ধৰিলে। হঠাৎ সমীৰ মাতত তাই শুই থকাৰ পৰা সাৰ পোৱা মানুহৰ দৰে হ'ল। সমীয়ে তাইক বেলেগ এদিন উত্তৰ দিব লাগিব বুলি কৈ গুচি গ'ল।

জীৱনৰ বাটত ঘাট-প্ৰতিঘাট, সুখ-দুখ, হাঁহি-কান্দোন সকলোবোৰকে প্ৰত্যাহ্বান জনাবলৈ তাই বহুতো ভাবিলে আৰু সীমান্ত শইকীয়াৰ কথাত তাই সমীক সহাঁৰি জনালে। আজি অলপ আগতে গোমা হৈ পৰা বিশাল আকাশখন এতিয়া একেবাৰে ফৰকাল হৈ পৰিছে। হয়তু মনীষাৰ মনৰ দৰে। কি মায়া এই বিশাল আকাশখনৰ ! সমীক সাৰটি ধৰি মনীষাই উপলব্ধি কৰিলে মানুহৰ জীৱনত যেন একোৰে শেষ নাই। জীৱনৰ যুঁজত কোনোবা হাৰিছে, আন কোনোবা জিকিছে। তাৰ পাছতে হয়তু জিকাজন হাৰিছে আৰু হৰাজন জিকিছে। জীৱনৰ এয়াই পৰম্পৰা। এয়াই নিয়ম .....। ※

## জানিবলগীয়া

১) কোন দেশৰ পতাকাত ডালিম ফুল সন্নিবিষ্ট হৈছে ?
২) আৰ্টেমিছ কোন দেশৰ দেৱী ?
৩) ধৰ্মযুদ্ধত সক্ৰিয় অংশগ্ৰহণ কৰা ইংলেণ্ডৰ ৰজাজন কোন ?
৪) অলিম্পিক খেল এখনত চেমি ফাইনেলৰ জখলাত উঠা প্ৰথম ভাৰতীয় মহিলা গৰাকী কোন ?
৫) কি চৰায়ে নিজৰ ডিঙিটো একেফালে ২৭০° ডিগ্ৰী কোণ কৰি ঘূৰাবলৈ সক্ষম ?

উত্তৰঃ-
১) স্পেইন।
২) প্ৰাচীন গ্ৰীচ।
৩) প্ৰথম ৰিচাৰ্ড।
৪) চাইনি আব্ৰাহাম
৫) ফেঁচা।





# আঁউসীৰ জোন

পৰাগজ্যোতি মহন্ত
স্নাতক ১ম বৰ্ষ (কলা শাখা)

ৰাতিপুৱা সাত বজাত অৰ্ণবে শুৱা বিচনা এৰিলে। সি তাৰ কোঠাৰ পূব দিশত থকা খিৰিকিখন খুলি দিয়াৰ লগে লগে জাৰকালিৰ এচেৰেঙা কোমল ৰ'দালিয়ে অনায়েসে কোঠাৰ ভিতৰলৈ সোমাই কিছু সজীৱতা কঢ়িয়াই আনিলে। বাহিৰৰ আকাশখনলৈ তাৰ দৃষ্টি প্ৰসাৰিত হ'ল। উদিত সূৰ্যটো এটা জ্বলন্ত বিজুলী চাঁকিৰ দৰেহে লাগিছিল। কুঁৱলীৰ আৱৰণে তেতিয়াও চৌদিশ আৱৰি ৰাখিছিল। পূৱাকাশৰ উদিত আদিত্যই ৰাঙলী আভাৰে পৃথিৱীখন ৰক্তিমোজ্জ্বল কৰি তুলিবলৈ কৰা চেষ্টাক শুভ্ৰ কুঁৱলীজাকে সামান্য পৰিমাণে বাধা নিক্ষেপ কৰিছে। অৰ্ণবহঁতৰ পদুলিৰ ওখ অৰ্জুনজোপাত পশ্চিম দিশৰ পৰা দুটা হাঁইঠা চৰাই ঝপ্‌কৈ পৰিল। তাৰ পৰা সৰি পৰা নিয়ৰৰ টোপালবোৰ পৰি তলৰ ধূলিবোৰ সেমেকাই তুলিলে।

সি টুথব্ৰাছডালত অলপ পেষ্ট লগাই পিছফালৰ কেঁচা বাথৰুমটোত সোমাল। হঠাৎ পদুলিৰ জপনাৰ কাষত চাইকেলৰ টিলিঙৰ শব্দ শুনি সি ততালিকে তাৰ পালেগৈ। পিয়নজনে টেলিগ্ৰাম এখন দি গুচি গ'ল। খামটোৰ ওপৰত ৰেজিষ্টাৰ কৰি ডাঙৰ আৰু স্পষ্টকৈ তাৰ নামটো লিখা আছে। সি সেই খন লৈ ৰুমত সোমাল। সি আলফুলে খামটো খুলিব ধৰোতে তাৰ হাত দুখন এক অবুজ কাৰণত শিহঁৰিত হৈছিল। সি পঢ়িব ধৰিলে। এয়া, এয়া কি ? তালৈ এটা ভাল খবৰ আহিছে। ভাল খবৰ মানে ....। সি এতিয়া কি কৰিব ক'লৈ যাব একো ভাবিব পৰা নাই। খবৰটো প্ৰথমতে কাক দিব। তাৰ মগজুৰ পৰা যেন এটা গধূৰ চিন্তা নিমিষতে আঁতৰি গ'ল।

শিৱসাগৰ জিলাৰ মৰাণজান নামৰ গাঁৱৰ এটা সৰু দৰিদ্ৰ পৰিয়ালৰ সন্তান অৰ্ণব। সিহঁতৰ পাঁচজনীয়া পৰিয়ালটোত মাক-দেউতাক, ভনীয়েক অংকিতা, ভায়েক অম্লান আৰু সি। ভনীয়েক স্থানীয় হাইস্কুলখনৰ দশম শ্ৰেণীত আৰু অম্লান নৱম শ্ৰেণীত দেউতাক এজন প্ৰাথমিক পৰ্যায়ৰ অৱসৰ প্ৰাপ্ত প্ৰধান শিক্ষক। দৰিদ্ৰতাই গ্ৰাস কৰা ঘৰখনৰ খেতিমাটি বুলিবলৈ তেনেই তাকৰ। তাৰেই একাংশ কাষেদি বৈ যোৱা টিফুক নদীখনৰ বানে উটাই নিয়ে। দেউতাকৰ অৱসৰৰ পেঞ্চনৰ সামান্য টকাৰে ঘৰখন চলোৱাৰ উপৰিও অংকিতা আৰু অম্লানক পঢ়াইছে আৰু তাক ইংৰাজী অনাৰ্চসহ স্নাতক ডিগ্ৰী লাভ কৰালে। তেওঁ অতি আদৰ্শবান আৰু কৰ্তব্যনিষ্ঠা ব্যক্তি আছিল।

অৰ্ণবে এতিয়া টিউচন কৰে। তাৰ টিউচনৰ পৰা পোৱা টকাৰে নিজৰ খৰছ-পাতি যোগাৰ কৰাৰ লগতে অম্লান আৰু অংকিতাৰ দুই-এটা পঢ়া অভাৱ পূৰণ কৰে। অৰ্ণবে ভাবিছিল সিহঁতৰ জীৱনৰ পৰা আন্ধাৰৰ কলীয়া ডাৱৰ আঁতৰাই এচমকা জোনাকৰ আলোকৰ সন্ধান কৰিব পাৰি। এই কথা ভাবি ৰাতি কেতিয়াবা তেওঁৰ টোপনি নাহিছিল। মাক-দেউতাকেও তাকে লৈ মনতে কল্পনাৰ কাৰেঙ সাজে। অৰ্ণবে এটা চাকৰি কৰি ঘৰখনলৈ সুখৰ বাৰ্তা কঢ়িয়াই আনক। সেই অনুপাতে সিও মাক-দেউতাকৰ সপোন বাস্তৱত ৰূপায়িত কৰিবলৈ চেষ্টাৰ ত্ৰুটি কৰা নাই। বহুতো ঘূৰা-ফূৰা কৰিলে, হাইস্কুলৰ ইণ্টাৰভিউ দিলে ; পাছ কৰিলে, কিন্তু তাৰ কোনো খবৰেই পোৱা নাই।

আজিকালিৰ চাকৰিৰ বজাৰত চাকৰিৰ মূল্য সি নজনা নহয়। তথাপিও প্ৰত্যেক শিক্ষিত যুৱকৰ দৰে তাৰো এই অভিলাষ নথকা নহয়। চাকৰি কিনিবলৈ তাৰ হাতত টকা নাই। টকা নহ'লে ব্যৱসায়েই বা কৰে কেনেকৈ। ধনীঘৰৰ ল'ৰাৰ বাবেহে চাকৰি কৰাৰ যোগ্যতা


আছে। তেওঁলোকে বহুত দাম দি হ'লেও চাকৰি কিনিব পাৰে। তাৰ দৰে মেধাবী নিবনুৱাৰ কোনো গুৰুত্বই নাই যেন সি অনুভৱ কৰে।

অৰ্ণবৰ কলেজীয়া দিনৰ স্মৃতিবোৰ তাৰ মানসপটত ভাহিবলৈ ধৰিলে। কিমান যে মধুৰ আছিল সেই দিনবোৰ। নিশাশ্ৰী, পাপুল, সৌমিত্ৰ, সন্ধ্যালীহঁতৰ কথা সি কেতিয়াও পাহৰিব নোৱাৰে। কিমানযে হাঁহি ধেমালিৰে পাৰ কৰিছিল অফ্ পিৰিয়দৰ সময়বোৰ। লগৰ সৌমিত্ৰই দেউতাকৰ অ.এন.জি.চিৰ চাকৰিটোকে পালে। অৰুণে মৰাণ কলেজত সোমাল। কিন্তু সি এনেকৈয়ে ৰ'ব লগা হ'ল।

আজি হঠাৎ পিয়নজনে দি যোৱা টেলিগ্ৰামখনৰ খবৰটোৱে তাৰ সকলো টেনচন মুক্ত কৰি দিলে। সি বিশ্ৰামপুৰ হাইস্কুলত নিযুক্তি পাইছে। তাক নিযুক্তি পত্ৰ আনিবলৈ মাতি পঠিয়াইছে। তাৰ এনে লাগিল যেন সমস্ত দুখৰ গধূৰ বোজাবোৰ নিমিষতে পাতল হ'ল। সি এটা চাকৰি পাইছে। সি ভাবিলে চাকৰিৰ শুকান পথাৰতো যে এই চাকৰিটো পাইছে এইটো বাৰু কম সৌভাগ্যৰ কথানে ? সি প্ৰথম দৰমহাৰে মাক-দেউতাকক কি দিব ? অংকিতা আৰু অম্লানক ....।

---

# ভগ্নময় জীৱন



প্ৰশান্ত লিকচন
স্নাতক ১ম বৰ্ষ (কলা শাখা)

বেৰৰ ঘড়ীটোৱে ন-বজাৰ সংকেত দিলে। ঘড়ীটোৰ সংকেত পাই সাৰ পাই গ'লো। ভাইটি আৰু ভণ্টী দুয়ো মোৰ কাষতে শুই আছে। মোৰ কাষতে শুই থকা মা দেখোন নাই। মোৰ ভয় লাগি গ'ল। ভৰিৰ পৰা মূৰলৈকে কঁপি উঠিল। ইমান ৰাতি মা বাৰু ক'লৈ গ'ল মই বিচনাৰ পৰা নামি চাঁকিটো জ্বলাই লাহে লাহে বাহিৰলৈ গ'লো। মা বাহিৰৰ বাৰাণ্ডাতে লেপেকি কাঢ়ি বহি আছে। মই ভয় ভয় মাতেৰে মাত লগালো। মা ইমান ৰাতি হ'ল শুবলৈ যোৱা নাই যে, তাতে ইমান পুহ মহীয়া ঠাণ্ডাত কি কৰি আছা বহি ? "দেউতাৰা অহা নাই অ" মাৰ চমু উত্তৰ। কথাখিনি শুনি আচৰিত হ'লো। ঘড়ীটোলৈ চালো ৰাতি চাৰে-ন বাজিছে। ইমান ৰাতিলৈকে অহা নাই। উৎকণ্ঠা দমাব নোৱাৰি মাক প্ৰশ্ন কৰিলো। "মা, দেউতা ক'লৈ গৈছে কৈ যোৱা নাই নেকি ?" "নাই যোৱা, কলৈ যাব আৰু আজি মঙ্গলবাৰ নহয় বজাৰলৈ গৈছে। বাবাৰ পিছে পিছে গৈ থাকোতেই মানুহজনৰ জীৱনটো শেষহৈ গ'ল। ৰাতিপুৱা ভাত নোখোৱাকৈ ওলাই গৈছে। ৰাতি সদায় মদ খাই ৰাস্তাৰ এমূৰৰ পৰা মাক-দেউতাকৰ সম্পত্তি লাগে বুলি চিঞৰি আহে। দিনে দিনে মানুহজন দুৰ্বল হৈ গৈছে। এনেদৰে থাকিলে আৰু কিমান দিন জীয়াই থাকিব বাৰু ? মই কিমান বুজাও একো গুৰুত্ব নিদিয়ে। তই এইবাৰ বুজাই থৈ যাবিচোন। এনেদৰে তেওঁ নিজৰ সন্মানবোৰ হেৰুৱাই পেলাইছে। মায়ে একেৰাহে কথাখিনি কৈ গ'ল। মায়ে সুবিধা পালেই এনেবোৰ কথা মোক কয়। মাৰ স্বাস্থ্য দিনে দিনে ভাগি পৰিছে। ৰাতিপুৱা আঠ বজাত বাগানলৈ ওলাই যায় আৰু গধূলি চাৰি বজাত ঘূৰি আহি ঘৰৰ কাম-বনবোৰ কৰি ভাগৰি পৰে। আকৌ দেউতা অহালৈ বাট চাই থাকে। এতিয়া মাৰ ওপৰত মানুহজনৰ সমস্ত বোজা। সংসাৰৰ সৰু-বৰ অশান্তিবোৰ তেওঁৰ মনত আবৃষ্ট হৈ থাকে।

দেউতাৰ কথা ক'বলৈ গ'লে মই অলপ থমকি ৰ'ব লগা হয়। মই জনা হোৱাৰে পৰা অৰ্থাৎ মানুহক চিনি পোৱাৰে পৰা দেউতাক মই দুটা ৰূপত দেখিবলৈ পাওঁ। প্ৰথমটো হ'ল মদ খাই আহি দদৌহঁতৰ মাটিৰ লগত কাজিয়া কৰা। আনটো হ'ল মাৰ লগত কাজিয়া কৰি মাক মাৰ-পিত কৰা। ক'বলৈ গ'লে মই দেউতাৰ আভ্যন্তৰীণ দিশটো মাজলৈ সোমাবই নোৱাৰো। কিন্তু দেউতাৰ গোলাপী নিচাত কিছুমান কথা মাজেৰে তেওঁৰ আভ্যন্তৰীণ ৰূপটো প্ৰকাশ কৰিবলৈ চেষ্টা কৰে। দেউতাৰ সেই কথাবোৰ গুৰুত্ব নিদিয়া দৰে। মই মনে মনে শুনি থাকো। পাছত সেইবোৰ বিশ্লেষণ কৰি তাৰ মাজত মই তেওঁক সন্ধান কৰো। সামান্য হ'লেও মই তেওঁক বিচাৰি পাওঁ। কিন্তু দেউতাই মদ খাই ঘৰ সোমালেহি মই একো বুজাব নোৱাৰো। যেতিয়া দেউতাই মদ খাই আহে মায়ে গালি পাৰে। সেই পৰ্ব আৰম্ভ হোৱাৰ লগে লগে মই অন্য এটা ৰুমত সোমাই মনে মনে শুনি থাকো। অথচ দেউতাক মই একো ক'ব নোৱাৰো।

এই বাৰ আকৌ ঘড়ীটোলৈ চালো। ৰাতি দহ বাজিল। ঘড়ীটোৰ পৰা দৃষ্টি ঘূৰাই আনি কাষৰ বিচনাখনলৈ লক্ষ্য কৰিলো। বিচনাখনত একমাত্ৰ ভাইটি আৰু ভণ্টী গভীৰ প্ৰশান্তিৰে শুই আছে। পৃথিৱীৰ কোনো সমস্যাই সিহঁতে ভগাই লব পৰাকৈ সিহঁতৰ বয়স হোৱা নাই। ভাইটি আৰু ভণ্টীৰ পৰা চিন্তাবোৰ আঁতৰাই দেউতাৰ লগত সাঙুৰিলো। দেউতা বাৰু এতিয়া ক'ত থাকিব পাৰে। এতিয়ালৈকেতো বজাৰ বহি নাথাকে। কাৰ ঘৰত থাকিব পাৰে। আজিও তেওঁৰ সুস্থিৰে অহা লক্ষণ নাই। কথাটো ভাবি এক অজান ভয়ত কঁপি উঠিলো। দেউতাৰ এই ৰূপটো মোৰ বাবে বৰ অসহ্য। বিশেষকৈ বিহুৰ দিনকেইটাত আমাৰ মনবোৰ এক অজান ভয়ত বিষন্ন হৈ পৰে। মায়ে মৌনতাৰ দ্বাৰাই মনৰ বিষন্নতাক যেনেদৰে প্ৰকাশ কৰে, মই মোৰ বিষন্নতাখিনি কেতিয়াও প্ৰকাশ কৰিব নোৱাৰো। বিহুৰ দিনকেইটাত দেউতাৰ মদৰ নিচাত ভাৰসাম্যহীনতা শৰীৰৰ কথাবোৰ ভাবিলে আমাৰ মনবোৰ মৰি যায়। কেতিয়া কোন সময়ত বিপদে লগ লয় কোনে জানে। এইবোৰ কাৰণতে আমাৰ জীৱনৰ পৰা শান্তি নোহোৱা হ'ল। কিন্তু মই সদায় হাঁহিৰ ঢাকনিৰে দুখবোৰ ঢাকি ৰাখো। কেতিয়াবা ভাবো দেউতাই কিয় মদ খায়। অনুমান কৰো জীৱন সংগ্ৰামত ভাগৰি পৰি অথবা অভ্যাসবশত তেওঁ বস্তুবিধ সেৱন কৰে। কেতিয়াবা আইতাই কয় "তোৰ দেউতাই অষ্টম শ্ৰেণীত পঢ়ি থকাৰে পৰা মদ খাইছিল। বিহু-সংক্ৰান্তিয়ে লগৰ বোৰৰ লগত মদ খায়।" আইতাৰ কথাবোৰ শুনি খং উঠিছিল। তেতিয়াই যদি দেউতাক শাসন কৰিলেহেঁতেন। তেতিয়া দেউতাৰ এনে অৱস্থা নহ'লহেঁতেন। দেউতাই অষ্টম শ্ৰেণীৰ পৰাই পঢ়াৰ সমাপ্ত কৰিলে।

ঃ ধুনু, টোপনি গলি নেকি ? বহু সময় নিৰৱতাৰ পাছত মায়ে মাত লগালে।

ঃ নাই যোৱা কিয় সুধিলি ?

ঃ ইমান মনে মনে আছ' যে ?

ঃ মই কথা কেইটামান ভাবিছো। মোৰ এইকেইদিন মেচত থাকিবলৈ বৰ অসুবিধা হৈছে। ঘৰলৈকে গুচি আহিম নেকি ? ঘৰৰ পৰাই ক্লাচবোৰ কৰিমগৈ। তই সেইবোৰ কথা কিয় চিন্তা কৰিছ ? মই জীয়াই থকালৈকে এইবোৰ কথা চিন্তা নকৰিবি। ভীক্ষা কৰি হ'লেও পঢ়োৱাম। দেউতাৰকো চিন্তাৰ চূড়ান্ত বিষয় হিচাপে নলবি। মাথো এটা কথাই প্ৰত্যাহ্বান হিচাপে লবি যে এতিয়া পোৱা সংঘাতবোৰক ভৱিষ্যতে সুখেৰে ভৰাই তুলিবি। মাৰ কথাবোৰ একান্তমনে শুনি গ'লো। মাৰ উৎসাহ পূৰ্ণ কথাবোৰ শুনিলে মনটো সাহসে ভুমুকি মাৰে। কিমান যে সৰল মোৰ মা জনী। জীৱন সংগ্ৰামত প্ৰৱল ধুমুহাইও যাৰ দৃঢ় মনটো স্পৰ্শ কৰিব পৰা নাই। কেতিয়াবা মোৰ অভাৱবোৰ লুকুৱাই ৰাখি জীৱন সংগ্ৰামত নামি পৰিবলৈ মন যায়। প্ৰতিজ্ঞা কৰো জীৱনত মা-দেউতাৰ সকলো সপোন বাস্তৱত ৰূপায়িত কৰিম। অপেক্ষা কৰিছো সময় আৰু সুযোগলৈ।


সময়বোৰ এঘাৰবজাৰ লক্ষ্যলৈ গৈ আছে। এটা উত্তেজনাপূৰ্ণ মন লৈ মায়ে বাৰে বাৰে দুৱাৰখন খুলি খুলি বাহিৰলৈ চাই আছে। জানোচা দেউতাৰ মাত শুনে। আনহাতে অশান্ত মন লৈ মই এখন চকীত কুচি-মুচি বহি আছো। হঠাৎ সন্মুখৰ টেবুলখনত পুৰণা আলোচনী এখনলৈ চকু পৰিল। তাত লিখা আছে ডাঙৰ ডাঙৰ আখৰেৰে "জীয়াই থাকিবলৈ হ'লে জীৱন সংগ্ৰাম কৰিব লাগিব"। সঁচাকৈ আমাৰ নিচিনা দৰিদ্ৰবোৰে জীৱন সংগ্ৰাম কৰিব লাগিব। 'ধুন' দেউতা আহিছে হ'বলা বলচোন ওলাই যাওঁ। বাহিৰত কাৰোবাৰ মাত শুনি দেউতাৰ অহাৰ অনুমান কৰিছে। আমি দুয়োটাই বাহিৰলৈ ওলাই গ'লো। সঁচাকৈ দেউতা আহিছে। মই ভয় কৰা সেই অসহ্য ৰূপটোতে আহিছে। লগত দদৌ সম্বন্ধীয় দুজন মানুহ। এজনে চাইকেলখন ঠেলি আনিছে। দদৌ দুজনে চোতালৰ পৰাই মাক উদ্দেশ্য কৰি ক'লে "বোৱাৰী আমি ইয়াক থবলৈ আহিলো। এওঁৰ এনে অৱস্থা দেখি বেয়া লাগিল। আমি দুয়োটাই পৰি থকা পাই লৈ আনিছো।" মায়ে একো কোৱা নাই। মোৰ তৎক্ষণাত খং উঠিল। দেউতাক থবলৈ অহা দদৌ দুজনক উদ্দেশ্য কৰি ক'লো "আপোনালোকে কিয় ইমান কষ্ট কৰিলে, তেনেকৈয়ে আহিব দিব লাগিছিল। শৰীৰৰ ভাৰসাম্য ৰক্ষা কৰিব নোৱাৰাকৈ নেখালেও হয়।" তেতিয়া দদৌ দুজনে প্ৰতিবাদ কৰি ক'লে, "ভাইটি কিয় তেনেকৈ কৈছা ? এওঁ কমকৈ খায়। কিন্তু দুৰ্বল কাৰণেহে অলপতে ৰাগি লাগে। সেইবুলি আমি এওঁক এৰি দিব নোৱাৰো নহয়।" দেউতাই ঢলং-পলংকৈ বাৰাণ্ডালৈ উঠি আহি মাক বিভিন্ন অশ্লীল ভাষাৰে গালি পাৰিবলৈ ধৰিলে। মই সকলো কথা নিৰবে শুনি আছিলো। হঠাতে মায়ে মোক হতবাক কৰি ভিতৰলৈ টানি আনিলে আৰু দুৱাৰখন বন্ধ কৰি দিলে। তাৰ পিছত মায়ে চিঞৰি চিঞৰি বিলাপ কৰিবলৈ ধৰিলে। আপুনি ভিতৰত নোসোমাব। আপুনি ঘৰখনত জুই লগাইছে। আপুনি আমাৰ মূৰ খালে। ল'ৰা-ছোৱালীক আপুনি কি শিক্ষা দিব। ইহঁতে কেনেকৈ সমাজৰ আগত মুখ উলিয়াব। সকলোৱে ঠাট্টা কৰিব। মদাহীৰ জীয়েক, মদাহীৰ পুতেক বুলি হাঁ ..... হাঁ ....। মায়ে পাগলীৰ দৰে মাটিত ঢলি পৰিল। মই চিঞৰি উঠিলো মা—। তাৰ পিছত দুৱাৰত ঢকিওৱাৰ শব্দ আৰু মাত ককাইদেউ দুৱাৰ খোলক, ককাইদেউ, বিচনাত বহি ভাইটি আৰু ভণ্টীয়ে শিল পৰা কপৌৰ দৰে আমালৈ চাই আছিল।





# স্মৃতি বিৰহৰ বেদনা

পাপৰী চুতীয়া
স্নাতক ২য় বৰ্ষ



"অপু তোৰ নতুন খবৰ কি ক' ছোন ?" অপুৰে বুজি পালে এই নতুন খবৰৰ অৰ্থ। সি অৰ্থপূৰ্ণ হাঁহি এটা মাৰি ক'লে খবৰ। কিনো খবৰ এই চব। ইটচ্ এ পাৰ্ট অব লাইফ , আহি থাকে গৈ থাকে। কেইদিনমানৰ আগতে শ্বিলঙৰ এজনী গুৱাহাটীত লগ পালো। মাহীয়েকৰ ঘৰলৈ ফুৰিবলৈ আহিছিল। তাতে লগ পাই চিনাকি হ'লো আৰু মাজে মাজে লগ কৰি ফুৰিবলৈ যাওঁ। বাকী খিনি জানই নহয়। তেতিয়া নিশ্চুপ হৈ বহি থকা পাৰ্থই মাত লগালে তই বাৰু প্ৰেমৰ নামত খেলা কৰি ভাল পাৱ নহয় জানো। তেতিয়া অপুৰে এটা তাচ্ছিল্যপূৰ্ণ হাঁহি মাৰি পাৰ্থক ক'লে, মই বাৰু খেলা কৰি ভাল পাওঁ, পিছে তই এই প্ৰেমক লৈ মূৰ ঘমাই মৰিছ কিয় ? এবাৰ ভালকৈ ভাবি চা। তই বাৰু গোটেই জীৱনটো পৰীৰ স্মৃতিকে বুকুত বান্ধি পাৰ কৰি দিবি নেকি ? বাদ দে পাৰ্থ তোৰ এই স্মৃতি। অতীত সদায় অতীতেই। সম্পূৰ্ণ তাচ্ছিল্যভৰা সুৰত অপুৰে ক'লে।

হোটেলৰ ভিতৰচ'ৰা অপুৰ চিগাৰেটৰ ধোঁৱাই আবৰি ধৰিছে। তাৰ মাজতেই পাৰ্থই পুনৰ অতীতক ক'ত আছে সোধাত প্ৰথমতে সি ক'বলৈ টান পাইছিল যদিও পিছত নিজে মাতিব লগা হৈছিল। প্ৰায় পাঁচ মিনিট মানৰ পাছত উৎপলহঁত আহি পাৰ্থৰ লগত বহিলহি। পাৰ্থৰ মুখত কিবা এটা যেন চিন্তাৰ চাপ দেখা পাই ভাস্কৰে সুধিলে "তোৰ কিবা হৈছে নেকি ?" পাৰ্থই কিবা এটা ক'ব খুজিও ৰৈ গ'ল পৰীৰ কথা।

সেই সময়তে হোটেলৰ সন্মুখত বাইক এখন ৰ'লহি। সিহঁতে বাহিৰলৈ চাই দেখিলে যে অপুৰে বাইকখন ষ্টেণ্ড কৰি ভিতৰলৈ সোমাই আহিছে। আৰে অপু ? কেতিয়া আহিলি ? অপুক দেখি সিহঁতে সুধিলে। অলপ আগেয়ে আহি পায়েই ওলাই আহিছো। অপুৰে সিহঁতৰ লগত বহিলহি। পংকজে চাহৰ অৰ্ডাৰ দিলে। চাহ কাপ হাতত লৈ উৎপলে সুধিলে,

'ময়ূৰ তৃষ্ণা' হোটেলৰ এটা চুকত পাৰ্থ বহি আছে। হাতত জ্বলি শেষ হ'বলৈ ধৰিছে চাৰমিনাৰ চিগাৰেটটো। সি আজি অকলশৰে বহো বুলি ভাবি পংকজ, ভাস্কৰ আৰু উৎপললৈ ফোন কৰা নাই। ইফালে ইহঁতে পাৰ্থক বিচাৰি নাপাই ফোন কৰিলে। অলপ সময় ৰিং হোৱাৰ পাছত পাৰ্থই ম'বাইলটো উলিয়াই ৰিচিভ কৰিলে। সিহঁতে তাক

ৰোমন্থন কৰি ক'লে যে সি সপোনতো ভবা নাছিল যে তাৰ প্ৰেমলৈ ইমান সোনকালে বিষাদৰ ক'লা ডাৱৰ নামি আহিব। পাৰ্থই হায়াৰ ছেকেণ্ডেৰী পাছ কৰি কলেজত এডমিশ্বন ল'লে। তাতে পৰী লহকৰ নামৰ খুব সহজ-সৰল ছোৱালী এজনীৰ লগত চিনাকি হ'ল। তাই আছিল যথেষ্ট সম্ভ্ৰান্ত ঘৰৰ আৰু পাৰ্থ আছিল অতি সাধাৰণ ঘৰৰ, তথাপিতো সিহঁতৰ মাজত ভাল বন্ধুত্ব গঢ়ি উঠিছিল আৰু পাছত এই বন্ধুত্বই গভীৰ প্ৰেমলৈ পৰিণত হ'ল। সিহঁতে ইজনে-সিজনক নেদেখাকৈ থাকিব নোৱাৰা হ'ল। দুদিনমান পৰী কলেজলৈ নহাত পাৰ্থ পৰীৰ ঘৰলৈ গৈছিল। সেই সময়তে পৰীৰ দেউতাক অফিচৰ পৰা আহি পাৰ্থৰ লগত পৰীক কথা পাতি থকা দেখি পাৰ্থৰ ওপৰত খং কৰি তাক সকিয়াই দিলে যে পৰীৰ লগত কোনো দিনেই নেদেখে যেন। পাৰ্থই লাজে-অপমানে পৰীৰ পৰা বিদায় ল'লে। তাৰ দুদিনমানৰ পাছত হঠাতে পৰীৰ পৰা এখন চিঠি পাই তাইক লগ কৰিবলৈ গৈছিল। পৰীয়ে পাৰ্থক লগ পাই ঘৰৰ সকলো কথা আৰু তাইৰ বিয়া থিক কৰাৰ কথা পাৰ্থক জনালে। দেউতাকে পৰী আৰু পাৰ্থৰ মাজৰ সম্পৰ্কটো গম পাই তাইক এজন সম্ভ্ৰান্ত ঘৰৰ ল'ৰাৰ লগত বিয়াৰ ঠিক কৰিছে। কিন্তু তাই পাৰ্থক এৰি আনৰ লগত বিয়া হ'ব বিচৰা নাই। পাৰ্থই তাইৰ মনৰ কথা বুজিব পাৰি তাৰ নিজৰ আৰ্থিক দুৰৱস্থাৰ বিষয়ে বুজাই ক'লে আৰু তাইক যে বিয়া কৰি সি সকলো ফালৰ পৰা সুখত ৰাখিব নোৱাৰিব সেই কথা বুজাই তাইক দেউতাকৰ কথামতে বিয়াত বহিবলৈ ক'লে। লগতে পৰীৰ যুগ্ম জীৱন যেন সুখৰ হয় তাৰে শুভেচ্ছা দি তাইৰ পৰা বিদায় ল'লে। তাৰ পাছত তাইও ঘৰলৈ গৈ এই সকলো কথা ভাবি কান্দি-কান্দি ভাগৰি পৰিছিল। নিৰুপায় হৈ পৰীয়ে দেউতাকৰ কথামতে এদিন বেলেগ এখন ঘৰলৈ গুচি গৈছিল। তাই যেন পাৰ্থৰ অবিহনে সুখী হ'ব পৰা নাছিল নতুন আপোনজনৰ লগত। নিজৰ স্বামীয়ে তাইৰ কথা বুজিবলৈ চেষ্টা কৰা নাছিল আৰু তাই সদায় মানুহজনৰ পৰা শাৰীৰিক উৎপীড়ন তথা যৌন নিৰ্যাতনৰ বলি হ'ব লগা হৈছিল। পৰীয়ে এই সকলো যন্ত্ৰনাৰ পৰা মুক্তি পাবলৈ অৱশেষত আত্মহত্যা কৰিলে। ইফালে পাৰ্থই পৰীক পাহৰিব পৰা নাছিল। হঠাতে পৰীৰ আত্মহত্যাৰ কথা শুনি ভাগি পৰিছিল আৰু সেইদিনাৰ পৰাই পৰীৰ স্মৃতি মনত লৈ আৰু এমুঠি বিৰহৰ বেদনা বুকুত কঢ়িয়াই লৈ ফুৰিছে। ❀

### জানানে ?

১) প্ৰথম প্ৰতিযোগিতামূলক ক্ৰিকেট কেতিয়াৰ পৰা আৰম্ভ হয় ?

২) বিশ্বকাপ ক্ৰিকেটত প্ৰথম হেট্ৰিক কৰা ক্ৰিকেটাৰ গৰাকীৰ নাম কি ?

৩) কি গছৰ কাঠেৰে ক্ৰিকেট বেট প্ৰস্তুত কৰা হয় ?

৪) কম্পিউটাৰত প্ৰথম প্ৰগেমাৰ কোন ?

উত্তৰঃ-

১) ১৮০০ চনত।

২) পাকিস্থানৰ জালালউদ্দিন।

৩) উইলো।

৪) লেডি অডা লাভিলেচ।





# দোমোজা

ভবেন গগৈ

স্নাতক ২য় বৰ্ষ

বিচনাখনতে বহি নিলয় দুৱৰাই ভাবিবলৈ ধৰিছে, তেওঁ কি কৰিছে আৰু সেই পথ শুদ্ধ নে ? বৰ্ণালী নিলয় দুৱৰাৰ পত্নী। বৰ্ণালীয়ে আলনাডালৰ কাপোৰবোৰ জাপি জাপি নিলয়ক কৈছে "আপুনিনো এইদৰে প্ৰতিটো মুহূৰ্ত কি চিন্তা কৰি থাকে।" তেতিয়া নিলয়ে হুমুনিয়াকাঢ়ি বৰ্ণালীক কয় "এইবোৰ বহু কথা, জীৱনত পোৱা নোপোৱা কিছুমান কথা সোঁৱৰাইছো।" বৰ্ণালীয়ে তেওঁৰ কাষলৈ আহি কৈছে চাওঁক যিবোৰ হৈ গ'ল তাকে চিন্তা কৰি জানো কিবা লাভ হ'ব ? এতিয়া ভৱিষ্যতৰ কথা চিন্তা কৰি কিবা এটা কৰক। আমি গাঁৱৰ ঘৰলৈকে গ'লে কেনে হয় ? তাত মা-দেউতাহঁতে অকলশৰে থাকিবলগীয়া হোৱাটো বৰ কষ্টকৰ হৈছে ছাগৈ। আপুনিটো শিক্ষিত লোক গতিকে চাকৰি এটা যোগাৰ কৰি লওক। চাকৰিটো হ'লে আমি সুখেৰে থাকিব পাৰিম। বৰ্ণালীয়ে কথাবোৰ কৈ শেষ কৰিবলৈ নৌ পাওঁতেই নিলয়ে ক'লে "চাকৰি! চাকৰি শব্দটো শুনিলেই মোৰ মূৰটো গৰম হৈ যায়। চাকৰি কৰিবলৈ গৈয়ে আজি মোৰ এই অৱস্থা হৈছে। মোক মা-দেউতাই কিমান কষ্টেৰে পঢ়ালে-শুনালে, পিছে চাকৰি বিচাৰি অফিচে-অফিচে গৈ গৈ আমনি লাগিল অৱশেষত বুজিলো এইদৰে ঘূৰি-ফুৰি একো লাভ নাই। কাৰণ আজিৰ যুগত আমাৰ দৰে দুখীয়া নিবনুৱাই চাকৰি নেপায়। চাকৰি কৰিবলৈ হ'লে হাতত ধন লাগিব। কাৰণ চাকৰি দিবলৈ হ'লে ল'ৰাজনে বা ছোৱালীজনীয়ে কেনেদৰে পৰীক্ষাত পাছ কৰি আহিছে সেইযো নাচায়, চাব মাথো ল'ৰাজনে বা ছোৱালীজনীয়ে চাকৰিৰ বিনিময়ত কিমান টকা দিব ? সেইবাবে এনেকুৱা এটা প্ৰথাক ধ্বংস কৰিবলৈ এটা পথ বাছি লৈছিলো।" বৰ্ণালীয়ে আচৰিত হৈ সুধিলে "কি পথ বাচি লৈছিলনো ? তাৰ পাছত কি হ'ল ?" নিলয়ে ক'লে "সেইবোৰ এতিয়া বাদ দিয়া, সেইবোৰ বহু কথা"। কিন্তু বৰ্ণালীয়ে জোৰকৰি কৈছে মোক বিয়া কৰোৱা আজি আঠমাহ হ'ল কিন্তু আপুনি কি কৰে, কি নকৰে, ক'লৈ যায় আদি মোক একো কথাই নকয়। আজি কিন্তু মোক সকলোবোৰ কথা ক'ব লাগিব। নিলয়ে কিছুসময় তলমূৰ কৰি ক'লে "শুনা তেন্তে, তাৰ পিছত মই উগ্ৰপন্থী দলত যোগদান কৰিলো।" "কি আপুনি উগ্ৰপন্থী" বৰ্ণালীয়ে ক'লে। "নাই নহয় আগতে আছিলো এতিয়া নহয়। এতিয়া মই সংগঠনৰ বিৰোধী। মই সংগঠনত থকা সময়ত সংগঠনৰ হৈ অশেষ কষ্ট কৰি সাত বছৰে বহু কাম কৰিছিলো। কিন্তু যিটো উদ্দেশ্য লৈ সংগঠনত যোগ দিছিলো সেই উদ্দেশ্য সিদ্ধি কৰিব নোৱাৰিলো।" "আপুনি কি উদ্দেশ্য লৈ গৈছিলনো ?" "কিয়, ইতিমধ্যেই মই দেখোন কৈ আহিছো। আজি সমাজত যি অৱস্থা হৈছে ধনীয়ে দুখীয়াক শোষণ, বলীয়ে নিৰ্বলীক দমন এই সকলোবোৰ শেষ কৰি এখন নিকা সমাজ গঢ়াৰ উদ্দেশ্যত গৈছিলো।" বৰ্ণালীয়ে সুধিলে "পিছে আপুনিনো তেন্তে কিয় আত্মসমৰ্পণ কৰিলে ?" "সেইটোৱেইটো আজি মোৰ এনে অৱস্থা হোৱাৰ মূল কাৰণ। মই যদিও এটা মহৎ উদ্দেশ্যক লৈ সংগঠনত যোগ দিছিলো সেই উদ্দেশ্য সফল কৰিব নোৱাৰিলো। সংগঠনত যোগ দিয়াৰ পিছত মই মূল উদ্দেশ্যৰ পৰা ফালৰিকাটি গৈ অৱশেষত চৰকাৰে আত্মসংস্থাপন দিয়া লোভ দেখুৱাত আত্মসমৰ্পণ কৰি এটা সংগঠনক বিশ্বাসঘাটকতা কৰিলো। কিন্তু এতিয়া মই উপলব্ধি কৰিছো চৰকাৰৰ কেইটামান টকাৰ কাৰণে মই বৰ ভুল কৰিলো। কেৱল সেইয়াই নহয়, চৰকাৰে এতিয়া মোক সংগঠনৰ বিৰুদ্ধে কিছুমান কামত লগাইছে, মই এতিয়া বৰ বিমূৰত পৰিছো। মই এতিয়া চৰকাৰকো এৰিব নোৱাৰা হ'লো ইফালে সংগঠনকো এৰিব নোৱাৰা হ'লো। যদি চৰকাৰৰ ফলীয়া হৈ পুলিচৰ লগত কাম কৰিবলৈ যাওঁ মোক জানো সংগঠনে ক্ষমা কৰি দিব ? কেতিয়াও নিদিয়ে।" বৰ্ণালীয়ে ক'লে "তেতিয়া হ'লে আপুনি এইদৰে থাকিলে পিছলৈ বেছিহে বিপদ হ'ব। গতিকে আমি গাঁৱলৈকে যোৱাটোৱেই ভাল হ'ব।"

এনেতে বাহিৰৰ পৰা কোনোবাই দুৱাৰত ঢকিয়াই দুৱাৰ খোল বুলি মাত দিলে। বৰ্ণালীয়ে কথাটো বুজিব পৰা নাছিল, নিলয়ে কিন্তু বুজি পাইছিল, সি ম'বাইলটো হাতত তুলিলৈ ক'ৰবালৈ ফোন কৰিবলৈ লৈছে। নিলয়ে বুজিব পাৰিছিল আজি তাৰ চৰম বিপদ হ'ব পাৰে। ❀

# শেষ সিদ্ধান্ত



খঞ্জন বৰুৱা
উঃ মাঃ ২য় বৰ্ষ

আঘোন মাহৰ কোনোবা এটা আবেলি। সূৰ্যটোৱে ধৰাৰ বুকুৰ পৰা বিদায় লবলৈ ক্ষন্তেক সময় ৰৈ আছে মাথোন। পল্লৱে বেলি ডুব যোৱাৰ দৃশ্যটো চাই বৰ ভাল পায়। সি প্ৰায়েই সূৰ্য অস্ত যোৱাৰ দৃশ্যটো উপভোগ কৰে। এইবাৰ সি স্নাতক দ্বিতীয় বৰ্ষৰ পৰীক্ষা দিলেহেঁতেন। কিন্তু পৰীক্ষালৈ তিনিমাহ মান থাকোতে তাৰ জীৱনত ঘটি যোৱা এটা ঘটনাই তাৰ লগতে ঘৰৰ সকলোৰে সপোন দিঠকত পৰিণত হ'বলৈ নিদিলে। সি তাৰ জীৱনৰ সকলোখিনি হেৰুৱাবলগীয়া হ'ল। পল্লৱ চিৰদিনৰ বাবে পঙ্গু হৈ গ'ল আৰু ইয়াৰ লগে লগে তাৰ মুখত মাত নাইকীয়া হ'ল আৰু লগতে স্মৃতি শক্তিও লোপ পালে। আজিকালি সি একো ক'বও নোৱাৰে আৰু কোনোবাই কিবা ক'লেও একো বুজি নাপায়। ঘৰত তাৰ মাকেই তাক শুশ্ৰূষা কৰি থাকে।

কলেজৰ প্ৰথম দিন। নবাগত সকলৰ ভিৰ লাগি আছিল সকলোৰে মনত ভয় আৰু উৎকণ্ঠাই গভীৰভাৱে দোলা দি আছিল। পল্লৱে লগৰ বন্ধু কেইজন মানৰ লগত সিহঁতৰ ৰুমত বহি আছিল আৰু হাঁহি-ধেমালি কৰি আছিল। হঠাতে সকলোৰে চকু পৰিল এজনী ধুনীয়া ছোৱালীৰ ওপৰত। দেখাত মিঠা বৰণীয়া আৰু মৰমীয়াল। পল্লৱৰ চিনাকি হ'বলৈ মন গ'ল। সি তাৰ লগত বহি থকা সঞ্জয়, নিলয়, অজিত, চাহিল আৰু পৰাগক তাৰ মনৰ কথা ক'লে যে সি ছোৱালীজনীৰ লগত চিনাকি হ'বলৈ বিচাৰিছে। অজিতে ঘপহকৈ ক'লে, "কিহে মইনা, অত বছৰে কিমান ছোৱালী দেখিলি তথাপি চিনাকি হ'বলৈ লাজ লাগিছিল। আজিহে এইজনীৰ লগত চিনাকি হ'বলৈ মন গ'লনে। কথাটোনো কি মই একো বুজি পোৱা নাই দেই"। পল্লৱে কেৰাহিকৈ অজিতলৈ চালে। সেইসময়ত পল্লৱহঁতৰ লগৰ বান্ধৱী ৰিয়া, সন্ধ্যা, বন্দনা আৰু ময়ূৰী সিহঁতৰ ওচৰলৈ আহিল। সিহঁতক অহা দেখি সঞ্জয়ে আগতেই মাত লগালে, "বুজিছা ৰিয়া, সন্ধ্যা আজি পল্লৱে ডাঙৰ কাণ্ড এটা কৰিবলৈ ওলাইছে। তাক শুভেচ্ছা নজনোৱা নেকি ?" সকলোৱে কৌতুহলেৰে পল্লৱৰ মুখলৈ চাবলৈ ধৰিলে। "বুজি পোৱা নাই নহয় ? ই আজি ছোৱালী এজনীৰ লগত চিনাকি হ'বলৈ ওলাইছে। তোমালোকে সহায় কৰি নিদিয়া নেকি ?" —চাহিলে ক'লে। তাৰ কথা শেষ হোৱাৰ লগে লগে সকলোৱে হাঁহিবলৈ ধৰিলে। তাৰ কথা কোৱাৰ ৰূপটো দেখি। বন্দনাই সুধিলে, "কোনলো সেই ৰূপহী জনী ? আমাৰ বন্ধুৰ মন ভোলোৱা জনী"। পৰাগে সেই ছোৱালীজনীৰ ফালে আঙুলিৰে দেখুৱালে। ময়ূৰীয়ে মই মাতি আনো দেই বুলি মাতি আনিবলৈ গ'ল সন্ধ্যাক লগত লৈ। অলপ পাছত সিহঁতে দেখিলে পল্লৱে দেখুওৱা ছোৱালীজনী ময়ূৰীহঁতৰ লগত আহি আছে। সন্ধ্যাহঁত কাষ পোৱাৰ লগে লগে সঞ্জয়ে চিনাকি হোৱাত আগভাগ ললে। "ভণ্টি তুমি নতুনকৈ আহিছা ?" "হয়" ছোৱালীজনীয়ে ক'লে। "তোমাৰ নামটো কি আগতে ক'ত পঢ়িছিলা ?" এইবাৰ পৰাগে সুধিলে। "মনময়ূৰী, আগতে ডিব্রুগড় চিটি কলেজত পঢ়িছিলো।" তাই উত্তৰ দিলে। ৰিয়াই প্ৰশ্ন কৰিলে "তোমাৰ ঘৰত কোন কোন আছে ?" তাই ক'লে, 'দেউতা, মা, ভণ্টি তিনিজনী আৰু ভাইটি এটা।" "বাৰু মনময়ূৰী তোমাক কথা এটা সুধিম বেয়া পাবা নেকি ?" সঞ্জয়ে সুধিলে। 'নেপাও কিয় বেয়া পাম"। "মানে আমাৰ বন্ধু এজনে তোমাৰ লগত চিনাকি হ'বলৈ বিচাৰিছে, তুমি হ'বানে ?" চাহিলে সুধিলে। 'হম আক'। ইয়াত বেয়া পোৱাৰ কি কথা আছে" তাই উৎফুল্লিত হৈ ক'লে। পল্লৱে, চাহিলক মাতিলে। পল্লৱ ওচৰলৈ আহিল। নিলয়ে ক'লে, "এইয়া আমাৰ বন্ধু পল্লৱ বৰুৱা।" পল্লৱে নমস্কাৰ জনালে। "আৰু এইয়া মিছ মনময়ূৰী শইকীয়া।" তাইও প্ৰতি নমস্কাৰ জনালে। "আমাৰ লগত বন্ধুত্বৰ এনাজৰীৰে বান্ধ খাবানে ?" অজিতে সুধিলে। তাই হ'ব বুলি ক'লে। সন্ধ্যাই সুধিলে, "তুমি মেজৰ চাবজেক্ট লৈছানে ?" তাই অ' বুলি ক'লে। "কিহত ?" "অসমীয়াত"। "ক্লাচ কেতিয়াৰ পৰা আছে" "১০-৪৫ ৰ পৰা" "বাৰু ক্লাচ কৰাগৈ যোৱা" পল্লৱ আৰু লগৰ সংগী সকলে তাইক বিদায় দিলে। তাই যোৱাৰ পাছত সকলোৱে পল্লৱৰ মুখলৈ চালে। পল্লৱে চকুৰ ইংগিতেৰে কি হ'ল বুলি সাধাত সকলোৱে হাঁহিবলৈ ধৰিলে। এনেকৈয়ে আৰম্ভ হ'ল বন্ধুত্বৰ এক নতুন অধ্যায়।

সময় কাৰো বাবে ৰৈ নাথাকে। প্ৰতিপল পাৰ হৈ গৈ থাকে যেনেকৈ আকাশৰ বুকুত ডাৱৰে পাৰ হৈ গৈ থাকে। দিন বাগৰিল আৰু দিন বাগৰি যোৱাৰ লগে লগে সিহঁতৰ এনাজৰীডাল অধিক টান হ'বলৈ ধৰিলে। কিন্তু কাৰোবাৰ মনৰ কোণত মনময়ূৰীয়ে বাৰে বাৰে দোলা দিবলৈ ধৰিলে। পল্লৱে মনময়ূৰীক নিজৰ হৃদয়ৰ এক বিশেষ স্থানত বহুৱালে। কিন্তু পল্লৱে তাৰ মনৰ কথাটো কাৰো আগত প্ৰকাশ নকৰিলে। এবাৰ সি সঞ্জয়ক তাৰ মনৰ কথা ক'লে। সঞ্জয়েও ক'লে যে সিও তাইক ভাল পায় আৰু তাৰ মনৰ কথা এদিন সি মনময়ূৰীক ক'ব। পল্লৱে একো নক'লে।

এদিন পল্লৱ লাইব্ৰেৰীত অকলে বহি কিবা চিন্তা কৰি আছিল। এনেতে মনময়ূৰী আন দুজনী ছোৱালীৰ লগত আহি তাৰ ওচৰত ৰ'লহি। তাক কিবা চিন্তা কৰি থকা দেখি তাই লগৰ দুজনীক বিদায় দি তাৰ ওচৰত বহি ল'লে। তাৰ পাছত লাহেকৈ সুধিলে, "এই পল্লৱ, কি চিন্তা কৰি আছা ?" পল্লৱে তাইলৈ চাই নাই এনেয়ে, কিতোনো চিন্তা কৰিম বুলি ক'লে। "মিছা কথা মই গম পাইছো তুমি কি চিন্তা কৰি আছা।" মনময়ূৰীয়ে ক'লে। "কি গম পাই আছা। কোৱাচোন মইও শুনো।" পল্লৱে ক'লে। "কোনোবা ৰূপহীৰ কথা চিন্তা কৰি আছা হ'বলা।" মনময়ূৰীয়ে হাঁহি মাৰি ক'লে। "ধেৎ, একো তেনেকুৱা কথা চিন্তা কৰি থকা নাই। এটা কথা কওঁ শুনা। আচলতে জীৱনৰ বাটত সঁচা অৰ্থত মৰম দিব পৰা, সঁচা ভাল পোৱা দিব পৰা জীৱনত আগবাঢ়ি যোৱাৰ নিস্বাৰ্থ প্ৰেৰণা দিব পৰা এগৰাকী প্ৰকৃত প্ৰেয়সী পোৱাটো খুব কঠিন। যিয়ে তেনে এগৰাকী প্ৰকৃত পেয়সী সঁচা অৰ্থত লাভ কৰে তেওঁতকৈ আন কোনোৱেই ভাগ্যৱান হ'ব নোৱাৰে। মইতো ইমান ভাগ্যৱান নহয়।" এইবুলি কৈ পল্লৱ মনে মনে থাকিল। "আমি আছো নহয় তোমাৰ কাষত। তুমি কিয় মনত দুখ কৰিছা ?" মনময়ূৰীয়ে ক'লে। "তুমি জানো সদায় থাকিব পাৰিবা ? আজীৱন মোৰ কাষতে।" পল্লৱে সুধিলে। মনময়ূৰীয়ে তাৰ মুখলৈ একেঠিৰেৰে অলপ সময় চাই থকাৰ পাছত "পাৰিম" বুলি কৈ "যাওঁ" বুলি কৈ উঠি গ'ল।

কলেজ আৰম্ভ হোৱা পাঁচ-ছমাহ হৈ গ'ল। দিনবোৰ কেনেকৈ পাৰ হৈ গ'ল কোনেও আঁত ধৰিব নোৱাৰিলে। এই পাঁচ-ছমাহতে বহুত পৰিৱৰ্তন ঘটিল। মানুহৰ মনবোৰো সলনি হ'ল। আজিকালি পল্লৱৰ লগৰীয়াহঁতে সঞ্জয়ক প্ৰায়েই জোকাই থাকে। পল্লৱে কিন্তু একোকে গম নাপালে। এদিন সন্ধ্যাই পল্লৱক অকলে ৰুমত বহি থকা দেখি তাৰ ওচৰত বহি সুধিলে, "পল্লৱ, কি হ'ল ? বৰ আমন-জিমনকৈ বহি আছা যে ?" "নাই এনেয়ে"। তাৰ চমু উত্তৰ। "মই কিবা নেজানো বুলি ভাবিছা নেকি তুমি কি চিন্তা কৰি আছা" সন্ধ্যাই কলে। "কি কোৱাচোন মইও শুনো।" পল্লৱে ক'লে। "তুমি মনময়ূৰীৰ কথা ভাবি থকা নাইনে ?" সন্ধ্যা ই কোৱাৰ লগে লগে পল্লৱ উচপ খাই উঠিল। "তুমি কেনেকৈ জানিলা ?" পল্লৱে সুধিলে। "মই জানো নহয়। তোমাৰ তাইৰ প্ৰতি যে কিবা এটা দুৰ্বলতা আছে তাক প্ৰথমেই জানিছিলো। কিন্তু বহুত দেৰি হৈ গ'ল। সঞ্জয়ে তাইক প্ৰেমৰ প্ৰস্তাৱ দিছে আৰু তাই সঁহাৰিও জনাইছে।" সন্ধ্যাই ক'লে। কি বুলি পল্লৱ চ্‌ক খাই উঠিল।

সন্ধ্যাই পল্লৱক বহা দেই বুলি কৈ ওলাই গ'ল।

পাছদিনা পল্লৱৰ মনটো ভাল লগা নাছিল। তথাপি কলেজলৈ যাওঁ নেযাওঁকৈ গ'ল। সি সন্ধ্যাই কোৱা কথাটো যদি সঁচা হয় তেনেহ'লে কিবা এটা সিদ্ধান্ত কৰিব বুলি মনতে ঠিৰাং কৰিলে। প্ৰথম ক্লাচটো হৈ যোৱাৰ পাছত দুটা ক্লাছ অফ্ থকাত সি লগৰ অজিত, চাহিল, নিলয়, পৰাগ আৰু সঞ্জয়ৰ লগতে সন্ধ্যা, ৰিয়া, বন্দনা আৰু ময়ূৰীৰ লগত খালী ৰূম এটাত বহি ললে। তাৰ পাছত সি লাহেকৈ মাত লগালে "বন্ধুহঁত আজি তহঁতক মই কিয় মাতি আনিছো তহঁতেতো গম পোৱা নাই। অলপ ধৈৰ্য ধৰ গম পাবি লাহেকৈ।" এনেতে মনময়ূৰী ৰূমলৈ সোমাই আহিল। "কি কথা অ" ৰিয়াই সুধিলে। সকলোৱে তাৰ মুখলৈ চালে। "কথাটো কেনেকৈ আৰম্ভ কৰো মই একো তত্ ধৰিব পৰা নাই বা এই ক্ষণত কথাটো কেনেকুৱা হ'ব বা কাৰ মনত কি ভাৱৰ সঞ্চাৰ হ'ব মই নেজানো। পল্লৱে ক'লে। "হব ইমান ডায়লগ মাৰিব নেলাগে যি কৰ কৈ দে"। নিলয়ে তাৰ কথাৰ মাজতে কোৱাত সি কেৰাহিকৈ নিলয়লৈ চালে। "আজি অতদিনে মই যি কথা তহঁতৰ আগত প্ৰকাশ কৰা নাছিলো তাক আজি কৰিবলৈ ওলাইছো। হয়তো হতঁতে বেয়াও পাব পাৰ মোক লৈ তহঁতৰ অভিমত কি মোক জনাবি।" পল্লৱ অলপ সময় ৰ'ল তাৰ পাছত আকৌ ক'লে, "আজি মই অতদিনে মোৰ মনৰ মন্দিৰত মা-দেউতাৰ পাছতে মনময়ূৰীক অন্যএক ৰূপত অধিষ্ঠিত কৰি থৈছো। তাইক মই প্ৰথম দিনাৰে পৰা ভাল পাই আহিছো। নাজানো তাই মোৰ বিষয়ে কি ভাৱে তথাপি তহঁত মোৰ নলে-গলে লগা বন্ধু কাৰণে তহঁতৰ আগত প্ৰকাশ কৰিলো। তহঁতৰ মত কি মোক জনাবিনে ?" তাৰ কলেজ লাইব্ৰেৰীত মনময়ূৰীৰ লগত হোৱা কথাবোৰলৈ মনত পৰিল। তাৰ কথা শেষ হোৱাৰ পাছত সঞ্জয়ে লাহেকৈ ক'লে, "আজি অতদিনে যিটো কথা মইও কোৱা নাছিলো আজি তোৰ পৰা সাহস পাই কওঁ যে মইও মনময়ূৰীক ভাল পাওঁ আৰু তাইও মোৰ কথাত সঁহাৰি জনাইছে। তই বেয়া নেপাবি দেই কোৱাৰ কাৰণে।" মনময়ূৰীয়ে টেবুলত মূৰ থৈ কান্দিবলৈ ধৰিলে। অজিতে ক'লে "এটা কথা কম বেয়া নাপাবি দেই, তহঁত দুটাৰ মাজত তাই কাক ভাল পায় তাই কৈ দিলেই হয়। খেলা খতম।" অজিতৰ কথা শুনি পল্লৱে হাঁহিলে আৰু তাৰ পৰা উঠি যাবলৈ ললে। মনময়ূৰীয়ে মূৰ তুলি চাই ক'লে পল্লৱ বহা। পল্লৱ বহিল। "মই এইবোৰৰ বিষয়ে একো ভবা নাছিলো। তুমি মোক লাইব্ৰেৰীত যিবোৰ কথা কৈছিলা মই তুমি ধেমালি কৰি কৈছিলা বুলিহে ভাবিছিলো। মই ইমান গভীৰভাৱে লোৱা নাছিলো। আৰু এটা কথা মই তোমাক মোৰ দাদা হিচাপেহে ভাৱো। ইমান দিনে ক'বলৈ সাহস নহ'ল তুমি বেয়া নাপাবা।" তাই লাহেকৈ কথাখিনি কৈ তাৰ মুখলৈ চালে। "বেয়া পাবলগীয়া কিতোনো আছে। তুমিনো মোৰ কোন হয় বা মইনো তোমাৰ কোন হয়। আগতে ক'ৰবাত চিনাকি হোৱা নেকি ? এইবোৰ একো নাই। ক্ষন্তেকীয়া চিনাকি মাথো কলেজলৈ আহোঁতে। আজি আছো কালিলৈ নাই। কোনে কাৰ বাবে ইমানকৈ ভাবি থাকে। বাই।" এইবুলি কৈ পল্লৱ ওলাই গ'ল। তাৰ লগে লগে চাহিল, নিলয়, অজিত, ৰিয়া, বন্দনা, ময়ূৰী আৰু সন্ধ্যা পল্লৱৰ পিছে পিছে ওলায় আহিল। সঞ্জয়, পৰাগ আৰু মনময়ূৰীহঁতে সিহঁত ওলাই যোৱা চাই থাকিল। একো শব্দও নোলাল মুখৰ পৰা।


ঘটনাটো ঘটি যোৱাৰ দুদিনমানৰ পাছত মনময়ূৰীয়ে আহি পল্লৱক লগ ধৰি ক'লে "পল্লৱ, তুমি মোক এতিয়াও বেয়া পাই আছা নহয়। মই কি কৰিম কোৱা। তুমি মোক বিমোৰত পেলাই দিলা। তথাপি ....। কথা এটা ৰাখিবা কোৱা। মোৰ অহা পাঁচ তাৰিখ বুধবাৰে জন্মদিন পাতিছো। নহাকৈ নাথাকিবা দেই।" পল্লৱে ক'লে, "ঠিক আছে যদি সময় পাওঁ যাম বাৰু"। মনময়ূৰী তাৰ পাছত উঠি গুচি গ'ল। আৰু তাৰ ক্লাচ কৰিবলৈ মন নগ'ল। সি ঘূৰি আহোতে অন্য এটা ৰূমত মনময়ূৰী, সঞ্জয় আৰু পৰাগক একেলগে বহি হাঁহি-ধেমালি কৰি থকা দেখিলে। সি মনতে এটা সিদ্ধান্ত কৰিলে।

যোৱা তিনিদিন চকুৰ পলকতে গুচি গ'ল। বুধবাৰৰ দিনা মনময়ূৰীয়ে নিজৰ ঘৰত ডাঙৰ পাৰ্টি এটা দিলে। তাইৰ লগৰ সকলোবোৰকে মাতিছিল আৰু তেনেকৈয়ে বন্ধুসকলো আহিছিল। কিন্তু পল্লৱ নাহিল। সঞ্জয়ে ভালেই পালে পল্লৱ নহা দেখি। প্ৰায় ১১-৩০ মান বজাত নিলয় আহিল হাতত এটা সৰু উপহাৰ লৈ। তাই তাক ভিতৰলৈ মাতিলে কিন্তু সি নগ'ল। এঠাইত কাম আছে বুলি উপহাৰটো দি যাবলৈ ললে। মনময়ূৰীয়ে কোনে দিছে বুলি সোধাত পল্লৱে দিছে বুলি কৈ যাবলৈ ললে। কিন্তু গেটৰ মুখৰ পৰা ঘূৰি আহি ক'লে আৰু এটা কথা পল্লৱে তোমাৰ মনে জুখিব নোৱাৰাকৈ চাৰপ্ৰাইজ এটা দি থৈ গৈছে, যিটো তোমাৰ কল্পনাৰো অতীত। যদি মন আছে তাক এবাৰ লগ ধৰিবা। যাওঁ। এইবুলি নিলয় গ'লগৈ। মনময়ূৰীয়ে একো ভাবি নাপালে নিলয়ে কিয় তেনেকৈ কৈছে বুলি। সন্ধ্যা তাইৰ বন্ধু-বান্ধৱীবোৰ গৈ শেষ হোৱাত তাই উপহাৰবোৰ খুলি খুলি চাবলৈ ধৰিলে। পল্লৱৰ উপহাৰটোত একো নাছিল। মাত্ৰ সৰু কাগজৰ টুকুৰা এটা চিজিলকৈ ৰখা আছিল। তাই কঁপা কঁপা হাতেৰে চিঠিখন খুলি চালে। মাত্ৰ কেইটামান বাক্যৰ সন্নিবিষ্ট এখন সৰু কাগজৰ টুকুৰা। তাই ভয়ে ভয়ে পঢ়িবলৈ ধৰিলে "মৰমৰ মনময়ূৰী, তোমাৰ জন্মদিনৰ বাবে মই তোমাক কি উপহাৰ দিম তথাপি তোমালৈ বুলি অশেষ মৰম জ্ঞাপন কৰিলো। তুমি যেন জীৱনৰ প্ৰতিটো পল-অণুপল সুখেৰে পাৰ কৰি দিয়া। জানা মনময়ূৰী মই তোমাক একো দিব নোৱাৰিলো প্ৰতিদান হিচাপে এইটোৱেই মোৰ মনত সদায়েই দুখ থাকি যাব। শেষত তোমাৰ জীৱন সুখময় হোৱাৰ কামনাৰে, পল্লৱ"

চিঠিখন পঢ়ি মনময়ূৰীৰ মনত নানা চিন্তা-ভাৱনাই দোলা দিবলৈ ধৰিলে। তেনেকৈয়ে ৰাতিটো পাৰ হ'ল। পাছদিনা তাই কলেজলৈ যাওঁতে সকলোকে লগ পালে কিন্তু পল্লৱক ক'তো নেদেখিলে। তাৰ সকলো বন্ধু-বান্ধৱসকলক সুধিলত সিহঁতে একো গম নাপাওঁ বুলি কৈ আঁতৰি যায়। তাই অলপ দেৰি চোৱাৰ পাছত পল্লৱক ক'তো নেদেখি সঞ্জয় আৰু পৰাগৰ লগত হাঁহি-ধেমালি কৰি থাকিল। তিনিদিন মান যোৱাৰ পাছত তাই খবৰটো পালে। পল্লৱ ডিব্ৰুগড় মেডিকেলত ভৰ্তি হৈ আছে। তাৰ হেনো ডাঙৰ এক্সিডেণ্ট এটা হ'ল। তাই পল্লৱৰ লগৰবোৰক লগ কৰি তাক দেখা কৰিবলৈ যোৱাৰ ইচ্ছা কৰিলে। অজিত, নিলয়হঁতৰ লগত তাই , সঞ্জয় আৰু পৰাগো মেডিকেললৈ গ'ল। পল্লৱক আই.চি.ইউ.ত এডমিট কৰি থোৱা হৈছিল। সকলোৱেই তাৰ ৰূমলৈ গ'ল। মনময়ূৰীৰ বুকুৰ ঢপঢপনি বাঢ়িবলৈ ধৰিলে। তাই গৈ দেখিলে পল্লৱৰ মূৰত বেণ্ডেজ লগোৱা আছিল আৰু ডিঙিৰ পৰা কঁকাললৈকে বগা বেণ্ডেজ্ৰ মৰা আছিল। ক'ৰবাত-ক'ৰবাত তেজ এতিয়াও বিৰিঙি আছিল। "এইয়া কেনেকৈ হ'বলৈ পালে ?" মনময়ূৰীয়ে সুধিলে। ৰিয়াই লাহেকৈ ক'লে, "মঙ্গলবাৰৰ দিনাখন পল্লৱ কলেজৰ পৰা ঘূৰি আহি থাকোতে বেলেগ কিবা চিন্তা কৰি আহিছিল হ'বলা। এনেতে পাছফালৰ পৰা অহা ট্ৰাক এখনে তাক খুন্দিয়াই বগৰাই তাৰ ওপৰেৰে উঠি গ'ল। ওচৰৰ মানুহবোৰে একো আঁত ধৰিব নোৱাৰিলে কি ঘটি গ'ল। সকলোৱে পাছত পল্লৱক ৰাস্তাত পৰি থকা দেখিলে তেজেৰে লুতুৰি-পুতুৰি হৈ। মানুহবোৰে ততালিকে তাক মেডিকেললৈ লৈ গ'ল। তাত দুদিন থকাৰ পাছত ডাক্তৰে ক'লে যে পল্লৱে লৰা-ফুৰা কৰাটো বাদেই আজিৰ পৰা মাত মাতিবও নোৱাৰে আৰু তাৰ স্মৃতি শক্তিও লোপ পালে। সি কেতিয়াও সুস্থ অৱস্থালৈ ঘূৰি আহিব নোৱাৰে।" এই বুলি ৰিয়াই কান্দিবলৈ ধৰিলে। মনময়ূৰীৰ বুজিবলৈ বাকী নাথাকিল পল্লৱে কি কথা চিন্তা কৰি আহিছিল আৰু এইবোৰ কিয় ঘটিলে। তাইৰ চকুৰে দুধাৰি চকুলো ববলৈ ধৰিলে। তাৰ পাছত তাই লাহে লাহে মেডিকেলৰ পৰা ওলাই আহিবলৈ ধৰিলে। মনময়ূৰীৰ কাণত বাৰে বাৰে পল্লৱে কোৱা এষাৰ কথা বাজিবলৈ ধৰিলে। "তুমি মোৰ কোন হয় বা মইনো তোমাৰ কোন হয়, ক্ষন্তেকীয়া চিনাকি মাথোন কলেজলৈ আহোতে। আজি আছো কালিলৈ নাই। কোনে কাৰ বিষয়ে ইমান ভাবি থাকে।" সন্ধিয়া লাগো লাগো হৈছে আৰু ব্ৰহ্মপুত্ৰৰ বুকুত বেলিটো অস্ত যাবলৈ ধৰিছে। পল্লৱৰ জীৱনৰ উদিত সুৰুযটো এনেকৈয়ে কালৰ সোঁতত মাৰ গ'ল। ※

*(এই গল্পটো মোৰ একালৰ প্ৰিয় বন্ধু সতীৰ্থ স্বৰ্গীয় মানৱজ্যোতি গগৈৰ সোঁৱৰণত লিখা। তেওঁ এই গল্পটো লিখাত মোক বহুতো সহায়-সহযোগিতা আগবঢ়াইছিল। তেওঁৰ পৰা উৎসাহ নোপোৱা হ'লে মই এই গল্পটো লিখিবলৈ কেতিয়াও অনুপ্ৰেৰণা নাপালোহেঁতেন আৰু লিখাও সম্ভৱপৰ হৈ নুঠিলহেঁতেন। এই গল্পটোৰে মই মানৱৰ ওচৰত শ্ৰদ্ধাঞ্জলি যাচিলো। গল্পটো লিখিলো ঠিকেই কিন্তু পঢ়িবলগীয়া মানুহজনেই নাথাকিল। যোৱা ১৮/০৭/২০০৪ তাৰিখৰ দিনা তেওঁ দুৰ্ঘটনা এটা হৈ দেহত্যাগ কৰে। তেওঁলৈ শ্ৰদ্ধাঞ্জলি হিচাপে মই এই 'শেষ সিদ্ধান্ত' গল্পটো লিখি কলেজৰ বছেৰেকীয়া আলোচনীখনত প্ৰকাশ কৰিবলৈ আগবঢ়াও)*

# জীৱনৰ চকৰী



হিৰেশ্বৰ দাস
স্নাতক ২য় বর্ষ

মেজৰ ক্লাচটো শেষ হওঁতে প্ৰায় ১-৩০ বাজিল। কলেজৰ প্ৰায়বোৰ ল'ৰাই মেজৰ ক্লাচটো শেষ কৰি ঘৰলৈ আহিল। বুবুৱে এনভাইৰমেণ্ট ক্লাচটো কৰো নকৰোকৈ এক নম্বৰ ৰূমৰ সন্মুখ পালেগৈ। এনেতে ছাৰক দেখি সি সোমাই গ'ল আৰু তাৰ ক্লাচমেট আইমণিৰ ওচৰতে বহিল। ক্লাচ কৰি থকাৰ সময়তে আইমণিয়ে কোৱা কথাষাৰ শুনি বুবুৰ মূৰত সৰগ ভাগি পৰাদি পৰিল।

বুবুয়ে কলেজৰ পৰা ঘূৰি আহি বটলত থকা গোটেই বটল ঠাণ্ডা পানী পি কমলাই দিয়া চিঠিখনৰ মাজৰ শাৰীকেইটা পঢ়িলে। শাৰী কেইটাত লিখা আছিল "বুবু তুমি মোক কিমান ভাল পোৱা বাৰু ? মই কিন্তু তোমাক বহুত ভাল পাওঁ। সকলো সময়তে তোমাৰ কথাকে ভাবি থাকো।" বুবুয়ে চিঠিখন বাৰে বাৰে পঢ়িলে। কমলাৰ ওপৰত তাৰ ভীষণ ঘৃণা উপজিল। বিচ্ছেদৰ যন্ত্ৰণাত অন্তৰ্দগ্ধ হৈ পৰিল। চকুৰে যেন ধুৱঁলি-কুৱঁলি দেখিলে। চকুলোৰে বাট নেদেখা হ'ল। নিশা যিমান গভীৰ হৈ আহিল বুবুৰ চিন্তা সিমানে বাঢ়ি আহিল। সি বাৰে বাৰে শুৱলৈ চেষ্টা কৰিলে। নিশা প্ৰায় এঘাৰ বাজি গৈছে, ৰাজ পথৰ সৰু-সৰু গাড়ীবোৰৰ পাতল আহ-যাহ চলি আছে। বুবুৰ হাতত এটা ৰিভলভাৰ, কঁকালত এখন চোকা চুৰী। কোনো মানুহে ক্ৰোধৰ সময়ত মৃত্যুক ভয় নকৰে। সিয়ো যে আজি মৃত্যুলৈ ঘৃণাক্ষুৰেও ভয় কৰা নাই। তাৰ মূৰত এটা কথাই খেলিমেলি লগাই আছে। এবছৰে ভালপাই থকা কমলাই হঠাৎ তাক প্ৰতাৰণা কৰিলে। তাই তাক প্ৰতাৰণা কৰি চিৰ জীৱনৰ বাবে আঁতৰি যাব তাৰ কাষৰ পৰা। চিৰজীৱন দূৰৰ কথা এটা দিনো সি জীয়াই থাকিব নোৱাৰে কমলাৰ অবিহনে। কথাবোৰ কল্পনা কৰিলে তাৰ দেহত বিন্দু-বিন্দু ঘাম জিলিকি উঠে। এই বোৰ কথা ভাবিয়ে সি তিনিদিন ধৰি খাব-শুব পৰা নাই তাইৰ স্মৃতিয়ে বুবুৰ বুকুত শেল হৈ শালি পেলোৱাৰ দৰে লাগিল। বুকুখনত কঁপনি উঠিল। প্ৰায় এবছৰ আগৰ কথা এটা তাৰ মনত ভাঁহি আহিল।

বুবু তেতিয়া স্নাতক প্ৰথম বর্ষৰ ছাত্ৰ। কমলাও একে সহপাঠী। বুবু আৰু কমলাৰ প্ৰথম চিনাকিৰ পাছতেই প্ৰেমৰ এনাজৰীডাল ক্ৰমাত গাঢ় হৈ গৈছিল। কিন্তু ইজনে-সিজনক খোলোচাকৈ ভালপোৱাৰ আবেগবোৰ ক'ব নোৱাৰিছিল। হয়তো চকুৱে চকুৱে ধৰা পৰিছিল সিহঁতৰ দুৰ্বলতা। এদিন বুবুৱে প্ৰকাশ কৰিছিল তাৰ মনৰ কথা কমলাৰ আগত। মনৰ আনন্দ আৰু লাজত বুবুৰ মুখৰ পিনে তাই চাব পৰা নাছিল। কমলাই তাৰ পৰা আঁতৰি গৈছিল। সেইদিন ধৰি সিহঁত দুয়োৰে প্ৰেম নিৰৱিচ্ছিন্নভাৱে চলি আছিল। ইজনে-সিজনৰ অবিহনে এক পল সময়ও অতিবাহিত কৰিব নোৱাৰা হ'ল। কিন্তু আজি হঠাৎ বুবুৱে কমলাৰ পৰা বিচ্ছেদ হ'বলগীয়া হোৱাত সি অগ্নিপিণ্ডৰ দৰে উত্তপ্ত হৈ পৰিল। এই প্ৰতিহিংসাৰ দাৱানলত সি তাইৰ ঘৰত গৈ আত্মহত্যা কৰিবলৈ উদ্যত হ'ল।

ইতিমধ্যে সি নামঘৰৰ কেঁকুৰীটো পাৰহৈ কমলাহঁতৰ ঘৰৰ সন্মুখ পালেগৈ। তাৰ পাছত সি অকণো কুণ্ঠাবোধ নকৰাকৈ গেটখন খুলি সোমাই গ'ল। কঁকালত থকা ৰিভলভাৰটো হাতত তুলি ললে। হঠাৎ থাও-থাও কৈ বন্দুকৰ শব্দই গুজৰি উঠিল। লগে লগে সি উমান পালে তাৰ দেহৰ মাজেৰে উত্তপ্ত তেজৰ সোঁত বব ধৰিছে। শৰীৰৰ শক্তিকণ হেৰুৱাই পেলালে। সি ধুপুচকৈ মাটিত বাগৰি পৰিল। তেজেৰে চপ-চপীয়া দেহটোৰ কাষত বহুতো মানুহ গোট খালে আৰু সি কমলা, কমলা বুলি সৰ্বশক্তিৰে চিঞৰিব ধৰিলে। সাৰপাই উঠি বিচনাত বহি লৈ সি ফেঁটি সাপৰ দৰে ঘনে ঘনে ফোঁপাব ধৰিলে। সপোনত দেখা ঘটনাটো তাৰ চকুৰ আগত ভাঁহি আহিল। বুবুৰ চিঞৰত কাষৰ ৰূমত থকা ৰাজ, ৰণ, জান্তু আহি উপস্থিত হ'ল। ৰাজে তাৰ বাউসীত ধৰি জোকাৰি দিয়াত বুবুৰ সম্বিৎ ঘূৰিল।

ঃ সপোন দেখিছিলা নেকি ? বৰ মৰমেৰে জান্তুৱে সুধিলে।

ঃ অ', সি মাথো মূৰ জোকাৰিলে।

ঃ কি সপোন দেখিছিলা ? ৰণে সুধিলে।

ঃ কমলা .....। তাই বিশ্বাসঘাটক ছোৱালী বুলি কৈ কথাষাৰ শেষ নহওঁতেই সি ৰাজৰ গাত ধৰি হুক-হুকাই কান্দি দিলে।

কিছু সময়ৰ পিছত পৰিৱেশ ঠাণ্ডা হ'ল। ৰাজৰ বাহিৰে ৰণ আৰু জান্তু নিজৰ ৰূমলৈ গুচি গ'ল।

বুবুৱে বিচনাৰ ওপৰতে বহি বহি ভাবিলে। সি কেতিয়াও তাইৰ বাবে নিজৰ জীৱন ধ্বংস কৰিব নোৱাৰে। কমলাৰ অবিহনে সি অন্য এক সপোন ৰচিব। সি তাইৰ অবিহনে জীয়াই থাকিবলৈ যত্ন কৰিব। সি বিচনাৰ পৰা উঠি খিৰিকিখনৰ ফালে আগবাঢ়িল আৰু খিৰিকিখন খুলি বাহিৰলৈ চাই পঠালে। পোহৰ হ'বলৈ তেতিয়াও বহুত বাকী। চেঁচা-চেঁচা বতাহ এঁচাটিৰে তাৰ দেহ স্পৰ্শ কৰি গ'ল। সি স্বস্তিৰ নিশ্বাস এৰিলে। ❋





প্ৰতিশোধতকৈ ক্ষমাইহে মনুষ্যত্বৰ চিনাকি। ক্ষমা ভূষণ। ক্ষমতা থকা সত্ত্বেও তাক ব্যৱহাৰ নকৰাটোৱেই প্ৰকৃত জ্ঞান।

—মহাত্মা গান্ধী

আনে তোমাক সহায় কৰিব নোৱাৰে, তুমি নিজেই নিজৰ সহায় হোৱা।

—বুদ্ধদেৱ

অহংকাৰী মানুহ সেইটো কুকুৰাৰ দৰে যিটো কুকুৰাই ভাবে যে মই ডাকে দিয়াৰ বাবেহে ৰাতি পুৱাল।

—হলিয়ট

# সপোনৰ পম খেদি...

*(এক অলৌকিক ঘটনাৰ আলমলৈ)*

পৰী গগৈ
স্নাতক ১ম বৰ্ষ

আস্, আজি বহু দেৰিলৈকে টোপনি অহা নাই। কি কৰো নিশা বহুত হ'ল। এই হলঘৰটোত আমি আজি ছয়জনী ছোৱালী শুইছো। জ্যোতিবা, অনামিকা, আইনু, ৰেণু, ৰিংকি আৰু মই। তাঁৰৰ অভাৱৰ বাবে বিচনা কেইখন লগলগাই লৈছো। মই জ্যোতিবাৰ লগত শুইছো। জ্যোতিবাক চাইছো টো পনিত লালকাল। ফুলস্পিডত ফেন কেইখন অবিৰাম ঘূৰি আছে। আমাৰ ৰুমটোৰ লাইট অফ্ যদিও কাষৰ ৰুমৰ পৰা পোহৰ বিচ্ছুৰিত হৈছে। নতুনকৈ হোষ্টেললৈ আহিছো। প্ৰথমে মন বহা নাছিল কিন্তু লাহে লাহে ভাল লাগিছে। ঘৰৰ পৰা দূৰত আছোহি, ঘৰলৈও মনত পৰিছে। অসুখীয়া দেউতাৰ কথাই অনবৰতে মনত পৰি আছে। বহু ৰাতি হ'ল চাগে। মোৰ টোপনি অহাই নাই। কাইলৈ ৯-৪৫ ত ক্লাচ আছে। তাতে সোনাকালে নুঠিলে গা-ধুওঁতে দেৰি হ'ব। বহুত চেষ্টা কৰিছো। কিন্তু আজি টোপনিৰ নাম-গোন্ধই নাই। ভাবিলো কিবা কথাকে চিন্তা কৰো। ভাল লগা দিনবোৰ মনত পেলাইছো। কিন্তু মনটো যেন আজি কিবা হৈ পৰিছে। একো কথাই ভালদৰে ভাবিব পৰা নাই।

লাহে লাহে মোৰ চিলমিলকৈ টোপনি আহিল। ঠিক তেনেতে কোনোবাই মতাৰ দৰে শুনিলো। চকুমেলি চাই দেখো কোনো নাই। ইহঁত কেইজনী টোপনিত লালকাল। কোনে মাতিলে বাৰু ? মনৰ ভ্ৰম নেকি, কাৰণ মই অকলেহে সাৰে আছো। সেয়ে চাগে কিবা-কিবি শুনি পাইছো। আকৌ শুবলৈ চেষ্টা কৰিলো। তেনেতে আইনুৱে মাতিলে, "পৰী ইয়ালৈ আহ, মই ইয়াত বেয়া পাইছো। জ্যোতিবাৰ লগতহে শুও।" তাইৰ মাত শুনি মই চক্ খাই উঠিলো। তাৰ পাছত তাইক জ্যোতিবাৰ কাষলৈ আহিবলৈ দি মই অনামিকাৰ কাষত শুলো। টোপনিয়ে লাহে লাহে মোৰ চকুৰ পতা গধুৰ কৰিলে। মই শুই পৰিলো। তেনেদৰে কিমানদেৰি আছো নেজানো। মোক যেন পুনৰ কোনোবাই কিবা কোৱা শুনিলো। এক নাৰী কণ্ঠই মোক মাতিছে আৰু কৈছে যে তোমাৰ আগত মোৰ কিছুমান কথা ক'বলৈ আহিলো। যিবোৰ কথা বহু দিনৰ আগৰ কথা। বৃটিছ থকা দিনৰ কথা। তেতিয়া ইয়াত এটা জীমখানা আছিল। বৃটিছসকলে প্ৰায়ে ইয়ালৈ নানা ধৰণেৰে আজৰি সময় কটাবলৈ আহিছিল। মইয়ো আহিছিলো ইয়ালৈ মোৰ স্বামী আৰু সন্তানক লৈ। তেওঁলোকে লগৰবোৰৰ লগত কথা পাতে বিভিন্ন বিষয় লৈ। মই মোৰ বান্ধৱীসকলৰ লগত মোৰ দেশ ইংলেণ্ডৰ কথা আৰু এই অসমৰ কথা আদি বিভিন্ন বিষয়ৰ কথা পাতি সময় কটাও। খুব ভাল লাগে ইয়াৰ পৰিৱেশ। সদায় আহি আহি ঠাই ডোখৰ ভাল লাগি আহিছিল। মোৰ মনে সদায় ইয়াতে বিচৰণ কৰিছিল। মই এই ঠাইতে যেন থাকিব পাৰো তাকে ভাবি এদিন স্বামীক মনৰ কথাবোৰ ক'লো। তেওঁ প্ৰথমে আপত্তি কৰিছিল যদিও শেষত সন্মত হ'ল আৰু আমি ইয়াৰে এটা ৰুমত থকাৰ ব্যৱস্থা কৰি ললো। সকলো বন্ধু-বান্ধৱে আপত্তি কৰিছিল ইমান অকলশৰীয়াকৈ কেনেকৈ থাকিবা ? কিন্তু আমাৰ লগত থাকিবলৈ আৰু এটা পৰিয়াল ওলাল। আমি দুটা ৰুম ভালদৰে পৰিষ্কাৰ কৰি থাকিবলৈ ললো। ওচৰতে বাথৰুমৰ সুবিধা পাই মোৰ মনটো ভাল লাগিল। আমি দুটা পৰিয়ালে সুখেৰে দিন নিয়াব ধৰিলো।

এদিন মোৰ স্বামী চাকৰিৰ কামত অলপ দূৰলৈ যাব লগা হ'ল। আমাৰ দায়িত্ব ওচৰৰ পৰিয়ালটোক দি থৈ গ'ল। সিদিনাহে মোৰ অকণমান ভয় লাগিছিল যদিও সাহস কৰি থাকিলো। এক সপ্তাহমানৰ আগৰ পৰা পাছফালৰ জানখনত এজন মানুহে বৰশী বাবলৈ অহা দেখিছিলো। মানুহজন দেখিবলৈ বৰ ভয়ংকৰ। চকুত ধূৰ্ত চাৱনি। মই অনুভৱ কৰিছিলো তেওঁ বৰশী বাবলৈ নহয় আমাক চাবলৈহে আহে। দুজনীকৈ গাভৰু এই নিৰ্জন ঠাইত আছোহি। স্বামীৰ লগত আছো যদিও দিনটো কামত ঘূৰি-ফুৰি গধূলিহে ঘৰ সোমাইহি। তেওঁক কথাটো কম বুলিও ক'ব নোৱাৰিলো। সেই দিনা আবেলি মোৰ ল'ৰা দুটা আৰু তেওঁলোকৰ ছোৱালীজনীয়ে আগফালে খেলি আছিল। আমি বাৰান্দাতে বহি চিলাই কৰি আছিলো। সেইদিনা আকৌ বান্ধৱীৰ স্বামীও বিশেষ কামত বাহিৰলৈ যাব লগা হ'ল। আমি ঘৰুৱা কথা পাতিয়ে সময়বোৰ পাৰ কৰিলো। গধূলি হৈ আহিল। মই ল'ৰাটো লৈ বাথৰুমত সোমালো। তাক গা-ধুৱাবৰ বাবে। আমি হাঁহি হাঁহি কথা পাতি আছো। তেনেতে কোনোবাই বিকট শব্দ কৰি হুঁহা শুনিলো। বাহিৰলৈ চাই দেখো সেই বৰশীবোৱা মানুহজন। মই কিয়নো হাঁহিছে বুলি বাহিৰলৈ ওলাই গ'লো। ল'ৰাটোও মোৰ পাছে পাছে গ'ল। সি মোক দেখি চিঞৰি ক'লে, "মেম্ চাহাব আজি অকলে আছে নেকি ? চাহাব চাগে বহু দিন থাকিব। ভয় লাগিলে চিন্তা নকৰিব, মই ৰাতি আহিম।" এইদৰে কৈ সি অশ্লীল ইংগিত দি হাঁহিবলৈ ধৰিলে। মোৰ তালৈ আগৰে পৰা খং উঠি আছিল। আজি অকলশৰীয়া পাই চল পাইছে। খুউব খঙত মই ভিতৰলৈ দৌৰি আহি তেওঁ চিকাৰলৈ যোৱা বন্দুকটো লৈ বাহিৰলৈ আহি তালৈ লক্ষ্য কৰি গুলিয়াবলৈ ধৰিলো। মোকো সি চেগ বুজি চুৰি মাৰি পঠালে। চুৰিখনে মোক আঘাত কৰিলে আৰু মই ঢলি পৰিলো। সি ল'ৰাটো ধৰিব বিচাৰিছিল কিন্তু গুলী লগাৰ বাবে তাৰ প্ৰাণবায়ু উৰি গ'ল। ভয়তে ল'ৰাটোৱে উধাতু খাই দিক্‌বিদিক হেৰুৱাই দৌৰি যাওঁতে ওচৰৰ জানখনতে সোমাই পৰিল। সেই তেতিয়াৰ পৰাই মোৰ আত্মাই মুক্তি পোৱা নাই। কাৰোবাক এই কথাবোৰ ক'লেহে মই মুক্তি পাম। বহুতক ক'ম বুলি বাট চাই আছিলো কিন্তু কোনো বিশ্বাসযোগ্য ছোৱালী পোৱা নাছিলো। সেয়ে তোমাক দেখি তোমাক ক'বলৈ আহিলো। তুমি গল্প লিখা নহয়, তোমাক মোক কাহিনীটো গল্প আকাৰেৰে লিখিবলৈ অনুৰোধ কৰিছো। মোৰ অনুৰোধ ৰাখিবানে ? তুমি যদি লিখা মই মুক্তি পাম। মোৰ আত্মা এতিয়াও অতৃপ্ত হৈ আছে। কোৱা লিখিবানে ? মই ক'লো, "মই লিখিম, আপোনাৰ কাহিনী মই লিখিম।"

তেনেতে মই সাৰ পালো। চকু মেলি চালো বাহিৰত ৰাতিপুৱাৰ সুন্দৰ পোহৰ। লগৰ সকলো উঠিল। মইহে শুই আছো। আস্, কি ভয়ংকৰ সপোন! সেই অতৃপ্ত নাৰীৰ নাম-ধাম আনকি তেওঁৰ শৰীৰটোও মই দেখা নেপালো। কিন্তু কথাবোৰ স্পষ্ট শুনা পাইছিলো। তেওঁ যেতিয়া তেওঁৰ হত্যাৰ কথা কৈছিল তেতিয়া যি মৰণকাতৰ চিঞৰ মাৰিছিল সেই চিঞৰ সপোনত মইও শুনা পাইছিলো। কোনো দিন নভবা কথাবোৰ মই বাৰু কেনেকৈ সপোনত দেখিলো ? ই বাৰু সত্য কাহিনী নেকি ? আত্মাৰ বিনাশ নাই বুলি কোৱা শুনো। সেইদৰে অতৃপ্ত আত্মাই মুক্তি নেপায় বুলি কয়। কোনোবাই ইয়াৰ, মানে এই ঘৰটোৰ অতীত জানে নেকি ? ইয়াক সঁচাকৈয়ে বৃটিছে সাজিছিল নেকি ? যদি সাজিছিল তেতিয়া হ'লে মই সপোনত দেখাৰ দৰে নিশ্চয় তেনে ঘটনা ঘটিছিল। তাৰ শুদ্ধ উত্তৰ পাঠক সমাজলৈ এৰিলো। তেওঁক কথা দিয়াৰ বাবে মই কাহিনীটো লিখিলো। যদিহে এই ঘটনাটো প্ৰকৃততে ঘটিছিল বা তেনে ঘটনা যদি কোনোবাই জানে অনুগ্ৰহ কৰি কয় যেন।

❋

# বিদায় এটি অনুভৱ ...

*(মহাবিদ্যালয়ত কটোৱা প্ৰতিটো দিনৰ প্ৰতিটো পল প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ জীৱনত এক মধুৰ স্মৃতি হৈ ৰ'ব। এই মহাবিদ্যালয়ত শিক্ষা গ্ৰহণ কৰি ওলাই যোৱা সকলৰ আৰু শিক্ষা গ্ৰহণ কৰি ওলাই যাবলৈ লোৱা ছাত্ৰ-ছাত্ৰীসকলৰ মহাবিদ্যালয়খনিক লৈ তেওঁলোকৰ 'অনুভৱ' কি আমাৰ জানো জানিবলৈ মন নাযায় ?*

*সেয়েহে আমি মহাবিদ্যালয়ৰ কেইজনমান প্ৰাক্তন ছাত্ৰ আৰু স্নাতক চূড়ান্ত বৰ্ষৰ ছাত্ৰ-ছাত্ৰীক মহাবিদ্যালয়খনিক লৈ তেওঁলোকৰ অনুভৱ কি সুধিছিলো। অজ্ঞানৰ পৰা জ্ঞানলৈ, এন্ধাৰৰ পৰা পোহৰলৈ লৈ যোৱা .....। অজস্ৰজনক জ্ঞানৰ অক্ষয়বন্তিৰে উজ্জ্বলোৱা সোণাৰি মহাবিদ্যালয়খনিক লৈ তেওঁলোকৰ অনুভৱসমূহৰ এটি আলোকপাত।)*

— সম্পাদক, সোণালী



সোণাৰি মহাবিদ্যালয়খন শিৱসাগৰ জিলাৰ ভিতৰতে এখন অগ্ৰণী শিক্ষা প্ৰতিষ্ঠান। সোণাৰিৰ দৰে সৰু চহৰ এখনৰ বৌদ্ধিক বিকাশত ইয়াৰ ভূমিকা অপৰিসীম। যোৱা তিনি বছৰে অধ্যয়নৰ তাগিদাত মই মহাবিদ্যালয়ৰ লগত জড়িত। মহাবিদ্যালয়খনৰ চৌহদৰ ছাত্ৰাবাসত থকা বাবেই নেকি ; সদায় দেখি থকা মহাবিদ্যালয়ৰ দীঘল বিল্ডীংটো, ইয়াৰ খেলপথাৰ, লাইব্ৰেৰী, ফুলনী, কেণ্টিন লগতে মহাবিদ্যালয়ত উদ্‌যাপিত বা অনুষ্ঠিত প্ৰতিটো অনুষ্ঠান সভা-সমিতিৰ লগত নিবিড়ভাৱে জড়িত বুলি মই নিজকে ভাবো।

মহাবিদ্যালয়ৰ সমূহ প্ৰবক্তাবৃন্দ, ইয়াৰ কৰ্মচাৰী লগতে পঢ়ি যোৱা বা পঢ়ি থকা ছাত্ৰ-ছাত্ৰীৰ নিৰলস প্ৰচেষ্টাৰ বাবেহে আজি এই ৰূপত ঠন্ ধৰি উঠিছেহি। মহাবিদ্যালয়খনে আজিৰ তাৰিখত যি সফলতা আৰ্জিছে সেয়া তেওঁলোকৰ আটাইৰে কৃচ্ছ্ৰসাধনাৰেই ফল বুলিব লাগিব। এজন ছাত্ৰ হিচাপে সোণাৰি মহাবিদ্যালয়খনৰ প্ৰতি যি শ্ৰদ্ধা আৰু আকুলতা আছে সেয়া মই ভাষাৰে বুজাব নোৱাৰিম। শেষত, মহাবিদ্যালয়খনৰ সৰ্বাৰ্থসিদ্ধি হৈ ইয়াৰ স্বকীয়-দ্যুতিৰে উদ্ভাসিত হৈ উঠক তাকে অন্তকৰণে কামনা কৰিলো।

বিনয় বৰুৱা
বুৰঞ্জী বিভাগ
স্নাতক ৩য় বৰ্ষ







সোণাৰি মহাবিদ্যালয়খন শিৱসাগৰ জিলাৰ ভিতৰতে এখন লেখতলবলগীয়া উচ্চ শিক্ষাৰ অনুষ্ঠান। যোৱা তিনিটা বছৰে অধ্যয়নৰ খাতিৰত মই এই মহাবিদ্যালয়ৰ লগত জড়িত। মহাবিদ্যালয়ৰ প্ৰায়বোৰ দিশতেই মই আপ্লুত। মহাবিদ্যালয়ৰ লাইব্ৰেৰী, হোষ্টেল, কেণ্টিন, সন্মুখৰ ফুলনি আৰু ইয়াত উদ্‌যাপিত প্ৰতিটো অনুষ্ঠানেই অতি মোহনীয় আৰু মই ওতঃপ্ৰোতভাৱে ইয়াৰ লগত জড়িত। বেছি আলোড়িত হ'লো মহাবিদ্যালয়ৰ শিক্ষাদান প্ৰক্ৰিয়াত। আশা কৰো এই প্ৰক্ৰিয়া ভৱিষ্যতেও ধাৰাবাহিকভাৱে অব্যাহত থাকিব তাৰ কামনা কৰিলো।

ডেভিদ গগৈ
শিক্ষা বিভাগ
স্নাতক ৩য় বৰ্ষ



সময় পখিলা হৈ উৰি যায় পাখি মেলি। মোৰ কলেজত থকা সুমধুৰ দিনবোৰ কোন তলকত আৰম্ভ হৈ শেষ হৈ গ'ল ক'ব নোৱাৰিলো। এই মৰমৰ মহাবিদ্যালয়খনত ২০০৩ চনত স্নাতক ১ম বৰ্ষত নাম ভৰ্তি কৰি শিক্ষা জীৱনৰ তিনিটা বছৰ কটালো। এই দিন কেইটাত মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ শিক্ষাগুৰুসকলৰ পৰা যি শিক্ষা আৰু মৰম, চেনেহ পালো সেয়া সঁচাকৈয়ে মোৰ জীৱনত স্মৰণীয় হৈ ৰ'ব। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ নিয়মানুৱৰ্তিতা, ভাতৃত্ববোধ সঁচাকৈয়ে প্ৰশংসনীয়। শেষত মহাবিদ্যালয়খনি উত্তৰোত্তৰ কামনা কৰিলো। সোণাৰি মহাবিদ্যালয় এখন আদৰ্শৰ মহাবিদ্যালয় হওঁক তাৰ কামনাৰে ....

ৰাছিম ৰাজা
স্নাতক ৩য় বৰ্ষ



সোণাৰি চহৰৰ শিক্ষাৰ প্ৰাণকেন্দ্ৰ স্বৰূপ সোণাৰি মহাবিদ্যালয়খনিয়ে ছাত্ৰ-ছাত্ৰীমহলত বৌদ্ধিক বিকাশত অগ্ৰণী ভূমিকা গ্ৰহণ কৰি আহিছে। সুদীৰ্ঘ পাঁচবছৰে এই কলেজখনিৰ সৈতে জড়িত হোৱাৰ বাবে ইয়াৰ ক্লাচৰুম, লাইব্ৰেৰী, হোষ্টেল, কেণ্টিনকে আদি কৰি কলেজখনিত উদ্‌যাপিত প্ৰত্যেকটো অনুষ্ঠানেই অতি হেঁপাহৰ। শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীসকলৰ যি দায়িত্ববোধ তথা বন্ধুত্বপূৰ্ণ সহায়ক আচৰণ তাকলৈ গৌৰৱ অনুভৱ কৰো।

ডেইজী কোঁৱৰ
স্নাতক ৩য় বৰ্ষ



সোণাৰি মহাবিদ্যালয়খন ইতিহাসে পৰশা শিৱসাগৰ জিলাৰ এখন অন্যতম ঐতিহ্যমণ্ডিত মহাবিদ্যালয়। মহাবিদ্যালয়খনিৰ প্ৰতিটো দিশেই মোক চিৰদিন আকৰ্ষিত কৰি আহিছে। বিশেষকৈ শিক্ষক-শিক্ষয়িত্ৰীসকলৰ মৰম তথা অনুশাসন, ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ভাতৃত্ববোধ তথা বন্ধুভাবাপূৰ্ণ মনোভাৱে মোক আপ্লুত কৰে। শিক্ষাগুৰুসকলে ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক তথা বৌদ্ধিক বিকাশতো বিশেষভাৱে গুৰুত্ব প্ৰদান কৰি বিভিন্ন সৃষ্টিমূলক কাৰ্যৰ প্ৰতি উৎসাহিত কৰে। মহাবিদ্যালয়খনিৰ সৰ্বাঙ্গিণ উন্নতি আৰু উত্তৰোত্তৰ কামনা কৰিলো।

ঈশানী বৰুৱা
স্নাতক ৩য় বৰ্ষ



সোণাৰি মহাবিদ্যালয়লৈ অধ্যয়ন কৰিবলৈ আহি মই সপোনতো ভবা নাছিলো যে ইয়াৰ ছাত্ৰ একতা সভাক নেতৃত্ব দিয়াৰ গধুৰ দায়িত্ব এদিন মইয়েই ল'ব লাগিব। ছাত্ৰ একতা সভাৰ দায়িত্বত থকাৰ বাবে মহাবিদ্যালয়ৰ প্ৰতি মোৰ টানতো বৃদ্ধি পাইছিল।

মহাবিদ্যালয় এৰাৰ সময়ত সেই টানটোৱে আহি মোক বৰ আমনি দিছিল। এদিন যেনেদৰে আহিছিলো তেনেকৈ যাবগৈ লাগিব, এয়া যেন বিধিৰেই নিয়ম। মহাবিদ্যালয়ত অধ্যয়ন কৰাৰ সময়ত আৰু মই সাধাৰণ সম্পাদকৰ দায়িত্বত থকাৰ সময়ত শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয় ডঃ ৰাজেন তামুলীছাৰ, উপাধ্যক্ষা শ্ৰীযুক্তা ৰতিপ্ৰভা গগৈ বাইদেউ আৰু মহাবিদ্যালয়ৰ প্ৰবক্তাসকলৰ পৰা যি সহায়-সহযোগ আৰু মৰম পাইছিলো তাৰ বাবে তেখেতসকলৰ প্ৰতি মই চিৰ কৃতজ্ঞ, লগতে মহাবিদ্যালয়ৰ সকলো বন্ধু-বান্ধবী আৰু অনুজ সকললৈ বিদায় বেলাত মৰম ও কৃতজ্ঞতা জ্ঞাপন কৰিলো।

শেষত মহাবিদ্যালয়ৰ সৰ্বাঙ্গীণ উন্নতিৰ কামনাৰে—

সুৰেশ ফুকন
সাধাৰণ সম্পাদক, ২০০৫-০৬
ছাত্ৰ একতা সভা



সোণাৰি নগৰৰ মাজমজিয়াত হিমালয়ৰ দৰে গৌৰৱেৰে জিলিকি থকা আগশাৰীৰ শিক্ষানুষ্ঠান সোণাৰি মহাবিদ্যালয়ত অধয়ন কৰি আহি মই আজি গৌৰান্বিত। হাজাৰ জনক জ্ঞানৰ বন্তিৰে আলোকিত কৰিবলৈ সক্ষম হোৱা সোণাৰি মহাবিদ্যালয়ৰ শৈক্ষিক পৰিৱেশ সঁচাই চকুত লগা। ইয়াৰ সুস্থ শৈক্ষিক বাতাবৰণে এজন ছাত্ৰক ভবিষ্যত জীৱনত সুস্থ মানসিকতা গঢ় দিয়াত যথেষ্ট সহায় কৰিব বুলি আশা কৰিব পাৰি।

সোণাৰি মহাবিদ্যালয় এখন আদৰ্শৰ মহাবিদ্যালয় হওঁক তাৰ কামনাৰে—

মাধুৰ্য্য ফুকন
দিছপুৰ আইন মহাবিদ্যালয়
গুৱাহাটী





## কবিতাৰ পৃথিৱীলৈ স্বাগতম্ ...
## ... মই কবিতাই কৈছো





*আজিৰ কবিতা হৈছে সমাজ জীৱনৰ দৰ্শন। আজিৰ কবিতাৰ ছত্ৰে-ছত্ৰে উদ্ভাসিত হৈ উঠিছে ঐতিহাসিক সময়বোৰৰ বহ্নিদীপ্ত শিখা।*

*— ডঃ লক্ষ্যহীৰা দাস*

# দুৰ্জয় মন

মুনমী কোঁৱৰ
স্নাতক ২য় বৰ্ষ

মানুহৰ মন,
সঁচাকৈয়ে কিমান যে ৰহস্যময়
মানুহ জয়ী হয় মনৰ বলতেই
জীৱনৰ প্ৰতিটো সংগ্ৰামতে।
ঠিক তাৰ বিপৰীতে
ধ্বংসওতো হয় মনৰ দোষত।
মানুহৰ মনৰ মাজতেইটো লুকাই থাকে
ৰাম আৰু ৰাৱণৰ দৰে
দুটা সম্পূৰ্ণ ভিন্ন চৰিত্ৰ।
মন এহাতেদি যিদৰে এটা নিৰ্মল পুখুৰী
আনহাতে ই এক পুতি গন্ধময় বিশাল পিতনি
য'ত থাকে কেৱল দুঃচিন্তা, দুৰ্দশা আৰু
এসোপা ভয় সন্দেহৰ নিৰস সমাহাৰ।
মন জগতৰ আটাইতকৈ চঞ্চল বস্তু
অথচ এই মনৰ দ্বাৰাইটো মানুহ পৰিচালিত।
যিদৰে এটি সুন্দৰ মনৰ ফাকেৰে
পৃথিৱীখনক সাতোৰঙী সাজেৰে সজ্জিত কৰিব পাৰি
তেনেদৰে এটি কলোষিত মনে
সমস্ত জগতখনকে কৰি তুলে অৰ্থহীন অগ্নিস্ফুলিংগ
মন সঁচাকৈয়ে দুৰ্জয়, কোনেও নুবুজে মনৰ মহিমা
যিজনেই, মনক বশীভূত কৰিছে
তেওঁৱেই তেওঁৰ প্ৰকৃত বন্ধু
আৰু যিজনে বিবেকৰ বানেৰে
নিজৰ মনক শৰবিদ্ধ কৰিব পৰা নাই
তেওঁ তেওঁৰ নিজৰেই শত্ৰু
কাৰণ মানুহৰ মন এনে এডোখৰ মাটি
যি মাটিৰ উৰ্বৰতা নিৰ্ভৰ কৰে
প্ৰত্যেকৰে বিবেকৰ সুস্থ চিন্তা আৰু কৰ্মৰ সমাহাৰত।



# নৰা

পৰী গগৈ
স্নাতক ১ম বৰ্ষ


আমাৰ জীৱন এনেকুৱাই নেকি ?
ক্ষন্তেকীয়া জীৱন
য'ত সপোনবোৰ হৈ পৰে
ভুলুণ্ঠিত, ধ্বংসপ্ৰাপ্ত।
আহ্ তোমালোকে আমাক কিয়
ইমান শাস্তি দিছা।
আজি যে কাঢ়ি লৈ গ'লা
আমাৰ জীৱন।
যেতিয়া সৰু আছিলো তেতিয়া
তেতিয়া দেখোন বৰ মৰম দিছিলা।
কিন্তু, এতিয়া কিয় দিলা
ইমান মৰণাঘাত।
আহাৰ, শাওণ ..... আঘোণ
এই মাহকেইটাই
আমাৰ জীৱনৰ
নিৰ্দিষ্ট মাহ।
শৈশৱ, কৈশোৰ, যৌৱন কিন্তু বাৰ্ধক্য
কিয় বাৰ্ধক্য পাৰ কৰিব নিদিলা ?
লুণ্ঠিত কৰিলা আমাৰ শৰীৰ আৰু প্ৰাণ
এতিয়া আমি ভুলুণ্ঠিত ধ্বংসপ্ৰাপ্ত
পৰিণত এজাক নৰা।





# এটি সপোন

লম্বিত গগৈ
স্নাতক ১ম বৰ্ষ



কাতিৰ কুঁৱলী সনা এটি পুৱাৰ
ক্ষণত আহিছিলা তুমি
শেৱালিৰ সুৱাহ লৈ
মোৰ হৃদয় জুৰাই, মন প্ৰফুল্লিত
কৰি গুচি গ'লা। আৰু মই,
মই মাথো দৌৰিলো পিছে পিছে
তোমাৰ .....
পিছে সাৰ পাই উঠি ভাবিলো
মৰিছিকা জানো ধৰিব পাৰি ....।

# শীতৰ ৰাতিৰ এটা স্নেপ-শ্বট

কল্যাণ কোঁৱৰ
স্নাতক ৩য় বৰ্ষ

উলংগ জোনটোলৈ পিতৃত্বৰ দাবী কৰি
শীতৰ ৰাতিটোৱে জন্ম দিয়ে জোনাকৰ চকুলোবোৰ
ঋতুৰ যান্ত্ৰণা প্ৰশমিত হোৱাত
সংগ্ৰামী ৰাতিটোৱে নিয়ৰৰ অশ্ৰু বোৱায়
কুঁৱলীৰ স্নেময়ী কোলাত ঢালি দিয়ে
সন্তানৰূপী জোনাকক;
লগে লগে আন্ধাৰৰ তন্ময়তা ভাগি
তৎপৰ হৈ উঠে নিজম ৰাতিৰ ক্ষণ।
অস্তিত্বৰ সন্ধানত জোনাকে
শীতৰ ৰাতিৰ বুকুত থিয় হৈ
পিতৃৰূপী জোনটোলৈ আবেগেৰে হাতবাউল দিয়ে ...।

# শীতৰ এনিশা

জিন্তী মহন
স্নাতক ২য় বৰ্ষ

শীতৰ এনিশা,
কাষৰ হাচনাহানাৰ সুৱাস নাকে-মুখে লাগিছে
ভেল কাৰ্ণেৰ্গিৰ দাৰ্শনিক তত্ব ব্যৰ্থ
আবেগৰ ঢৌবোৰ বহু শীৰ্ষত
বহু আগবাঢ়িছে, যেন সমুদ্ৰৰ জোৱাৰ।
শীতকাল, জোনাকৰ শেষ প্ৰহৰ
অদূৰৰ ধ্ৰুৱতৰাটিলৈ
আবেগৰ ঢৌবোৰে এটি ছাকি আগবঢ়াইছে।
প্ৰচণ্ড শীতকো নেওচা দি মুক্ত আকাশৰ তলত
টোপ টোপ নিয়ৰৰ কণালৈ ভ্ৰুক্ষেপ নাই
দূৰ দিগন্তত দৃষ্টি নিবদ্ধ।
প্ৰথম প্ৰহৰৰ বেদুইন স্বপ্নৰ আশাৰ কালিবৰ
জোনাকে ৰূপৰ পোহাৰ তুলিছে,
মনবোৰ অতীতৰ বুকুলৈ গুচি গৈছে
তাতে বিচাৰি পাইছে
ৰঙৰ ফাকু খেলা,
মৰহা গোলাপৰ সৌন্দৰ্য।



## দুঃসময়

আঞ্জুম আৰা হক
স্নাতক ১ম বৰ্ষ

মাত্ৰ—
এটা পেগ্ হুইস্কি,
বাকি দিবা পাত্ৰত।
তাত—
লীন নিয়াবা,
বিষাক্ত বিহ।
যাতে—
সেই মদিৰা পান কৰি
দুয়োখন হাত মোৰ
হৈ পৰে অৱশ।
তেতিয়া—
তোমাক নিৰলে পোৱাৰ
অদম্য ব্যাকুলতা;
তোমাক চুই চোৱাৰ
দুৰ্বাৰ হেঁপাহ;
তোমাক আঁকোৱালি লোৱাৰ
তীব্ৰ উন্মাদনা;
এনে জঘণ্য ভুলৰ
নিমিষতে অৱসান ঘটিব।।


আজিকালি—
তোমাৰ যে সময়ৰ
বিৰাট নাটনি !
মোৰ—
যন্ত্ৰণাখিনি, বেদনাখিনি,
উপলব্ধি কৰিবলৈ।
তোমাৰ বাবে—
সময়বিলাকতো মোৰ, মূল্যহীন !
মৰমখিনিতো মোৰ উপৰুৱা !

আনৰ সন্মুখত,
কটুবাক্যৰে ধাৰাশায়ী কৰাৰ
যোগ্যতা পালা ?
তোমাৰ বাবে বুকুত
সযতনে ৰখা,
মোৰ অফুৰন্ত মৰমৰ
প্ৰকৃত মূল্যায়ন নেকি ?
ভাব হয় মোৰ—
আঘাত কৰিবলৈ
ক্ষুৰধাৰ অস্ত্ৰপাত যেতিয়া,
আপোনজনেই তুলি দিয়ে
আনৰ হাতত।
মৃত্যুও ইমান লাঞ্চিত !

কিহৰ বাবে—
ইমানদিন জীয়াই থকাৰ,
অপৰাধ নে ;
জন্ম পোৱাৰ
প্ৰায়শ্চিত নে ;
তোমাক নিবিড়ভাৱে ভালপোৱাৰ
প্ৰকৃত পৰিণাম।।

## আঘোন

বাবুল ভৰলুৱা
স্নাতক ৩য় বৰ্ষ




শৰত আৰু শেৱালিৰ গোন্ধে
আদৰি আনে হেমন্তক।
সোণাৰুবুলীয়া সাজযোৰ পিন্ধি
সেউজীয়া ধাননিডৰাই
হালিজালি ছটিয়াই দিছেহি
আঘোনৰ আমোলমোল গোন্ধ।
কুঁৱলীৰঙী শাৰী পিন্ধা বেলি ....
ৰবাব টেঙাৰ আৰু মায়াময় স্বচ্ছতাৰ
নিয়ৰৰ গোন্ধেৰে তোলপাৰ বুকুখন
বিয়পি পৰিছে.....।
আঘোনৰ দীঘল সুহুৰিয়ে
কেঁচবছা ৰ'দৰ আঁচল ধৰি
ৰিঙিয়াই মাতিছে মোক
লেচেৰি বুটলা ল'ৰালি।
সোণবৰণীয়া পথাৰৰ মোহত
তজবজ কাঙাল কৃষকৰ
মুমূৰ্য প্ৰাণ।
আঘোন ....
বাৰিষাৰ প্ৰতিশ্ৰুতি
কৃষকৰ কণকবুলীয়া সপোন,
বিৰিয়াৰ বোকোচাত উঠি
জিৰিক জিৰিক মাতেৰে
সপোন হালধীয়া হৈ
ঘৰমুৱা হয় পথাৰৰ পৰা
যাক তেওঁলোকে ৰুই থৈছিল
শাওণৰ পথাৰত
সপোনৰ সুকোমল সেউজী পাতত
বুলাই থৈ আহিছিল
গ্ৰীষ্মৰ প্ৰখৰ উত্তাপত
টোপ্ টোপ্ ঘামৰ টোপাল।




## জাতিৰ প্ৰতি

অৰিন্দম চক্ৰৱৰ্তী
উঃ মাঃ ১ম বৰ্ষ

অসমীয়া হেৰ শুই নাথাকিবি
সাজি পাৰি ওলাবৰ হ'ল,
বৰপীৰা পাৰি শতৰু বহিল
উলিয়াই খেদিবৰ হ'ল।
লুইতৰ পাৰৰ অসমীয়া তই
কিয়নো কৰিছ ভয়,
লাচিত, মূলাৰ দেশৰ সন্তান
বাহুতে আছে তোৰ জয়,
অসমীয়া হেৰ শুই নাথাকিবি
সাজি পাৰি ওলাবৰ হ'ল।
মাতৃ পূজাৰ ৰক্তিম বেদীত
বৈছে আজি তেজৰ ধাৰ
কালৰূপ ধৰি ধুমুহা বেগেৰে
ভাঙি দে শতৰুৰ মাৰ।
দাঙিল হেংডাং মহা বিক্ৰমেৰে
ভাঙি দে শতৰুৰ বল।
শুন অসমীয়া শুই নাথাকিবি
সাজি পাৰি ওলাবৰ হ'ল।







## তুমি মোৰ মাথো মোৰ

বিৰাজ প্ৰতীম গগৈ

তুমি যদি পূৰ্ণিমাৰ জোন হোৱা
সেয়া তেন্তে কোন ? য'ত ...
শৰতৰ দুপৰৰ জিক্‌মিক
দুগ্ধ যেন শুকুলা বৰণ।
যদি তুমি ফাগুনৰ পছোৱা হোৱা
তেন্তে সেয়া কোন ? য'ৰ পৰা
বৰদৈচিলাই হিলদল ভাঙি
বছৰৰ মূৰত মাকৰ ঘৰলৈ যায়।
তুমি যদি শাওণৰ বান হোৱা
তেন্তে সেয়া কোন ? যিজনে
লুইতৰ পাৰ ভাঙে, কৃষকৰ কঁকাল ভাঙে
কাঢ়ি নিয়ে জীয়াই থকাৰ সমল।
তুমি যদি সাগৰৰ ঢৌ হোৱা
তেন্তে সেয়া কোন ? যাৰ
কুটিল ছুনামিত পৰি সমাধি ঘটে
হেজাৰ হেজাৰ নিঃশেষ হয়
নিৰীহ লোকৰ জীৱন।

# চহৰৰ নিলাজ সভ্যতা

ৰূপজ্যোতি বৰগোহাঁই
স্নাতক ১ম বৰ্ষ

মোৰ মৰমৰ গাঁওখনিলৈ
মোৰ সপোনৰ গাঁওখনিলৈ
তই নাহিবি, তই নাহিবি
চহৰৰ নিলাজ সভ্যতা
তই নাহিবি
কত কৃষকৰ কঠোৰ শ্ৰমেৰে
কত ৰোৱণীৰ আশাৰ সপোনেৰে জিলিকি উঠা
সোণালী ধাননিৰে মোৰ গাঁওখনিত
তই নিলাজৰ বোল নাসানিবি
মোৰ গাঁওত শিক্ষাৰ নামত নচলে
টকা-পইচাৰ বেহা
ধৰ্মৰ নামত নচলে
উচ্চ-নীচ, ধনী-দুখীয়াৰ ভেদা-ভেদ
বন্দুক-বাৰুদৰ গোন্ধৰ সলনি
মোৰ গাঁৱৰ বতাহত পুৱা-গধূলি বৈ থাকে
শংখ-ঘণ্টা-দবাৰ পবিত্ৰময় ঝংকাৰ
আৰু বিয়পি থাকে অলেখ শান্তি চৰাইৰ কলৰব
যান্ত্ৰিকবিহীন মোৰ গাঁৱত
যোগাযোগৰ নামত চলে নীলা খামৰ চিঠি
আৰু যাতায়তৰ নামত চলে গৰুগাড়ী।
মোৰ গাঁৱত
প্ৰেমৰ নামত হত্যা নচলে
যৌতুকৰ নামত বোৱাৰী নিৰ্যাতন
অথবা, জাতীয় সাজ-পোচাকৰ নামত
নগ্ন দেহৰ বেহা।
ইমান সুন্দৰ, ইমান পবিত্ৰ
মোৰ এই মৰমৰ গাঁওখনি
তই নাহিবি
চহৰৰ নিলাজ সভ্যতা
মোৰ গাঁৱত তই
নিলাজৰ বোল নাসানিবি।।






# এটা বাল্ব

মহেন্দ্ৰ বড়া
স্নাতক ১ম বৰ্ষ

সি এটা বৈদ্যুতিক বাল্ব
অনুষ্টুপীয়াকৈ পোহৰ বিলাইছে
এটুকুৰা ঠাইত
নিশাৰ আন্ধাৰখিনি আঁতৰাবৰ বাবে।
আন্ধাৰ আঁতৰাব সি
যেতিয়ালৈকে ৰাতি নুপুৱায়
যেতিয়ালৈকে তাৰ
ছুইচ্-অফ কৰা নহয়।
সুৰ্যোদয়ৰ পাছত তাৰ পোহৰ অৰ্থহীন
যেনেদৰে সস্তীয়া বৰালিমাছৰ বজাৰত
গেলা পুঠিমাছৰ দৰ।
জীৱন মানেই একোটা সূৰ্য
কেতিয়াবা একোটা বৈদ্যুতিক বাল্ব
আৰু কেতিয়াবা বজাৰৰ গেলা পুঠিমাছ
কোনোবা এখিনি সময়ৰ বাবে তাৰ মূল্য আছে
অনুষ্টুপীয়া পোহৰ বিলাবৰ বাবে।







# অনুভৱৰ স্কেচহত বন্ধুত্বৰ এপিটাফ

পৰাগজ্যোতি মহন্ত
স্নাতক ১ম বৰ্ষ

অনুভৱৰ শালীনতাই ঢুকি পোৱা
তোমাৰ বুকুৰ গভীৰতাত
মই অনুভৱ কৰো
বন্ধুত্বৰ নষ্টালজিয়া।
জীৱন আৰু সপোনৰ ক'লাজবোৰ
নামিছিল মোৰ জ্ঞাতে-অজ্ঞাতে।
মূল্যবোধৰ ক্ৰম সমাহাৰত
এৰিছিলো আন্তৰিকতা আৰু
বিশ্বাসৰ উশাহবোৰ ;
হুমুনিয়াহবোৰ পাতল লাগিছিল
তোমাৰ সান্নিধ্যত;
মনৰ জটিলতাবোৰ
শিথিল হৈ পৰিছিল
তোমাৰ অস্তিত্বৰ অনুভৱত।
এতিয়াও তুমি ভাবি লব পাৰা
তুমি সন্ধানী
ময়ো ভাবো আমি সহযাত্ৰী
অসীম তৃষ্ণাৰ মাদকতাত মাতাল
মোৰ মন, অনুভৱ কৰো
এখনি নৈ
যেন তাৰেই দুটি পাৰ
তুমি আৰু মই
সুঁতিয়েদি বৈ যায় বন্ধুত্ব
স্পৰ্শ কৰি পাঞ্চেৰ এটি টিং।



# বসন্ত

মোন গগৈ
উঃ মাঃ ২য় বৰ্ষ


যেতিয়া নিজানত কুলিয়ে মাতে
ঠন ধৰি উঠে গছৰ পাতে
মাতিব আকৌ শুৱলা কেতেকী
শিপিনীয়ে ঘূৰাব মাকো চেৰেকী।
আনন্দত ব্যাকুল হ'ব ডেকা-গাভৰু
বসন্ত আহিলে নালাগে আৰু
যেতিয়া সন্ধিয়া নামিব আকাশত
কঁপি উঠিব গাঁও ঢোলৰ মাতত
ডালিম গুটি যেন নাচনীৰ দাঁত
জেতুকাৰে বোলাব দুখনি হাত
গাত পিন্ধিব মুগাৰ চাদৰ মেখেলা
নাচোনত হ'ব তাই চিত্ পখিলা।
চুলি বান্ধিলৈ খোপাত গুজিব ফুল
আনন্দত ঢুলিয়াই বজাব ঢোল
শুৱনি হ'ব গাঁও পেঁপাৰ মাতত
আৰম্ভ কৰিব বিহু সাতোলা ঘৰত
পদূলি মূৰত বিহু আদৰিব
গৃহস্থ মংগল বুলি বিহু জুৰিব
শৰাইত গামোছা আৰু তামোল পান
সৰুৱে ডাঙৰত ধৰিব মান।
গ্ৰীষ্ম, বৰ্ষা, শৰৎ, হেমন্ত
ভাল লাগে মোৰ শীত-বসন্ত।

# ৰাজলক্ষ্মী তুমি বৰ ধুনীয়া

# সপোন

ৰুবী বড়া
স্নাতক ১ম বৰ্ষ

গভীৰ এই নিজম নিশা
হঠাতে সাৰ পাই
তোমালৈ মনত পৰিছে।
পদুম কলি যেন চকুৰ পাপৰি জপাই
তুমি নিশ্চয় শুই আছা
নে সাৰে আছা— তুমিও ?
আহাচোন, দুদণ্ড কথা পাতো।
তৰাবোৰ জ্বলি আছে, জোনটোৱে ওৰণিৰে
আধামুখ ঢাকি লৈছে।
তাৰেই পোহৰত চাম
মোক শেষ কৰি দিব পৰা
তোমাৰ মায়াবী দুচকু
দেখাৰে পৰা যি মোৰ পৃথিৱী হ'ল।
কোৱাচোন, কোৱা মোক,
কি যাদুৰেনো তুমি মোক ইমান আকুল-ব্যাকুল
কৰি তুলিছা
দুৰ্দান্ত প্ৰেমিক কৰি তুলিছা ?
আহানা কাষলৈ
তোমাৰ আঙুলিবোৰেৰে তুমি মোক চুই দিয়া
এবাৰ চুই দিয়ানা
অ' মোৰ কাংক্ষিত প্ৰেমৰ ঠিকনা
অঘৰী মোৰ আত্মাক থিতাপি লগোৱা।
এয়া দুভাগ নিশা
মোৰ লগত কথা পাতি
তুমিও বাৰু সাৰে আছা নেকি ?



বিজিত কুমাৰ টিপমীয়া
স্নাতক ৩য় বৰ্ষ

মোৰ সেউজ হৃদয়ৰ তলিৰপৰা
তোমাৰ ঘৰৰ পদুলি, সাপেখাতী হাইস্কুলৰ চৌহদ
হেমন্তৰ কেণ্টিনৰ পৰা ক্লাছৰোমলৈ
সকলোতে তোমাক ধুনীয়া লাগে অ' ৰাজলক্ষ্মী।

মিলনপুৰৰ কোমল ৰ'দালিয়ে চুই যাওঁতেই
তুমি টিউচনলৈ আহিলে
বেঙুনীয়া চুইজাৰযোৰে তোমাক ধুনীয়া লাগে
ধুনীয়া লাগে বগা-নীলা হাইস্কুলীয়া পোছাকেৰে।

দিনৰ পাছত ৰাতিলৈ গণাৰ দৰে
মই তোমালৈ গণো তিনিআলিত
চিনাকি পি.চি.অ.ত ডায়েল কৰি ভাগৰো
তোমাৰ হৃদয়ৰ নাম্বাৰ,
তুমি আহিলেই মোৰ অস্তিত্ব বিলীন হয়,
তোমাৰ সুখৰ হাঁহিৰ টুকুৰাবোৰ
বগা ফুটুকীয়া ছাতিৰ তলত।

তুমি সাপেখাতী হাইস্কুললৈ আহি থাকিলেই
দিনবোৰ ৰাতি হয়, ৰাতিবোৰ দিন
তিনিআলিৰ বকুলজোপাই মোক ফুচফুচকৈ কয়
তুমি কঢ়িয়াই আনিছা মোৰ জীৱনৰ বিষাদ।
ৰাজলক্ষ্মী,
মোৰ লগৰবোৰে জোকালে তোমাক
ফাগুনৰ উটনুৱা বতাহজাকে উৰুৱাই কঁপালৰ চুলি।
মুখত এমোকোৱা অভিমানেৰে
বিজুলী গতিত তুমি পাৰহৈ আহোতে
তোমাক ধুনীয়া লাগে অ' ৰাজলক্ষ্মী।

*(বিঃদ্ৰঃ "ৰাজলক্ষ্মীক জোকোৱা" বন্ধুসকলৰ হাতত)*





# মোৰ সেই নিৰ্দোষ শৈশৱ

লিপিকা গগৈ
উঃ মাঃ ১ম বৰ্ষ


দুটিমান কোমল হাঁহি
লৰা-ঢপৰা ইফালৰ পৰা সিফাললৈ ...
কিতাপ পঢ়াৰ নামো যে শুনিব নোৱাৰি।
ঘৰৰ পিছফালে গছজোপাত বাৰু
চৰায়ে বাঁহ সাজিছে নেকি ?
মনটোৱেচোন অনাই-বনাই মাথো ঘূৰিয়েই ফুৰে।
নাই একো চিন্তা, নাই ভাৱনা।
ভাগৰত ক'ৰবাৰ পৰা আহি মাৰ কোলাত
লালকাল দিয়া টোপনি,
মাৰ হাতৰ কোমল স্পৰ্শ।
সৰু সৰু কথাতে যে কাৰ স'তে
কাজিয়া কৰি পতা ঠেহবোৰ,
অফিচৰ পৰা দেউতা আহিব বুলি
অপেক্ষা কৰাৰ মধুৰ মুহূৰ্তবোৰ....
আজিও মনত পৰে
মোৰ সেই শৈশৱৰ দিনবোৰলৈ।
বাহিৰত বহি মা আৰু দেউতাক যে আকাশখন দেখুৱাই
প্ৰশ্নৰে ব্যতিব্যস্ত কৰি তোলা সময়বোৰ।
কাৰ স'তে পখিলাৰ পাছে পাছে
পখিলাৰ দেশ বিছাৰি ফুৰা দিনবোৰ।
এতিয়া ... সেয়া একোৱেই নাই
মোৰ ব্যস্ত জীৱনত এতিয়া
এয়া মাথো এক সোঁৱৰণ
সোঁৱৰণ মোৰ সুমধুৰ শৈশৱৰ
সোঁৱৰণ মোৰ নিৰ্দোষ অতীতৰ।
সময়... তোমাক জনাওঁ আহ্বান
তুমি জানো মোৰ শৈশৱ ঘূৰাই দিব নোৱাৰা
মোৰ সেই নিৰ্দোষ সোণালী শৈশৱ।



# তেজপুৰ

জেলসিং ৰেইন
স্নাতক ৩য় বৰ্ষ


কালি তোমাৰ স'তে মোৰ মুখামুখি
বহু কথাই কৈছিলা তুমি
লুইতত ধোৱা তোমাৰ গা
জিলিকি থাকা কিয় বা
নকন্যাৰ সাজেৰে।
অগ্নিগড়ৰ শিখৰত বহি
কৈছিলা তুমি
উষা-অনিৰুদ্ধৰ প্ৰেমৰ কাহিনী
স্বপ্নত কোঁৱৰক দেখা পাই
ব্যাকুল হোৱা বাণকন্যাৰ বিনিদ্ৰ ৰজনী,
সখীৰ হৃদয় জুৰাওঁ বুলি চিত্ৰলেখা
দ্বাৰকাৰ পৰা হৰণ কৰিছিল
অনিৰুদ্ধ শ্যামন্তমণি।
হৰিহৰৰ যুদ্ধ আৰু পুৰাণৰ
অলেখ কাহিনী।
ৰূপকোঁৱৰৰ কথাও ওলাই ছিল
কথাৰ মাজত,
তেওঁৰ জন্মৰ ঘৰটোৰ
কোঠাবোৰো দেখুৱাইছিলা।
তোমাৰ চোতালতে
বিষ্ণুৰাভাৰ তাণ্ডৱ চাবলৈ
ক'তজন যে উবুৰি খাই পৰিছিল।
ভূপেন-ফণীৰ গীত অভিনয়ে
বাণৰঙ্গমঞ্চ কিদৰে উতলা কৰিছিল
তাকো তুমি কৈছিলা
সন্ধিয়া উত্তৰণৰ পৰত
তোমাৰ পৰা যেতিয়া বিদায় লৈছিলো
হৃদয়-আকাশখনত
দুখৰ ডাৱৰে ছাটি ধৰিছিল।



# তুমি আঁতৰি যোৱাৰ পিছত

পাপৰি চুতীয়া
স্নাতক ২য় বৰ্ষ


তুমি আঁতৰি যোৱাৰ পিছত
আন্ধাৰৰ দৰে নামি আহে মোৰ কোঠালৈ
একোঠা শূন্যতা, ব্যাকুল আৰু নিসংগতা।
তুমি আহিলে যেনেকৈ জকমকাই ফুলি উঠে হৃদয়
আৰু আনন্দত নাচি উঠে মন।
থিক তেনেকৈ তুমি আঁতৰি যোৱাৰ পিছত
বুকুলৈ বাগৰি আহে বুজাব নোৱাৰা দুখ।
তুমি আঁতৰি যোৱাৰ পিছত
বুকুৰ মৌচিনৰামত নামি আহে
জাক জাক বিষাদৰ বৰষুণ।
তুমি আহিলে যে
তোমাৰ প্ৰিয় কবিতাবিলাক আবৃত্তি কৰি শুনোৱা
আৰু তোমাৰ গানবিলাক গুণগুণাই গোৱা
সেই প্ৰতিটো মুহূৰ্ত মোৰ বাবে যে কিমান মধুৰ !
তুমি আঁতৰি গ'লে
সেই মধুৰ স্মৃতিবোৰ আমনি কৰেহি বাৰে বাৰে
সিঁহতে মোক আঁতৰাই লৈ যাব খোজে
গভীৰ অৰণ্যৰ বুকুলৈ
তেতিয়াৰ পৰা আশাৰে বাট চাওঁ
পদূলি মুখলৈ
জানোচা তোমাৰ স'তে একেলগে বহাগ আহে
লগতে বৈ আহে বসন্তৰ বলীয়া বা।



# দুখৰ এটা স্মৃতি ঃ মোৰ প্ৰথম চিঠি


দেৱজিৎ বড়া

নিজানত উম লৈ শুই আছে এটা ৰাতি ...
চিকিমিকি পোহৰত লিখা মোৰ প্ৰথমখিনি চিঠি।
সাঁচি থৈছো এতিয়াও আলফুলে
হৃদয় জুৰাই কবিতাৰ স'তে
শৰতৰ আশাবোৰ গোপনে গোপনে।
দুখৰ হ'লেও ইয়ো এক স্মৃতি।
তুমিতো জানা নীলাঞ্জনা
প্ৰতিজন মানুহৰ বুকুৰ মাজতে থাকে
সেউজ প্ৰেমৰ ভূমি
জোনাকৰ শিহৰণ, স্মৃতিৰ মমতাময়ী অনুৰাগ
নেপথ্যত মাথো থাকা তুমি।
সপোনৰ তৰা এটি যেন তোমাক
চুমা খালে গালে মুখে মৰমতে
লাজতে ফাটি পৰে কোন ?
নতুন পোহৰ নতুন ৰ'দত
এতিয়াও তোমাৰেই প্ৰতিটো সত্বা।
বুকুৰ জখলাৰে নামি আহে
প্ৰথমটো অৰ্থবহ সেউজ কবিতা
যাক উপহাৰ দিওঁ তোমাৰ নামত।
অপৈণত ভ্ৰূণ নগজিলেও নীলাঞ্জনা
এইয়া অতীতৰ সঁচা যান্ত্ৰণা
মোৰ প্ৰথমখন প্ৰেমৰ চিঠিৰ বাবে
হয়তো তুমিয়েই দায়ী।










# সন্ত্ৰাসৰ বিভীষিকা

ময়ূৰী দেৱী
স্নাতক ১ম বৰ্ষ

সৃষ্টি আৰু ধ্বংস
মাজত মৃত্যুৰ যান্ত্ৰণা।
আশা ভংগৰ দুস্বপ্ন,
হতাশা আৰু বেদনা
অশান্তি আৰু সন্ত্ৰাস
চৌদিশে মাত্ৰ ৰক্তপ্লাৱন
বাৰুদৰ ভয়ংকৰ গৰ্জন।

ক্ৰন্দনৰতা মাতুৰ কৰুণ মিনতি
নিষ্পাপ শিশুৰ কৰুণ বিননি
কিযে ভয়াবহ সেই দৃশ্য।
চৌদিশে ধ্বংস যজ্ঞ
মৰ্মান্তিক আৰু হৃদয় বিদাৰক
ধ্বংসস্তুপৰ মাজত বহি আছো আমি।


উশাহত বাৰুদৰ গোন্ধ
মৃত্যুৰ যন্ত্ৰণা কিযে ভয়াবহ
ৰক্তলোভী মানৱৰ আট্টহাস্য
তাৰ মাজত জীয়াই থকাৰ
আশাপূৰ্ণ স্বপ্ন।



# নিয়তিৰ পৰিহাস


ৰুমী শ্যামলিমা বড়া
স্নাতক ২য় বৰ্ষ

কামিজৰ জেপটো খেপিয়ালো
যোল্ল অনাটো হেৰাল ক'ৰবাত
মন কৰিবলৈ নহ'ল জেপটো যে ফুটা।
মোৰ আজি একোৱেই নাই
পিছে , ভয় নকৰিব।
আপোনাক আমনি নিদিও
নিবিচাৰো কাৰোবাৰ অনুগ্ৰহ
জীয়াই থাকিম এনেদৰেই
নিসংগতাক সংগী কৰি।
দিনবোৰৰ দৰে হেৰাই গ'লে
মৰমৰ আঁতডাল ...
যোৱা নিদিওঁ।
অভিন্ন হৃদয়ো যদি ভিন্ন হয়
সময়ৰ সোঁতত হেৰাবলৈ দিম,
মানুহৰ মনবোৰ যে এনেকুৱাই
পৰক আপোন কৰি লোৱাজনো
আজি সমাধিত ... !



# বন্ধুৰ কান্দোন

ৰিতু বসুমতাৰী
স্নাতক ১ম বৰ্ষ



এজন বন্ধুক
বহুদিনৰ মূৰত
লগপাই সুধিলো,
তুমি এতিয়া সুখীনে ?
ক্ষন্তেকৰ পিছতে
কান্দি কান্দি ক'লে
ইমান দিনে যন্ত্ৰণাৰ মাজত থাকিও
এদিনো অনুভৱ কৰা নাছিলো
হঠাতে আজি তুমি জগাই দিলাহি
এতিয়াহে অনুভৱ কৰিছো দুখ।



# বিদায়

পুষ্পাঞ্জলি চেতিয়া
স্নাতক ২য় বৰ্ষ

বিদায় !
জীৱনৰ এটি কৰুণ ক্ষণ
পলে পলে আহে পলে যায়
যিদৰে আহে যায়
শৈশৱ, কৈশোৰ আৰু যৌৱন
মেলানি মাগে ইজনে সিজনৰ পৰা
অথবা সম্ভাষণ জনায় চকুলোৰে
পোৱা আৰু হেৰুৱাৰ দুখত।





# Welcome to English Section

# The Teaching and Learning of English at the Higher Secondary Level

*Sunil Dutta*
*Head, Dept. of English*

The revised two-year Higher Secondary Course on English emphasizes the students' acquisition and development of communicative competence in English. The students of this course are expected to express themselves in diverse real life situations. They will have to use English as a tool for pursuing higher studies or professional course in various fields. The objectives of the course are to enable the students to read, write, understand and speak English correctly and confidently. The proper development of the four basic language skills, namely, listening, speaking, reading and writing is tressed and the skill-wise objectives are specifically stated in the syllabus. The students are expected to understand the meaning of words, phrases and sentences from the context and distinguish between primary and secondary ideas while reading at a resonable speed. Moreover, they will write English correctly and appropriately. Logical presentation of ideas with proper punctuation marks is underlined. On the other hand, they should be able to develop the skill of listening so that can follow the sequence of ideas and recognize the stress and intonation of spoken English. This will enable them to speak English fluently and intelligibly in partical situations. In addition to these, this course is designed to develop the learners' interest in English so that they read news-papers, magazines etc. and listen to radio broad-casts and watch television shows in English. In short, the development of language ability is the primary objective of the course.

Though the Govt. of Asom is planning for a new and uniform system of Higher Secondary Education, it is still imparted in a lagre variety of institutions in the state. This significant course is pursued in Govt. Higher Secondary Schools, Provincialized Higher Secondary Schools and Permitted Higher Secondary Schools. It is also taught in Grant-in-Aid Junior Colleges and Permitted Junior Colleges. Besides, it is offered in Degree level Govt. Colleges, Grant-in-Aid Colleges, Affiliated Colleges and Permitted Colleges. The Course in English as a compulsory subject is same in Arts, Science and Commerce streams. As the institutions are many and varied, infrastructure conditions and nature of teaching also vary. Some of the institutions are well-equipped with teaching aids while the others continue to remain ill-equipped. This condition causes qualitative difference in the standard of teaching and learning English as a Second Languare.

As the institutions are of diverse types, so are the learners. The students in the age-bracket 16-17 join this course from different Secondary and Higher Secondary schools. Their number, quality, ability, interest and economic background differ widely. Most of the students are from Vernacular Medium Schools while others are from English Medium Schools. In other words, the same class may consist of both English Medium and Vernacular Medium students. The smart behaviour and confident use of English by the English Medium students often make many Vernacular Medium students feel inferior. Such superiority and inferiority complexes have adverse affects on learning, In most cases, the non-English medium students prefer translation method of teaching for better understanding. In fact, they cannot make proper use of the language skills. Under the circumstances, the level of their acquisition of the target language is strikingly different.

The English teachers play a dominant role in translating the aforesaid objectives into reality. Whether in a school or in a College, they have to help and guide the students. Though they are not formally trained, they are properly qualified for teaching English. Their knowledge, method and standard of teaching contribute substantially to the standard of learning. Big volume and short duration of the class make it difficult for a teacher to give individual attention to the students. He or She tends to forget to give ample opportunity to the students for adequate development of the language skills owing primarily to the frequent "Bandhs" called by different organisations and the haunting feeling to complete the course within the stipulated time. In other words, teaching is hardly objective-based. As a result, the standary of competence acquired by the average student is yet to be encouraging.

The quality of achievement depends greatly on the quality and standary of the textbook prescribed by the Assam Higher Secondary Education Council. The new textbook "Select Readings in English" is compiled, edited and annotated by the Editorial Board. A casual glance at the book gives the impression that the objectives of the Syllabus are not constantly kept in mind while selecting the "pieces". Some notes on the authors and their pieces are not satisfactory. The annotations are also not adequate. What is most regrettable is that, the book abounds in errors in spelling and use of punctuation marks. Ungrammatical construction is also evident in the very title page of the book which contains the expression "For Higher Secondary First Year and Second Year Class". I think the word "class" should have been replaced by the word "classes". Such a book is detrimental to goal-oriented teaching.

We all know that teaching is basically an art, the art of making others learn. It is unquestionably a challenging task. The interest, insight, experience, personality, voice and body language of the teachers add much to the total effect of teaching. Their efforts to stimulate students' interest and dispel their doubts and fears prove effective. The students should be aware of the objectives of the course. Thire improvement depends on their better acquisition of grammar and vocabulary of English. Intelligible pronunciation, correct spelling and punctuation marks should be stressed. Dictionaries, reference books, news-papers radio broadcasts, television programmes in English help much. In fact, well-equipped and small class, reliable taxtbooks, interested students and objecdtive-based teaching will improve the condition greatly.

*

# Need of Environmental Education for T. D. C. Students

*Rana Konwar*
*Lecturer, Dept. of Zoology*

'Environment' as its dictionary meaning says is the surrounding conditions influencing development or growth. Scientifically it denotes the sum total physical and biological factors that directly influence the survival, growth, development and reproduction of organism (wolf 1979). Environment is an external force which influence us. So environment as we understand, it is mainly of two types (i) The natural environment which includes natural things like Sun, air, water etc. (ii) Socio-Cultural environment which includes the social process, rules, regulations, traditions, customs, norms and all other things that make up a society and of which man is a member.

The importance of environmental awarness can't be set aside today, if we improve our environment automatically our life will be improved. It is not only a question of air and water pollution but also elimination of diseases, proverty, deforestation, dupletion of wild life, natural resource, accumulation of waste products, use of insectisides, pesticides etc. It is also said that human activities has led to the 'green house effect'. Global warming, duplition of ozon layer etc. which adversely affecting the normal quality of life of the people. So for the welbeeing of the people, the importance of environmental education must be emphasized upon.

The United Nations Conference of Human Environment at Stockholm, Sweden in 1972 was a major event for creating environmental awarness amongst the people of the world. However, the concern got its full fledged development when the UNESCO in coluboration with the United Nations Environmental Programme (UNEP) launced the UNESCO-UNEP International Environmental Education Programme (IEEP). Our late Prime Minister Indira Gandhi, who was known as a champion of environmental conservation, stated that "one cannot be truly human and civilized unless looks upon not only all fellowmen but all creations with the eyes of a friend." Environmental education is education through about or for environment. Its scope is therefore very wide.

Environmental education is interdisciplinary in nature covers the whole sphere of science of humanities. Since the course is an interdisciplinary one, subject knowledge from various disciplinary is needed. Its problems concern with the interaction between the living system and life. So sincere efforts must be taken to provide environmental education right from pre-primary level to the University stage.





The main objectives of environmental education are–

(a) To develop an awarness among the students on environmental problems and conservations.

(b) To improve the quality of environment.

(c) To creat an atmosphere in college and classroom so that students can participates in problems solving and decision making plans and procedures.

(d) To develop the capabilities to evaluate the affectiveness and also increase the public participation etc.

In the context of these basic objectives the Dibrugarh University has introduced a new academic course for T.D.C. students as a compulsory subject from the academic session 2004-05 and its affiliated colleges. It has been started from last year according of Suprem Court of India to the U.G.C. Due to the introduction of this course, the T.D.C. students in college level would be able to gather proper knowledge of environmental pollutions. Students can also get some edeas in details about the different sources of natural resources, ecosystem, biodiversity and its conservation, social issues relating to human population associated with our surrounding. Students can also increase the knowledge regarding sustainable development.

Apart from the theoritical knowledge students are given some practical field work in which they will be allowed to visit some pollcited sites for getting clear ideas of environmental studies in support of awarness programme. So the need of environmental education is essential.

The tremandous population growth, dupletion of natural resources, the environmental degradation have become serious threate for the future mankind. Its protection therefore, is essential which requires a system approach both globally and reginally. Yet, a small fraction of world population is actively concern with understanding this problem or seeking their solution. Therefore environmental education is the best progrtamme to deal with environmental problems.

***References :***

1. R. A. Sharma, "Environmental Education- Components, Problems and Management".
2. Assam Tribune dated 17th Nov., 05.
3. Animal Ecology - Kot.
4. Kotpal, "Animal Ecology".

# Society and Law in the Hindu and Buddhist Tradition

*Lipika Gogoi*
*H. S. 1st Year*

The relation between law and society involves both the actual and the ideal to the extent that particular laws and related to a particular society. They can be regarded as a reflection of its value system. But law (both customary and codified) is also seen as a means of social function as such. An attempt is made to perfect the legal framework, which then becomes a reflection of the aspirations of that society. In the Hindu and Buddhist tradition, this framework can be deduced from a number of tests and documents, most of which were composed in the period between 400 B.C. and A.D. 500.

There are two approaches to an attempt at understanding the rights of the human beings in the Hindu and Buddhist tradition. First of all, the metaphysical aspect provider a framework of a rather generalized kind emanating from a small group of thinkers. The second and more significant aspect of the study is provided by the law books themselves which draw a more distinct picture of the legal framework. At the metaphysical level both Hindu and Buddhist thoughts are concerned primarily with the ultimate desting of man- a transcendent, spiritual state where the soul finds salvation or the individual conciousness attains extinction.

Hindu law was first formulated in a tribal society and it was based largely an customary practices and relationships. As in frequent in kin-societies, social controls had the force of law. The Buddhist tradition originated at a time when tribal loyalty was changing into a territorial loyalty and there was a sharper awarness of political organisation.

The difference in the two traditions are significantly demostrated in the respective theories on the origin of government. According to the Hindu tradition, men, in a state of defencelessness and social disorder, appealed to the gods and latter appointed a king in their own image, who would protect the people and maintain law. Buddhist theory postulater a golden age which gradually decayed through the institution of private property and other social evils. Finally, the people gathered together and selected one to rule over them and maintain an orderly society. At the root of the social and legal thinking of both traditions was the belief that government in an unfortunate necessity. The Indian mind therefore concerned itself with the quest for a perfect social system.

The Hindu tradition individual salvation lies in a balanced manner, the three pursuits of human existence which are - drama (the laws of the social order), artha (properity) and kama (pleasure). The idea of drama is that one's duty has reference not only to






# TSUNAMI

Mrs. Deepanjali Gogoi
Lecturer, Deptt. of Eng.

The news of Tsunami
Left me feeling wet and clammy
Nature's fury;
Left mankind weary and teary
Car Nicobar– Paradise and a get away,
In the aftermath, long queues for
Drinking water sway
Marina Beach, India's pride;
200 died and survivor's cried.
Kanyakumari famed tourist centre,
Ghastly and Ghostly –
Mutely bears proof of Tsunami tragedy.
Kerala – God's own country;
In minutes was but a cemetery
Tsunami, some say is a
Godzillian sea monster,
Let's hope and pray
Mankind need never again fare such a disaster.



# No One Like You

Alibhushan Paul
B. Sc. 3rd Year

No one is like as she is,
Young innocent with ...
Attractive shining eyes.
Beauty is her identification,
Artistic is her decoration,
Grace and greenery her fashion.

# Lovers Point

Md. Rokib Ali
H.S. 2nd Year

Yes, it is lovers point,
A place where the lovers join.
To express the feelings of their heart,
And to talk over on an unknown destiny.
Here they swim in the sea of dreams ;
Here they dream about the future incoming.

It is the place where,
Two lovers meet,
To greet each other for success,
And to give the 'treat'.
Here time consumes,
Not the food.
Because, small amount of food,
Takes long time to eat,
But, on a definite topic,
Till the evening they can't agree.
Then the watch says,
Time to get back home.
But after all, one says the other that,
Dear, PLZ come here next afternoon.



# ফটো এলবাম্

" ... সময়ৰ বালিত পাহৰণিৰ পৰিধি ভাঙি
যি যি যাব খোজ ...
সোঁৱৰণিৰ পাতত
কেমেৰাত বন্দী এমুঠি স্মৃতিয়ে ... ।"



কৰ্মময় জীৱনৰ আবেলি পৰত মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক শ্ৰদ্ধাৰ বিনন্দ মহন্তক







# ফটো এলবাম্



মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীসকলৰ একাংশ



কৰ্মৰত অৱস্থাত গ্ৰন্থাগাৰীকা মহোদয়া



মহাবিদ্যালয়ৰ কৰ্মচাৰীসকলৰ একাংশ




মহাবিদ্যালয়ত অনুষ্ঠিত অধ্যক্ষ একাদশ বনাম সাধাৰণ সম্পাদক একাদশ প্ৰীতি ফুটবল খেলখনিত অংশ গ্ৰহণ কৰা সাধাৰণ সম্পাদক একাদশৰ দলটি

# ফটো এলবাম

## পাৰদৰ্শিতা আৰু প্ৰশংসনীয় ঃ



অসম সাহিত্য সভাৰ উদ্যোগত কটন মহাবিদ্যালয়ত অনুষ্ঠিত আন্তঃ মহাবিদ্যালয় সাহিত্য সন্মিলনত অসম সাহিত্য সভাৰ সভাপতি কনকসেন ডেকাৰ সৈতে সোণাৰি মহাবিদ্যালয়ৰ প্ৰতিনিধি অমৃত কুমাৰ গুৰুং (বাওঁফালৰ জন)




শান্তি নেৰাৰ
শ্ৰেষ্ঠ এথেলেট





গোপীনাথ ৰায়
একেলেথাৰিয়ে তিনি বছৰ ষ্ট্ৰং মেন আৰু দুবছৰ শ্ৰেষ্ঠ ভাৰউত্তোলকৰ খিতাপ বিজেতা



কৌশল কুমাৰ ৰাওট
মিষ্টাৰ সোণাৰি কলেজ



বিনয় বৰুৱা
শ্ৰেষ্ঠ সাহিত্যিক



বিৰূপ গগৈ
শ্ৰেষ্ঠ কৌতুক অভিনেতা





# ফটো এলবাম

## ২০০৫-০৬ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়া



অনাদি টায়ে
উপ-সভাপতি



সুৰেশ ফুকন
সাধাৰণ সম্পাদক



আব্দুল হাচিম উল্লা
সহঃসাধাৰণ সম্পাদক



গোপীনাথ ৰায়
গুৰু খেল বিভাগৰ সম্পাদক



বিজিত কোঁৱৰ
সাংস্কৃতিক সম্পাদক



অমৃত কুমাৰ গুৰুং
আলোচনী সম্পাদক



মন্টু কোঁৱৰ
সংগীত বিভাগৰ সম্পাদক



ৰাচিম ৰাজা
সাহিত্য সম্পাদক




ভাৰ্গৱজ্যোতি চাংমাই
তৰ্ক বিভাগৰ সম্পাদক



নৱজ্যোতি গগৈ
সমাজসেৱা বিভাগৰ সম্পাদক



চন্দ্ৰজ্যোতি দত্ত
শৰীৰ চৰ্চা বিভাগৰ সম্পাদক



অমিতাভ চক্ৰৱৰ্তী
লঘু খেল বিভাগৰ সম্পাদক




খঞ্জন বৰুৱা
ছাত্ৰ জিৰণীকোঠা সম্পাদক



নৱনীতা চেতিয়া
ছাত্ৰী জিৰণীচৰা সম্পাদিকা

## সাধাৰণ সম্পাদকৰ প্ৰতিবেদন ঃ



প্ৰতিবেদনৰ আৰম্ভণিতে দেশ মাতৃৰ চৰণ বুকুৰ তেজেৰে ধুৱাই নিকা কৰা সেই শত-শত 'শ্বহীদ'ৰ আত্মালৈ যাচিছো অশ্ৰু অঞ্জলি।

'সৃষ্টি যাৰ দৃষ্টিত তাৰ অলেখ সপোন'। এই বাক্যশাৰী শিৰোগত কৰি অজ্ঞানতাৰ তিমিৰ নাসী জ্ঞানৰ জ্যোতিৰে শত-শত জীৱন আলোকিত কৰাৰ উদ্দেশ্যেৰে আজিৰ পৰা ৩৬ বছৰৰ পূৰ্বেই যি কেইজন বৰেণ্য ব্যক্তিৰ একান্ত প্ৰচেষ্টাত এই মহাবিদ্যালয়খনি আজিৰ এই অৱস্থাত উপনীত কৰালেহি সেই কেইজন মহান ব্যক্তিকো এই আপাহতে শ্ৰদ্ধাৰে স্মৰণ কৰিছো আৰু সোণাৰি মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়, উপাধ্যক্ষা বাইদেউকে প্ৰমুখ্য কৰি মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ শিক্ষাগুৰুসকললৈ সশ্ৰদ্ধ প্ৰণাম জনাইছো। লগতে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীক কৃতজ্ঞতা জনাইছো যিসকল ছাত্ৰ-ছাত্ৰীয়ে ২০০৫-০৬ বৰ্ষৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত সাধাৰণ সম্পাদৰ দৰে এটি গুৰু দায়িত্ব অৰ্পণ কৰি মহাবিদ্যালয়লৈ সেৱা আগবঢ়াই যাবলৈ সুবিধা প্ৰদান কৰিলে।

আশা ৰাখিছো প্ৰতিষ্ঠা কালৰে পৰা মহাবিদ্যালয়খনি যি দৰে সুখ্যাতিৰে ইয়াৰ জ্যোতি বিলাই আহিছে অদূৰ ভৱিষ্যতে সেই জ্যোতি আৰু অধিক তীব্ৰতৰ হৈ উঠিব। আলোকিত কৰিব ইয়াৰ চৌপাশৰ সমাজখনক। অসমৰ বিভিন্ন ঠাইৰ পৰা ভিন্ন ৰুচিবোধেৰে জ্ঞান পিপাসু ভাইটি-ভণ্টীসকললৈ তেওঁলোকৰ শৈক্ষিক তথা বৌদ্ধিক প্ৰতিভা বিকাশ হৈ উঠাৰ কামনাৰে আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলো।

ভুলৰ ক্ষমা আছে গতিকে মোৰ কাৰ্যকালত মই বা ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকলে যদি অজানিতে আপোনাসৱৰ ওচৰত কিবা দোষ কৰিছিলো তেনেহ'লে মই সকলোৰে হৈ আপোনাসৱৰ ওচৰত ক্ষমা বিচাৰিছো। আশা কৰো আপোনাসৱে ক্ষমা কৰি দিব। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে মোৰ সাধাৰণ সম্পাদকৰ দৰে গুৰুদায়িত্ব অৰ্পণ কৰি সকলোকে সুনেতৃত্ব তথা বলিষ্ঠ পদক্ষেপেৰে বহু কিবাকিবি আশা কৰিছিল। কিন্তু মই নেজানো, মই তেওঁলোকক কেনে নেতৃত্ব দিলো বা কি কৰিলো, এয়া আপোনালোকৰ বিচাৰ্য বিষয়। মই ভাবো সাধাৰণ সম্পাদকৰ দৰে এটি গুৰুত্বপূৰ্ণ দায়িত্ব পালন কৰিবলৈ যাওঁতে বহুতো বাধা-বিঘিনি অতিক্ৰম কৰিবলগীয়া হয়। ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক হিচাপে দক্ষতাৰে কাৰ্য নিৰ্বাহ কৰিবলৈ কিছু দক্ষতাৰ নিতান্তই প্ৰয়োজন হয়। তথাপি এই অভাজনে সীমিত জ্ঞানেৰে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ লগত অন্তৰঙ্গতা গঢ়ি তুলি বহাবিদ্যালয়খনে অনুভৱ কৰা অভাৱ-অভিযোগসমূহ বুজ লৈ সেইবোৰ পূৰণ কৰাৰ বাবে পাৰ্যমানে চেষ্টা কৰিছিল। মহাবিদ্যালয়খনিৰ শৈক্ষিক পৰিবেশ তথা যি কোনো আভ্যন্তৰিণ উন্নতিত আহিপৰা কু-প্ৰভাৱসমূহ আঁতৰোৱাত পাৰ্যমানে চেষ্টা কৰিছিলো।

আমাৰ ব্যক্তিত্ব বা প্ৰতিভা বিকাশৰ উপযুক্ত স্থানেই হৈছে শিক্ষানুষ্ঠান। বৰ্তমানৰ গোলকীকৰণৰ ব্যৱস্থাত নিজকে আদৰ্শ ব্যক্তি ৰূপে গঢ় দিয়াৰ পথত প্ৰতিটো খোজ সাৱধানে পেলোৱাৰ সময় আহি পৰিছে। কিন্তু আমাৰ নৱ-প্ৰজন্মই এই ক্ষেত্ৰত বৰ দোষ লগাকৈ স্খলিত হোৱাৰ পৰিলক্ষিত হৈছে। এই কথা নিশ্চিতভাৱে ক'ব পাৰি যে, এচাম সুবিধাবাদীৰ ক্ষুদ্ৰ স্বাৰ্থ পূৰণত থেক মনোবৃত্তিৰ কৱলত পৰি বিপথে পৰিচালিত হৈছে। এনে ক্ষুদ্ৰ স্বাৰ্থন্বেষী স মাজ বিৰোধী সংকীৰ্ণ মনোভাৱৰ লোকৰ প্ৰতি আমি তীব্ৰ বিৰোধিতা কৰো। গতিকে নিজৰ ব্যক্তিগত সুবিধাৰ প্ৰতি লক্ষ্য নাৰাখি নিষ্ঠা আৰু সততাৰে নিজ দায়িত্ব আৰু কৰ্তব্য আন্তৰিকতাৰে গ্ৰহণ কৰিব পাৰিলেহে এখন সুস্থ-সৰল তথা শৈক্ষিক পৰিৱেশৰ আশা কৰিব পাৰি।

মহাবিদ্যালয়ৰ সাধাৰণ সম্পাদকৰূপে মই আমাৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত প্ৰতিভা বিকাশৰ আনুসংগিক বিষয় কিছুমানৰ প্ৰতি অনীহাৰ ভাৱ স্পষ্টভাৱে দেখা পাইছিলো। অপ্ৰিয় হ'লেও সত্য যে মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা অনুষ্ঠান সমূহত ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিৰ সংখ্যা তেনেই নগণ্য। সৰস্বতী পূজাত জাক-জমক সাজপোচাক পৰিধান কৰি যিটো উদ্যমেৰে আই সৰস্বতীক সেৱা কৰিবলৈ আহে সেই একে উদ্যমেৰে যদি মহাবিদ্যালয়ৰ প্ৰতিটো অনুষ্ঠানতে মাৰ্জিত সাজপোচাকেৰে অনুষ্ঠান বিলাকত ভাগলোৱা হেঁতেন অন্ততঃ যিসকল প্ৰতিযোগীয়ে অংশ গ্ৰহণ কৰে তেওঁলোকৰ মনোবল বৃদ্ধি পালেহেঁতেন। মহাবিদ্যালয়ত আমাৰ বাবে অনুষ্ঠিত কৰা অনুষ্ঠানবোও যদি আমিয়েই উপস্থিত নাথাকো, তেনেহ'লে এনে অনুষ্ঠানবোৰ পতাৰ কিবা সাৰ্থক হ'বনে ? নিশ্চয় নহয়। গতিকে ছাত্ৰ-ছাত্ৰীসকলে কেৱল শিক্ষা গ্ৰহণত ব্যস্ত নাথাকি অনাগত দিনবোৰত এই অনুষ্ঠানবোৰত অংশগ্ৰহণ কৰিব বুলি আশা ৰাখিলো।

*এটি অভিনৱ কাৰ্যব্যৱস্থা ঃ-*





মোৰ কাৰ্যকালত মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ ৰাহি হোৱা পুঁজিৰে মহাবিদ্যালয়ৰ গ্ৰন্থগাৰত প্ৰায় ৪০,০০০ টকা মূল্যৰ গ্ৰন্থৰ দান কৰা হয়।

*মোৰ কাৰ্যকালত পালিত কাৰ্যসূচী ঃ-*

১) সদৌ অসম ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচিত মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ তথা ছাত্ৰ একতা সভাৰ ১৯৯২-৯৩ বৰ্ষৰ সাধাৰণ সম্পাদক তপন কুমাৰ গগৈক সম্বৰ্দ্ধনা।
২) ১৯/২/২০০৫ তাৰিখত স্নাতক ৩য় বৰ্ষৰ বিদায় সভা।
৩) মহাবিদ্যালয়ত নতুন অধ্যক্ষক সম্বৰ্দ্ধনা।
৪) মহাবিদ্যালয়ৰ প্ৰৱেশ পথটোৰ উন্নয়ন।
৫) ২২/৭/০৫ তাৰিখত নৱাগত আদৰণি সভা।
৬) দুখন শোক সভা অনুষ্ঠিত কৰা হৈছে।
৭) আগষ্ট ৫-৭, ২০০৫ তাৰিখত অন্বেষা গ্ৰন্থমেলা।
৮) ৭ অক্টোবৰৰ পৰা ১০ অক্টোবৰলৈ ডিব্ৰুগড় বিশ্ববিদ্যালয়ত অনুষ্ঠিত হোৱা 'যুৱ মহোৎসৱ'ত অংশ গ্ৰহণ কৰা হয় আৰু দুটা বিভাগত মহাবিদ্যালয়ৰ দলটিয়ে পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হয়।
৯) ৫-১২ ডিচেম্বৰলৈকে মহাবিদ্যালয় সপ্তাহ
১০) ৫ চেপ্তম্বৰ তাৰিখে শিক্ষক দিৱস অনুষ্ঠিত কৰা হয়।
১১) নৱনিৰ্মিত মহাবিদ্যালয়ৰ শ্ৰেণীকোঠাত চিলিং ফেনৰ ব্যৱস্থা কৰা হয়।
১২) মোৰ কাৰ্যকালত বিজ্ঞান ভৱন আৰু মহাবিদ্যালয়ৰ ছাত্ৰী নিবাস নিৰ্মাণৰ বাবে কাৰ্যব্যৱস্থা লোৱা হয়।

সোণাৰি মহাবিদ্যালয়খনি বহু সমস্যাৰে জৰ্জৰিত তথাপিও কিছু সমস্যা সমাধানৰ বাবে আমি পাৰ্যমানে চেষ্টা চলাইছিলো। এই সমস্যাবোৰ সমাধানৰ বাবে মহাবিদ্যালয়ৰ কৰ্তৃপক্ষৰ লগত আলোচনাৰ মাধ্যমেৰে দাবী জনাইছিলো। তাৰে কিছু সমস্যা তলত উল্লেখ কৰা হ'ল—

১) মহাবিদ্যালয়ৰ ছাত্ৰ আৰু ছাত্ৰীৰ জীৱণি চ'ৰাৰ উন্নতি সাধন কৰিব লাগে।
২) ছাত্ৰ-ছাত্ৰী নিবাসত খেলা-ধূলাৰ সামগ্ৰীৰ লগতে টেলিভিচন আদিৰ ব্যৱস্থা কৰিব লাগে।
৩) মহাবিদ্যালয় গ্ৰন্থাগাৰত কিতাপৰ সংখ্যা বৃদ্ধি কৰিব লাগে লগতে ৰিডিং ৰোমৰ আকাৰ ডাঙৰ কৰিব লাগে।
৪) ছাত্ৰী নিবাসৰ চাৰিওকাষে পকী দেৱালৰ ব্যৱস্থা কৰিব লাগে।
৫) মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ স্থায়ী কাৰ্যালয় নিৰ্মাণ কৰিব লাগে।
৬) মহাবিদ্যালয়ৰ শ্ৰেণীকোঠাসমূহৰ সন্মুখত সুবিধা অনুযায়ী বিশুদ্ধ খোৱাপানীৰ ব্যৱস্থা কৰিব লাগে।
৭) বহু বিতৰ্কিত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ একক পোচাক পৰিধানৰ ওপৰত মহাবিদ্যালয়ৰ কৰ্তৃপক্ষই গুৰুত্ব প্ৰদান কৰিব লাগে।
৮) যি কোনো মূল্যৰ বিনিময়ত মহাবিদ্যালয়ৰ শৈক্ষিক পৰিবেশৰ বিকাৰসমূহ আঁতৰোৱাৰ ব্যৱস্থা কৰিব লাগে।

এবছৰীয়া আমাৰ কাৰ্যকালত আমি যিমানখিনি বা যেনেদৰে মহাবিদ্যালয়ৰ উন্নয়নৰ বাবে আগবাঢ়িব লাগিছিল হয়তো তেনেদৰে আগবাঢ়িব নোৱাৰিলো। যদিও আপোনালোকৰ সহায়-সহযোগিতাৰে মহাবিদ্যালয়ৰ উন্নয়নৰ কল্পে লোৱা বিভিন্ন পদক্ষেপসমূহৰ কিছু সমাধান হৈ উঠিছিল। যিবিলাক পদক্ষেপসমূহ আধৰুৱা হৈ আছে সেইবিলাকৰ পুৰ্ণসমাধানৰ অৰ্থে আমাৰ পিছৰ কাৰ্যনিৰ্বাহকে গুৰুত্বসহকাৰে যথাযথ ব্যৱস্থা গ্ৰহণ কৰিব বুলি আশাৰে বাট চালো।

*আমাৰ ক'বলগীয়া ঃ*

সাধাৰণ সম্পাদকৰ দৰে গুৰু দায়িত্ব পালন কৰাত অনেকৰে অনেক ক'বলগীয়া থাকিব পাৰে। বছৰটিত আমি পালন কৰা কাৰ্যসূচীসমূহত ক'ৰবাত নহয় ক'ৰবাত ভুল-ত্ৰুটি ৰৈ যোৱাতো অস্বাভাৱিক কথা নহয়। আপোনালোকে যেন সেই ভুলবিলাক নিজ ভাতৃ, বন্ধু, শিষ্য হিচাপে ক্ষমা কৰাৰ লগতে গঠনমূলক সমালোচনাৰে আঙুলিয়াই দিয়ে যেন।

*সমবেদনা জ্ঞাপন ঃ*

আমাৰ মহাবিদ্যালয়ৰ সৈতে অতীত বা বৰ্তমান সময়ৰ লগত ওতঃপ্ৰোতভাৱে জড়িত সকলৰ ভিতৰত বহুতৰে অকাল বিয়োগ ঘটিছে। তেখেতসকলৰ বিদেহী আত্মাৰ চিৰশান্তিৰ বাবে অদৃশ্য জনৰ চৰণত প্ৰাৰ্থনা জনাইছো।

*কৃতজ্ঞতা স্বীকাৰ ঃ*

আমাৰ কাৰ্যকালত বিভিন্ন দিশত দিহা-পৰামৰ্শ তথা গঠনমূলক পৰামৰ্শ আগবঢ়োৱাৰ বাবে মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়, উপাধ্যক্ষা মহোদয়াৰ লগতে সমূহ শিক্ষাগুৰু আৰু সমূহ কৰ্মচাৰীবৃন্দলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছো। প্ৰতিটো কাৰ্যসূচী সাফল্য মণ্ডিত কৰি তোলাৰ বাবে মোক বিভিন্ন সময়ত সহায়-সহযোগ আগবঢ়োৱা ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়াৰ লগতে অনাদিদা, মাধুৰ্য, নৱ, প্ৰণয়, আব্দুল, প্ৰণৱ (পেটুৱা), ডেভিদ, বিজিত, বিনয়, ভাৰ্গৱ, দেৱজিত, অমল (চত্), বিশ্ব, বিদ্যুৎ, ভৱ, সন্তোষ, প্ৰণৱ, ইন্দ্ৰ, দিপাংকৰ, ভদ্ৰকান্ত, শ্যামন্ত, অৰূপ, নয়ন, প্ৰমোদ, ৰঞ্জন, চিনু, নেহা, সবিতা, মৌচুমী, শিখা, চুম্পী তাৰোপৰি ছাত্ৰী নিবাসৰ সমূহ আবাসী আৰু মহাবিদ্যালয় ছাত্ৰ-ছাত্ৰীৰ লগতে দাদা বসন্ত আৰু ৰাজীৱ দালৈ হিয়াভৰা আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

*সামৰণি ঃ*

প্ৰতিবেদনৰ সামৰণিত ভৱিষ্যতৰ ছাত্ৰ একতা সভালৈ আমাৰ অনুৰোধ যে আমাৰ কাৰ্যকালত সফল কৰিব নোৱাৰা কাৰ্যসমূহ বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰি মহাবিদ্যালয়ৰ উন্নয়নৰ ক্ষেত্ৰত আগুৱাই যায় যেন। 'ছাত্ৰ শক্তি মহান শক্তি' এই শক্তিক গৌৰবোজ্জল কৰি তুলিবলৈ সবল নেতৃত্বৰে আগুৱাই যোৱাৰ লগতে মহাবিদ্যালয়ৰ পবিত্ৰতা অক্ষুন্ন ৰাখি ছাত্ৰ-ছাত্ৰীৰ স্বাৰ্থজড়িত সকলো সমস্যা সমাধানৰ পদক্ষেপ গ্ৰহণ কৰিব।

সদৌ শেষত নবনিৰ্বাচিত ছাত্ৰ একতা সভাৰ সকলো বিষয়ববীয়ালৈ মোৰ আন্তৰিক শুভেচ্ছা ভৰা আশীষ জ্ঞাপন কৰিলো।

"জয় আই অসম"

"জয়তু সোণাৰি মহাবিদ্যালয়"

"জয়তু সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা"

সুৰেশ ফুকন
সাধাৰণ সম্পাদক
সোণাৰি মহাবিদ্যালয় ছাত্ৰ একতা সভা
২০০৫-০৬ বৰ্ষ

## *সহকাৰী সাধাৰণ সম্পাদকৰ প্ৰতিবেদন ঃ*



জয়জয়তে সোণাৰি মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয় তথা সন্মানীয় শিক্ষাগুৰু আৰু ছাত্ৰ-ছাত্ৰীসকললৈ শ্ৰদ্ধা ও মৰম যাঁচি ২০০৫-০৬ বৰ্ষৰ সহকাৰী সাধাৰণ সম্পাদকৰ প্ৰতিবেদন আৰম্ভ কৰিছো। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে মোক ২০০৫-০৬ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সহকাৰী সাধাৰণ সম্পাদকৰ পদত নিৰ্বাচিত কৰে। তাৰ বাবে মই সমূহ ছাত্ৰ-ছাত্ৰীসকলক মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো। ২০০৫-০৬ বৰ্ষৰ সহসাধাৰণ সম্পাদক হিচাপে মই নিজাববীয়াকৈ একো লেখত লবলগীয়া কাম কৰিব নোৱাৰিলেও মই একতা সভাৰ সভাপতি তথা সাধাৰণ সম্পাদক তথা অন্যান্য বিষয়ববীয়াক যিকোনো দিশত সহায়-সহযোগিতা আগবঢ়োৱাত ক্ৰুটী কৰা নাছিলো। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ নিয়মানুৱৰ্তীতা বজাই ৰখাত মই বিশেষভাৱে গুৰুত্ব দিছিলো। (ইয়াৰ বাবে মোৰ বিভিন্ন জনৰ লগত মনোমালন্য ঘটিছিল) ছাত্ৰ একতা সভাই আয়োজন কৰা বিভিন্ন সভা-সমিতি আদিত বিশেষকৈ মহাবিদ্যালয় সপ্তাহ, সৰস্বতী পূজা আৰু অন্যান্য কাৰ্যসূচীত মই সক্ৰিয় অংশগ্ৰহণ কৰিছিলো। এই কাৰ্যসূচীসমূহ সূচাৰুৰূপে কৰি যোৱাত একতা সভাৰ সদস্য/সদস্যাৰ উপৰিও মোৰ মৰমৰ বন্ধু ৰণ্টু, পৰমেশ্বৰ, প্ৰণৱ, উজ্জ্বল,





সুৰেশ, বিজিত, নৱ, নিশি, কৌশল আৰু মোৰ মৰমৰ বান্ধৱী চবনমহঁতে মোৰ অশেষ সহায়-সহযোগিতা আগবঢ়াইছিল। সিহঁতসকলোলৈ মোৰ ধন্যবাদ থাকিল। শেষত সোণাৰি মহাবিদ্যালয় এখন আদৰ্শময় মহাবিদ্যালয় হওঁক তাৰ কামনা কৰিলো।

আব্দুল হাচিম উল্লা
সহকাৰী সাধাৰণ সম্পাদক
২০০৫-০৬ বৰ্ষ

## *গুৰু খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন ঃ*



প্ৰতিবেদনৰ আৰম্ভণিতে সেই দূৰদৃষ্টি সম্পন্ন তথা মহান ব্যক্তিসকলক শ্ৰদ্ধাৰে সোঁৱৰিছো যিসকলৰ অশেষ ত্যাগ আৰু কষ্টৰ বিনিময়ত সোণাৰি মহাবিদ্যালয় আজি এই পৰ্যায়ত উপনীত হৈছে। লগতে সোণাৰি মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় প্ৰমুখে সন্মানীত শিক্ষাগুৰুসকল, ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়া তথা মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীকে এই সুযোগতে আন্তৰিক শ্ৰদ্ধা ও কৃতজ্ঞতা জ্ঞাপন কৰিলো।

২০০৫-০৬ বৰ্ষৰ মহাবিদ্যালয়ৰ বাৰ্ষিক নিৰ্বাচনত মোক গুৰু খেল বিভাগৰ সম্পাদকৰূপে নিৰ্বাচিত কৰি মহাবিদ্যালয়ৰ সেৱা আগবঢ়াবলৈ সুযোগ দিয়াৰ বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীকে এই আপাহতে ধন্যবাদ জ্ঞাপন কৰিলো।


গুৰু খেল বিভাগৰ সম্পাদকৰূপে মই কিছুমান উদ্দেশ্য আগত ৰাখি প্ৰতিদ্বন্দ্বিতাত নামিছিলো। মোৰ উদ্দেশ্যবোৰৰ ভিতৰত উল্লেখযোগ্য এটা আছিল গুৰু খেল বিভাগৰ প্ৰতিটো খেলতে আন্তঃমহাবিদ্যালয় প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰা। কিন্তু মাত্ৰ ফুটবল আৰু মাৰথান দৌৰ প্ৰতিযোগিতাৰ বাহিৰে বাকী প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰোৱাব নোৱাৰিলো। প্ৰতিযোগীৰ অভাৱ আৰু মহাবিদ্যালয় কৰ্তৃপক্ষৰ কিছুমান ক্ষেত্ৰত হস্তক্ষেপ আদি কাৰণত মই মোৰ উদ্দেশ্য সিদ্ধি কৰিব পৰা নাছিলো।

মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহত মই গুৰু খেল বিভাগৰ সকলো প্ৰতিযোগিতা অনুষ্ঠিত কৰিছিলো। কিন্তু মই লক্ষ্য কৰিছিলো খেল-ধেমালিত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকল যথেষ্ট পিছপৰা আৰু অধিক সংখ্যক ছাত্ৰ-ছাত্ৰীৰে এই বিষয়ত অনীহা। এই প্ৰতিবেদনৰ দ্বাৰাই মহাবিদ্যালয়ৰ কৰ্তৃপক্ষক মোৰ এটি বিশেষ অনুৰোধ যে প্ৰতিটো বিভাগৰ খেলতে প্ৰশিক্ষকৰ ব্যৱস্থা কৰি লগতে নতুন খেল কিছুমান অন্তৰ্ভুক্ত কৰি ছাত্ৰ-ছাত্ৰীসকলক ক্ৰীড়াৰ প্ৰতি আগ্ৰহী কৰি তোলে যেন।

সদৌ শেষত, মোৰ কাৰ্যকালত মোক বিভিন্ন ক্ষেত্ৰত সহায়-সহযোগিতা লগতে সুদিহা-পৰামৰ্শ আগবঢ়োৱা শ্ৰদ্ধাৰ ড° ৰাজেন তামুলীছাৰ, মোৰ শিক্ষাগুৰু দিব্যজ্যোতিছাৰ, জ্যোতি ফুকনছাৰ, মনোৰঞ্জনছাৰ লগতে একতা সভাৰ বিষয়ববীয়াসকল আৰু মোৰ মৰমৰ বন্ধু প্ৰাঞ্জল, পুলক, সুৰেশ, মণ্টু, শান্তি, সুৰুজ, ৰাচিম, নালোৰ উপৰিও সমূহ ছাত্ৰ-ছাত্ৰীক আন্তৰিক ধন্যবাদ জনাই মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো।

গোপীনাথ ৰায়
গুৰু খেল বিভাগৰ সম্পাদক
২০০৫-০৬ বৰ্ষ

## *সাংস্কৃতিক বিভাগৰ সম্পাদকৰ প্ৰতিবেদন ঃ*



প্ৰতিবেদনৰ প্ৰাকবুলনিতে যিসকল সচেতন তথা উদ্যমী ব্যক্তিয়ে অশেষ শ্ৰম আৰু ত্যাগ স্বীকাৰ কৰি ঐতিহ্যমণ্ডিত সোণাৰি নগৰত এই মহাবিদ্যালয়খন প্ৰতিষ্ঠা কৰি আজিৰ অৱস্থাত উপনীত কৰিলেহি সেইসকল ব্যক্তিক মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদিছো। লগতে মহাবিদ্যালয়ৰ নতুন অধ্যক্ষৰূপে কাৰ্যভাৰ গ্ৰহণ কৰা শ্ৰদ্ধাৰ ড" ৰাজেন তামুলী ছাৰ তথা উপাধ্যক্ষা শ্ৰীযুক্তা ৰতীপ্ৰভা গগৈ বাইদেউ, মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ শিক্ষাগুৰুসকল আৰু সকলো

ছাত্ৰ-ছাত্ৰীকে কৃতজ্ঞতা জনাইছো।

২০০৫-০৬ বৰ্ষৰ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সাংস্কৃতিক বিভাগৰ সম্পাদক হিচাপে নিৰ্বাচিত হৈ মহাবিদ্যালয়খনৰ প্ৰতি সেৱা আগ বঢ়াবলৈ পোৱাত আনন্দিত হৈছিলো। মোৰ কাৰ্যকালত মহাবিদ্যালয়ৰ উন্নতিৰ হকে যিমান অৰিহণা আগবঢ়াব লাগিছিল সিমান আগবঢ়াব নোৱাৰিলো যদিও এইয়া আপোনালোকৰ বিচাৰ্যৰ বিষয়। তথাপি মই প্ৰতিটো কাৰ্যসূচীয়েই সফলতাৰে ৰূপায়ন কৰিছিলো আৰু ছাত্ৰ একতা সভাৰ প্ৰতিটো কামকাজতে সহায়ৰ হাত আগবঢ়াইছিলো।

মোৰ কাৰ্যকালত বিশেষকৈ প্ৰথমে মই মহাবিদ্যালয়ত শ্ৰীশ্ৰী সৰস্বতী পূজা আয়োজন কৰো। ছাত্ৰ একতা সভাৰ সকলো বিষয়ববীয়াৰ লগতে ছাত্ৰাবাসৰ বন্ধুৰ, ভাইটি আৰু ছাত্ৰী নিবাসৰ আৱাসীসকলক লৈ সুকলমে অনুষ্ঠিত কৰো। ইয়াৰ পাছত মহাবিদ্যালয়ত শ্ৰীমন্ত শংকৰদেৱৰ তিথি, তিথিৰ লগতে সংগতি ৰাখি ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক তথা বৌদ্ধিক বিকাশত সহায়ক হ'ব পৰাকৈ এখনি বক্তৃতা প্ৰতিযোগিতাৰ আয়োজন কৰো। তাৰ পাছত শ্ৰীশ্ৰী বিশ্বকৰ্মা পূজা উলহ-মালহেৰে উদ্‌যাপন কৰো। কিছুদিনৰ পিছতে মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা ক্ৰীড়া সপ্তাহত সাংস্কৃতিক বিভাগত থকা বিভিন্ন প্ৰতিযোগিতাৰ শিতানসমূহো সকলোৰে সহযোগত সফলতাৰে অনুষ্ঠিত কৰিছিলো। মোৰ কাৰ্যকালতে ডিব্ৰুগড় বিশ্ববিদ্যালয়ত অনুষ্ঠিত হোৱা যুৱ মহোৎসৱৰ সাংস্কৃতিক অনুষ্ঠানৰ প্ৰতিযোগিতাসমূহত আমাৰ মহাবিদ্যালয়ৰ দলটিয়ে অংশ গ্ৰহণ কৰি সোণাৰি মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনে। মোৰ প্ৰতিটো অনুষ্ঠানতে আৰু প্ৰতিটো কামতে সু-দিহা, পৰামৰ্শ আগবঢ়োৱা সাংস্কৃতিক বিভাগৰ উপদেষ্টা শ্ৰীযুক্তা ৰাণু মহন বাইদেউ, ৰীণা বাইদেউ, বৰপূজাৰী ছাৰ আৰু অসমীয়া বিভাগৰ প্ৰবক্তা ৰীতা বাইদেউ তেখেতসকললৈ মোৰ সহস্ৰ আন্তৰিক কৃতজ্ঞতাৰ শৰাই আগবঢ়ালো। মোৰ দায়িত্বত থকা প্ৰতিটো কাম কাজতে মোৰ লগত ছাঁৰ দৰে লাগি থকা দাদা বসন্ত চাউলকৰা, মহন্ত, ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকল তথা মোৰ বন্ধুবৰ মাধুৰ্য, বিনয়, সুৰেশ, নৱ, ভাৰ্গৱ, শ্যাম, ডেভিদ, বিশ্ব, শ্যাম, ভাইটি, অৰূপ, নয়ন, ভৱ, সন্তুষ, শ্যামন্ত, বিদ্যুৎ, দিপাংকৰ, ৰঞ্জন আৰু ছাত্ৰী নিবাসৰ সমূহ আৱাসীসকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

সৰ্বশেষত মোৰ কাৰ্যকালত অজানিতে হয়তো বহুতো ভুল-ত্ৰুটি ৰৈ গৈছে। অজানিতে ৰৈ যোৱা মোৰ ভুল-ত্ৰুটিবোৰৰ বাবে আপোনালোকৰ ওচৰত মাৰ্জনা বিচাৰি মোৰ প্ৰতিবেদন সামৰণি মাৰিছো।

সোণাৰি মহাবিদ্যালয় সদায়ে যেন এখন আদৰ্শ মহাবিদ্যালয় হিচাপে জিলিকি ৰয় তাৰ কামনাৰে—

বিজিত কোঁৱৰ
সাংস্কৃতিক বিভাগৰ সম্পাদক
২০০৫-০৬ বৰ্ষ

## সংগীত বিভাগৰ সম্পাদকৰ প্ৰতিবেদন ঃ



প্ৰতিবেদনৰ আৰম্ভণিতে সোণাৰি মহাবিদ্যালয়ৰ সন্মানীয় অধ্যক্ষ ড° ৰাজেন তামুলী ডাঙৰীয়া, মাননীয়া উপাধ্যক্ষা মহোদয়া শ্ৰীযুক্তা ৰতিপ্ৰভা গগৈ, বিভাগীয় তত্বাবধায়ক শ্ৰীযুক্তা ৰীতা দত্ত আৰু ৰঞ্জিত বৰগোহাঁই ছাৰলৈ তথা সমূহ শিক্ষাগুৰু আৰু কৰ্মচাৰীবৃন্দলৈ সশ্ৰদ্ধ প্ৰণাম জনাইছো।

২০০৫-০৬ বৰ্ষ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সংগীত বিভাগৰ সম্পাদক হিচাপে বিনা প্ৰতিদ্বন্দ্বিতাৰে সেৱা আগবঢ়াবলৈ সুযোগ দিয়াৰ বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰবৃন্দলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলো।

সংগীত বিভাগৰ সম্পাদকৰূপে ছাত্ৰ-ছাত্ৰীসকলৰ বৌদ্ধিক আৰু মানসিক বিকাশত কিমানদুৰ সফল হ'লো সেয়া আপোনালোকৰ বিচাৰ্যৰ বিষয়, কিন্তু ইয়াক দৃঢ়তাৰে ক'ব পাৰো মহাবিদ্যালয়ৰ দায়িত্ব আৰু কৰ্তব্যত কোনো দিনে অৱহেলা কৰা নাছিলো।

আমাৰ কাৰ্যকালত ডিব্ৰুগড় বিশ্ববিদ্যালয়ত অনুষ্ঠিত হোৱা যুৱ মহোৎসৱত দীৰ্ঘজ্যোতি দত্তই দুটি বিভাগত স্থান লাভ কৰি মহাবিদ্যালয়ৰ সুনাম কঢ়িয়াই আনে।

মুঠ কাৰ্যকালৰ ভিতৰত মহাবিদ্যালয়ত অনুষ্ঠিত প্ৰতিটো কাৰ্যসূচীতে সমবেত সংগীত তথা দুই-এক গীত পৰিবেশন কৰা হৈছে। তাৰ লগতে মহাবিদ্যালয়ৰ ক্ৰীড়া সমাৰোহ কাৰ্যসূচী প্ৰধান আছিল।





বিভিন্ন সময়ত মহাবিদ্যালয়ৰ বন্ধু-বান্ধৱী, ছাত্ৰ একতা সভাৰ বিষয়ববীয়া তথা শিক্ষক/শিক্ষয়িত্ৰীসকলে সহায়-সহযোগিতা আগবঢ়োৱাৰ বাবে শ্ৰদ্ধাৰ শিক্ষাগুৰু ড° ৰাজেন দত্ত, ৰীতা বাইদেউ আৰু ৰঞ্জিত বৰগোহাঁই, বন্ধু-বান্ধৱী, সুৰেশ, প্ৰকাশ, গোপী, শিক্ষা, তৰাংগিনী, ভাইটি দীৰ্ঘজ্যোতি, দ্বীপজ্যোতিক ধন্যবাদ জ্ঞাপন কৰিলো আৰু সদৌ শেষত সোণাৰি মহাবিদ্যালয়ৰ উত্তৰোত্তৰ কামনা কৰি প্ৰতিবেদন সামৰিলো।

"জয়তু সোণাৰি মহাবিদ্যালয়।
জয়তু সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা।।"

মণ্টু কোঁৱৰ
সংগীত বিভাগৰ সম্পাদক
২০০৫-০৬ বৰ্ষ

## লঘু খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন ঃ



প্ৰতিবেদনৰ আৰম্ভণিতে সোণাৰি মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ অধ্যক্ষ তথা সন্মানীয় শিক্ষাগুৰু, সমূহ কৰ্মকৰ্তা আৰু সতীৰ্থ সকলোলৈ শ্ৰদ্ধা ও মৰম যাচি ২০০৫-০৬ বৰ্ষৰ লঘু খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন দখিল কৰিবলৈ আগবাঢ়িছো। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ অশেষ মৰমৰ দাবীত মই ২০০৫-০৬ বৰ্ষৰ ছাত্ৰ একতা সভাৰ লঘু খেল বিভাগৰ সম্পাদৰ পদত অধিষ্ঠিত হও। সেয়েহে সমূহ ছাত্ৰ-ছাত্ৰীকে এই আপাহতে আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো। মহাবিদ্যালয়ৰ এই বিভাগত সম্পাদক ৰূপে অধিষ্ঠিত হৈ মই মহাবিদ্যালয়ত ছাত্ৰ একতা সভাৰ দ্বাৰা আয়োজিত বিভিন্ন কাৰ্যসূচীত মই নিজকে আত্ম নিয়োগ কৰিছিলো। মহাবিদ্যালয়ৰ সাধাৰণ সম্পাদকৰ লগতে আন বিষয়ববীয়াৰ কাৰ্যসূচীত মই সক্ৰিয়ভাৱে সহযোগিতা আগবঢ়াইছিলো। মোৰ কাৰ্যকালত ডিব্ৰুগড় বিশ্ববিদ্যালয়ত অনুষ্ঠিত আন্তঃ মহাবিদ্যালয় বেডমিণ্টন প্ৰতিযোগিতাত মই মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীক অংশ গ্ৰহণ কৰোৱাইছিলো। আৰু মহাবিদ্যালয় সপ্তাহত মই যথেষ্ট সক্ৰিয়ভাৱে নিজৰ কৰ্তব্য কৰি গৈছিলো। একতা সভাৰ উদ্যোগত আয়োজিত কাৰ্যসূচী সৰস্বতী পূজাত মই সাংস্কৃতিক বিভাগৰ সম্পাদকক প্ৰতিটো ক্ষেত্ৰতে সহায়-সহযোগিতা তথা দিহা-পৰামৰ্শ আগবঢ়াইছিলো। মহাবিদ্যালয়ৰ নিয়মানুবৰ্তীতা অক্ষুন্ন ৰখাত মই সভাপতি তথা সাধাৰণ সম্পাদকক পাৰ্যমানে সহায় আগবঢ়াইছিলো। সদৌ শেষত মোৰ বিভাগৰ বিভিন্ন কাৰ্যসূচীত বিভাগীয় সম্পাদকসকলৰ লগতে মোৰ মৰমৰ বন্ধু পৰমেশ্বৰ, কৌশল, ৰণ্টু, প্ৰণৱ, উজ্জ্বল, সুৰেশ, বিজিত, নৱজ্যোতি আৰু মৰমৰ বান্ধৱী মুনমী শ্যামলৈ মোৰ আন্তৰিক ধন্যবাদ থাকিল।

সদৌ শেষত সোণাৰি মহাবিদ্যালয় এখন আদৰ্শ মহাবিদ্যালয় হৈ উঠক তাৰ কামনাৰে—

অমিতাভ চক্ৰৱৰ্তী
লঘু খেল বিভাগৰ সম্পাদক
২০০৫-০৬ বৰ্ষ

## সাহিত্য বিভাগৰ সম্পাদকৰ প্ৰতিবেদন ঃ



প্ৰতিবেদনৰ আৰম্ভণিতে যিসকল শ্বহীদে দেশৰ স্বাৰ্থৰ হকে প্ৰাণ আহুতি দিলে তেওঁলোকলৈ গভীৰ শ্ৰদ্ধা নিবেদন কৰিছো।

প্ৰতিজন মানুহৰে বুকুত কিজানি একো একোটা শূন্য গহ্বৰ থাকে। এই শূন্যতা পূৰোৱাৰ স্বপ্নত বিভোৰ হৈ থাকোতেই পল-অনুপলকৈ পাৰ হৈ যায় সমগ্ৰ জীৱন। তেনেদৰে সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ ২০০৫-০৬ বৰ্ষৰ সাহিত্য বিভাগৰ সম্পাদক হিচাপে এয়া মোৰ অন্তিম দায়িত্ব। এই মোৰ অন্তিম দায়িত্ব প্ৰতিবেদনত মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় শ্ৰীযুত ৰাজেন তামুলী ছাৰৰ লগতে আমাৰ মহাবিদ্যালয়ৰ সমূহ শিক্ষাগুৰুকে আন্তৰিক শ্ৰদ্ধা নিবেদন

কৰিছো।

বিগত ২০০৫-০৬ বৰ্ষত মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাহিত্য বিভাগৰ সম্পাদক হিচাপে নিৰ্বাচিত হৈ মহাবিদ্যালয়লৈ সেৱা আগবঢ়োৱাৰ সুযোগ পোৱাত মই সমূহ ছাত্ৰ-ছাত্ৰীক মোৰ মৰম-চেনেহ আৰু ধন্যবাদ জনাইছো।

সাহিত্য বিভাগত সম্পাদকৰ কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছত মই এটা কথা অতি গুৰুত্বপূৰ্ণভাৱে লক্ষ্য কৰিছিলো যে, আমাৰ মহাবিদ্যালয়ত সাহিত্য বিভাগৰ নিচিনা ইমান সন্মানীত বিভাগটো বাকীবোৰ মহাবিদ্যালয়ৰ দৰে সিমান গুৰুত্বসহকাৰে যিকোনো ক্ষেত্ৰত গ্ৰহণ কৰা হোৱা নাছিল। সেয়েহে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকল সাহিত্যৰ প্ৰতি অতি অসচেতন হৈ পৰিছিল। সেয়েহে আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক সাহিত্যৰ প্ৰতি সচেতনতা আৰু আগ্ৰহ বৃদ্ধিৰ উদ্দেশ্যে মই এখনি কবিতা আৰু এখনি গল্পৰ কৰ্মশালা অনুষ্ঠিত কৰাৰ মনস্থ কৰিছিলো। মোৰ এই গল্পৰ কৰ্মশালা কিছু কাৰণত সম্ভৱ হৈ নুঠিল যদিও মই কবিতাৰ কৰ্মশালা অনুষ্ঠিত কৰাত সফলতা লাভ কৰিছিলো। ৩০ ছেপ্টেম্বৰ, ০৫ তাৰিখে অনুষ্ঠিত এই কবিতাৰ কৰ্মশালাত অতিথি হিচাপে আসন গ্ৰহণ কৰিছিল সদৌ অসম কবি সন্মিলনৰ সভাপতি কবি শ্ৰীযুত প্ৰেম গগৈ আৰু সমগ্ৰ অসমবাসীৰ পৰিচিত তথা নাজিৰাৰ নিবাসী কবি শ্ৰীযুত কমল কছাৰীদেৱে। এই দুয়ো কবিয়ে আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীক কবিতা তথা সাহিত্যৰ প্ৰতি কিছু জ্ঞান দিয়াত মই আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো।

ইয়াৰ পিছত ছাত্ৰ একতা সভাৰ সকলো কামতে মই মগ্ন হৈ পৰো। তাৰ পাছত আহি পৰিল আমাৰ সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহ। ৭ ডিচেম্বৰ, ০৫ তাৰিখে আৰম্ভ হোৱা এই ক্ৰীড়া সপ্তাহত মই সাহিত্য বিভাগৰ প্ৰতিযোগিতাসমূহ কিছু ক্ষেত্ৰত উন্নতি কৰিবলৈ চেষ্টা কৰিছিলো। সাহিত্য বিভাগত প্ৰত্যেক বছৰে হোৱা আটাইবোৰ প্ৰতিযোগিতাৰ লগতে কোনো বছৰে নপতা কবিতাৰ পাণ্ডুলিপি প্ৰতিযোগিতা পোন প্ৰথমবাৰৰ বাবে মোৰ কাৰ্যকালত পাতি মই অতি গৌৰবান্বিত।

শেষত মোৰ এই এবছৰীয়া কাৰ্যকালত মোৰ কাৰ্যসূচী সুচাৰুৰূপে পৰিচালনা কৰাত মই প্ৰধানকৈ মোৰ বিভাগীয় উপদেষ্টা শ্ৰীযুত ৰঘুনাথ কাগয়ুং ছাৰ, শ্ৰীযুত দিলীপ ৰঞ্জন বৰুৱা ছাৰ, মোৰ শিক্ষাগুৰু শ্ৰীযুত বিনন্দ মহন ছাৰ, শ্ৰীযুত সুনীল দত্ত ছাৰ, শ্ৰীযুক্তা ৰতিপ্ৰভা গগৈ বাইদেউ, শ্ৰীযুক্তা দীপাঞ্জলি বাইদেউ, শ্ৰীযুক্তা আঞ্জুআৰা বেগম বাইদেউ, শ্ৰীযুক্তা মমী বৰুৱা তথা মোৰ শ্ৰদ্ধাৰ সমূহ শিক্ষাগুৰুবৃন্দলৈ মোৰ সশ্ৰদ্ধ কৃতজ্ঞতা থাকিল। লগতে মোৰ গোটেই কালছোৱাত মোক সম্পূৰ্ণভাৱে সহায়ৰ হাত আগবঢ়োৱা মোৰ বন্ধু বিজিত কোঁৱৰ, সুৰেশ ফুকন, গোপীনাথ ৰায়, ভাৰ্গৱ চাংমাই, পুলক গগৈ, আব্বাছ আলী, প্ৰাঞ্জল চেতিয়া, বিনয় বৰুৱা, মণ্টু কোঁৱৰ, দেৱজিৎ শ্যাম, ডেভিদ গগৈ, নৱজ্যোতি তথা মোৰ সকলো বন্ধু-বান্ধৱীকে মোৰ আন্তৰিক কৃতজ্ঞতা নিবেদিছো।

সদৌ শেষত অনিচ্ছাকৃতভাৱে মোৰ যদি কিবা ভুল-ভ্ৰান্তি হৈছিল তাৰবাবে মই সদৌটিৰ ওচৰত ক্ষমা প্ৰাৰ্থনা বিচাৰিছো। লগতে আগন্তুক বৰ্ষকেইটিত যাতে উক্ত বিভাগটি অধিক বলিষ্ঠতাৰে কাৰ্যক্ষম হৈ উঠে ——এই কামনাৰে মোৰ এই প্ৰতিবেদনৰ সামৰণি মাৰিলো।

"জয়তু সোণাৰি মহাবিদ্যালয়।
জয়তু সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা।।"
"জয় আই অসম"

ৰাহিম ৰাজা
সাহিত্য বিভাগৰ সম্পাদক
২০০৫-০৬ বৰ্ষ

## তৰ্ক বিভাগৰ সম্পাদকৰ প্ৰতিবেদন ঃ



প্ৰতিবেদনৰ কলম ধৰাৰ প্ৰাক্‌মুহূৰ্ততে মই সোণাৰি মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় ড° ৰাজেন তামুলী ছাৰ আৰু উপাধ্যক্ষা মহোদয়া শ্ৰীযুক্তা ৰতিপ্ৰভা গগৈ বাইদেউকে প্ৰমুখ্য কৰি শ্ৰদ্ধাৰ শিক্ষাগুৰুসকল, মহাবিদ্যালয়ৰ সমূহ কৰ্মচাৰীবৃন্দ, ছাত্ৰ একতা সভাৰ সতীৰ্থ সদস্যসকল তথা মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ সহৃদয় শুভকামনা আৰু ধন্যবাদ জ্ঞাপন কৰিছো। লগতে ঐতিহ্যমণ্ডিত পবিত্ৰ শিক্ষানুষ্ঠানটিৰ বিগত ২০০৫-০৬ বৰ্ষৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ তৰ্ক বিভাগৰ সম্পাদক হিচাপে বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হৈ এবছৰৰ বাবে কলেজৰ স্বাৰ্থত সেৱা আগবঢ়াবলৈ সুবিধাকণ দিয়াৰ বাবে এই আপাহতে কলেজৰ সমূহ সতীৰ্থলৈকো আন্তৰিক শুভেচ্ছা আৰু কৃতজ্ঞতা ৰ'ল।





আমাৰ এই এবছৰীয়া কালছোৱাতে মই পৰম নিষ্ঠা আৰু একাগ্ৰতাৰে এই পদটিৰ জৰিয়তে কলেজলৈ সেৱা আগবঢ়াই যাবলৈ মনোনিবেশ কৰিছিলো। এই পদটিয়ে কলেজলৈ কঢ়িয়াই অনা পূৰ্বৰ সুনাম অক্ষত ৰাখিবলৈ তথা মই মোৰ বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলৰ সুপ্ত প্ৰতিভাবিলাক বিকশিত কৰিবলৈ যৎপৰোনাস্তি চেষ্টা কৰিছিলো।

মই মোৰ কাৰ্যকালত এই তৰ্ক বিভাগটিৰ অন্তৰ্গত প্ৰতিযোগিতাসমূহত ছাত্ৰ-ছাত্ৰীসকলক এক সুন্দৰ আৰু সুস্থ সুবিধা আগবঢ়াবলৈ সক্ষম হ'লো বুলি মই ভাবো। মোৰ কাৰ্যকালৰ প্ৰাৰম্ভণিতে মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত সোণাৰি লেখিকা সন্থাৰ সহযোগত আৰু মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ উদ্যোগত ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক তথা বৌদ্ধিক বিকাশৰ উদ্দেশ্যে এখনি 'অন্বেষা গ্ৰন্থমেলা'ৰ আয়োজন কৰা হয় আৰু মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি এখনি তৰ্ক প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। উক্ত প্ৰতিযোগিতাৰ বিজয়ীসকলক আন্তমহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিবলৈ সুবিধা প্ৰদান কৰা হয়। ইয়াৰ ভিতৰত বিশেষভাৱে উল্লেখ কৰিব পাৰি যে গুৱাহাটীৰ কটন কলেজন সদৌ অসম ভিত্তিত অনুষ্ঠিত স্বৰ্গীয় পৰাগ কুমাৰ সৌৰৱণী প্ৰাইজমণি তৰ্ক প্ৰতিযোগিতাখনিত আমাৰ মহাবিদ্যালয়ৰ দলটিয়ে অংশ গ্ৰহণ কৰে। কিন্তু সেই প্ৰতিযোগিতাত আমাৰ মহাবিদ্যালয়ৰ দলটিয়ে প্ৰথম তিনিটা স্থান দখল কৰিবলৈ সক্ষম নহ'ল যদিও এই প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰা অসমৰ প্ৰায় ৪০ খন মান মহাবিদ্যালয়ৰ প্ৰতিযোগীৰ তুলনাত আমাৰ কলেজৰ দলটিয়ে যথেষ্ট উচ্চ মানদণ্ডৰ যোগ্যতা দেখুৱাবলৈ সক্ষম হৈছিল। এই প্ৰতিযোগিতাত অংশগ্ৰহণে আমাৰ দলটিৰ অভিজ্ঞতাৰ লগতে বৌদ্ধিক বিকাশতো যথেষ্ট সহায় কৰিলে বুলি মই মই ভাবো।

ইয়াৰ পিছতে মোৰ কাৰ্যকালৰ কৰ্তব্যৰ ভিতৰত আহি পৰিছিল ছাত্ৰ-ছাত্ৰীসকলৰ বহু আকাংক্ষিত উৎসৱ "বাৰ্ষিক কলেজ সপ্তাহ"। প্ৰথমে মই অলপ অসুবিধাৰ সন্মুখিন হৈছিলো যদিও এই ক্ষেত্ৰত বিভাগীয় উপদেষ্টাৰ পৰা দিহা-পৰামৰ্শ আৰু ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱৰ সহযোগত মোৰ বিভাগীয় প্ৰতিযোগিতাসমূহত সফলতা লাভ কৰিছিলো। এই বাৰ্ষিক কলেজ স প্তাহতে মোৰ বিভাগত এটা নতুন প্ৰতিযোগিতা "নিৰ্বাচিত বিষয়ৰ ওপৰত বক্তৃতা" প্ৰতিযোগিতাটো সংযোজন ঘটাইছিলো। কিন্তু এই প্ৰতিযোগিতাটোক কেন্দ্ৰ কৰি ছাত্ৰ-ছাত্ৰীসকলৰ মাজত দেখা দিয়া অনীহাই আমাৰ উৎসাহ-উদ্দীপনা বহু পৰিমাণে ম্লান পৰি গ'ল। ফলত এই প্ৰতিযোগিতাটোত কোনো প্ৰতিযোগী নোহোৱাত প্ৰতিযোগিতাটো বাতিল কৰিবলৈ বাধ্য হৈছিলো। আগন্তুক বৰ্ষ কেইটিত যাতে উক্ত প্ৰতিযোগিতাটো কাৰ্যক্ষম হৈ উঠে তাৰ বাবে আগন্তুক বিভাগীয় সম্পাদকসকলক এই প্ৰতিবেদনৰ জৰিয়তে অনুৰোধ জনালো।

সম্পাদকীয় এই এবছৰীয়া কালছোৱাত মোক বিভিন্ন দিশত সুচিন্তিত পৰামৰ্শ তথা সহায়-সহযোগিতা আগবঢ়াই উৎসাহিত কৰাৰ বাবে বিভাগীয় উদপেষ্টাত্ৰয় পূজ্য শ্ৰীযুত নবীন গগৈ ছাৰ, শ্ৰীযুত গণেশ বৰুৱা ছাৰ, ড° জ্যোতিমা ফুকন বাইদেউ আৰু প্ৰবক্তা শ্ৰীযুত ৰাজীৱ কটকী, শ্ৰীযুত প্ৰবীন বড়া ছাৰ, শ্ৰীযুত ৰঘুনাথ কাগয়ুং, শ্ৰীযুত দিব্য কোঁৱৰ, শ্ৰীযুত সুনীল দত্ত, শ্ৰীযুত দিলীপ ৰঞ্জন ছাৰ আৰু গ্ৰন্থগাৰীকা শ্ৰীযুক্তা বাণী দেৱী বাইদেউলৈ এই আপাহতে ধন্যবাদ জ্ঞাপন কৰিলো। যোৱাটো বছৰত হৈ যোৱা তৰ্ক প্ৰতিযোগিতাখনিত প্ৰথম পুৰস্কাৰ তিনিটা আগবঢ়াই কৃতাৰ্থ কৰা 'অন্বেষা গ্ৰন্থমেলা'ৰ বিষয়ববীয়া কেইজনলৈও মোৰ আন্তৰিক কৃতজ্ঞতা জনাইছো। তাৰোপৰি বিশেষভাৱে সক্ৰিয় সহায়-সহযোগিতা আগবঢ়াই ঋণী কৰা ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়া তথা বন্ধুবৰ দেৱজিৎ, নৱ, বিনয়, ডেভিদ, অমল, বিজিত, বিশ্ব, বিদ্যুৎ, ভৱ আৰু অতিকে মৰমৰ পল্লৱী তথা ছাত্ৰী নিবাসৰ সমূহ আবাসীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

মোৰ এই এবছৰীয়া কালছোৱাত মই কিমানদূৰ সফলতা লাভ কৰলো তাৰ বিচাৰ আপোনাসৱৰ। মোৰ এই কাৰ্যকালত অক্ষমতাৰ হেতু হৈ যোৱা দোষ-ত্ৰুটীৰ বাবে সুধী সমাজৰ ওচৰত এই প্ৰতিবেদনৰ জৰিয়তে ক্ষমা প্ৰাৰ্থনা বিচাৰিছো। আশা ৰাখিছো ভৱিষ্যতৰ দিনবোৰত পৰৱৰ্তি কাৰ্যনিৰ্বাহকে সম্পাদকীয় বিভাগটিৰ লগতে সমূহ বিভাগতে সফলতাৰে কাৰ্যনিৰ্বাহ কৰিবলৈ সমৰ্থ হ'ব আৰু মহাবিদ্যালয়খনলৈ কঢ়িয়াই আনক অনেক সুনাম আৰু গৌৰৱ।

পৰিশেষত সেই আশাৰেই মই মোৰ এবছৰীয়া সম্পাদকীয় প্ৰতিবেদনৰ সামৰণি মাৰিলো।

"জয়তু সোণাৰি মহাবিদ্যালয়"
"জয়তু সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা"

ভাৰ্গৱজ্যোতি চাংমাই
তৰ্ক বিভাগৰ সম্পাদক
২০০৫-০৬ বৰ্ষ

## সমাজসেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন ঃ



প্ৰতিবেদনৰ আৰম্ভণিতে যিসকল মহান ব্যক্তিৰ অনেক ত্যাগ আৰু শ্ৰমৰ বিনিময়ত ঐতিহ্যমণ্ডিত আমাৰ মহাবিদ্যালয়খন গঢ় লৈ উঠিল সেইসকল মহান ব্যক্তিক মই শ্ৰদ্ধাৰে সোঁৱৰিছো। তাৰ পাছত মই শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়, উপাধ্যক্ষা মহোদয়া, শিক্ষাগুৰুসকল আৰু মহাবিদ্যালয়ৰ সমূহ কৰ্মচাৰীবৃন্দৰ লগতে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীকে মোৰ শ্ৰদ্ধা, মৰম ও কৃতজ্ঞতা জ্ঞাপন কৰিলো।

২০০৪-০৫ বৰ্ষৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সমাজসেৱা বিভাগৰ সম্পাদকৰূপে বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হৈ মহাবিদ্যালয়খনৰ প্ৰতি সেৱা আগবঢ়োৱাৰ সুযোগ প্ৰদান কৰাৰ বাবে সমূহ ছাত্ৰ-ছাত্ৰীক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

সমাজসেৱা বিভাগৰ সম্পাদকৰূপে মই কিমানদূৰ সফল হ'লো সেইয়া আপোনালোকৰ বিচাৰ্যৰ বিষয়। তথাপি মই সত্যানুসৰি মহাবিদ্যালয়ৰ প্ৰতি সেৱা আগবঢ়োৱাৰ চেষ্টা কৰিছিলো। সমাজসেৱা বিভাগৰ সম্পাদক হিচাপে মই প্ৰথম মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি মহাবিদ্যালয় চৌহদত বিভিন্ন গছপুলি ৰোপনৰ ব্যৱস্থা কৰিছিলো। তাৰ ওপৰি মহাবিদ্যালয় চৌহদ যিমান পাৰি পৰিস্কাৰ-পৰিচ্ছন্ন কৰি ৰখাত গুৰুত্ব আৰোপ কৰিছিলো। তাৰ উপৰিও মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ প্ৰতিটো কাৰ্যসূচীতে মই সহায়ৰ হাত আগবঢ়াইছিলো।

মোৰ অফুৰন্ত ইচ্ছা থকা সত্বেও সমাজসেৱা বিভাগত অছুতীয়াকৈ পুঁজি নথকাৰ বাবে মই মোৰ পৰিকল্পনাবোৰ বাস্তবায়িত কৰাত বাধা আহি পৰিছিল। সেই কাৰণে মই এই প্ৰতিবেদনৰ জৰিয়তে মহাবিদ্যালয় কৰ্তৃপক্ষক বিনম্ৰ অনুৰোধ জনাইছো যাতে আগন্তুক শিক্ষা-বৰ্ষৰ পৰা সমাজসেৱা বিভাগত এটা আছুতীয়াকৈ পুঁজি গঠন কৰাৰ বাবে কৰ্তৃপক্ষই যাতে বিহিত ব্যৱস্থা গ্ৰহণ কৰে।

মোৰ কাৰ্যকালত মোক বিভিন্ন ক্ষেত্ৰত মূল্যবান দিহা-পৰামৰ্শ দি সহায় কৰাৰ বাবে শ্ৰদ্ধাৰ মুহিধৰ চেতিয়া ছাৰ, মিণ্টু গগৈ ছাৰলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জনাইছো। একে আপাহতে মোক বিভিন্ন ক্ষেত্ৰত বিশেষভাৱে সহায়-সহযোগিতা আগবঢ়োৱা মোৰ বন্ধু সুৰেশ, বিজিত, আব্দুল, অমিতাভ, ভাৰ্গৱ, বিনয়, ডেভিদ, বিশ্ব, দেৱজিৎ, আইনু, মুনমীকে ধৰি ছাত্ৰাবাস আৰু ছাত্ৰীনিবাসৰ সমূহ আবাসীলৈ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰি মোৰ এই প্ৰতিবেদনৰ সামৰণি মাৰিলো।

সোণাৰি মহাবিদ্যালয়ৰ সৰ্বাংগিন উন্নতিৰ কামনাৰে—

নৱজ্যোতি গগৈ
সমাজসেৱা বিভাগৰ সম্পাদক
২০০৪-০৫ বৰ্ষ

## শৰীৰ চৰ্চা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন ঃ



প্ৰতিবেদনৰ আৰম্ভণিতে সোণাৰি মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয় ড° ৰাজেন তামুলিছাৰ, উপাধ্যক্ষ ৰতীপ্ৰভা গগৈ বাইদেউ, মোৰ চিৰনমস্য শিক্ষাগুৰু, ছাত্ৰ একতা সভাৰ সদস্য-সদস্যা তথা মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ শ্ৰদ্ধা আৰু আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলো।

যোৱা ২০০৫-০৬ বৰ্ষত মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ শৰীৰ চৰ্চা বিভাগৰ সম্পাদকৰূপে নিৰ্বাচিত কৰি মহাবিদ্যালয়লৈ সেৱা আগবঢ়োৱাৰ সুযোগ প্ৰদান কৰাৰ বাবে সমূহ ছাত্ৰ-ছাত্ৰীলৈ মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ 'সোণালী'ৰ যোগেদি ধন্যবাদ জ্ঞাপন কৰিলো। মোৰ কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছত প্ৰধান কাম আছিল শৰীৰ চৰ্চা বিভাগৰ ব্যায়ামসমূহৰ উন্নতি কৰা। তাৰ বাবে মোক ড° ৰাজেন তামুলী ছাৰ আৰু মোৰ incharge চক্ৰপানী পাটীৰ ছাৰে যথেষ্ট সহায় কৰিছিল। আৰু ইউ.জি.চি.ৰ লগত কথা পাতি এটা নতুন আধুনিক ব্যায়ামগাৰ (জীম) অনাৰ ব্যৱস্থা কৰিছো। হয়তো মোৰ কাৰ্যভাৰ শেষ হোৱাৰ আগে পাছে উক্ত জীমটো কলেজত স্থাপন হ'ব বুলি আশা ৰাখিলো। মোক কাৰ্যকালত শেষ হোৱা অন্তিম কাৰ্য আছিল মহাবিদ্যালয় ক্ৰীড়া সমাৰোহত ক্ৰীয়া বিভাগৰ অন্তৰ্গত শৰীৰ চৰ্চা বিভাগৰ প্ৰতিযোগিতাসমূহৰ অনুষ্ঠিত কৰা।





মহাবিদ্যালয়ত ছাত্ৰ-ছাত্ৰীসকলে সুপ্ত প্ৰতিভাসমূহ বিকশিত কৰি নিজকে এজন খেলুৱৈ হিচাপে পৰিচয় দিবলৈ হ'লে কঠোৰ অধ্যৱসায়ৰ প্ৰয়োজন। ২০০৫ চনৰ মহাবিদ্যালয়ৰ শৰীৰ চৰ্চা বিভাগৰ প্ৰতিযোগিতাসমূহত ছাত্ৰৰ তুলনাত ছাত্ৰীৰ সংখ্যা তেনেই নগণ্য। ছাত্ৰ সকলৰ দৰে ছাত্ৰী সকলেও বিভিন্ন খেল সমূহত অংশ গ্ৰহণ কৰাৰ লগতে খেলুৱৈসকলক উৎসাহিত কৰিবলৈ মই এই আলোচনীখনৰ যোগেদি অনুৰোধ জনালো।

বিভিন্ন সময়ত মহাবিদ্যালয়ৰ বন্ধু-বান্ধৱী, ছাত্ৰ একতা সভাৰ বিষয়ববীয়া তথা শিক্ষক-শিক্ষয়িত্ৰী আৰু ড° ৰাজেন তামুলী ছাৰ, incharge চক্ৰপানী পাটিৰ ছাৰে বিভিন্ন সময়ত সহায়-সহযোগিতা তথা দিহা-পৰামৰ্শ আগবঢ়োৱাৰ বাবে মই তেওঁলোকৰ ওচৰত চিৰকৃতজ্ঞ হৈ ৰলো। মোৰ কাৰ্যকালত বিভিন্ন ধৰণেৰে বিশেষভাৱে সহায় কৰা বাবে কুলৰঞ্জন ডেকা, চান্তি, বিকাশ, নিতুল, বাতুল দাক ধন্যবাদ জনালো।

শেষত সোণাৰি মহাবিদ্যালয় এখন আদৰ্শ মহাবিদ্যালয় হৈ উঠক তাৰ কামনাৰে

"জয়তু সোণাৰি মহাবিদ্যালয়"
"জয়তু সোণাৰি মহাবিদ্যালয় ছাত্ৰ একতা সভা"

চন্দ্ৰজ্যোতি দত্ত
শৰীৰ চৰ্চা বিভাগৰ সম্পাদক
২০০৫-০৬ বৰ্ষ

## ছাত্ৰ জিৰণী চৰা বিভাগ সম্পাদকৰ প্ৰতিবেদন ঃ



প্ৰতিবেদনৰ আৰম্ভণিতে সোণাৰি মহাবিদ্যালয়ৰ প্ৰধান অধ্যক্ষ মহোদয়ৰ প্ৰমুখ্যে সকলো শ্ৰদ্ধাৰ শিক্ষাগুৰুসকললৈ মোৰ শ্ৰদ্ধা জ্ঞাপন কৰিলো। ইয়াৰ লগতে সেই মহান ব্যক্তি সকললৈ হিয়াভৰা শ্ৰদ্ধা জনালো, যি মহান ব্যক্তিসকলে অতীজৰে পৰা আমাৰ সোণাৰি মহাবিদ্যালয়খন এখন স্বচ্ছ, নিকা আৰু জাকত-জিলিকা মহাবিদ্যালয়ত ৰূপান্তৰিত কৰি তুলিবলৈ উঠি-পৰি লাগিছে। ২০০৫-০৬ চনৰ ছাত্ৰ একতা সভাৰ ছাত্ৰ জিৰণী চৰাৰ সম্পাদক হিচাপে প্ৰতিদ্বন্দ্বতা কৰি বিজয়ী হোৱাত সহায় কৰা সকলো ছাত্ৰ-ছাত্ৰীকে মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো।

মই সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ জিৰণী চৰাৰ সম্পাদক হৈ নিজাববীয়াকৈ বিশেষ একো কাৰ্যপন্থা যিবোৰ উল্লেখযোগ্য হাতত ল'ব নোৱাৰিলো যদিও ছাত্ৰ একতা সভাৰ দ্বাৰা মহাবিদ্যালয়ত অনুষ্ঠিত কৰা সকলো কাৰ্যসূচীতে পূৰ্ণ সহযোগিতা আগবঢ়াও। মই মোৰ কাৰ্যকালত যিখিনি কাম কৰিবলৈ লওঁ তাৰ প্ৰায়খিনিয়েই কৰিবলৈ সক্ষম হওঁ যদিও কিছুমান বিশৃংখল ছাত্ৰৰ বাবে মই বহুত অসুবিধাৰ সন্মুখিন হওঁ। মই মোৰ এবছৰীয়া কাৰ্যকালত আমাৰ ছাত্ৰ জিৰণী চৰাটো পৰিষ্কাৰকৈ ৰাখিবলৈ যত্ন কৰিছিলো।

এই প্ৰতিবেদনৰ যোগেদি মই এই মহাবিদ্যালয়ৰ এজন ছাত্ৰ তথা ছাত্ৰ একতাসভাৰ আলোচনী সম্পাদক শ্ৰী অমৃত কুমাৰ গুৰুংদাৰ ওচৰত চিৰকৃতজ্ঞ হৈ ৰম। তেওঁ মোক আলোচনীত প্ৰবন্ধ, কবিতা আদি কেনেকৈ উন্নতমানৰ হিচাপে লিখিব লাগে সেই ক্ষেত্ৰত মোক সহায় নকৰাহেঁতেন মই কেতিয়াও আগবাঢ়িবলৈ সাহস নেপালোহেঁতেন।

মোক বিভিন্ন দিশত সহায়-সহযোগিতা আগবঢ়োৱাৰ বাবে সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়াসকলৰ লগতে মণ্টুদা, প্ৰকাশদা, সুৰেশদা, বন্ধু পুলক, আব্দুল, অমিতাভ, ৰাছিম, ৰন্তু, পল্লৱ, বিৰাজ, অসীম, হিৰেশ্বৰ, সুনিত, চন্দন, ঐশ্বৰ্য, ৰিমঝিম, মৃদুলা, সংগীতা, পাপৰি, অনামিকা, জোটিবা আৰু ত্ৰিবেণীবালৈ অশেষ ধন্যবাদ জ্ঞাপন কৰিলো। মোৰ লগত ঘটি যোৱা প্ৰতিটো ঘটনা-পৰিঘটনা মোৰ সদায় স্মৃতি কোঠাত আৱদ্ধ হৈ থাকিব আজীৱন। মই আশা ৰাখিছো উঠি অহা নৱ প্ৰজন্মই আমাৰ সোণাৰি মহাবিদ্যালয়খনৰ সোণালী ঐতিহ্য অটুট ৰাখিব আৰু এই মহাবিদ্যালয়খনৰ সৈতে আন্তৰিকতা গঢ়ি তুলি এক প্ৰতিযোগিতামূলক মনোভাৱ গঢ়ি তুলি নিজকে সকলো দিশৰ পৰা এক আদৰ্শবান ছাত্ৰ-ছাত্ৰী হিচাপে গঢ় দি মহাবিদ্যালয়ৰ মান যুগমীয়া কৰি ৰাখিব।

"জয়তু সোণাৰি মহাবিদ্যালয়"
"জয়তু সোণাৰি মহাবিদ্যালয় ছাত্ৰ একতা সভা"

শ্ৰদ্ধা আৰু কৃতজ্ঞতাৰে—
খঞ্জন বৰুৱা
ছাত্ৰ জিৰণী চৰা সম্পাদক
২০০৫-০৬ বৰ্ষ

## ছাত্ৰী জিৰণী চৰা বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন ঃ



প্ৰতিবেদনৰ আৰম্ভণিতে সোণাৰি মহাবিদ্যালয়ৰ পৰম শ্ৰদ্ধেয় অধ্যক্ষ মহোদয় ড° ৰাজেন তামুলিদেৱ প্ৰ মুখ্যে পৰম শ্ৰদ্ধাভাজন শিক্ষাগুৰুবৃন্দ তথা মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়া আৰু মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী, ভাইটি-ভণ্টিসকললৈ আৰম্ভণিতে মই যিসকল উচ্চ শিক্ষাৰ প্ৰতি আগ্ৰহী ব্যক্তিৰ একান্ত আগ্ৰহ আৰু প্ৰচেষ্টাৰ ফলস্বৰূপে আমাৰ এই মহাবিদ্যালয়খনি গঢ় লৈ উঠি সমাজৰ হিত সাধন কৰিলে সেই সকল ব্যক্তিক সুঁৱৰি তেওঁলোকৰ প্ৰতি মোৰ গভীৰ শ্ৰদ্ধা নিবেদিলো।

গত ২০০৫-০৬ বৰ্ষৰ ছাত্ৰ একতা সভাৰ ছাত্ৰী জিৰণী চৰা বিভাগৰ সম্পাদিকা হিচাপে বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হৈ মহাবিদ্যালয়লৈ সেৱা আগবঢ়াবলৈ পোৱাৰ বাবে মই সঁচাকৈ আনন্দিত। মোৰ কাৰ্যকালত মহাবিদ্যালয়ৰ ছাত্ৰী জিৰণী চৰাটোৰ বৰ বিশেষ এটা উন্নতি নহ'লেও এখন ড্ৰেচিং আইনা লগোৱাৰ ব্যৱস্থা কৰো। জিৰণী চৰাৰ প্ৰসাৰগাৰকেইটাও চাফ-চিকুণ কৰোৱাৰ ব্যৱস্থা কৰা হয় তদুপৰি ছাত্ৰ একতা সভাৰ অন্যান্য কাম-কাজত পূৰ্ণ সহায় সহযোগিতা আগ বঢ়াও।

শেষত মোৰ এই এবছৰীয়া কাৰ্যকালত মোক বিভিন্ন দিশত সহায়-সহযোগিতা, দিহা-পৰামৰ্শ দি কৃতাৰ্থ কৰা একতা সভাৰ সাধাৰণ সম্পাদক প্ৰমুখ্যে বিভিন্ন বিভাগৰ বিষয়ববীয়াসকল, শিক্ষাগুৰুবৃন্দক পুনৰ কৃতজ্ঞতা জনালো আৰু মোৰ কাৰ্যকালত অনিচ্ছাকৃতভাৱে হৈ যোৱা ভুল-ভ্ৰান্তিবোৰৰ বাবে ক্ষমা প্ৰাৰ্থনা খুজিলো।

মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যত কামনা কৰি মোৰ প্ৰতিবেদন সামৰিলো।

"জয়তু সোণাৰি মহাবিদ্যালয়"

"জয়তু সোণাৰি মহাবিদ্যালয় ছাত্ৰ একতা সভা"

নৱনীতা চেতিয়া
ছাত্ৰী জিৰণী চৰা বিভাগৰ সম্পাদিকা
২০০৫-০৬ বৰ্ষ



## স্মৰণীয় হৈ ৰ'ব....




মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত ৰাজ্যিক পৰ্যায়ত অনুষ্ঠিত হোৱা 'ভেট'ৰ কৰ্মশালাৰ এটি মুহূৰ্ত



মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা অধ্যক্ষ একাদশ বনাম সাধাৰণ সম্পাদক একাদশ প্ৰীতি ফুটবল খেলখনত অংশ গ্ৰহণ কৰা মহাবিদ্যালয়ৰ প্ৰৱক্তা আৰু কৰ্মচাৰীবৃন্দ



২০০৫-০৬ বৰ্ষত ডিব্ৰুগড় বিশ্ববিদ্যালয়ত অনুষ্ঠিত হোৱা যুব মহোৎসৱত অংশ গ্ৰহণ কৰি পুৰস্কৃত হোৱা মহাবিদ্যালয়ৰ দলটি



২০০৫-০৬ বৰ্ষত মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ ৰাহি হোৱা পুঁজিৰে মহাবিদ্যালয়ৰ পুথিভঁৰালত গ্ৰন্থ দান কৰাৰ মুহূৰ্তত ছাত্ৰ একতা সভাৰ বিষয়ববীয়া



মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহৰ উদ্বোধনী অনুষ্ঠানত মহাবিদ্যালয়ৰ ছাত্ৰীসকলে প্ৰদৰ্শন কৰা কুচ কাৱাজৰ দলটি



মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহৰ উদ্বোধনী অনুষ্ঠানত ভাষণৰত অৱস্থাত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ৰাজেন তামুলী ছাৰ


# পলকতে সোণাৰি মহাবিদ্যালয় ....



মহাবিদ্যালয়ৰ ছাত্ৰাবাস



মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহ



শ্বহীদ বেদী



মহাবিদ্যালয়ৰ ফুলৰ বাগিচা



মহাবিদ্যালয়ৰ কম্পিউটাৰ কক্ষ



মহাবিদ্যালয়ৰ নিৰ্মাণৰত অৱস্থাত বিজ্ঞান ভৱন